ISSN-0971-8397

যোজনা

আলোচনী গোষ্ঠীৰ মাহেকীয়া

# পয়োভৰা

ষষ্ঠ চত্বাৰিংশ বৰ্ষ | দ্বিতীয় সংখ্যা | এপ্ৰিল-২০১৫ | মূল্য ১০.০০ টকা

## নিৰ্মাণ খণ্ড ঃ বিকাশ আৰু প্ৰত্যাহ্বান

ভাৰতৰ নিৰ্মাণ খণ্ড ঃ নতুন পৰিপ্ৰেক্ষা আৰু বাধ্যবাধকতা
পি এম মেথিউ


নিৰ্মাণ চালিত বিকাশ , প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বান
অৰূপ মিত্ৰ


ভাৰতীয় নিৰ্মাণত বহনক্ষমতা আৰু অভিযোজনৰ প্ৰয়োজনীয়তা
বালাকৃষ্ণ চি ৰাও

শ্ৰমিক আইন আৰু ভাৰতৰ নিৰ্মাণ খণ্ড ঃ সংস্কাৰৰ প্ৰয়োজনীয়তা
দেৱাশিস্ মিত্ৰ

বিশেষ প্ৰবন্ধ

ভাৰতত আইন সাহায্য আৰু ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ ভূমিকা
মনোজ কুমাৰ সিনহা






*অধ্যয়ন কৰিবলৈ দিয়ক*

## আপোনাৰ শিক্ষা অব্যাহত ৰাখক
## মুকলি বিদ্যালয় অৱলম্বন কৰক

| পাঠ্যক্ৰম | নামভৰ্ত্তিৰ মাচুল (বিলম্ব মাচুল অবিহনে) | | | নামভৰ্ত্তিৰ তাৰিখ |
|---|---|---|---|---|
| | পুৰুষ | মহিলা | বহিৰ্ভূত শ্ৰেণী | |
| মুকলি বুনিয়াদী শিক্ষা<br>(তৃতীয়, পঞ্চম আৰু অষ্টম) | - | - | - | ৩০ জুন (প্ৰতি বছৰে) |
| মাধ্যমিক (দশম শ্ৰেণী)<br>(ক) ৫টা বিষয়ৰ বাবে<br>(খ) প্ৰতিটো অতিৰিক্ত বিষয়ৰ বাবে | <br>১৩৫০/- টকা<br>২০০/- টকা | <br>১১০০/- টকা<br>২০০/- টকা | <br>৯০০/- টকা<br>২০০/- টকা | খণ্ড - ১ ঃ ১৬ মাৰ্চ - ৩১ জুলাই (জৰিমনাবিহীন মাচুল)<br>১ আগষ্ট - ১৫ ছেপ্টেম্বৰ (জৰিমনা সহ)<br>খণ্ড - ২ ঃ ১৬ ছেপ্টে. - ৩১ জানু. (জৰিমনা অবিহনে)<br>১ ফেব্ৰুৱাৰী - ১৫ মাৰ্চ (জৰিমনা সহ) |
| জ্যেষ্ঠ মাধ্যমিক (দ্বাদশ শ্ৰেণী)<br>(ক) ৫টা বিষয়ৰ বাবে<br>(খ) প্ৰতিটো অতিৰিক্ত বিষয়ৰ বাবে | <br>১৫০০/- টকা<br>২৩০/- টকা | <br>১২৫০/- টকা<br>২৩০/- টকা | <br>৯৭৫/- টকা<br>২৩০/- টকা | খণ্ড - ১ ঃ ১৬ মাৰ্চ - ৩১ জুলাই (জৰিমনাবিহীন মাচুল)<br>১ আগষ্ট - ১৫ ছেপ্টেম্বৰ (জৰিমনা সহ)<br>খণ্ড - ২ ঃ ১৬ ছেপ্টে. - ৩১ জানু. (জৰিমনা অবিহনে)<br>১ ফেব্ৰুৱাৰী - ১৫ মাৰ্চ (জৰিমনা সহ) |
| বৃত্তিমূলক শিক্ষা কাৰ্যসূচী<br>(৬ মাহৰ পৰা ২ বছৰীয়া) | পাঠ্যক্ৰম আৰু সময়সীমাৰ ওপৰত ভিত্তি কৰি | | | প্ৰথম কাৰ্যকাল - ৩০ জুন (প্ৰতি বছৰে)<br>দ্বিতীয় কাৰ্যকাল - ৩১ ডিচেম্বৰ (প্ৰতি বছৰে) |

**নামভৰ্ত্তিৰ বাবে আপোনাৰ ওচৰৰ অধ্যয়ন কেন্দ্ৰ বা সংশ্লিষ্ট মাণ্ডলিক কেন্দ্ৰৰ সৈতে যোগাযোগ কৰক।**

**জৰিমনাসহ মাচুল, অধ্যয়ন কেন্দ্ৰ, মাণ্ডলিক কেন্দ্ৰ ইত্যাদিৰ বিষয়ে সবিশেষ জানিবৰ বাবে**

**NIOS Webside : www.nios.ac.in**

# National Institute of Open Schooling

**(An Autonomous Institution under Ministry of Human Resource Development, Govt. of India)**
**A-24/25, Institutional Area, Sector - 62, NOIDA, Gautam Budh Nagar (Uttar Pradesh)**
**Toll Free No. 1800-180-9393; email: lsc@nios.ac.in website: www.nios.ac.in**

**The Largest Open Schooling System in the World**

**পয়োভৰা**
**উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ অসমীয়া ভাষাৰ একমাত্ৰ মাহেকীয়া আলোচনী**

পৃষ্ঠা

| | | |
|---|---|---|
| ভাৰতৰ নিৰ্মাণ খণ্ডঃ নতুন পৰিপ্ৰেক্ষ্যা আৰু বাধাবাধকতা | পি এম মেথিউ | - ৩ |
| নিৰ্মাণ চালিত বিকাশ, প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বান | অৰূপ মিত্ৰ | - ১১ |
| ভাৰতীয় নিৰ্মাণত বহনক্ষমতা আৰু অভিযোজনৰ প্ৰয়োজনীয়তা | বালাকৃষ্ণ চি ৰাও | - ১৫ |
| শ্ৰমিক আইন আৰু ভাৰতৰ নিৰ্মাণ খণ্ডঃ সংস্কাৰৰ প্ৰয়োজনীয়তা | দেৱাশিষ মিত্ৰ | - ১৮ |
| ভাৰতত আইন সাহায্য আৰু ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ ভূমিকা | মনোজ কুমাৰ সিন্‌হা | - ২১ |
| ভাৰতত অত্যাধুনিক নিৰ্মাণঃ এটা অনিৰুদ্ধ সম্ভাৱনা | আনন্দ শৰ্মা<br>বীৰপল কৌৰ | - ২৫ |
| খৰটকীয়াকৈ বিক্ৰী হোৱা গ্ৰাহক সামগ্ৰীৰ ক্ষেত্ৰত বৌদ্ধিক সম্পতি বিষয়টোৰ গুৰুত্ব | অশ্বিনী চিৰাল | - ৩২ |
| ভাৰতত উৎপাজন ক্ষেত্ৰত প্ৰগতি | সুৰভি অৰোৱা | - ৩৬ |
| ভাৰতত অতীত আৰু বৰ্তমানৰ পেট্ৰ'লিয়াম মূল্যৰ পাঠ্যদ্ধাৰ | ছাইনী জেকব | - ৩৯ |
| ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত উদ্যমৰ শুভাৰম্ভ | মনোজ কে দাস | - ৪২ |
| মেইক ইন ইণ্ডিয়া অভিযানৰ বাবে গোলকীয় উৎপাদন নেটৱৰ্কৰ গুৰুত্ব | চি বীৰামণি | - ৪৭ |
| কৃষকৰ নামেৰে ধানৰ নামকৰণ | খগেন্দ্ৰ ৰাভা | - ৫২ |
| কণী যুজঁ | কৌস্তভমণি শইকীয়া | - ৫৫ |
| উন্নয়ন মানচিত্ৰ | ৩ নং বেটুপাত | |

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্চল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 46 No.2**
**ষষ্ঠ চত্বাৰিংশ বৰ্ষ ঃ দ্বিতীয় সংখ্যা**
**এপ্ৰিল ঃ ২০১৫**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে কে বি পথ নিউ কলনি গৃহ নং ৭,চেনিকুঠি
গুৱাহাটী-৭৮১০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইলঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
**প্ৰকাশক ঃ** অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
**মুদ্ৰক ঃ** আশী পাব্লিশিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিচ, বিবিধা কমপ্লেক্স, এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১

# এই সংখ্যাৰ প্ৰসংগত

প
য়ো
ভ
ৰা

## বিকাশৰ বাবে বৃহৎ অৱকাশ

যিকোনো অৰ্থনীতিৰ বিকাশত নিৰ্মাণ খণ্ডৰ উল্লেখযোগ্য গুৰুত্ব আছে। ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহে বিকাশ আৰু নিয়োগৰ কাৰণে নিৰ্মাণ উদ্যোগৰ ওপৰত অধিক নিৰ্ভৰ কৰিব লগা হয়।

পৰম্পৰাগতভাৱে কৃষিভিত্তিক দেশ ভাৰতৰ অৰ্থনীতিয়ে নিৰ্মাণ খণ্ডৰ উৎকৰ্ষৰ দিশে বৃহৎ জাপ দিছে। ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনত নিৰ্মাণ খণ্ডৰ ১৬ শতাংশ বৰঙণি আছে। কিন্তু নিয়োগ খণ্ড আৰু বিকাশলৈ ইয়াৰ বৰঙণি প্ৰকৃত সম্ভাৱনাতকৈ তলত আছে। সীমিত আৰু অনমনীয় শ্ৰম আইন দক্ষ কৰ্ম শক্তিৰ ওপৰত অ-দক্ষ কৰ্মশক্তিৰ প্ৰচুৰতা আৰু প্ৰযুক্তিগত অভিযোজনৰ অভাৱ আদি কাৰকে এই বিষয়ত বৰঙণি যোগাইছে।

সম্পদৰ বৈচিত্ৰ্য, দক্ষতাৰ ভিন্ন মাত্ৰা আৰু উপলব্ধ শ্ৰমিকৰ অৰ্হতাই সৰু আৰু বৃহৎ আকাৰৰ উদ্যোগৰ গুৰুত্ব অনুধাৱনৰ প্ৰয়োজনীয়তা সূচাইছে। কৃষিৰ পিছতে, পৰম্পৰাগত দক্ষতা আৰু জ্ঞানৰ ওপৰত অধিক নিৰ্ভৰশীল কুটীৰ শিল্প খণ্ডই সৰ্ববৃহৎ নিয়োগ সুবিধাৰ সৃষ্টি কৰে। ই দাৰিদ্ৰ মোচন আৰু উপাৰ্জন আৰু সম্পদৰ ন্যায়সংগত বিতৰণত সহায় কৰে। একে সময়তে বৃহৎ উদ্যোগে নিয়োগ সুবিধা আগবঢ়োৱাৰ উপৰিও ৰপ্তানিৰ উৎকৰ্ষ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, ফলত বিদেশী মুদ্ৰা আহৰণ বৃদ্ধি পায় আৰু সকলো দিশৰ সামাজিক বিকাশত অৰিহণা যোগোৱা ঘৰুৱা উৎপাদনৰ কাৰণে চাহিদা ভিত্তি সম্প্ৰসাৰণত সহায় কৰে।

ৰাষ্ট্ৰীয় নিৰ্মাণ নীতিয়ে এটা দশকৰ ভিতৰত মুঠ ঘৰুৱা উৎপাদনত নিৰ্মাণ খণ্ডৰ অংশ ২৫ শতাংশলৈ বৃদ্ধি কৰা আৰু ১০ কোটি চাকৰি সৃষ্টিৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। ই গ্ৰাম্য যুৱক/যুৱতীক নিয়োগযোগ্য কৰি তুলিবৰ বাবে প্ৰয়োজনীয় দক্ষতা প্ৰদান কৰি তেওঁলোকক সবলীকৰণ কৰিবলৈকো বিচাৰিছে। চৰকাৰে অলপতে উত্থাপন কৰা বাজেটখনে ঘৰুৱা আৰু আন্তৰ্জাতিক উদ্যোগ সৰলীকৰণ আৰু ডিজিটাইজেচন প্ৰক্ৰিয়া ব্যৱহাৰ কৰি অনুকূল পৰিৱেশ আৰু সুবিধা আগবঢ়াবৰ বাবে প্ৰচেষ্টা চলাইছে। "মেইক্ ইন ইণ্ডিয়া", "স্কিল ইণ্ডিয়া", 'মুদ্ৰা' আদি উদ্যোগসমূহে শিল্পোদ্যোগৰ উদ্যমত উৎসাহিত কৰিবলৈ আৰু ভাৰতক বিশ্বৰ ভিতৰত নিৰ্মাণ সক্ৰিয় কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। বাজেটখনে শক্তিশালী আন্তঃগাঁথনিৰ অভাৱ, শক্তি যোগানত প্ৰতিবন্ধকতা, অভিযোজন আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰয়োজনীয়তা আদিৰ লগত জড়িত বিষয় সমূহতো মনোযোগ দিব।

এই সংখ্যাত সন্নিৱিষ্ট প্ৰৱন্ধ সমূহত এতিয়ালৈকে কি কৰা হৈছে আৰু অধিক কি কৰাৰ প্ৰয়োজন আছে আদি বিষয়বোৰত আলোকপাত কৰা হৈছে।

সামৰণিত ক'ব পাৰি যে, বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতিত ভাৰতে নিজৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত নিৰ্মাণ খণ্ডই নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰাৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা আছে। চৰকাৰ আৰু উদ্যোগৰ শক্তিশালী অঙ্গীকাৰৰ সঠিক মিশ্ৰণে এইটো বাস্তৱত পৰিণত কৰিব পাৰে।

# নিৰ্মাণ খণ্ডৰ কাম-কাজ ঃ দৃশ্যপট আৰু কৰণীয় বিষয়

* পি এম মেথিউ

**পটভূমি**

ভাৰতৰ নিৰ্মাণ খণ্ডত যি অপৰ্যাপ্ত বিকাশ সাধন হৈছে তাৰ প্ৰভাৱ নিয়োগ সঞ্চাৰৰ ক্ষেত্ৰত আশাপ্ৰদ নহয়। বৰং তাৰ বিৰূপ প্ৰভাৱহে পৰা দেখা যায়। কৰ্মবাহিনীৰ বিতৰণ আৰু কৃষিত যি মূল্য আৰোপ কৰা হয় তাৰ মাজত সম্প্ৰতি দেখা দিয়া খেলি-মেলি অৱস্থা হ'ল আমাৰ দেশত বৃহৎ সংখ্যক লোক দৰিদ্ৰতাক আকোঁৱালি লোৱাৰ এটা প্ৰধান কাৰণ। শীঘ্ৰেই ইয়াৰ সংশোধন হোৱা আৱশ্যক। এই ক্ষেত্ৰত নিৰ্মাণ খণ্ডৰ এটা ডাঙৰ ভূমিকা গ্ৰহণ কৰিব লগা আছে। ই হ'ল এনে এটা আধাৰ য'ত লোকসকলে অধিক উপাৰ্জনৰ সন্ধানত কৃষি ক্ষেত্ৰৰ পৰা ওলাই গৈ নিৰ্মাণ কাম-কাজত যোগদান কৰিব পাৰে।

অধিক পৰিমাণে লাভ কৰা গোলকীয় অৰ্থনীতিত ৰপ্তানিৰ মাত্ৰা বৃদ্ধি কৰি প্ৰতিযোগিতামুখী কৰাৰ আৱশ্যকতা কিমান তাক বহলাই কোৱাৰ প্ৰয়োজন নাই। ভাৰতে নিশ্চয়কৈ নিৰ্মাণ কাম-কাজৰ ক্ষেত্ৰত চীনৰ সতে শাৰী মিলাবলৈ লক্ষ্য গ্ৰহণ কৰিব লাগিব। তাৰ কাৰণে কম মূল্যত পোৱা শ্ৰমিক আছেই। কিন্তু এই কৰ্মবাহিনীক দক্ষতাৰ গুণেৰে পুষ্ট কৰিব লাগিব। ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনত নিৰ্মাণ খণ্ডৰ অংশ হ'ল ১৭ শতাংশ। ইয়াৰ তুলনাত চীনত এই হাৰ হ'ল ৩০ শতাংশ, কোৰিয়াত ২৯ শতাংশ ব্ৰাজিলত ২৫ শতাংশ আৰু থাইলেণ্ডত ২৭ শতাংশ। অৱশ্যে আমাৰ আন সম্পদৰাজি আৰু আন্তঃগাঁথনি আশানুৰূপভাৱে অধিক নহয়। কিন্তু বিনিয়োগকাৰীয়ে সেইটোকে বিচাৰে। এই দুৰ্বলতাই দক্ষতা উন্মেষ সাধন কামত বিনিয়োগৰ সোঁত বোৱাত বাধা দিয়ে। পিছে আন কিছুমান খণ্ডৰ যি গতিধাৰা অব্যাহত আছে সেইটোৱে এই ইঙ্গিত দিয়ে যে বিশ্বৰ অন্যান্য নিৰ্মাণকাৰী সকলৰ বাবে ইয়াত অৱস্থান কৰাত এই বিস্তৃত সুবিধা আছে। তেনে খণ্ডবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল — অটো এণ্ড অটো কম্পোনেন্টছ, ৰসায়ন, ঔষধপাতি আৰু অভিযান্ত্ৰিক। দুটা প্ৰধান কাৰ্যসূচীৰ জৰিয়তে প্ৰধান মন্ত্ৰীয়ে নীতিৰ ওপৰত গুৰুত্ব দিয়া সম্পৰ্কে যি বক্তব্য ডাঙি ধৰিলে তাক এই পটভূমিত জনাটো উচিত হ'ব। "ভাৰতত তৈয়াৰ কৰক "(মেইক ইন ইণ্ডিয়া) আৰু " ভাৰতত দক্ষতা বঢ়াওক" (স্কিলিং ইন ইণ্ডিয়া) হ'ল সেই কাৰ্যসূচী অথবা আঁচনি।

কিন্তু পৰিতাপৰ কথা হ'ল ভাৰতে এই ক্ষেত্ৰত গভীৰতা হেৰুৱাইছে। চীনত মুঠ ঘৰুৱা উৎপাদন ভাৰততকৈ ৩.৮ গুণে অধিক। সেই দেশখনৰ যন্ত্ৰ সামগ্ৰীৰ উৎপাদন ৫৫ গুণে অধিক। এয়া নিৰ্মাণ কাৰ্যৰ মূল আধাৰ। ভাৰতে নিৰ্মাণখণ্ডৰ কাম-কাজ বছৰি ১২শতাংশৰ পৰা ১৪ শতাংশ বৃদ্ধি কৰিবৰ কাৰণে কৌশল উদ্ভাৱন কৰাৰ প্ৰয়োজন আছে। তেনেদৰে অহা ১৫ বছৰৰ ভিতৰত ১০০ নিযুত নতুন নিৰ্মাণমূলক চাকৰি সৃষ্টি কৰিব লাগিব - যাতে জনগাঁথনি বিষয়ক লভ্যাংশ উপলব্ধ কৰিব পাৰি আৰু মূলধনৰ গুৰুত্বপূৰ্ণ উদ্যোগবোৰত অধিক সজীৱতা প্ৰদান কৰিব পাৰি। লগতে প্ৰতিযোগিতামূলক আৰু বহনক্ষম অৱস্থা লাভ কৰিবৰ কাৰণে নিৰ্মাণ খণ্ডত নতুনত্ব অনাটো আন এটা মন কৰিবলগীয়া বিষয়। ইয়াৰ বাবে নিৰ্মাণ কৌশলৰ সতে সমন্বিতভাৱে সামঞ্জস্য ৰাখি কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাটো বাঞ্চনীয় আৰু সেই দৃষ্টিভঙ্গীক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত আমি যিবোৰ কৌশলত অভ্যস্ত তাৰ পৰা ফালৰি কাটি এটা পৰিবৰ্তিত দিশক আকোঁৱালি লোৱাটোকে সূচায়।

**নিৰ্মাণ কাৰ্যত প্ৰতিযোগিতাৰ ভাৱধাৰা**

প্ৰতিযোগিতামুখী অৰ্থনীতি হ'ল য'ত বৰ্তমান আৰু ভৱিষ্যতৰ সমৃদ্ধি সাধনৰ আধাৰ গঢ়ি উঠে তাৰ ওপৰত উৎপাদনশীল শক্তিক এটা কাৰকস্বৰূপ কৰি ল'ব পাৰে। প্ৰতিযোগিতামূলক দৃষ্টিভঙ্গীৰে সমৰ্থিত অৰ্থনৈতিক পৰিবেশে বেয়া অৱস্থাত থকা বাণিজ্য চক্ৰটোকো উজ্জীৱিত কৰি ৰাষ্ট্ৰীয় অৰ্থনীতিত বৰঙণি যোগাৱাত সহায় কৰিব পাৰে আৰু তেনেদৰে গ্ৰহণ কৰা কাৰ্য ব্যৱস্থাই এটা দৃঢ় অৰ্থনীতিৰ ভেটিৰে আগুৱাই যোৱাৰো নিশ্চিত কৰিব পাৰে।

ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামে প্ৰতিযোগিতামুখী ভাৱধাৰাক এলানি প্ৰতিস্থান, নীতি আৰু কাৰক শক্তি ৰূপে অভিহিত কৰিছে - যিটোৱে এখন দেশৰ উৎপাদনশীল ক্ষমতাৰ স্তৰ নিৰ্ণয় কৰে।

*পি এম মেথিউ ক্ষুদ্ৰ উদ্যোগ প্ৰতিস্থানৰ (ইনষ্টিটিউট অন স্মল এন্ট্ৰিপ্ৰেনিওৰ এণ্ড ডেভেলপমেন্ট) সঞ্চালক

আৰু এই উৎপাদনশীল স্থিতিয়ে সমৃদ্ধি সাধনৰ এটা নিৰন্তৰ স্তৰৰ পথ মুকলি কৰে। আন কথাত কবলৈ গ'লে অধিক প্ৰতিযোগিতামুখী অৰ্থনীতিয়ে জনগণৰ বাবে উচ্চ স্তৰৰ উপাৰ্জন কৰিবলৈ সমৰ্থবান কৰি তোলে।

### উদ্যোগৰ আকাৰ আৰু প্ৰতিযোগিতা

নিৰ্মাণ খণ্ডৰ ক্ষেত্ৰত ঘাইসুঁতিৰ আলোচনাত এতিয়ালৈকে উচ্চ প্ৰযুক্তিৰ বাণিজ্য তথা বৃহৎ উদ্যোগবোৰৰ ওপৰতহে বৈশিষ্ট্যপূৰ্ণ ভাবে আলোকপাত কৰা হৈছে আৰু এই ক্ষেত্ৰত স্বাভাৱিকতেই নিৰ্মাণমূলক কাম-কাজৰ বিষয়ত সন্দৰ্ভত আগবঢ়োৱা গুৰুত্বপূৰ্ণ ভাষণবোৰে এটা উজ্জীৱিত ভাৱৰ পৰিৱেশ সৃষ্টি কৰে কিন্তু আনহাতে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ভূমিকা নেপথ্যলৈ ঠেলি পঠোৱা হয়। পিছে বিকশিত অৰ্থনীতিয়ে মাজ মজিয়ালৈ আহি পৰা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমূহলৈ অধিক মনোযোগ প্ৰদান কৰাত সহায় কৰে।

আন্তৰ্জাতিক পৰিসংখ্যা মতে প্ৰথম বছৰটোত ৫০ শতাংশ আৰু প্ৰথম পাঁচ বছৰৰ ভিতৰত ৯৫ শতাংশ ক্ষুদ্ৰ ব্যৱসায়ে অসফলতাৰ মুখ দেখে। অনভিজ্ঞ উদ্যোগপতি, সঠিকভাৱে স্থান নিৰ্ণয় কৰিব নোৱাৰা তথা বিকাশৰ বাবে প্ৰয়োজন হোৱা মূলধনৰ নাটনিৰ দৰে কাৰবাৰৰ ক্ষেত্ৰত সদ্যহতে দেখা দিয়া অপাৰগতাৰ বাহিৰেও ব্যৱসায়ত আগবাঢ়িব নোৱাৰা কাৰণ হ'ল যেনেদৰে চলি আছে চলি থাকক মনোবৃত্তি। এইটোও সততে পৰিলক্ষিত হয় যে কিছু সফলতা লাভ কৰাৰ পাছত সেই সফলতাৰ ওপৰতেই ভেজা দি ব্যৱসায়ৰ গতিধাৰা অব্যাহত ৰাখিবলৈ বিচাৰে যিটোৱে সময় অতিক্ৰম কৰাৰ লগে লগে উৎপাদনশীল গুণ বৃদ্ধি কৰিবলৈ অক্ষম হয়। প্ৰতিযোগিতামুখী ভাৱধাৰাও ক্ৰমে সীমিত হয়। ফলস্বৰূপে বিক্ৰীৰ দিশটোত নিৰাশজনক ছবি প্ৰকট হোৱা স্বাভাৱিক। সেইদেখি উৎপাদনশীল অৱস্থা আৰু উদ্যোগৰ গুণগত দিশ বৃদ্ধি কৰাৰ প্ৰতি যাতে বিশিষ্ট্যপূৰ্ণভাবে বৰঙণি যোগাব পৰা যায় তাৰ কাৰণে নিৰন্তৰ প্ৰয়াসৰ প্ৰয়োজন।

আধুনিক বিশ্বৰ নিৰ্মাণ ক্ষেত্ৰত প্ৰতিযোগিতাৰ ভাৱধাৰা অৱলম্বন কৰা সম্পৰ্কে গোলকীয়কৰণ প্ৰক্ৰিয়া আৰু অৰ্থনীতি উদাৰীকৰণ কৰা বিষয়ৰ সতে সঙ্গতি ৰাখি আলোচনা কৰা প্ৰয়োজন। বিশেষত্ব প্ৰদানৰ ক্ষেত্ৰত শিথিল ব্যৱস্থা অৱলম্বন কৰা যুগৰ আৰম্ভণিতে নিৰ্মাণমূলক কাম-কাজত প্ৰতিযোগিতা-মূলক ভাৱধাৰাই এটা নতুন আকাৰ ধাৰণ কৰিছে। নিৰ্মাণ ক্ষেত্ৰত কাম-কাজত ঠাই বিশেষৰ প্ৰতি তেনেদৰে ধৰা বন্ধা নিয়ম নাই। তাৰ ফল ইতিবাচক কিম্বা নেতিবাচক দুয়োটাই হ'ব পাৰে। কিন্তু এইক্ষেত্ৰত লক্ষ্যণীয় বিষয়টো হ'ল ভিন ভিন স্থানত যি নিৰ্মাণ প্ৰক্ৰিয়াই ঠাই পায় সেইটোৱে খৰচৰ দিশৰ পিনৰ পৰা অৱস্থানৰ সা-সুবিধা কিমান তাক বুজি উঠি সেইমতে তাৰ পৰা সুফল আয়ত্ত কৰিবৰ বাবে সুযোগ -সুবিধা আগবঢ়ায়। সেয়েহে নিৰ্মাণ ক্ষেত্ৰত প্ৰতিযোগিতাৰ উন্মেষ সাধনৰ অৰ্থে বজাৰৰ পৰিব্যাপ্তি আৰু অৱস্থান তথা কাৰ্যকৰণৰ পৰিসৰ গুৰুত্বপূৰ্ণ আৰু সেইটোৱে আকাৰ ধাৰণত লক্ষ্যণীয়ভাবে এটা ভূমিকা গ্ৰহণ কৰে।

নিৰ্মাণ কামত প্ৰতিযোগিতাৰ দিশৰ পিনৰ পৰা সফলতা লাভ কৰিবৰ বাবে নতুনত্ব প্ৰদান কৰাটো আৱশ্যক হয় আৰু তেনে কৰিবলৈ যাওঁতে বিকাশৰ অন্য দিশবোৰৰ প্ৰতিও মনোযোগ দিয়া কৰ্তব্য। এইখিনিতে প্ৰশ্নৰ বিষয় হ'ল— প্ৰতিষ্ঠানে এখন বিস্তৃত বজাৰৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰেনে? নে তেনে প্ৰতিষ্ঠা অধিক হ্ৰসম্যাদী লক্ষ্য লাভ কৰাৰ প্ৰতিহে অধিক আগ্ৰহী? আৰু তেনে লক্ষ্য নিয়োগ সা-সুবিধা ৰক্ষা কৰাটো নেকি? ইয়াৰ উত্তৰত এইটোৱে ক'ব লাগিব যে নিৰ্মাণ বিষয়ক প্ৰতিযোগিতামূলক ভাৱধাৰাৰ ওপৰত যি কোনো আলাপ-আলোচনাৰেই গুৰুত্ব আছে। এনে আলোচনাত গোলকীয় প্ৰতিযোগিতাৰ বিষয়টোৱে বিস্তৃত বজাৰত সুচল প্ৰৱেশৰ বহু সুবিধা আনি দিয়ে; কাৰণ কিছুমান নজনা বিষয়ো জানিবলৈ সুবিধা হয় আৰু সেই অনুযায়ী প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ পথ মুকলি কৰে। তাৰ লগতে প্ৰযুক্তিৰ নতুন দিশ উন্মোচন কৰে আৰু দক্ষতাৰ মান উন্নীত কৰাতো সহায় কৰে।

### নিৰ্মাণমূলক প্ৰতিযোগিতাৰ সম্পৰ্কিত বিষয়

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ কেৱল ভাৰততেই নিৰ্মাণ খণ্ডৰ ৰাজহাড়স্বৰূপে নহয়, উন্নত দেশবোৰতো ইয়াৰ গুৰুত্ব আছে। সেইদেখি এই উদ্যোগৰ প্ৰতিযোগিতামূলক ভাৱধাৰা নিশ্চিত কৰাটো গুৰুত্বপূৰ্ণ বিষয়, কিয়নো ই নিৰ্মাণ খণ্ডৰ সামগ্ৰিক বিকাশ সাধনত সহায় কৰিব আৰু ৰাষ্ট্ৰীয় অৰ্থনীতিক সবল কৰাত বৰঙণি যোগাব। " সমষ্টিগত সক্ষমতা" আৰ্হিৰ সন্দৰ্ভত এটা দশক জোৰা পৰীক্ষা নিৰীক্ষাৰ পৰা এইটো স্পষ্ট হয় যে তেনে আৰ্হিৰ কাম-কাজে প্ৰতিষ্ঠানসমূহৰ সামগ্ৰিক উৎপাদন-শীলতাক দৃঢ় কৰাত বৰঙণি যোগায় আৰু সেই কাৰ্য এটা সমষ্টি বিশেষৰ অধীনতহে সমাধান কৰা হয়। আনহাতে দেশখনৰ নিৰ্মাণমূলক কাম-কাজৰ সামৰ্থ তেনেদৰে লাভ কৰা নহয়। এই দিশটোলৈ চাই এন এম চি পিৰ কাম আৰম্ভ কৰা হয়।

যিবোৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে নিজস্বভাৱে থিয় দি সামগ্ৰী উৎপাদন কৰে সেইবোৰ উদ্যোগে প্ৰতিযোগিতামূলক বিশ্বত নিজৰ স্থান নিৰূপণ কৰিবলৈ বিচাৰে আৰু সেই

অনুযায়ী তেনে উদ্যোগৰ কোম্পানীবোৰে পুনৰ গাঁথনি কৰিবৰ কাৰণে কাৰ্য ব্যৱস্থা হাতত লয়। এনে গোটবোৰৰ প্ৰয়োজনীয় সংশ্লিষ্ট বিষয়বোৰ বিশ্বায়নৰ জগতখনত চম্ভালিবলৈ বৰ টান হয়। সেইবোৰ উদ্যোগে পুনৰ আৱিষ্কাৰ আৰু পুনৰ গাঁথনি কৰাৰ আৱশ্যক হয় যাতে প্ৰতিযোগিতাত নামিব পাৰে। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবোৰে নতুনত্ব প্ৰদানত প্ৰয়াস কৰিব পাৰে। নতুন আৰু প্ৰযুক্তি বিকাশৰ কাৰণে এইবোৰ উদ্যোগ হ'ল উৎপত্তি থলী আৰু এনে থলীবোৰেই বৃহৎ কোম্পানীসমূহৰ কাৰণে প্ৰযুক্তিৰ উৎস হৈ পৰে। সেইদেখি এইবোৰ উদ্যোগক প্ৰযুক্তি বিকাশ আৰু প্ৰতিযোগিতাৰ ভাব দৃঢ় কৰিবৰ কাৰণে উৎসাহ-উদ্‌গণি জনোৱা আৱশ্যক। ক্ষুদ্ৰ উদ্যোগ আৰু বিকাশ প্ৰতিষ্ঠানৰ (ইন্‌ষ্টিটিউট অব্ স্মল এন্টাৰপ্ৰাইজ এণ্ড ডেভেলপমেন্ট) অধ্যয়নৰ পৰা এইটো দেখা যায় যে সংশ্লিষ্ট মন্ত্ৰালয়বোৰৰ ৰাজহুৱা কাৰ্যসূচী আৰু আঁচনি থকা সত্ত্বেও কোনেও প্ৰকৃততে এই বিষয়বোৰ সমাধান কৰিবলৈ সমৰ্থবান হোৱা নাই। সেয়ে ইয়াৰ আমূল পৰিবৰ্তন হোৱাৰ প্ৰয়োজন আছে।

প্ৰতিযোগিতাৰ পূৰ্ণতা লাভ কৰিবলৈ প্ৰযুক্তি, ব্যৱস্থাপনা আৰু আৰ্হিৰ সমাহাৰ ঘটাব লাগিব। পিছে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পৰিমাণৰ ভিতৰত এইটো সদায়েই সম্ভৱ হ'ব নোৱাৰে। ই হ'ল এনে এটা কাম য'ত আৰ্হিৰ ভূমিকাৰ প্ৰয়োজন হয়। তেনে প্ৰস্তুতকাৰীৰ আৰ্হিৰে বৰ্হি কৌশলৰ কাৰণে চাব পাৰে। আজিৰ বজাৰবোৰত নিজ স্থিতি বাহাল ৰাখিবৰ কাৰণে এটা পদ্ধতিগত দৃষ্টিভঙ্গীৰ আৱশ্যক আৰু তেনে আৱশ্যকতাখিনি পৰামৰ্শদাতা বা আৰ্হিৰ দ্বাৰাহে পূৰণ কৰা সম্ভৱ। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবোৰত এনে ভাৱৰ আদান-প্ৰদান হোৱা আৱশ্যক আৰু সেই অনুযায়ী তাক বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰাটোও বাঞ্চনীয়।

**প্ৰযুক্তি আৰু নতুনত্বত গুৰুত্ব**

নতুন সহস্ৰাব্দত উদ্যোগৰ বিকাশত দুটা বিষয়ে ঘাইকৈ ঠাই পায়। এটা বিষয় সৰহভাগ বিকাশমুখী দেশত প্ৰচলিত; আৰু সেয়া হ'ল বৃদ্ধি আৰু বিকাশ সাধন এলেকাবোৰত চৰকাৰৰ বৈশিষ্ট্যপূৰ্ণ ভূমিকা। পিছে এই সংক্ৰান্তত ঔদ্যোগিক দেশবোৰে নতুনত্ব প্ৰদানৰ ওপৰতহে অধিকভাৱে আলোকপাত কৰে।

মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হাৰ হিচাপে গৱেষণা আৰু বিকাশ ব্যয়ক প্ৰায়ে নতুনত্ব প্ৰদানৰ ক্ষেত্ৰত কি স্থিতি গ্ৰহণ কৰে তাৰ নিৰ্ণায়ক সীমা ৰূপে ব্যৱহাৰ কৰা হয়। ভাৰতৰ ক্ষেত্ৰত এই বিষয়টো বিস্তৃতভাৱে আলোচনা কৰা হয়। এনে যুক্তিও দৰ্শোৱা হয় যিটোৱে ভাৰতৰ "এছ এফ টি' সামৰ্থ্য যোৱা কেইবছৰমানত যথেষ্টভাৱে বৃদ্ধি পাইছে বুলি কব খোজে। পিছে যিবোৰ পৰিসংখ্যা লাভ কৰা হৈছে তাৰপৰা সম্পূৰ্ণ ছবি এখন পৰিস্ফুট নহয়। নতুনত্ব প্ৰদান তথা গৱেষণা আৰু বিকাশৰ ক্ষেত্ৰত কিমান ব্যয় কৰা হয় সেইটো দিশত ভাৰত এতিয়াও নিৰ্দিষ্ট চিহ্নৰ পৰা অনেক দূৰত আছে। মাত্ৰ চাৰিটা ভাৰতীয় কোম্পানীয়েহে বিশ্বৰ শীৰ্ষ স্থানীয় সহস্ৰ ব্যৱসায়িক কোম্পানীৰ তালিকাত স্থান দখল কৰিছে। এই কোম্পানীবোৰ গৱেষণা তথা বিকাশমূলক কাম-কাজ কৰা ব্যয়ৰ ক্ষেত্ৰত আগশাৰীত আছে। আনপিনে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সন্দৰ্ভতো ভাৰতৰ স্থিতি বেচ উৎসাহজনক বুলি ক'ব লাগিব। এই খণ্ডটোত ভিন ভিন ধাৰাৰ উৎপাদন সামগ্ৰী প্ৰস্তুত কৰা হয়; কিন্তু গৱেষণা আৰু বিকাশ বিষয়ত ইয়াৰ ছবিখন বৰ সন্তোষজনক নহয়। এই বিষয়ত আই এছ ই ডিয়ে কৰা এটা অধ্যয়নত প্ৰকাশ পাইছে।

প্ৰযুক্তিৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা হোৱা ক্ৰমে প্ৰতি দিনে বিশ্বত নতুন নতুন উৎপাদন আৰু প্ৰক্ৰিয়াই আকাৰ ধাৰণ কৰে। পিছ এনে প্ৰক্ৰিয়া আৰু উৎপাদনক আন প্ৰতিষ্ঠানবোৰে নিজ ক্ষেত্ৰত অৱলম্বন কৰে নে নকৰে সেইটো এটা প্ৰশ্নৰ বিষয়; কাৰণ এইবোৰ বিষয়ত কিছু গুৰুত্বপূৰ্ণ কাৰক নথকাও নহয় আৰু এই কাৰকক বহলভাৱে দুটা ভাগত ভগাব পাৰি। এটা হ'ল বাধ্যবাধকতাজনিত পৰিণাম আৰু আনটো হ'ল দমন কৰি ৰাখিবলৈ চেষ্টা কৰাৰ পৰিণাম।

**দক্ষতাৰ মান উন্নীতকৰণৰ প্ৰয়াস**

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰত্যেক মন্ত্ৰালয়ে সময়ে সময়ে বিভিন্ন ধৰণৰ দক্ষতাৰ মান উন্নত কৰা কাৰ্যসূচীত জড়িত হয়। কিন্তু এনেবোৰ কাৰ্যসূচী সততে খণ্ড আৰু উপ-খণ্ড পৰ্যায়ত কেনে ধৰণৰ দক্ষতাৰ প্ৰয়োজন হয় সেই হিচাপত আংশিক ৰূপত হাতত লোৱা হয় আৰু যদি অধিক দক্ষ লোক থাকে তেনেহ'লে তেনে অৰ্থনীতি অধিক উৎপাদনক্ষম, সৃষ্টিশীল আৰু প্ৰতিযোগিতামূলক হয়। নিয়োগৰ স্তৰ, ইয়াৰ গঢ়-গঠন আৰু নিয়োগ সা-সুবিধাৰ দিশবোৰ হ'ল যি কোনো অৰ্থনীতিৰ বিকাশ প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ নিৰ্ণায়ক চিহ্ন। প্ৰযুক্তিগত পৰিবৰ্তন আৰু গোলকীকৰণৰ বৃদ্ধিৰ গতিয়ে অৰ্থনৈতিক ক্ষেত্ৰত সম্প্ৰসাৰণ আৰু নিয়োগ সৃষ্টিত প্ৰত্যাহ্বানৰ বিষয়টো আহি পৰে আৰু তেনেদৰে সা-সুবিধাৰ দিশৰো সূচনা কৰে। এইবোৰ সা-সুবিধা গ্ৰহণ তথা সামাজিক ব্যয় হ্ৰাসকৰণে অধিক মুক্ত অৰ্থনীতিৰ প্ৰতি ধাবমান হোৱাটোকে পৰিস্ফুট কৰে। দেশ এখন যি স্তৰৰ তথা যি ধৰণৰ দক্ষ লোকৰ অধিকাৰী হয় সেইটোৱেই হ'ল এটা গুৰুত্বপূৰ্ণ কাৰক শক্তি। উচ্চ আৰু ভাল স্তৰৰ দক্ষলোক থকা দেশবোৰে সন্মুখত আহি পৰা প্ৰত্যাহ্বান আৰু গোলকীয়কৰণ সা-সুবিধাৰ সতে নিজকে অধিক

উপযুক্তভাৱে ৰজিতা খুৱাই লয়।

চাকৰিৰ ক্ষেত্ৰত ভাৰতৰ এটা ডাঙৰ সমস্যা আছে। দক্ষতাৰ পিনৰ পৰা প্ৰয়োজনীয় গুণৰ অভাৱ। যদি লোকসকলে বুনিয়াদী প্ৰশিক্ষণ লাভ কৰে তেনেহ'লে নিয়োগৰ ক্ষেত্ৰত সেইটো সহায়ক হ'ব। এই কথাটো লক্ষ্য ৰাখি ডেৰ বছৰৰ আগতে আৰম্ভ কৰা আঁচনিখনৰ লক্ষ্য হ'ল ৯৩ শতাংশ অৰ্দ্ধ-কুশলী তথা দক্ষ অসংগঠিত শ্ৰমিক বাহিনী তৈয়াৰ কৰা। দেশখনৰ কম দক্ষ প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত থকা প্ৰভেদখিনি পূৰণ কৰাই হ'ল ইয়াৰ লক্ষ্য। ২০২০ চনৰ ভিতৰত দেশত প্ৰায় ২.৫ নিযুত বুনিয়াদী প্ৰশিক্ষণৰ বাবে আসন থাকিব আৰু প্ৰতি বছৰে ১২.৮ নিযুত লোক কাম-কাজত নিয়োগৰ সুবিধা পাব।

এইটো অনুমান কৰা হৈছে যে বিশ্বত ২০২০ চনৰ ভিতৰত ৫৪০ নিযুত দক্ষ লোকৰ প্ৰয়োজন। চিকিৎসক, অভিযন্তা, প্ৰবন্ধক আদিকে ধৰি অধিক দক্ষ আৰু অৰ্দ্ধ দক্ষ এইসকল লোক হোৱা আৱশ্যক। ইয়াৰ ভিতৰত সেই হিচাপ মতে ভাৰতৰ পৰা প্ৰায় ৫০ শতাংশ দক্ষ লোক থাকিব। দেশখনৰ পৰা বাহিৰলৈ যিমান সংখ্যক দক্ষ লোক প্ৰব্ৰজন কৰিব তাৰৈ চাই দেশৰ ভিতৰত প্ৰত্যেক স্তৰতে এটা বিৰাট সুৰুঙা গা কৰি উঠাৰ সম্ভাৱনা আছে। পিছে ইয়াৰ বিৰূপ প্ৰভাৱ ঘাইকৈ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগত পৰিব। ইয়াৰ উপৰি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডত বেতনৰ হাৰ বৃদ্ধি কৰাৰ পথ মুকলি কৰিব। ফলস্বৰূপে এনে উদ্যোগৰ বহু গোট নিৰ্ভৰশীল হোৱাৰ সম্ভাৱনা কম হ'ব। ইয়াৰ বাবে এই উদ্যোগ খণ্ডই দক্ষ লোক সৃষ্টি কৰা সুৰুঙাৰ বিষয়টো সমাধান কৰিবৰ বাবে এটা স্থায়ী ব্যৱস্থা কৰাটো প্ৰয়োজন।

প্ৰধান মন্ত্ৰীয়ে স্বাধীনতা দিৱসত দিয়া ভাষণত উল্লেখ কৰাৰ দৰে দক্ষতা বিকাশৰ প্ৰতি এটা সংহত দৃষ্টিভংগী অৱলম্বন কৰাটো হ'ল এটা তাৎপৰ্যপূৰ্ণ বিষয়। ২০১৪ বৰ্ষৰ কেন্দ্ৰীয় বাজেটতো ৰাষ্ট্ৰীয় বহু দক্ষ কাৰ্যসূচীৰ (নেশ্বনেল মাল্টি-স্কিলিং প্ৰ'গ্ৰাম) বিষয়ে উল্লেখ কৰা হয়। এই কাৰ্যসূচীৰ লক্ষ্য হ'ল যুৱকসকলক দক্ষ কৰি তোলা। নিয়োগৰ ক্ষেত্ৰত ইয়াত গুৰুত্ব দিয়া হ'ব অৰ্থাৎ নিয়োগ উপযুক্ত কৰি তোলা হ'ব তথা সফলতা লাভ কৰিবৰ বাবে এটা দৃঢ় মানসিকতা গঢ়ি তোলা হ'ব। ই পৰাম্পৰাগত জীৱিকা বৃত্তিৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিব আৰু তেনেদৰে প্ৰয়োজনীয় সমৰ্থনো জগাব। তেনেবোৰ বৃত্তি হ'ল, যেনে- জালাই মিস্ত্ৰী, কাঠমিস্ত্ৰী, ৰাজমিস্ত্ৰী, কমাৰ, বয়ন শিল্পী ইত্যাদি। এই উদ্দেশ্যত উপনীত হ'ব কাৰণে বিভিন্ন আঁচনি মিলাই এটা সমাহিত ৰূপ প্ৰদানৰ বিষয়েও প্ৰস্তাৱ কৰা হয়। "দক্ষ ভাৰত" কাৰ্যসূচী হ'ল এটা গুৰুত্বপূৰ্ণ পদক্ষেপ যিটো শ্ৰমিকৰ ক্ষেত্ৰত থকা বজাৰক ৰাজহুৱা নীতিৰদ্বাৰা কৰ্মক্ষম কৰি তোলা হ'ব। সদ্যহতে গ্ৰহণ কৰা পদক্ষেপতকৈ ই পৃথক। ৰাজহুৱা নীতিৰ মূল কাম হ'ল শ্ৰমিকৰ বজাৰত সা-সুবিধা নিশ্চিত কৰা। বিকাশমুখী অৰ্থনীতিত সুবিধা যথেষ্ট আছে আৰু ৰাজহুৱা নীতিয়ে ইয়াৰ সামৰ্থ্যসমূহ উপলব্ধ কৰাৰ বহু গুৰুত্ব আছে। প্ৰস্তাৱিত কাৰ্যসূচীত তেনে বিষয়বোৰৰ নিশ্চয়তা প্ৰদান কৰিবলৈ বিচৰা হৈছে আৰু সেয়েহে ই হ'ল ব্যক্তিগত খণ্ডৰ বিকাশৰ ক্ষেত্ৰত অৱলম্বন কৰা উপায়সমূহৰ পৰা যথেষ্ট পৃথক।

২০১৫ বৰ্ষৰ বাজেটত এই ক্ষেত্ৰত ক্ৰমবৰ্দ্ধমান প্ৰচেষ্টা গ্ৰহণ কৰাৰ বিষয়ে প্ৰস্তাৱ কৰা হৈছে। শিক্ষা খণ্ডত দক্ষতাৰ বিকাশৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে সেইটো বাজেটত সুস্পষ্ট আৰু সেয়ে তলৰ পৰ্যায়ত চাকৰি সৃষ্টিৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰিব পাৰি। বাজেটত ভালেকেইটা খণ্ডত যথেষ্ট পৰিমাণে বিনিয়োগ কৰিবলৈও প্ৰস্তাৱ কৰা হৈছে। তেনে খণ্ডবোৰ হ'ল আন্তঃগাঁথনি, শক্তি, নিৰ্মাণ, স্বচ্ছ ভাৰত, গংগা পৰিষ্কাৰকৰণ আৰু ডিজিটেল ইণ্ডিয়া। তেনে বিনিয়োগৰ অৰ্থ হ'ল উদ্যোগৰ বাবে দক্ষতা ভিত্তিক প্ৰশিক্ষণ আৰু কামৰ বাবে সক্ষম কৰি তোলা উপযুক্ত লোক। "দক্ষ ভাৰত" আৰু ৰাষ্ট্ৰীয় দক্ষতা অভিযান " - এ ৩১ টা খণ্ডত কৰ্ম দক্ষতাক সুদৃঢ় কৰিবলৈ প্ৰস্তাৱ কৰিছে।

এটা প্ৰতিষ্ঠানৰ স্থাপত্য বিষয়ক যোগসূত্ৰ ৰাখিবৰ কাৰণে ব্যৱস্থাপনা আৰু সাংগাঠনিক দিশটোৰ কিছু পৰিবৰ্তন হোৱা দৰকাৰ। তাত ভাল হস্তান্তৰকৰণ আৰু সমন্বয় সাধনৰ নতুন ব্যৱস্থা থাকিব লাগিব তথা নতুনত্ব সৃষ্টিৰ প্ৰতি অধিক অনুকূল এটা নীতি বিষয়ক পৰিৱেশ গঢ়ি উঠিব লাগিব। লগতে এইটোও প্ৰয়োজনীয় বিষয় যে ভাৰতত জ্ঞানৰদ্বাৰা পৰিচালিত উদ্যোগসমূহে নতুনত্ব তথা গৱেষণা আৰু বিকাশৰ নেটৱৰ্ক আৰ্হি গ্ৰহণ কৰা উচিত আৰু তাৰ বাবে গৱেষণা প্ৰতিষ্ঠান, বিশ্ববিদ্যালয় তথা অন্য সংগঠনৰ সতে সহযোগৰ ক্ষেত্ৰখন বিস্তৃত কৰা প্ৰয়োজন। নিৰ্মাণ খণ্ডৰ কাৰণে এনেবোৰ প্ৰয়াসক সমৰ্থন আৰু উৎসাহিত কৰা উচিত। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগকে ধৰি আন ব্যৱসায়ৰ মাজত 'আই পি আৰ' ৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ অৰ্থ হ'ল সেইবোৰ প্ৰতিষ্ঠানে কি ধৰণৰ কৌশল অৱলম্বন কৰিব লাগিব সেই সম্বন্ধে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত নিজকে সমৰ্থবান কৰি তোলা।

সমন্বিত কাৰ্যসূচীৰ গুৰুত্ব কিমান তাক বুজি উঠাৰ পাছতো ইয়াৰ প্ৰাসঙ্গিকতা ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক যথেষ্টভাৱে দিয়া হোৱা নাই। ইয়াৰ প্ৰধান কাৰণ হ'ল বিষয়টোৰ জটিলতা। সাধাৰণ উদ্যোগীয়ে ইয়াক বুজিব নোৱাৰে। তেওঁলোকৰ বুদ্ধিমত্তাই এই বিষয়টো সঠিকভাৱে স্পৰ্শ কৰিব নোৱাৰে। ইয়াৰ উপৰি প্ৰতিষ্ঠানৰ

ক্ষুদ্ৰ আকাৰ তথা বজাৰৰ ওপৰত তৎকালীন আলোকপাতে উদ্যোগী-সকলক সমন্বিত কাৰ্যসূচীৰ প্ৰতি মনোযোগ দিবলৈ কমেইহে সুবিধা দিয়ে আৰু এনে অৱস্থিতিত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পৰম্পৰাগত ক্ষেত্ৰসমূহত বহুৰাষ্ট্ৰীয় উদ্যোগ অথবা কৰ্পোৰেট খণ্ডই অনুপ্ৰৱেশ কৰে। তাৰ পৰা কিছুমান গুৰুত্বপূৰ্ণ ক্ষেত্ৰক ৰক্ষা কৰিবলৈ চিন্তা কৰা বাঞ্ছনীয়।

## ঔদ্যোগিক নীতি

ভাৰতৰ নিয়োগ উদ্ৰেক নীতি বহু স্ব-নিয়োজন আঁচনিৰে গঠিত যাক ক্ষুদ্ৰ-মজলীয়া উদ্যোগ নীতি ৰূপে মুটামুটিভাবে কব পাৰি। এই নীতি ঘাইকৈ ক্ষুদ্ৰ ব্যৱসায়ী বনাম বৃহৎ ব্যৱসায়ীৰ মাজত দেখা দিয়া অসুবিধাৰ বিষয়সমূহ সমাধান কৰিবলৈ বিত্ত ব্যৱস্থাৰে প্ৰয়াস কৰা হয়। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ নীতিৰ ঘাই আলোকপাতৰ বিষয় হ'ল ক্ষুদ্ৰ ব্যৱসায় সৃষ্টি কৰা, কিন্তু উদ্যোগীসকলক পুষ্ট কৰা নহয়। উদ্যোগীসকলৰ কিছুমান নিজাববীয়া সুবিধা আছে। সঠিক বজাৰৰ সংকেত লাভ কৰিলে তেওঁলোকে অনিশ্চয়তাই ঘেৰি ধৰা অৱস্থাতো ভাল ব্যৱসায়ৰ পৰিবেশ সৃষ্টি কৰিব পাৰে আৰু সেই অনিশ্চয়তাৰ উদ্ভৱ হয় ক্ষীপ্ৰভাবে পৰিবৰ্ত্তিত সামাজিক আৰু ৰাজনৈতিক পৰিবেশৰ হেতু। সমগ্ৰ বিশ্বতে এতিয়া এইটো বৰ্দ্ধিতভাবে উপলব্ধি কৰা হৈছে যে স্ব-নিয়োজন আঁচনিৰ বাবে বিপুল পৰিমাণৰ আবন্টন আৰু ক্ষুদ্ৰ ব্যৱসায়ৰ অৰ্থে এটা ভাল পৰিবেশ সৃষ্টি কৰাটোৱেই বিকাশ উন্মেষ সাধন ব্যৱসায়ৰ থলী নিশ্চিত কৰাৰ ক্ষেত্ৰত যথেষ্ট নহয় আৰু অধিক নিয়োগ সঞ্চাৰ তথা এটা নিৰন্তৰ প্ৰতিযোগিতামুখী সুবিধা গঢ় দিব বুলিও ক'ব পৰা নেযায়।

এটা ঔদ্যোগিক ধ্যান-ধাৰণাৰ মাজলৈ ভাৰতীয় অৰ্থনীতিক পৰ্যবসিত কৰা সন্দৰ্ভত লাভ কৰা অগ্ৰগতিৰ লেখ তথা পুনৰীক্ষণ কৰাটো গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ কাৰণে কিছুমান ব্যৱস্থা উদ্ভাৱন কৰা প্ৰয়োজন। ৰাষ্ট্ৰীয় উদ্যোগিক নীতিৰ ৰূপায়ণ কাৰ্য এটা মন্ত্ৰালয়ৰ ওপৰতেই এৰি দিব নোৱাৰি। ইয়াৰ বিকাশ সাধনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদানৰ বাবে আন্তঃমন্ত্ৰালয় কাৰ্যকাৰী গোটৰ প্ৰয়োজন। থলুৱা স্তৰত নিশ্চয়কৈ বিভিন্ন শিক্ষা, বিত্ত আৰু সামাজিক -সাংস্কৃতিক সংগঠনসমূহৰ মাজত সহযোগ স্থাপন কৰি আগবঢ়া দৰকাৰ আৰু এনে প্ৰতিষ্ঠান কিম্বা সংগঠন ৰাজহুৱা তথা ব্যক্তিগত খণ্ড উভয়ৰে হোৱা উচিত। থলুৱা স্তৰত এটা শক্তিশালী ৰাজনৈতিক নেতৃত্বৰ অবিহনে এনে কৰাটো সম্ভৱ নহয়। তেনে নেতাৰ পেছাদাৰী আৰু সামাজিক কামত জড়িত লোকসকলক একেলগ কৰাৰ সামৰ্থ্য থাকিব লাগিব। উদ্যোগ সংক্ৰান্তীয় অৰ্থনীতিৰ বিষয়ে ভালদৰে বুজি উঠা এজন তৰুণ নেতা সম্ভৱতঃ দেশখনৰ ঔদ্যোগিক ৰূপান্তৰ সাধন প্ৰক্ৰিয়াক আগুৱাই নিবৰ বাবে উপযুক্ত হ'ব। যি ক্ষেত্ৰত নিৰ্মাণ খণ্ডৰ প্ৰতিযোগিতামূলক কাৰ্যক্ৰমণিকা আছে তেনে অৱস্থাত ভাৰতৰ কাৰণে ৰাষ্ট্ৰীয় উদ্যোগ নীতি হাতত লোৱাটো এয়াই হ'ল সঠিক সময়।

ক্ষীপ্ৰভাবে প্ৰসাৰ লাভ কৰা বিশ্বায়ন গতিয়ে থলুৱা, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সমন্বিত কৰা প্ৰক্ৰিয়াক উজ্জীৱিত কৰিছে আৰু এই গতিশীল বিপণন স্থানত ব্যৱসায়ৰ প্ৰতি কৌশল অৱলম্বন কৰাটো বিশেষ গুৰুত্ব বহন কৰিছে। সেই বাবে থলুৱা উদ্যোগবোৰে নিজৰ ব্ৰেণ্ড তৈয়াৰ কৰিবলৈ অথবা আন্তৰ্জাতিক উদ্যোগৰ সতে মৰ্চা গঠন কৰা উচিত যাতে তেনে থলুৱা উদ্যোগ সু-সজ্জিত হৈ প্ৰতিযোগিতাত নামিব পাৰে। পুৰণি ঢঙৰ একক বিপণন প্ৰক্ৰিয়াকে অব্যাহত ৰখা থলুৱা ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবোৰে নিজৰ কৌশলৰাজি চলিত গতিৰ সতে খাপ খুৱাই লোৱা উচিত আৰু লগতে নিজৰ প্ৰতিযোগিতামূলক শক্তিক সৱল কৰিবলৈ সুবিধা গ্ৰহণ কৰাও উচিত। তাৰ দ্বাৰাই ব্যৱসায়িক পৰিৱেশৰ উন্নতি সাধন কৰি নিজৰ ব্ৰেণ্ডৰ পৰিচয় খটুৱাই পৰিশেষত প্ৰতিযোগিতাৰ জগতখনত খোপনি পতা প্ৰয়োজন।

## জ্ঞান পদ্ধতিৰ বিকাশ

উদ্যোগ বিকাশৰ ক্ষেত্ৰত, বিশেষকৈ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সন্দৰ্ভত কৰা বহু অধ্যয়নৰ পৰা এইটো জনা গৈছে যে তেনে বিকাশ সাধনৰ ক্ষেত্ৰত জ্ঞান সম্ভাৰৰাজিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বৰ্ত্তমানৰ জ্ঞানৰদ্বাৰা পৰিচালিত অৰ্থনীতিত এনে সম্ভাৰ-ৰাজিয়ে সমগ্ৰ কাৰ্যকৰণ ব্যৱস্থাত এটা গতি সঞ্চাৰিত কৰে। জ্ঞান এটা অতি গুৰুত্বপূৰ্ণ বিকাশ ব্যৱস্থাৰূপে বিবেচিত হৈছে আৰু ইয়াৰ পূৰ্ণ প্ৰয়োগে ভাৰতৰ বিকাশ গতিক নিশ্চিত ভাবে আগলৈ সঞ্চালিত কৰি লৈ যাব পাৰে। ভাৰতত জ্ঞানৰ সঞ্চাৰ আৰু তাৰ প্ৰয়োগৰ মাজত এটা বৰ্দ্ধিত প্ৰভেদ আছে। ইয়াক সঠিক কৌশল অৱলম্বন কৰি পূৰ্ণ কৰিব লাগে।

অৰ্থনৈতিক বিকাশ প্ৰক্ৰিয়া অধিক জ্ঞান উন্মেষ সাধনলৈ পৰিণত হৈছে। এটা হিচাপ মতে সকলোবোৰ ঔদ্যোগিক উৎপাদনৰ ভিতৰত ৫০-৬০ শতাংশ তথ্যৰ ওপৰত ভিত্তি কৰা। আধুনিক নিৰ্মাণ উদ্যোগসমূহে উৎপাদন প্ৰক্ৰিয়া ব্যৱস্থাত যিমান খৰচ আৰু সময়ৰ ওপৰত মনোযোগ দিয়ে ঠিক তেনেদৰে গুণগত দিশৰ তথ্য ব্যৱস্থাৰ ওপৰতো সমানেই নিজ স্থিতি বাহাল ৰাখিবলৈ পায়। সেৱা খণ্ড— যি হ'ল বিশ্ব অৰ্থনীতিত নতুন চাকৰি আৰু অৰ্থনৈতিক বিকাশৰ বৃহত্তম উৎস— সেয়াও প্ৰকাৰান্তে জ্ঞান-ভিত্তিক আৰু ইয়াৰ ওপৰত নিৰ্ভৰ কৰিয়েই

চলমান শক্তি অব্যাহত থাকে।

## তথ্য ব্যৱস্থাপনা

তথ্য ব্যৱস্থাপনাই তথ্য ভিত্তিক আকাৰত তথ্য দিহা কৰাত ন্যস্ত হয় আৰু জ্ঞান ব্যৱস্থাপনাই আনৰ জ্ঞানৰাশিক বিভিন্ন কামত খটুৱাবলৈ চায়। চমু পথ অৱলম্বন কৰি সমগ্ৰ ব্যৱসায়ৰ ৰূপান্তৰ কেনেদৰে সাধিব পৰা যায় তাৰ প্ৰতি বেচ সচেষ্ট হয়। ব্যৱস্থাপনা সঠিক হ'লে জ্ঞান ব্যৱস্থাপনা হিতসাধন কাৰক আৰু অতি গুৰুত্বপূৰ্ণ বিষয়। পিছে একক কাম-কাজতকৈ গাঁথনিগত পদ্ধতি আৰু নিয়মৰ মাজেৰে নিৰন্তৰতা অটুট ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

চাৰিবিধ জ্ঞান প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি বিকাশ কাৰ্যসূচীয়ে আকাৰ লয়ঃ-

১) **জ্ঞান সঞ্চাৰ তথা আহৰণ ঃ** বৈজ্ঞানিক আৱিষ্কাৰ , গৱেষণা আৰু বিকাশ, প্ৰযুক্তিৰ হস্তান্তৰ, সংগঠন আৰু সাংস্কৃতিক অভ্যাসৰাজিৰ জৰিয়তে ইয়াৰ স্থিতি নিৰূপণ কৰে।

২) **জ্ঞান অৱলম্বনঃ** কোনো নিৰ্দিষ্ট ক্ষেত্ৰ, প্ৰয়োজনীয়তা আৰু কাৰ্যকৰণৰ পৰিৱেশত নতুন সৃষ্টিৰ জৰিয়তে এনে হোৱা উচিত।

৩) **ভিন্ন ক্ষেত্ৰলৈ জ্ঞান বিতৰণঃ** সমাজত জ্ঞান ৰাজিক কাৰ্যত পৰিণত কৰিবৰ বাবে দায়িত্ব তথা জ্ঞান বিকাশ তথা উপৱিষ্ট কৰোঁতাসকলৰ পৰা উপলব্ধ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক মাধ্যমৰ জৰিয়তে এই কাৰ্য সাধন কৰা উচিত।

৪) **জ্ঞানৰ প্ৰয়োগঃ** বাস্তৱ ক্ষেত্ৰত সুফল লাভ কৰিবলৈ ক্ষেত্ৰ, কাৰখানা, শ্ৰেণীকোঠা, চিকিৎসালয় আৰু অন্য কাম-কাজত প্ৰত্যেক স্তৰতে দক্ষতামূলক কাৰ্যৰ জৰিয়তে ইয়াৰ প্ৰয়োগ হোৱা উচিত।

ভাৰতৰ প্ৰসঙ্গত এই ভূমিকাবোৰ ইয়াৰ সতে জড়িত থকা বহু অনুষ্ঠান-প্ৰতিষ্ঠানে সাধন কৰে আনকি তেনে গোট বিশেষৰ ভিতৰতেই ভিন্ন সাংস্কৃতিক অভ্যাসে ঠাই পায়। ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড উভয়ৰ পৰা পাব পৰা এনে জ্ঞানৰাজি ক্ষীপ্ৰ বিকাশ কামত ব্যৱহাৰ কৰি উপকৃত হ'বলৈ কৰা প্ৰয়াস এতিয়া এটা প্ৰত্যাহ্বান হৈ পৰিছে। বাস্তৱ স্তৰত বিভিন্ন অৰ্থনৈতিক মন্ত্ৰালয় আৰু বিভাগৰ কাৰ্যসূচী আৰু আঁচনিসমূহত পূৰ্ণভাৱে পৰ্য্যালোচনা কৰাটো প্ৰয়োজন; কিয়নো এনেবোৰ আঁচনিৰ প্ৰায়ভাগেই এতিয়া অপ্ৰাসঙ্গিক কিম্বা কামত নাহে। চৰকাৰী-বেচৰকাৰী অংশীদাৰিতাৰে সতৰ্কতাৰে ভাবি-গুণি ব্যক্তিগত খণ্ডৰ বিশেষত্ব বিষয়বোৰক প্ৰণালীবদ্ধভাৱে কামত লগাব পাৰিলেহে পৰিস্থিতিৰ উন্নতি সাধন কৰাত সহায় কৰিব পাৰে।

## আন্তঃগাঁথনিৰ ভূমিকা

এখন দেশৰ অৰ্থনৈতিক বিকাশৰ বাবে এটা আধুনিক, সু-সংগঠিত আৰু বহলভিত্তিক আন্তঃগাঁথনি হ'ল এটা প্ৰাক্ প্ৰয়োজনীয় বিষয়। বিত্ত মন্ত্ৰালয়ৰ হিচাপ মতে প্ৰায় ১ লাখ কোটি টকাৰ আন্তঃগাঁথনিমূলক বিলম্ব কৰা হৈছে। প্ৰকল্পসমূহৰ ৰূপায়ণ কৰাৰ সময় আৰু খৰচৰ মাত্ৰা বাঢ়ি যাবলৈ ধৰিছে আৰু এইটোৱেই খণ্ডটোৰে সফলতা লাভ নকৰাৰ প্ৰধান কাৰণ। যোৱা কেইবছৰমানত নিৰ্মাণ খণ্ডত যথেষ্টভাৱে লেহেমীয়া গতিয়ে ঠাই পাইছে। তাক ত্বৰান্বিত কৰিবৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ অংশ পৰিমাণ ১৫ শতাংশ পৰা ২৫ শতাংশলৈ বৃদ্ধি কৰা প্ৰয়োজন আৰু সেয়ে হলে ই ১০০ নিযুত দক্ষতামূলক চাকৰি সৃষ্টি কৰিব। এই কথালৈ লক্ষ্য ৰাখি যোৱা কেইমাহমানত নতুন চৰকাৰখনে নিৰ্মাণ খণ্ডৰ আন্তঃগাঁথনিমূলক বিকাশ ক্ষেত্ৰ চিহ্নিত কৰিছে আৰু মূল আলোকপাত বিষয় ৰূপে তাক গ্ৰহণ কৰিছে।

বিদেশৰ বিনিয়োগক আকৰ্ষণ আৰু বিদেশৰ নতুন প্ৰযুক্তিক গ্ৰহণ দুয়োটা বিষয়েই হ'ল গুৰুত্বপূৰ্ণ আৰু সেয়ে সেইবোৰে নিশ্চয় ভাৰতত চাকৰি, নতুনত্ব তথা নিৰ্মাণত গভীৰতা প্ৰদান কৰিব। তাৰ বাবে এটা বিকাশমুখী অৰ্থনীতিত বিদেশৰ প্ৰযুক্তিক আকোঁৱালি লবলৈ উপযুক্ত গ্ৰহণ কৰোতাৰ আৱশ্যক হয় আৰু তেনে গ্ৰহণ কৰোতা সকল হ'ল তাক আদৰি লোৱা দেশখনৰ উৎপাদক সংগঠন। সেই সংগঠনবোৰে বজাৰত উলিয়াবৰ বাবে সামগ্ৰী উৎপাদন কাৰ্যত তেনে প্ৰযুক্তি ব্যৱহাৰ কৰে। কেৱল আৰ এণ্ড ডি প্ৰয়োগশালা বিদেশৰ তেনে প্ৰয়োগশালাৰ দৰে হলেই, প্ৰযুক্তি বিশেষক গ্ৰহণ কৰিলেই আশানুৰূপ ফল নেপাব। আনকি আৰ এণ্ড ডি প্ৰয়োগশালায়ো উৎপাদন সংগঠনবোৰে নিজৰ ভাৱৰাজিক ব্যৱহাৰযোগ্য নতুনত্ব প্ৰদান কৰিবলৈ এটা নিৰ্দিষ্ট মানলৈ ৰূপান্তৰিত কৰিব লাগিব। স্থানীয় অংশীদাৰ সকলৰ নিশ্চয় "ঔদ্যোগিক" দিশৰ প্ৰতি হেপাহ আৰু আকৰ্ষণ থাকিব লাগিব। কেৱল ব্যৱসায় কৰাৰ মানসিকতা থাকিলেই নহব। তাৰ বাবে থাকিব লাগিব এটা দীৰ্ঘকালীন অভিলাষ যাৰদ্বাৰাই প্ৰযুক্তিগত গভীৰতাৰে এটা প্ৰতিষ্ঠান সৃষ্টি কৰিব পাৰে। কেৱল ততাতৈয়াকৈ সামগ্ৰী বিক্ৰী কৰি লাভৰ কথা ভাবিলেই নহব। সেয়ে এইটো আচৰিত কথা নহয় যে এনে ধৰণৰ বহিঃ প্ৰযুক্তি প্ৰায়ে ব্যক্তিগত খণ্ডৰ কোম্পানীবোৰতে সুন্দৰভাৱে ৰজিতা খুৱাই লোৱা হয়। এনে কোম্পানীৰ অভিলাষ হ'ল এটা কথা প্ৰমাণ কৰা আৰু সেইটো হ'ল —" আমাৰ দেশত এইটো কৰিব পাৰি আৰু আমি এদিনাখন আপোনলোকতকৈ অধিক ভালদৰে কৰিব পাৰিম।"

চীনত নিৰ্মাণ নীতি দেশৰ ভিতৰতে গৰাকী স্বত্ব থকা আৰু পৰিচালন

সামৰ্থ্যক শক্তিশালী কৰিবলৈ তৈয়াৰ কৰা হয়। বিদেশী কোম্পানীৰ এটা প্ৰধান ভয় হ'ল যে চীনে সেই কোম্পানীবোৰৰ বৌদ্ধিক সম্পত্তি হ'ৰলুকি কৰি পেলাব। চীনত এখন ডাঙৰ বজাৰ আছে। সেইবাবে বিদেশী কোম্পানীবোৰক বৌদ্ধিক সম্পত্তি সম্পৰ্কত সহানুভূতিসূচক আচৰণ নকৰে চীন চৰকাৰে।

মুঠৰ ওপৰত কবলৈ গলে চীন চৰকাৰে নিজ স্বাৰ্থক আগুৱাই নিবৰ কাৰণে বৌদ্ধিক সম্পত্তি অধিকাৰ নিয়ম তৈয়াৰ কৰে। দেশীয় প্ৰযুক্তি বিকাশৰ বাবে চীনে চৰকাৰী এজেন্সিৰদ্বাৰা এটা ব্যৱস্থাক কামত লগায়। ই থলুৱা উদ্যোগক সুবিধা দিবলৈ আৰু বিদেশৰ প্ৰতিযোগিতা বন্ধ কৰিবলৈ ৰাষ্ট্ৰীয় মানৰ মাপকাঠিৰ ব্যৱস্থা গ্ৰহণ কৰে। তাৰ বিপৰীতে বৌদ্ধিক সম্পত্তি অধিকাৰৰ ক্ষেত্ৰত ভাৰতত স্থিতি হ'ল সুকীয়া। ভাৰতে এটা শক্তিশালী বৌদ্ধিক সম্পত্তি অধিকাৰৰ দিহা কৰিবলৈ গোলকীয় স্তৰৰ অধিবক্তাসকলৰে সতে সক্ৰিয়ভাবে আলোচনাত মিলিত হোৱাৰ কথা ভাবে। পিছে এই অধিবক্তাসকলে যিয়েই প্ৰস্তাৱ নকৰক তাক বৌদ্ধিক সম্পত্তি অধিকাৰ সন্দৰ্ভত গ্ৰহণ কৰাৰ আৰশ্যক অনুভৱ নকৰে। বৰ্ত্তমান নতুনত্ব প্ৰদানৰ ক্ষেত্ৰত যি গতি অব্যাহত আছে তাকেই উজ্জীৱিত কৰিবৰ বাবে ভাৰতে এই অধিকাৰৰ প্ৰতি উপযুক্ত দৃষ্টিভঙ্গী পোষণ কৰিব লাগিব আৰু তাৰ বাবে ব্যৱস্থাও গ্ৰহণ কৰিব লাগিব।

ৰাষ্ট্ৰীয় নিৰ্মাণ কৌশলক অধিক কৰ্মক্ষম কৰি তুলিবলৈ ভাৰতীয় নীতি তৈয়াৰ কৰোঁতাসকলৰ এতিয়া সময় হৈছে। গোলকীয় অৰ্থনীতিত যি পৰিবৰ্ত্তন সাধিত হৈছে তাৰ ভিত্তিত এই কৌশলৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ভাৰতৰ বিকাশ কাহিনীৰ নিৰন্তৰ গতি অটুট ৰখাটো ইয়াৰ ওপৰত নিৰ্ভৰ কৰিছে। অৱশ্যে আন্তঃগাঁথনি আৰু প্ৰশাসনৰ ক্ষেত্ৰত থকা দুৰ্বলতা সমূহ আমি নিশ্চয়েই অতিক্ৰম কৰিব লাগিব আৰু তাৰ লগতে ভাৰতৰ উদ্যোগৰ উত্তৰোত্তৰ বিকাশৰ অৰ্থে নীতিৰ ক্ষেত্ৰত থকা কঠিনতাবোৰ আমি দূৰ কৰিব লাগিব আৰু তেনে কৌশল পৰিকল্পিত অৰ্থনীতিলৈ প্ৰত্যাবৰ্তন কৰা হ'ব নেলাগিব। ভাৰতীয় নীতি তৈয়াৰ কৰোঁতাসকলৰ বাবে এয়া হ'ল এটা প্ৰত্যাহ্বান। নিৰ্মাণৰ চাহিদাৰ ক্ষেত্ৰত ভাৰতীয় সামৰ্থক বিস্তৃত কৰিবলৈ সৰ্বপ্ৰথমে আমি বৈজ্ঞানিক আৰু কাৰিকৰীমূলক আন্তঃগাঁথনিক সুদৃঢ় কৰা আৰশ্যক হ'ব।

## কৰণীয় কাম

আমাৰ দেশত আন্তঃগাঁথনিৰ বিকাশ আৰু নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি চৰকাৰে খণ্ডসমূহত বিকাশ কাৰ্যৰ ৰূপায়ণ প্ৰয়াসত বিশ্লেষকৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। ২০১৫ বৰ্ষৰ বাজেটত অৰ্থনীতিক অধিক বৃদ্ধিৰ গতিত পুনৰ স্থিত কৰিবৰ বাবে কিছু পদক্ষেপ গ্ৰহণ কৰা হৈছে। আন এটা উল্লেখনীয় বিষয় হ'ল ন্যুনতম বিকল্প কৰ ব্যৱস্থাৰ অধীনত ২০১২ৰ কৰ আদায় দিয়াৰ পৰা ৰেহাই উঠাই লোৱা হয়। পূৰ্বতে চেজ অৰ্থাৎ বিশেষ অৰ্থনৈতিক মণ্ডলৰ ইউনিট সমূহক এই ব্যৱস্থা প্ৰদান কৰা হৈছিল। চৰকাৰৰ আগতীয়া আশ্বাসৰ ভিত্তিত বিশেষ অৰ্থনৈতিক মণ্ডলৰ যথেষ্ট পৰিমাণে বিনিয়োগ কৰা বৰ্ত্তমানৰ গোটসমূহ আৰু বিকাশ কৰোঁতাসকলে এই সিদ্ধান্তক ভালদৰে গ্ৰহণ কৰিব পৰা নাই। ন্যুনতম বিকল্প কৰ ৰেহাই সেয়ে পুনৰ প্ৰচলন কৰিব লাগে— যাতে বিনিয়োগকাৰীসকলৰ বিশ্বাস আৰু অধিক বিনিয়োগ কৰিবৰ বাবে পুনৰ প্ৰতিষ্ঠিত কৰিব পৰা যায়।

ধাৰা ১৪-ক ব্যৱস্থাৰ ৰূপায়ণে বহু আন্তঃগাঁথনিমূলক প্ৰকল্পক যথেষ্টভাৱে আক্ৰান্ত কৰিছে। এনে প্ৰকল্পৰ কাম নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰদান কৰা হৈছিল আৰু স্পেচিয়েল পাৰপাছ ভেহিকল প্ৰতিষ্ঠা কৰাৰো প্ৰয়োজন হৈছিল। এই এছ পি ডি ইকুইটী আৰু ঋণ মিলাই পুঁজি প্ৰদান কৰা হয়। ১৪-ক ধাৰাই ঋণ পুঁজিৰ ওপৰত সুত দিয়া বন্ধ কৰা হয় এছ পি ডি এ হোল্ডিং প্ৰম'টাৰ কোম্পানীসমূহক লভ্যাংশ দিয়াৰ পৰা। খণ্ডটোৰ ওপৰত ইয়াৰ কু-প্ৰভাৱ পৰে, কিয়নো ঋণ পুঁজি হ'ল ঘাইকৈ পুঁজি প্ৰদান কৰা পথ। এই ব্যৱস্থাৰ কঠিনতা কিছু লাঘৱ কৰা প্ৰয়োজন আৰু তাৰ বাবে কিছু সংশোধন কৰা দৰকাৰ।

উদ্যোগৰ এটা দীৰ্ঘ দিনীয়া দাবী হ'ল সামাজিক খণ্ডলৈ আন্তঃগাঁথনি ---- প্ৰদান কৰাটো আৰু তেনে খণ্ডৰ ভিতৰত উল্লেখযোগ্য হ'ল — স্বাস্থ্য আৰু শিক্ষা ক্ষেত্ৰ। ইয়াক এতিয়ালৈকে অৱহেলাৰ চকুৰে চাই অহা হৈছে। আন্তঃগাঁথনিমূলক কোম্পানীত বিনিয়োগ কৰা বিত্তীয় কোম্পানী অথবা বেংক সমূহে ধাৰা ১০ (২৩ জি) ক পুনৰস্থিত কৰিবলৈ জোৰ দি আহিছে। পূৰ্বতে ইয়াক অপসাৰিত কৰা হৈছিল। এই দাবী গ্ৰহণ কৰিলে আন্তঃগাঁথনিমূলক কোম্পানী সমূহৰ ঋণ পুঁজিৰ মূল্য হ্ৰাস কৰিব।

২০১৩ বৰ্ষৰ ৩১ মাৰ্চৰ পাছত আৰু ২০১৫ চনৰ ১ এপ্ৰিলৰ আগত নতুন কাৰখানা আৰু যন্ত্ৰ সামগ্ৰী আহৰণ তথা স্থাপন কৰোতে হোৱা প্ৰকৃত মূল্যৰ ১৩ শতাংশ কৰ কৰ্ত্তন কৰিবলৈ ধাৰা ৩২ এ চি প্ৰচলন কৰা হয়। ইয়াৰ মুঠ ধনৰাশি ১০০ কোটি টকা অতিক্ৰম কৰা ক্ষেত্ৰতহে তেনে প্ৰকল্প প্ৰযোজ্য। এই খণ্ডটোক প্ৰয়োজনীয় উৎসাহ-উদ্‌গণি দিবৰ বাবে বিনিয়োগ ভাট্টাৰ সময়কাল তিনি বছৰলৈ বঢ়াব পাৰে।

পৰোক্ষ কৰৰ ক্ষেত্ৰত চৰকাৰে মূল-খণ্ডসমূহত বিনিয়োগক উৎসাহিত কৰাৰ অভিপ্ৰায় সম্পূৰ্ণৰূপে পৰিষ্কাৰ কৰিব লাগে। উদাহৰণ স্বৰূপে

আন্তঃগাঁথনি খণ্ড শুল্ক হাৰ কম কৰাৰ পৰা লাভবান হ'ব লাগে। তেনেদৰে এটা প্ৰকল্পৰ সেউজ সংকেত দিয়াৰ সময়ত অন্য উদ্‌গণি প্ৰদান কিম্বা কৰ ৰেহাই ব্যৱস্থা কৰিব লাগে। কিছুমান নিয়মাৱলীৰ মাজেৰে যাওঁতে সন্মুখীন হোৱা জঞ্জালতকৈ সেই ৰেহাই ব্যৱস্থাই তেনে ধৰণৰ লাভ পোৱাত কঠিনতাৰ সৃষ্টি কৰে।

সকলো আন্তঃগাঁথনিমূলক খণ্ডৰ প্ৰতি একে ধৰণৰ ব্যৱহাৰ কৰাটো হ'ল আন এটা বিষয় — যিটোৱে চৰকাৰৰ মনোযোগ দিয়া দাবী কৰে। উদাহৰণ স্বৰূপে কব'লৈ গলে নিৰ্দিষ্ট ধৰণৰ ঠিকা কামৰ ওপৰত সেৱা কৰ আৰোপ বিষয়টো। বিমান বন্দৰ , বন্দৰ, ৰে'লৰে ইত্যাদি সন্দৰ্ভত সেৱা কৰ ৰেহাই দিয়া হয়। কিন্তু তেনে ৰেহাই আন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিমূলক খণ্ডলৈ একে ধৰণে সম্প্ৰসাৰিত কৰা হোৱা নাই। তেনে খণ্ড হ'ল — জল, বিদ্যুৎ , পৰিবহন, অনাময় ইত্যাদি।

নিৰ্মাণ খণ্ডৰ সন্দৰ্ভত চেনভেট ক্ৰেডিট আমোলক উদাৰ কৰিবলৈ যথেষ্ট প্ৰয়োজন বোধ কৰা হৈছে - যাতে অনৰ্থক ভাবে ঘৰুৱা উদ্যোগৰ ওপৰত কৰৰ বোজা দিয়া নহয়। আন এটা বোজা হ'ল উদ্যোগৰ বাবে সংগ্ৰহকৰণৰ খৰচ বৃদ্ধি। এনে কাম-কাজৰ ওপৰত দুগুণ কৰ ব্যৱস্থা সমিচীন নহয় কিয়নো সেৱাসমূহৰ ক্ষেত্ৰত ঘোষিত কৰ আছেই। তেনেদৰে আছে অতিৰিক্ত মূল্য সংযোজন ভেটি। এইবোৰ তালিকাৰ অধীনত সেৱা কৰ আৰোপ কৰা বিষয়টোৰ অৰ্থ কি তাক বুজিবলৈ কঠিন নহয়। ◇

## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

* গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। * গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। * গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। * গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। * মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে.কে.বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। * আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# নিৰ্মাণ পৰিচালিত বিকাশ, প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বান

***অৰূপ মিত্ৰ**

সাম্প্ৰতিক কালৰ উন্নত দেশবোৰে লাভ কৰা অভিজ্ঞতাৰ পৰা এইটো পৰিস্ফুট হয় যে অৰ্থনৈতিক বিকাশৰ এটা গুৰুত্বপূৰ্ণ কাৰক শক্তি হ'ল উদ্যোগীকৰণ। বিকাশমুখী দেশৰ প্ৰসঙ্গত জিৰমাল আৰু ভাৰ্ছপাগেনৰ মন্তব্য হ'ল ১৯৯০ চনৰ পৰা বিকাশ সাধনৰ বাবে নিৰ্মাণমূলক কাম-কাজ কৰাৰ পথ আগতকৈও অধিক কঠিন হৈ পৰিছে। তেওঁলোকে এইটোও ক'ব খোজে শিক্ষা আৰু উপাৰ্জনৰ প্ৰভেদৰ লগত নিৰ্মাণৰ প্ৰভাৱ কেনে ধৰণৰ সেইটো মন কৰিবলগীয়া বিষয়। দেলাছ আৰু কৌবিৰ যুক্তি হ'ল অৰ্থনৈতিক বিকাশৰ আগছোৱাত শ্ৰমিক শক্তিক উদ্যোগীকৰণ স্তৰলৈ উপবিষ্ট কৰিব পৰাটো হ'ল বিকাশ সাধনৰ ঘাই চালিকা শক্তি। শ্ৰমিক বাহিনীৰ গঢ়-গঠনত বিনিয়োগৰ প্ৰভাৱৰ ওপৰতো তেওঁলোকে জোৰ দিয়ে আৰু কব খোজে যে নিয়োগ উদ্যোগীকৰণ নীতি বিকাশমুখী দেশবোৰত সফলতাৰ মূল চাবি-কাঠি হ'ব পাৰে। সা-সৰঞ্জাম বিনিয়োগ সাধনৰ জৰিয়তে ঔদ্যোগীকৰণ হ'ব পাৰে বুলি কৰা শেহতীয়া দাবী তেওঁলোকে সমৰ্থন নকৰে।

গোলকীয়কৰণে দেশবোৰক বিকাশ সাধনৰ ওপৰত গুৰুত্ব দিবলৈ বাধ্য কৰিছে। বহু বিকাশ উন্মেষ সাধন কৌশল যেনে— মুকলি বাণিজ্য, বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ অন্তঃস্ৰোত আৰু প্ৰযুক্তি হস্তান্তৰ কৰাকে ধৰি মূলধনৰ ক্ষেত্ৰত গতিশীল ব্যৱস্থাক বৃহৎ ধৰণে অৱলম্বন কৰা হয়। প্ৰযুক্তি হস্তান্তৰৰ পথত যি যুক্তি সাধাৰণতে ডাঙি ধৰা হয় সেয়া হ'ল যি চকা ঘূৰাবলৈ ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে তাৰ বিষয়ে পুনৰ ভাবি চোৱাৰ আৱশ্যক নকৰে যদিহে দেশবোৰে যি কামৰ ক্ষেত্ৰত ব্যয় কৰা হয় তাৰ সুফল যদি পাব বিচাৰে। পিছে উদ্যোগ খণ্ডত লেহেমীয়া নিয়োগ বৃদ্ধিৰ প্ৰসঙ্গত পোষণ কৰা ভাবধাৰা বিদেশৰ পৰা আমদানিকৃত মূলধনী উন্মেষ সাধন প্ৰযুক্তি আহৰণৰ লগত সম্পৰ্ক আছে। নতুন প্ৰযুক্তিৰ আমদানিয়ে দক্ষ কৰ্মীৰ চাহিদা বৃদ্ধি কৰে আৰু এই প্ৰযুক্তি ঘাইকৈ মূলধন উন্মেষক তথা দক্ষতা বৃদ্ধিকাৰক। ই কম দক্ষ লোকৰ বাবে নহয়।

আন এটা যুক্তি শ্ৰমিক বজাৰ বিধিবদ্ধকৰণৰ ওপৰত আধাৰিত। নীতি তৈয়াৰ কৰা চক্ৰটোৱে সাধাৰণতে বিশ্বাস কৰে যে ভাৰতৰ প্ৰসঙ্গত শ্ৰমিক আইন আও পুৰণি আৰু আন নিয়োগধৰ্মী। তাৰ ফলস্বৰূপে শ্ৰমিকসকলক অতি কমেহে সামৰি ল'বলৈ বিচৰা হয় আৰু তেনে গতিধাৰাই হ্ৰাসৰ মাত্ৰাহে সূচনা কৰে। শ্ৰমিক বজাৰত শিথিলতাৰ অভাৱ আৰু সেই কাৰণে এইটো বিশ্বাস কৰা হয় যে অৰ্থনৈতিক বিকাশ আৰু নিয়োগ উদ্ৰেককৰণে নিৰন্তৰভাৱে উৎসাহ-উদগণি পাব নোৱাৰে। অৰ্থনৈতিক সংস্কাৰৰ পোষকতা শ্ৰমিক বজাৰ বিধিবদ্ধৰহিত কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব বহন কৰিছে। ইয়াৰ কাৰণ হ'ল গোলকীয়কৰণ আৰু উৎপাদনমূলক কাম-কাজত সাল-সলনি ঘটা বিষয়টোৱে শ্ৰমিক বজাৰৰ ফলাফলত প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি। মজুৰি আৰু শ্ৰমিকৰ সংখ্যা বৃদ্ধি আদিয়েই হ'ব পাৰে তেনে পৰিণাম। দ্বিতীয়তঃ বাণিজ্য এলেকাত সফল হবলৈ হলে শ্ৰমিক বজাৰৰ সংস্কাৰক এটা আৱশ্যকীয় প্ৰাক্ অৱস্থা ৰূপে বিবেচনা কৰা হয়। পণ্ডিতসকলে সাধাৰণতে এই দৃষ্টিভঙ্গী গ্ৰহণ কৰে যে বিকাশমুখী দেশবোৰত শ্ৰমিক বজাৰবোৰৰ কৰ্ম অভ্যাস, মজুৰি, ঠিকাভিত্তিক নিয়ম আদি কঠিন। ইয়াৰ বাবে বৰ্তমানে থকা শ্ৰমিক আইনবোৰকে জগৰীয়া কৰা হয়। পিছে বিনিয়োগক প্ৰভাৱিত কৰা অন্যান্য কাৰণো আছে। ভূমিৰ প্ৰতি সুচল প্ৰৱেশ, আন্তঃগাঁথনি দক্ষতামূলক কৰ্মবাহিনীৰ ক্ষেত্ৰতো তেনে প্ৰভাৱ পৰে।

যোগান দিশৰ পৰা তৃতীয় যুক্তি হ'ল দক্ষ লোকৰ নাটনি। এই কথাটোৱে শ্ৰমিক বাহিনীৰ বুজন ভাগটোৰ শোচনীয় নিয়োগযোগ্যতাকে আঙুলিয়াই দিয়ে। দক্ষ লোকৰ অভাৱৰ ফলত সৰহসংখ্যকে কম উৎপাদনশীল কাম-কাজত সীমাবদ্ধ থাকিব লাগে। নিয়োগযোগ্যতাৰ উন্নতি সাধন সেয়ে নীতিগত দৃষ্টিভঙ্গীৰ পৰা এটা গুৰুত্বপূৰ্ণ বিবেচনাৰ বিষয় আৰু

*অৰূপ মিত্ৰ দিল্লীৰ ইনষ্টিটিউট অব ইকনমিক্ গ্ৰ'থৰ সতে জড়িত

ইয়াৰ কাৰণে দক্ষতাক উচিতভাৱে গঢ় দিয়াটো হ'ল এক আৱশ্যকীয় প্ৰাক্ অৱস্থা। ইয়াক লাভ কৰিব পৰা যায় গুণগত শিক্ষাৰ ব্যৱস্থা কৰি আৰু দক্ষতাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা প্ৰতিষ্ঠানসমূহত অংশগ্ৰহণ কৰি এনে কাৰিকৰী প্ৰতিষ্ঠান-যিবোৰে ডিপ্লোমা প্ৰদান কৰে-তেনে প্ৰতিষ্ঠানৰ সংখ্যা কম আৰু সেয়ে ইয়াৰ বাবে চৰকাৰৰ প্ৰয়াস বাস্তৱিকতেই এটা গুৰুত্বপূৰ্ণ বিষয়। গুণগত বুনিয়াদী শিক্ষাৰ দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে অধিক প্ৰয়াস কৰাৰ প্ৰয়োজন আছে। ইয়াৰ বাহিৰেও চাকৰিৰ বাবে প্ৰশিক্ষণ প্ৰদান দক্ষতাৰ ক্ষেত্ৰত দেখা দিয়া খেলি-মেলি ব্যৱস্থাক নিৰ্মূল কৰা আন এটা গুৰুত্বপূৰ্ণ উপায়।

পৰৱৰ্তী দশকত বিপুল সংখ্যক জনগণৰ বাবে ভাৰতে লাভজনক নিয়োগ সা-সুবিধা সৃষ্টি কৰাৰ কথাটো উপলব্ধি কৰি নিৰ্মাণ খণ্ডই এই নিয়োগ সৃষ্টিৰ প্ৰয়াসত এটা চলমান শক্তিৰূপে অৱতীৰ্ণ হোৱাটো আশা কৰিব পাৰি। নিয়োগ ব্যৱস্থাৰ দিহা কৰাৰ উপৰিও ভাৰতত নিৰন্তৰ অৰ্থনৈতিক বিকাশ নিশ্চিত কৰাৰ দিশৰ পিনৰ পৰা নিৰ্মাণ খণ্ডৰ উন্নয়ন সাধন অৱশ্যে গুৰুত্বপূৰ্ণ বিষয়। সেয়ে ভাৰতৰ নিৰ্মাণখণ্ডৰ বিকাশ সাধন উদ্দেশ্যে ইয়াৰ প্ৰকৃত সম্ভাৱনাৰাশিক প্ৰতিফলিত কৰিবলৈ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ ঔদ্যোগিক নীতি তথা বিকাশ বিভাগে এটা নীতি বিষয়ক পৰিবেশ নিৰ্মাণ খণ্ডৰ খৰতকীয়াকৈ বিকাশ সাধন কৰিবৰ কাৰণে উপযুক্ত হ'ব। ওপৰত উল্লেখ কৰাৰ দৰে নিয়োগ তথা উদ্যোগীকৰণ নীতিৰ গুৰুত্বলৈ চাই আৰু সংগঠিত তথা আনুস্থানিক নিৰ্মাণ খণ্ডত ব্যাপক আকাৰত নিয়োগৰ সা-সুবিধা ভাৰতে উদ্ৰেক কৰিব নোৱাৰা বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় নিৰ্মাণ নীতি একপ্ৰকাৰ বেচ আশাপ্ৰদ পদক্ষেপ বুলি কব পাৰি।

গোলকীয় মুদ্ৰা সংকোচন আৰু বৃহৎ সংখ্যক চাকৰি হানি হোৱাৰ পৰিপ্ৰেক্ষিতত যদি সঠিক পদক্ষেপ গ্ৰহণ কৰা নহয় তেনেহ'লে ভাৰতৰ পৰিস্থিতি অধিক বেয়া হব পাৰে। এই দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে ৰাষ্ট্ৰীয় নিৰ্মাণ নীতিয়ে তাৰ গুৰুত্ব উপলব্ধি কৰি এটা ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিবলৈ লৈছে। এই নীতিয়ে এক দশকৰ ভিতৰত ১০ কোটি অধিক চাকৰি সৃষ্টি কৰিবলৈ বদ্ধপৰিকৰ আৰু দেশখনৰ জিডিপিলৈ ২৫ শতাংশ বৰঙণি যোগোৱাৰ আশা কৰিছে। চাহিদা আৰু মূলধনৰ স্থিতিলৈ চাই নীতি বিষয়ক বিশেষজ্ঞ সকলৰ বিশ্বাস ৰূপায়িত কৰিব লগা কাৰ্যব্যৱস্থাই ভাৰতৰ নিৰ্মাণ খণ্ডৰ ভাগ্য পৰিৱৰ্তন কৰিব পাৰে আৰু সামগ্ৰিকভাৱে অৰ্থনীতিক পুনৰ গতি প্ৰদান কৰিব পাৰে। উল্লিখিত নীতিয়ে বিস্তৃতভাৱে পৰিবেশ আৰু নিয়ামক ব্যৱস্থাৰ বিষয়বোৰ তথা শ্ৰমিক আইন আৰু কৰৰ ক্ষেত্ৰতো থকা জটিলতা সমাধান কৰিবলৈ লৈছে। কিন্তু প্ৰস্তাৱিত নেচনেল মেনুফেকচাৰিং ইনভেষ্টমেণ্ট জ'ন সৃষ্টিয়েহে ঔদ্যোগিক আন্তঃগাঁথনিক সমন্বিত কৰা আৰু এটা নিৰ্দিষ্ট মাপকাঠিত অৰ্থনীতিক ধৰি ৰখাৰ এটা অনন্য পথ ৰূপে গ্ৰহণ কৰিবলৈ লোৱা হৈছে। এনে বিনিয়োগ মণ্ডলক (মেনুফেকচাৰিং ইনভেষ্টমেণ্ট হ'ল) কমেও ৫০০০হেক্টৰ এলেকাৰে পৰিষ্কাৰ তথা শক্তিৰ উপযুক্ত প্ৰযুক্তিৰ আধাৰত আৰু বিশ্ব শ্ৰেণীৰ আন্তঃগাঁথনিসহ সংহত উপ-নগৰ ৰূপে বিকাশ সাধন কৰা হ'ব। তেনে মণ্ডল অ-কৃষি মাটিত প্ৰতিস্থা কৰা হ'ব আৰু উপযুক্তভাৱে জল যোগানৰ দিহা কৰা হ'ব তথা তেনে উপ-নগৰ ৰাজ্য চৰকাৰৰ হাততেই থাকিব। ইয়াৰ লক্ষ্য হ'ল শ্ৰমিক বজাৰত শিথিল ব্যৱস্থা প্ৰচলন কৰা আৰু তাৰ বাবে নিয়োগকৰ্ত্তাসকলক শ্ৰমিক ক্ষেত্ৰত নিজস্ব ভূমিকা গ্ৰহণ কৰিবলৈ অধিক স্বাধীনতা দিয়া হ'ব। ই নিষ্প্ৰভ হ'ব ধৰা ঔদ্যোগিক গোটবোৰক প্ৰস্থান কৰাৰ সৰল ব্যৱস্থা অনুসৰণ কৰিবলৈ দিব। লগতে কৰ্মীসকলক অধিকাৰ অটুট ৰখাৰ বিষয়তো আধিপত্য আৰোপ কৰিব; কাৰণ শিথিলতাৰ নামত বহু বিষয়ৰ সতে আপোচ কৰাৰ সুবিধা থাকে। কিন্তু তেনে কৰোতে যাতে শ্ৰমিকৰ স্বাৰ্থত ব্যাঘাত নজন্মে তাৰ প্ৰতি লক্ষ্য কৰা হ'ব।

নিৰ্মাণ নীতিৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ প্ৰতি আগবঢ়োৱা বিত্তীয় তথা বিকাশমূলক উদগণি। মুঠৰ ওপৰত এই নীতিয়ে দেশখনৰ মুঠ ঘৰুৱা উৎপাদনত নিৰ্মাণ খণ্ডৰ অংশ বৰ্তমানৰ ১৬ শতাংশৰ পৰা ২৫ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি দিছে। অৱশ্যে উদ্যোগ ক্ষেত্ৰত নিয়োগৰ এটা অভূতপূৰ্ব স্তৰলৈ বৃদ্ধি কৰা ৰাষ্ট্ৰীয় নিৰ্মাণ নীতিৰ উদ্দেশ্য উপলব্ধি কৰিব নোৱাৰিব পাৰে, কিয়নো সংগঠিত নিৰ্মাণ খণ্ডৰ নিয়োগ মুঠ নিৰ্মাণ নিয়োগৰ মাত্ৰ সামান্য অংশৰেহে গঠিত।

সেয়ে সংগঠিত নিৰ্মাণ খণ্ডৰ নিয়োগ সম্ভাৱনাৰ বিষয়ে বিবেচনা কৰাটো উচিত হ'ব আৰু তেনে শক্তিক আহৰণ কৰি যাতে গুণগতভাৱে নিয়োগ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায় তাৰ প্ৰতি মনোযোগ দিয়া কৰ্তব্য। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহকো কাৰ্যকৰণ, প্ৰযুক্তি, বিত্ত তথা কৰ্মীসকলৰ দক্ষতাৰ মান উন্নীতকৰণৰ ক্ষেত্ৰত এটা নিজস্ব গতিধাৰা অৱলম্বনৰ বাবে গঢ়ি তুলিব লাগিব যাতে সমগ্ৰ বিষয়বোৰৰ ক্ষেত্ৰত এটা নতুন গতিৰ বিপ্লৱ আনিব পৰা যায়। খাদ্য প্ৰস্তুতকৰণ, বস্ত্ৰ আৰু সাজ-পোছাক, চামৰা তথা জোতা আদিৰ দৰে শ্ৰমিক উন্মেষ খণ্ডবোৰে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ নিয়োগত

৬০শতাংশতকৈও অধিক বৰঙণি যোগাই বাবে তেনে খণ্ডবোৰৰ সন্দৰ্ভত অধিক আলোকপাতকৰণৰ ফলত ৰাহি হৈ থকা অদক্ষ শ্ৰমিকক বিভিন্ন সময়ত সামৰি ল'বলৈ সমৰ্থবান কৰি তুলিব। সেয়ে নীতি ব্যৱস্থাত শ্ৰমিক উন্মেষ সামগ্ৰী আধাৰিত ঔদ্যোগিক বিকাশত অধিক গুৰুত্ব প্ৰদান কৰা আৰশ্যক আৰু তেনে বিকাশৰ বাবে সেই অঞ্চলবোৰত মনোযোগ দিয়া প্ৰয়োজন— যিবোৰত অধিক সংখ্যক অদক্ষ শ্ৰমিক আছে আৰু বিশেষ ধৰণে উদ্যোগৰ পৰিবেশ গঢ়ি উঠা নাই।

আন্তঃগাঁথনি নাটনি সম্পৰ্কিত বিষয়, শক্তি যোগানত বাধা, ৰপ্তানিৰ লেহেমীয়া গতিৰ বৃদ্ধি বিষয়বোৰো সমাধান কৰা নিঃসন্দেহে প্ৰয়োজন। আন বোৰৰ ক্ষেত্ৰত মনোনিবেশ কৰিবলগা উল্লেখযোগ্য বিষয় হ'ল— ৰপ্তনি কৰিবলগা সামগ্ৰী খণ্ডৰ শ্ৰমিক মনঃপুত নোহোৱা কাম-কাজ, উপযুক্ত প্ৰযুক্তি বিকাশৰ কাৰণে প্ৰয়োজন হোৱা নতুনত্ব প্ৰদানৰ চিন্তাধাৰাৰ অভাৱ, আমোলাতান্ত্ৰিক ব্যৱস্থাত কিছুমান এলেকাত থকা জটিলতা যিবোৰে বিকাশ, নিয়োগ প্ৰক্ৰিয়া অথবা বিদেশৰ বিনিয়োগক আকৰ্ষণ কৰাত বাধা জন্মায় তাৰ প্ৰতিও উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা আৰশ্যক।

অৰ্থনৈতিক বিকাশ সাধন কৰাৰ ক্ষেত্ৰত ৰপ্তানিৰ গুৰুত্ব অপৰিসীম। বৈদেশিক বিনিময় ধন বৃদ্ধি আৰু ঘৰুৱাভাৱে উৎপাদন কৰা সামগ্ৰীৰ চাহিদা আধাৰ বিস্তাৰিত কৰা এই দ্বৈত উদ্দেশ্যক ৰপ্তানি বৃদ্ধিৰ জৰিয়তে সাধন কৰিব পাৰে। আনহাতে বাহিৰত অৰ্থাৎ বৰ্হি দেশত সেৱা প্ৰদান কাৰ্যই অ-দক্ষ কৰ্ম বাহিনীৰ কাৰণে নিয়োগ উদ্ৰেক কৰাত বিশেষ বৰঙণি যোগাব নোৱাৰে আৰু সেয়ে নিৰ্মাণ সামগ্ৰীৰ ৰপ্তানি বিষয়টোৰ গুৰুত্ব বেছি। ই সৰ্বাত্মক বিকাশ সাধন পথৰ সূচনা কৰে।

শ্ৰমিক উন্মেষমূলক উৎপাদিত সামগ্ৰীৰ ৰপ্তানিয়ে সেই সামগ্ৰীসমূহৰ উৎপাদন বিস্তাৰিত কৰে যিবোৰে কৃষি খৰচৰ পৰা নিৰ্মাণ খণ্ডলৈ প্ৰেৰণ কৰিবলগা শ্ৰমিকৰ বাবে নিয়োগৰ সা-সুবিধা সৃষ্টি কৰিব পাৰে। অধিক উৎপাদনমূলক সেৱালৈ শ্ৰমিকক পঠোৱাৰ সম্ভাৱনা সীমিত, কিয়নো তেওঁলোকৰ দক্ষতা অৰ্জনৰ আধাৰ অতি শোচনীয়। আনহাতে নিৰ্মাণ খণ্ডত শ্ৰমিকক সামৰি ল'লে মজুৰি বৃদ্ধিৰ পথ প্ৰশস্ত হ'ব নোৱাৰে। মাত্ৰ অধিক বেতনৰ বৰ্দ্ধিত নিয়োগ সম্ভৱ হ'ব যদিহে উৎপাদনৰ মাত্ৰা বৃদ্ধি পায়। এই দৃষ্টিভঙ্গীৰ পৰা মূলধনী আধাৰ তথা কাৰিকৰী অগ্ৰগতি সাধন নিশ্চয়েই হ'ব লাগিব? মূলধনী উন্মেষ ব্যৱস্থাত কাৰিকৰীগত প্ৰগতিয়ে শ্ৰমিক গ্ৰহণৰ ধাৰাক হ্ৰাস কৰে বুলি সাধাৰণ যি বিশ্বাস আছে সেইটো উৎপাদন প্ৰক্ৰিয়াত তেনেদৰে সফলকাম নহয়। অধ্যয়নৰ পৰা এইটো পৰিস্ফুট হৈছে যে উৎপাদন প্ৰক্ৰিয়াৰ সকলো স্তৰতে নতুনত্ব প্ৰদান কাৰ্যৱলীয়ে মূলধনী উন্মেষ সাধনত প্ৰভাৱ নেপেলায় যাৰ দ্বাৰাই এটা নিশ্চিত সুফল পাব পাৰি। আনকি ই কোনো পৰ্যায়ত নিয়োগ হ্ৰাস কৰিব পাৰে। অৱশ্যে আন কিছুমান পৰ্যায়ত বৃদ্ধি হোৱাৰ সম্ভাৱনা নথকা নহয়। ইয়াৰ উপৰি নতুন প্ৰযুক্তিক বিস্তৃত আকাৰত অৱলম্বন কৰিব পাৰি আৰু বহুত নতুন গোটে আত্মপ্ৰকাশ কৰাৰ লগে লগে আন স্তৰতো উৎপাদনৰ আকাৰ বৃদ্ধিৰ পথ মুকলি কৰিব পাৰে। এই সকলোবোৰ নিয়োগ সঞ্চাৰিত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা হয়।

আন বিষয়বোৰ অধিক মূল্যৰ সামগ্ৰীৰ ৰপ্তানি সম্পৰ্কীয়। বহুত-অধিক মূল্যৰ সামগ্ৰী আছে যিবোৰ শ্ৰমিক উন্মেষ সাধন বিষয়ৰ। পিছে এনে সামগ্ৰীৰ উৎপাদন কম আকাৰত পোৱা যায়; কিয়নো ইয়াৰ দাম অধিক হয়। কিন্তু এনে সামগ্ৰীৰ বিক্ৰী মূল্য উন্নত দেশবোৰৰ বজাৰত অধিক। পাশ্চাত্য দেশবোৰত মন পছন্দৰ কিছুমান সামগ্ৰী প্ৰস্তুত কৰিবৰ কাৰণে প্ৰয়াস কৰিলে তেনে সামগ্ৰীৰ ৰপ্তানিয়ে নিয়োগ আৰু বৈদেশিক বিনিময় মুদ্ৰা উভয়তে ইতিবাচক প্ৰভাৱ পেলাব পাৰে। যেনে ৰেচম সূতাৰ সাজ-পোছাক)।

ভাৰতৰ ৰপ্তানিৰ ক্ষেত্ৰত বৃহৎ সামগ্ৰীৰ গোটবোৰ ২০১৩-১৪ বৰ্ষৰ কালছোৱাত আছিল—নিৰ্মাণ সামগ্ৰী (৬৩.৭%) খাৰুৱা তেল আৰু পেট্ৰ'লজাত উৎপাদিত সামগ্ৰী (২০.১%), কৃষি আৰু তেনেজাতীয় উৎপাদন সামগ্ৰী (১১.৮%) আৰু কয়লাক বাদ দি খনিত তথা আকৰ (১.৮%) (অৰ্থনৈতিক সমীক্ষা ২০১৩-১৪)। বিশ্বৰ মুঠ ৰপ্তানি সামগ্ৰীৰ ভিতৰত ভাৰতৰ নিৰ্মাণ সামগ্ৰীৰ ৰপ্তানি পৰিমাণ অৱশ্যে যথেষ্ট নহয়। বিভিন্ন দেশৰ পৰা এইক্ষেত্ৰত ভাবুকিৰ সন্মুখীন নহয়। উদাহৰণস্বৰূপে ভাৰতৰ পৰা ৰপ্তানি কৰা সাজ-পোছাক সামগ্ৰীৰ ক্ষেত্ৰত বাংলাদেশৰ প্ৰতিযোগিতামূলক ৰপ্তানিৰ-দ্বাৰা এটা প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে। আনকি কপাহজাতীয় সামগ্ৰীৰ সন্দৰ্ভত ভাৰতৰ ৰপ্তানিত যথেষ্ট অংশ অধিকাৰ কৰিলেও আৰু তুলনামূলক-ভাৱে ইয়াৰ সুবিধা বহুত তথাপি চীন আৰু বাংলাদেশৰ পৰা ভাবুকিৰ বিষয় হৈ থাকে। মাত্ৰ টেবুল লিনেন আৰু টাৱেলৰ দৰে সামগ্ৰীহে এই ক্ষেত্ৰত ব্যতিক্ৰম।

১৯৯০ দশকৰ আগছোৱাত ভাৰতৰ মাচুল গাঁথনি জটিল আছিল। ২০০৪-০৫ বৰ্ষৰ অন্তৰ্বৰ্তী কালৰ বাজেট অনুযায়ী এই মাচুলৰ মাত্ৰা ১৯৯১ চনৰ

১২৪ শতাংশৰ পৰা সেই বাজেট বৰ্ষত ২২.৪শতাংশলৈ অৱনমিত হয়। তেনেদৰে গড় হিচাপৰ শুল্ক হাৰ ৭২.৫ শতাংশৰ পৰা ১৮.২ শতাংশলৈ হ্ৰাস পায়। অৱশ্যে গড় হিচাপে শুল্ক হাৰ বহু ক্ষেত্ৰত মাচুল হাৰ এতিয়াও তেনেদৰে কমা নাই। ২০০৪-০৫ বৰ্ষৰ কালছোৱাত এই হাৰ আছিল শূন্য শতাংশৰ পৰা ১৫০ শতাংশ। ২০০৪-০৫ বৰ্ষত ১০০% অথবা উচ্চ শাৰীৰ সামগ্ৰী গোট সমূহৰ ভিতৰত আছিল কফি, চাহ, এল্‌কহলিক পানীয় আৰু পাৰফিউম, চেনীজাতীয় সামগ্ৰী, আঙুৰ আৰু ৰস, মটৰগাড়ী তথা মটৰ চাইকেল। ৫০-১০০% শাৰীত আছিল খোৱা তেল, ঘেঁহু, চাউল আৰু আন কিছুমান কৃষিজাত সামগ্ৰী। ২০১০ চনত ৰপ্তানি মাচুলৰ স্তৰ বহুত কৰে। সৰ্বাধিক এনে কৰৰ পৰিমাণ আছিল ভালে কেইবিধ সামগ্ৰীৰ ক্ষেত্ৰত প্ৰায় ১০ শতাংশ। তেনে সামগ্ৰীৰ ভিতৰত আছিল পাৱাৰ শক্তি উৎপাদনকাৰী সা-সৰঞ্জাম, অফিচ মেচিন তথা অট'মেটিক ডাটা প্ৰচেছিং মেচিন, টেলিকম সৰঞ্জাম, বৈদ্যুতিক সামগ্ৰী আৰু পৰিবহন সামগ্ৰী। ভাৰতীয় ৰপ্তানিকাৰী সকলে চৰকাৰী কাৰ্য্যালয়সমূহলৈ বহু নথি-পত্ৰ পঠাব লগা হয়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— লেটাৰ অব ক্ৰেডিট, অগ্ৰিম ধনৰ প্ৰমাণিক অনুলিপি, আবেদন প্ৰ-পত্ৰৰ প্ৰিণ্ট ক'পী, ফ'ৰেইন ইনৱাৰ্ড ৰেমিটেঞ্চ চাৰ্টিফিকেট ইত্যাদি। তাৰ লগতে সেইবোৰ কাৰ্য্যালয়লৈ বহুবাৰ অহা-যোৱা বিষয়বোৰ আছেই। এইবোৰ বাস্তৱিকতেই ভাৰতীয় ৰপ্তানিৰ প্ৰতি ডাঙৰ প্ৰত্যাহান।

থুপ খাই ৰখা প্ৰতিহত কাৰ্যই ভাৰতীয় বাণিজ্যৰ ক্ষতি সাধন কৰিছে। ভাৰতৰ বিৰুদ্ধে ১৯৯৫ চনৰ পৰা ২০১০ বৰ্ষৰ কালছোৱাত এনে ব্যৱস্থা গ্ৰহণ কৰা সামগ্ৰীৰ ভিতৰত আছিল ৰসায়নৰ ক্ষেত্ৰত ২২টা, প্লাষ্টিকৰ ক্ষেত্ৰত ১৯টা, বস্ত্ৰৰ সন্দৰ্ভত ১১ টা, ধাতুজাতীয় সামগ্ৰীৰ ক্ষেত্ৰত ২৬ টা (ঘাইকৈ লো আৰু তীখা) আৰু এইবোৰেই হ'ল ক্ষেত্ৰ যিবোৰত ভাৰতে তুলনামূলকভাৱে যথেষ্ট সুবিধা পায় (বাণিজ্য নীতি পৰ্যালোচনা প্ৰতিবেদন, ২০১১)।

২০০৯ চনত বৈদেশিক বাণিজ্য নীতি ২০০৯-১৪ বৰ্ষৰ বাবে ঘোষণা কৰা হৈছিল। সেইখিনি সময়ত বিশ্বব্যাপী ৰপ্তানিৰ ক্ষেত্ৰত লেহেমীয়া গতিয়ে গা কৰি উঠিছিল। দীৰ্ঘকালীন নীতিৰ উদ্দেশ্য হ'ল ২০২০ চনৰ ভিতৰত গোলকীয় বাণিজ্যত ভাৰতৰ অংশ দুগুণ কৰা। ইয়াৰ বাবে নিয়োগ উন্মেষ সাধন খণ্ডবোৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। তেনে খণ্ড হ'ল- বস্ত্ৰ, চামৰা, হস্তশিল্প ইত্যাদি। ইয়াৰ বাবে বিভিন্ন ধৰণৰ গুণমান বিশিষ্ট সামগ্ৰী প্ৰস্তুত কৰাৰ আৱশ্যক আছে। ৰপ্তানিৰ বাবে নতুন লক্ষ্য স্থান উদঘাটন কৰাৰ প্ৰয়োজন আছে; কিয়নো ভাৰতৰ বাণিজ্য দিশ নিৰ্ণায়ক ধৰণ-কৰণ ২০০৭-০৮ বৰ্ষৰ পৰা অধিক পৰিৱৰ্তন হোৱা নাই আৰু শীৰ্ষস্থানীয় ১৫টা বাণিজ্য সহঅংশীদাৰে বাণিজ্যৰ প্ৰায় ৬০শতাংশ অংশ অধিকাৰ কৰি আছে।

অধিক লেন-দেনৰ খৰচ আৰু তেনে লেন-দেনত খৰচ হোৱা সময় আদি বিষয়বোৰ সামাধন কৰিবলৈ ২০০৯ চনত ট্ৰেনজেক্‌চন কষ্ট ইন এক্সপোৰ্ট বিষয়ক এটা কৰ্ম বাহিনী গঠন কৰা হয়। এই প্ৰায় ৪৪টা বিষয় লেন-দেনৰ খৰচ কমাবৰ কাৰণে চিহ্নিত কৰে আৰু ইয়াৰ ভিতৰত ২১টা বিষয় ইতিমধ্যে সমাধান কৰা হয়।

উৎপাদনমূলক বিকাশৰ উপজীব্য বিষয় যথেষ্ট উন্নীত কৰা প্ৰয়োজন বিশেষকৈ যিবোৰৰ ৰপ্তানি সম্ভাৱনা আছে আৰু যাৰবাবে সামগ্ৰিক অৰ্থনৈতিক দিশৰ বৃদ্ধি সাধন কৰিবলৈ কৰিবলৈ ৰপ্তানিত গুৰুত্ব দিব লগা হয়। ইয়াৰ অবিহনে ভাৰতীয় উৎপাদিত সামগ্ৰীক অধিক প্ৰতিযোগিতামূলক কৰি তুলিব নোৱাৰি। এই ক্ষেত্ৰত কিছুমান ডাঙৰ বাধা হ'ল আন্তঃগাঁথনি (অৱয়াবিক, বিত্তীয় আৰু সামাজিক) আৰু মুকলি বাণিজ্য। গোটবোৰৰ সুচল প্ৰবেশ বিশেষকৈ অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ গোটসমূহ-আই চি টি ত ঘটিলে উৎপাদন আৰু উৎপাদনশীল উভয় দিশতে উন্নতি সাধন হ'ব। ইয়াৰ লগতে উপলব্ধ কৰিব পৰা লাভ খিনি তেনে কাৰ্যৰ পৰা আয়ত্ত কৰা দৰকাৰ যাতে ভাৰতীয় সামগ্ৰীৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক কাম-কাজৰ ভিন্ন ক্ষেত্ৰত আৱিষ্কাৰ কৰাৰ প্ৰয়োজন আছে। পূৰ্বৰে পৰা চলি একে ঠাইতে থুপ খুৱাই থোৱা মনোভাবৰ দিন উকলি গৈছে আৰু নতুন ক্ষেত্ৰৰ প্ৰতি অৱলোকন কৰাটোকে সূচাইছে আৰু সেয়ে এই ক্ষেত্ৰত ৰাজহুৱা বিনিয়োগ হ'ল এটা মূল বিষয়। যিবোৰ ঠাইত নগৰীকৰণৰ গতি লেহেমিয়া তেনেবোৰ এলেকাত নতুন কাম-কাজ গঢ়ি তুলিবলৈ পুৰণি ৰীতিৰ পৰিবৰ্তন সাধিব লাগিব। মুঠৰ ওপৰত ভাৰতীয় নিৰ্মাণ সামগ্ৰীৰ ৰপ্তানিৰ কাৰণে প্ৰত্যাহ্বান বহুত। কিন্তু সৰ্বাত্মক ৰূপত বিকাশ লাভ কৰিবলৈ হলে তাৰ বাহিৰে ভাৰতৰ ক্ষেত্ৰত তেনে কেনো আন পথ নাই। ইয়াৰ সমাধনে ঘাইকৈ নিৰ্মাণ-পৰিচালিত বিকাশৰ ওপৰতহে আছে আৰু তেনে ব্যৱস্থাই ৰপ্তানিৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ নিৰ্মাণ কাৰ্যত প্ৰাণ সঞ্চাৰ কৰি ইতিবাচক দিশৰ সূচনা কৰিব লাগিব।

# ভাৰতৰ নিৰ্মাণ কাৰ্যত নিৰন্তৰ গতি আৰু নবীকৰণৰ আৱশ্যকীয়তা

*** বালকৃষ্ণ চি ৰাও**

**প্ৰস্তাৱনা**

জলবায়ু পৰিৱৰ্ত্তনক মানৱে সন্মুখীন হোৱা এটা ভয়াবহ ভাবুকি ৰূপে বিশ্বৰ স্বতন্ত্ৰবীয়া সংস্থাসমূহৰদ্বাৰা বিজ্ঞানসন্মতভাৱে শ্ৰেণীকৰণ কৰা হৈছে। তেনে সংস্থাবোৰ হ'ল, — ইন্টাৰনেশ্বনেল এনাৰ্জি এজেন্সি, মিলএনিত্যাম ইকো'চিষ্টেম এছেচমেন্ট আৰু ইন্টাৰগভৰ্মেন্টেল পেনেল অন ক্লাইমেট চেঞ্জ। সমগ্ৰ বিশ্বতে বছৰৰ পাছত বছৰ জোৰা বিভিন্ন কাম-কাজ যিবোৰ মানৱৰ ক্ৰমবিকাশ সাধন কালত কৰা হয় তাৰ জৰিয়তে উদ্ভৱ হোৱা গ্ৰীণহাউছ গেছ নিৰ্গমনৰদ্বাৰা সম্ভৱ কৰি তোলে। মুঠৰ ওপৰত কবলৈ গ'লে জলবায়ু পৰিবৰ্ত্তনৰ নেতিবাচক প্ৰভাৱ , সম্পদৰ নাটনি আৰু তাৰ সতে জড়িত থকা প্ৰভাৱসমূহ তাৰ বাবে জগৰীয়া বুলি ক'ব পাৰি। ভাৰতৰ ক্ষেত্ৰতো সেই একে কথা খাটে। ইয়াৰ জনসংখ্যাৰ ঘনত্ব, বৃহৎ উপকূল ৰেখা তথা নাগৰিকসকলৰ জীৱন নিৰ্বাহৰ বাবে সাধন কৰা অন্যান্য প্ৰাসঙ্গিক বিষয়সমূহৰ হেতু নিৰ্মাণ কিম্বা প্ৰস্তুতকৰণ কাৰ্য হ'ল এনে এটা মানৱৰদ্বাৰা সাধিত কাৰ্য যিটো ঔদ্যোগিক বিপ্লৱৰ কাহিলি পুৱাৰ পৰাই ঔদ্যোগিক দেশসমূহৰ মূল আধাৰৰ এটা গুৰুত্বপূৰ্ণ অঙ্গ হৈ আহিছে। সাম্প্ৰতিক কালত চীন আৰু ভাৰতৰ দৰে বিকশিত বজাৰতো ই গুৰুত্ব লাভ কৰিছে। গোলকীয়কৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে বহু প্ৰস্তুতমূলক কাৰ্য বিকশিত অৰ্থ ব্যৱস্থাত ঠাই পাইছে আৰু সেইবোৰে সম্প্ৰতি গতি লাভ কৰিছে। তেনে অৰ্থ ব্যৱস্থাত উন্নত দেশবোৰৰ বৃহৎ কোম্পানীবোৰে স্বীকৃতি লাভ কৰিছে আৰু বিদেশতো প্ৰভূত্ব বিস্তাৰ কৰিবলৈ লৈছে। বহিঃ দেশৰ এনে নিৰ্মাণ কাৰ্য বৰ্ত্তমানে বিকশিত বজাৰবোৰ গঢ়ি উঠা ভেটিত গুৰুত্ব লাভ কৰিছে। চীন আৰু ভাৰতো তাৰ প্ৰভাৱৰ পৰা মুক্ত নহয়।

ভাৰতৰ প্ৰস্তুত খণ্ডই বছৰ বাগৰাৰ লগে লগে ক্ৰমাগত ভাবে বিকাশ সাধন কৰাত সফল হৈছে। ২০১২ চনত উৎপাদনৰ ১ শতাংশতকৈ কিছু বেছি আৰু ২০১৪ বৰ্ষত ই ভাৰতীয় জি ডি পিত ১৫ শতাংশ বৰঙণি যোগায়। নিকট ভৱিষ্যতে এই খণ্ডটোৱে ভাৰতৰ জি ডি পি লৈ যথেষ্ট অৰিহণা যোগোৱাৰ ছবি উজ্জ্বল হৈ পৰা হেতুকে প্ৰস্তুতকাৰীসকলে নিৰন্তৰ গতি বজাই ৰখাৰ প্ৰতি মনোযোগ দিয়াটো প্ৰয়োজন। ইয়াৰ কাৰণ হ'ল ভাৰত সম্প্ৰতি চীনৰ লগতে গ্ৰীণ হাউছ গেছ নিৰ্গমনৰ ক্ষেত্ৰত অত্যধিক দায়ী দেশ ৰূপে স্থিত কৰা হৈছে। এনে ধৰণৰ অত্যধিক গ্ৰীণ হাউছ গেছ নিৰ্গমনৰ গতি যদি নিকট ভৱিষ্যতত অব্যাহত থাকে, তেনেহ'লে চৰকাৰে ইয়াক ৰোধ কৰিবৰ বাবে চিন্তা কৰিব লাগিব — যাতে কাৰ্বনৰ মাত্ৰা হ্ৰাস কৰি ভাৰসাম্য বজাই ৰাখিব পৰা যায়। ইয়াৰ বাহিৰেও নিৰন্তৰ গতিৰ আধাৰত ওপৰত ভিত্তি কৰি গোলকীয় প্ৰেক্ষাপটত নিজৰ বাণিজ্য উন্নত কৰাৰ দিশটোৱো পথ মুকলি কৰে আৰু সেয়ে গুণমান বিশিষ্ট উৎপাদনৰ কথাটো আহি পৰে আৰু তাৰ চাহিদাৰ প্ৰতি লক্ষ্য কৰিয়েই পৰিৱেশ অনুকূল উৎপাদন, ব্যৱহাৰ তথা জীৱন ধাৰণৰ প্ৰতি মনোযোগ দিয়া কৰ্ত্তব্য। সেইদেখি তেনে এক পটভূমিত সোনকালে নিৰন্তৰ খতিৰ আধাৰত উপযুক্ত প্ৰযুক্তিৰে সেৱা আগবঢ়ালে ভাৰতৰ নিৰ্মাণকাৰী সকলক অন্য প্ৰতিদন্দী সকলতকৈ এখোজ আগবাঢ়ি যোৱাত সহায়ক হ'ব।

**নিৰন্তৰতাৰ সাম্ভাব্য ৰূপ**

নিৰন্তৰতা-বিশেষকৈ নিৰন্তৰ বিকাশ হ'ল সৰ্ব দিশৰ বিকাশ — য'ত পৰিৱেশৰ প্ৰতি এটা সু-প্ৰভাৱ পেলাবলৈ আলোকপাত কৰা হয়। জলবায়ু পৰিবৰ্ত্তন আৰু জলৰাশিকে ধৰি সম্পদৰাজিৰ নাটনি হ'ল সমগ্ৰ বিশ্বৰ এনে এটা বিষয় যিটো চিন্তনীয়; কিন্তু তাৰ লগতে এটা উৎসাহৰ দিশো সাঙোৰ খাই আছে। অৰ্থ ব্যৱস্থাত সেই দিশটোৰ প্ৰতি মনোযোগ দি যদি কামত আগবঢ়া যায় তেনেহ'লে তাৰ প্ৰভাৱ অন্য ধৰণৰ হ'ব। তেনে ভাৱ ধাৰাই ভৱিষ্যতৰ বাবে উপযুক্তভাৱে কাম-কাজ কৰা এটা গ্ৰহ অৰ্থাৎ ধৰিত্ৰীৰ উন্মেষ সাধন হ'ব। নিৰন্তৰ বিকাশ হ'ল এটা ঢাপৰ পৰা আনটো ঢাপলৈ পদক্ষেপ পেলোৱা এটা দৃষ্টিভঙ্গী। ই এটা ঢাপৰ পৰা শ্মশানলৈ গতি কৰা কাৰ্যৰ বিৰোধিতা কৰে। সেই নিৰন্তৰ বিকাশত পেলনীয়া উপাদানসমূহ পুনৰ চালি-জাৰি( ৰিচাইক্লিং) কামত

* বালকৃষ্ণ চি ৰাও চেন্নাইৰ আই আই টিৰ ইঞ্জিনীয়াৰিং ডিজাইন বিভাগৰ সহকাৰী অধ্যাপক

আহিব পৰাকৈ প্ৰস্তুতকৰণ কাৰ্যত সক্ৰিয়ভাবে ব্যৱহাৰ কৰা হয়। ইয়াৰদ্বাৰাই পৰিৱেশৰ ওপৰত পৰিব পৰা নেতিবাচক প্ৰভাৱ কম কৰা হয়। লগতে গুণগত উৎপাদন আৰু সেৱাৰ জৰিয়তে জনগণৰ জীৱন ধাৰণৰ মান উন্নীত কৰিবলৈ চোৱা হয়। এইখিনিতে ক'ব লাগিব যে এটা ঢাপত উপবিষ্ট হৈ শ্মশানলৈ গতি (ক্ৰেডল-টু-গ্ৰেভ) কৰা দৃষ্টিভঙ্গী বহু কালৰ পৰা অনুসৰণ কৰি অহা হৈছে। তেনে অৱস্থান এটা উৎপাদনযোগ্য সামগ্ৰী কামত লগোৱাৰ পাচত তাৰ অস্তিত্বৰ অৱসান ঘটিলে পেলাই দিয়া হয়। নিৰন্তৰ বিকাশৰ ভাৱধাৰাত ভাৰতীয় নিৰ্মাণ কাৰ্যৰ উন্নতি সাধনৰ বহু সম্ভাৱনা পুঞ্জীভূত হৈ আছে। নিৰন্তৰ গতি প্ৰদান সূত্ৰক নিৰ্মাণ কাৰ্যত অৱলম্বন কৰা অভিযান প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ 'মেইক ইন ইণ্ডিয়া" আন্দোলনত সফলতা লাভ কৰাৰ দিশত এটা সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব। এই "ভাৰতত তৈয়াৰ কাৰক" দৰ্শন হ'ল দেশখনৰ নিৰ্মাণ আন্তঃগাঁথনি আধুনিকীকৰণ কৰি শক্তিশালী কৰা যাতে ই গোলকীয় স্তৰত প্ৰকৃততেই প্ৰতিযোগিতামূলক হৈ পৰে। চীনৰ দৰে বিকাশ লাভ কৰা আৰু ক্ষীপ্ৰভাৱে ঔদ্যোগিক দিশত প্ৰতিযোগিতাৰ শাৰীত নামি দেশৰ বাবেই আমাৰ এই উদ্দেশ্য সাধন কৰা প্ৰয়োজন হৈছে। তেনেদৰে জাৰ্মানী হ'ল আন এখন ঔদ্যোগিক ৰাষ্ট্ৰ যাৰ শক্তি আঁচনিয়ে নিকা প্ৰযুক্তি অৱলম্বন কৰিছে। জলবায়ু পৰিবৰ্তনৰ সমস্যা সমাধান কৰিবৰ বাবেই প্ৰস্তুত খণ্ডকে ধৰি বিস্তাৰিত ভাবে আন খণ্ডতো কামত ন্যস্ত হৈছে। সেউজ প্ৰযুক্তিৰ (গ্ৰীণ টেক্‌নোলজী) এনে খৰতকীয়া অৱলম্বনৰ উদ্দেশ্য হ'ল গ্ৰহ জগতত দেখা দিয়া সংকটক নিয়ন্ত্ৰণ কৰা আৰু তেনে কাৰ্য ব্যৱস্থাই এই দেশবোৰক প্ৰস্তুতকৰণৰ সা-সৰঞ্জাম নিৰ্মাণ কৰাৰ ক্ষেত্ৰত সোনকালে এটা দিশৰ সূচনা কৰে আৰু যি প্ৰক্ৰিয়া অৱলম্বন কৰা হয় সেইটোৰে উৎপাদনশীল ক্ষেত্ৰখনত উন্নতি সাধন কৰা প্ৰয়াসে পৰিৱেশৰ ওপৰতো সুপ্ৰভাৱ পেলায়। ফলস্বৰূপে এই দেশবোৰে প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত যিদৰে মনোযোগ দিয়ে সেইটোৱে নিৰ্মাণ কাম-কাজৰ সফলতা আনিব আৰু তাৰ লগে লগে এই খণ্ডটোৰ বাবে খৰচৰ মাত্ৰাও কমাব আৰু তেনেদৰে এই দেশবোৰে লাভৰ মুখ দেখাৰ পথো মুকলি কৰিব।

সেই কাৰণে নিকা প্ৰস্তুতকৰণ প্ৰযুক্তিৰ বিকাশ সাধন কৰা বিষয়টো ভাৰতৰ দৰে বিকাশত অৰ্থনীতিৰ বাবে এটা উৎসাহজন দিশ। জলবায়ু পৰিবৰ্ত্তনৰ ভাবুকি থাকিলেও সেই দিশটোৰ বৈশিষ্ট্য সুকীয়া। ভাৰতৰ প্ৰস্তুতকৰণ ক্ষেত্ৰখনত নিৰন্তৰতাৰ গতি সফলভাবে কামত লগাব পাৰিলে নতুন নতুন প্ৰক্ৰিয়া আৰু আগশাৰীৰ যন্ত্ৰপাতিৰ (মেচিন টুলছ) বিকাশৰ পথ মুকলি হ'ব পাৰে। খণ্ডটোৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন সুক্ষ্ম বয় বস্তুবোৰ সজাই-পৰাই তুলিবৰ কাৰণেই প্ৰয়োজন। সেয়ে ভাৰতীয় মেচিন-টুল উদ্যোগে সেউজ (গ্ৰীণ) পৰিচয় প্ৰদান কৰিবলৈ সা-সৰঞ্জামৰ আৰ্হি আৰু তৈয়াৰ কৰাৰ এই সুযোগ হেৰুওৱা উচিত নহয়। ই নিশ্চিতকৈ প্ৰস্তুত খণ্ডৰ আন্তঃগাঁথনি শক্তিশালী কৰাত বৰঙণি যোগাব। নিৰন্তৰ প্ৰস্তুতকৰণৰ ভাৱধাৰা বিষয়টোৱেই হ'ল 'ষ্টেট-অব-দি-আৰ্ট'ৰ প্ৰতি মনোযোগ দিয়া, যাৰদ্বাৰাই বিজ্ঞানেই হওক বা অভিযান্ত্ৰিক ক্ষেত্ৰই হওক গুণগত দিশটো অটুট ৰাখি পৰিৱেশৰ ওপৰত ন্যূনতম প্ৰভাৱ পৰাৰ প্ৰতি সচেষ্ট হোৱাটো হ'ল গুৰুত্বপূৰ্ণ কথা। সেই উভয় লক্ষ্যত উপনীত হবৰ বাবে গৱেষণা আৰু বিকাশ দুয়োটাই প্ৰয়োজন হয়। ইয়াৰ ফলস্বৰূপে জ্ঞান অৰ্জনৰ পথ মুকলি হয় আৰু এটা আধাৰ গঢ়ি উঠা ক্ৰমে বিভিন্ন স্তৰত দক্ষতাও লাভ কৰা যায় আৰু সেইটোৱে নিয়োগৰ ক্ষেত্ৰত বহু সা-সুবিধাৰ সৃষ্টি কৰে আৰু তেনে এটা আধাৰ লব্ধ হ'লে অন্যান্য দেশবোৰে সেই দক্ষতাক নিজ দেশত কামত লগাবলৈ বিচাৰিব। দেশখনৰ নিৰ্মাণ খণ্ডত এনেবোৰ আধুনিকীকৰণ কাৰ্য ব্যৱস্থাই ভাৰতক অসামৰিক তথা প্ৰতিৰক্ষা ক্ষেত্ৰৰ প্ৰয়োগ খণ্ডক অত্মনিৰ্ভৰশীল কৰি তুলিব।

প্ৰস্তুত খণ্ডই নতুন সৃষ্টিৰ বাবে ভাল সুবিধা আগবঢ়ায়। উৎপাদন কৌশল বিকাশৰ ক্ষেত্ৰত ই হ'ল এটা গুৰুত্বপূৰ্ণ বিষয়। উদাহৰণ স্বৰূপে তেনে সৃষ্টিৰ সুবিধা ওলায় যেতিয়া সূক্ষ্ম প্ৰক্ৰিয়াৰ কাম আৰম্ভ কৰা কালত উৎপন্ন কৰিব লগা এটা সামগ্ৰীৰ আৰ্হিত থকা ক্ৰুটী বা বাধা চকুত পৰে। সেই আৰ্হিৰ নৱৰূপ দি তেনে ক্ৰুটী বা বাধা দূৰ কৰিব পাৰি। এনে বাধা বা ক্ৰুটীয়ে প্ৰক্ৰিয়া বিশেষৰ সংস্কাৰ সাধনৰ বাবে পথ প্ৰশস্ত কৰে। এটা মন কৰিবলগা বিষয় হ'ল তেনে নতুন সৃষ্টিয়ে নিৰ্মাণ কামৰ বাহিৰেও ক্ষেত্ৰস্থলতো যথেষ্টভাবে প্ৰভাৱ পেলায়। আমেৰিকাত সাম্প্ৰতিক প্ৰশাসনে পাৰ হৈ যোৱা বছৰ কেইটাত নিৰ্মাণ কাম-কাজত হেৰুৱা সুবিধাৰ বাবদ যি ক্ষতি হ'ল সেইটো উপলব্ধি কৰি দেশখনৰ সীমাৰ ভিতৰতে প্ৰস্তুতমূলক কাম-কাজ আংশিকভাবে সীমিত কৰিবৰ বাবে নেচনেল নেটৱৰ্ক ফৰ মেনুফেক্চাৰিং ইন'ভেচনৰ প্ৰতিস্থা কৰে। তেনেদৰে ভাৰতেও সম্ভৱ অনুযায়ী নাটনি অৱস্থাত আহি পৰা বাধাতো সৃষ্টিশীল দৃষ্টিভঙ্গীৰ প্ৰতি মনোযোগ দিয়া কৰ্ত্তব্য। তেনে ধ্যান ধাৰণা অটুট থাকিলে সময়ত তেনে প্ৰতিভাই স্বকীয় ৰূপত গা কৰি উঠি প্ৰভূতভাবে অৰ্থনীতিত বৰঙণি যোগাব।

## অধিক গৱেষণাৰ প্ৰয়োজন

মুঠৰ ওপৰত ভাৰতৰ প্ৰস্তুত খণ্ডই নিৰন্তৰ বিকাশ সূত্ৰত সাৱোগত কৰি কঠিন অৱস্থাতো নিৰ্মাণৰ কাম হাতত লবৰ বাবে দেশৰ ভিতৰতেই অধিক গৱেষণা

আৰু বিকাশ কাৰ্য হাতত লোৱা দৰকাৰ। ভাৰতৰ বৰ্দ্ধিত প্ৰয়োজন পূৰণ কৰাৰ উপৰিও তেনে গৱেষণা আৰু বিকাশ কাম-কাজে ভাৰতৰ প্ৰস্তুত খণ্ডই বিশ্বত অগ্ৰণী দেশ ৰূপে আগবঢ়াত সহায় কৰিব। চীন আৰু আন কিছুমান উন্নত দেশে নিকা বা সেউজ প্ৰযুক্তিত অৰিহণা যোগোৱাৰ দৰে ভাৰতেও তাত হাত মিলাব পাৰিব। ভাৰতৰ প্ৰস্তুতকৰণ কাম-কাজক পুনৰুজ্জীৱিত কৰিবৰ বাবে স্পৰ্শ নকৰা ক্ষেত্ৰ আৰু সামগ্ৰী বিশেষক উদ্ধাৰ কৰিবলৈ গৱেষণাৰ বাবে দেশখন অতি ভাল কেন্দ্ৰ আছে। গৱেষণা কেন্দ্ৰবোৰে কিছুমান আগশাৰীৰ শিক্ষা প্ৰতিস্থানক এতিয়াও সামৰি লোৱা নাই। সেই প্ৰতিষ্ঠানবোৰ হ'ল, — ইণ্ডিয়ান ইনষ্টিটিউট অব টেক্‌ন'ল'জি, ইণ্ডিয়ান ইনষ্টিটিউট অব চায়েন্স আৰু অন্যান্য লেখত লবল'গা শিক্ষা প্ৰতিস্থান। এই প্ৰতিস্থানবোৰত উৎকৃষ্ট শিক্ষাবিদ, গৱেষক পণ্ডিত আছে। লগতে আছে বিভিন্ন প্ৰতিৰক্ষা আৰু অ-প্ৰতিৰক্ষা সম্পৰ্কিত ৰাষ্ট্ৰীয় গৱেষণাগাৰ। দেশখনৰ ব্যক্তিগত খণ্ড-যিবোৰৰ বহুতেই বিশ্ব শ্ৰেণীৰ কোম্পানীৰ শাৰীত একে লগে থিয় দিব পাৰে— আৰু ৰাষ্ট্ৰীয় প্ৰয়োগশালা তথা প্ৰতিস্থানসমূহে এনে লক্ষ্যত উপনীত হোৱাত এটা সুদৰ প্ৰসাৰী প্ৰভাৱ পেলাব।

## নিৰ্মাণৰ সম্ভাব্য এলেকা

নিৰ্মাণৰ পৰম্পৰাগত এলেকাত কৰা গৱেষণাৰ বাহিৰেও ভাৰতৰ আগশাৰীৰ প্ৰতিস্থান আৰু উদ্যোগসমূহে নিৰন্তৰ গতি অটুট ৰাখিবৰ বাবে শেহতীয়াকৈ বিছিন্ন ঘটা কিছুমান প্ৰযুক্তিৰ ওপৰত আলোকপাত কৰিব পাৰে। এনে প্ৰযুক্তিৰ ভিতৰত এটা হ'ল ৩-ডি প্ৰিন্টিং কিম্বা এডিটিভ মেনুফেক্‌চাৰিং টেক্‌ন'ল'জি। সাম্প্ৰতিক দশকত নিৰ্মাণ খণ্ডৰ ক্ষেত্ৰত ই বিপ্লৱৰ সূচনা কৰে আৰু সেয়া ঘাইকৈ নন্‌-মেটেলিক সামগ্ৰীৰ বাবে তৈয়াৰী উপাদানৰ সন্দৰ্ভত। এই প্ৰযুক্তি একেবাৰে আওপুৰণি। ধাতৱ পদাৰ্থৰ সংক্ৰান্তত ইয়াক ব্যৱহাৰ কৰা হয় — বিশেষকৈ স্বাস্থ্য যতন ব্যৱস্থা আৰু মহাকাশৰ দৰে গুৰুত্বপূৰ্ণ এলেকাত। উপযুক্ত গৱেষণাৰ জৰিয়তে ইয়াৰ উৎকৰ্ষ সাধন কৰিব পাৰিব বুলি ভৱিষ্যতে আশা কৰিব পাৰি। আঠাজাতীয় তৈয়াৰী ব্যৱস্থাত পৰম্পৰাগত প্ৰক্ৰিয়াক কামত নলগোৱাকৈ সামগ্ৰীবিশেষৰ সঠিক আকাৰ দিব পাৰে। ৩-ডি প্ৰিন্টেড পাৰ্ট'ছসমূহত এটা নিজস্ব আকাৰ প্ৰদানত এনে কৰা হয়। সেই পিনৰ পৰা চাবলৈ গ'লে প্ৰক্ৰিয়াসমূহৰ নিৰন্তৰ গতি অটুট ৰাখিবৰ কাৰণে অধিক গৱেষণা আৰু বিকাশ কাৰ্যত মন দিব পাৰে— যাতে কাৰ্বনৰ মাত্ৰা কম ব্যৱহাৰ কৰিব পাৰে আৰু বহনযোগ্য মূল্যত তেনে প্ৰস্তুত সামগ্ৰী পাবৰ অৰ্থে কেচামালো কম প্ৰয়োজন হয়। উন্নত প্ৰযুক্তিৰ অৰ্থে উপযুক্তভাবে গৱেষণা কৰা আৱশ্যক আৰু সেইটো আমাৰ দৃষ্টিভঙ্গী হোৱা দৰকাৰ যাৰ জৰিয়তে সূক্ষ্ম আৰু ঠুনুকা সামগ্ৰী আন দেশলৈ ৰপ্তানি কৰিব পাৰি।

ইয়াৰ বাহিৰেও আঠাজাতীয় তৈয়াৰী প্ৰক্ৰিয়া কোনো এটা সামগ্ৰীৰ অংশবোৰ ৰদ-বদল নকৰাকৈ মেৰামতি কৰি সহজতে ব্যৱহাৰ কৰিব পাৰি। এনেধৰণৰ মেৰামতি এটা " ঢাপৰ পৰা আনটো ঢাপলৈ " অৱতীৰ্ণ হোৱা ভাৱধাৰাত উপযুক্ত ভাবে ৰজিতা খায় আৰু সেয়াই হ'ল নিৰ্মাণৰ ক্ষেত্ৰত আঁত ধৰি থকা নিৰন্তৰ গতি। ইয়াৰ বাহিৰেও এই আঠাজাতীয় নিৰ্মাণ প্ৰযুক্তিয়ে অধিক সম্পদেৰে পৰিপুষ্ট নতুন সামগ্ৰী পৰীক্ষা কৰিবৰ বাবে সুচল কৰে আৰু তেনে সামগ্ৰীৰ সঠিক গুৰুত্ব উপলব্ধ কৰাৰ পাচত নতুন কাম-কাজ প্ৰয়োগ কৰাৰ বাট মুকলি কৰিব পাৰে।

মনোযোগ আকৰ্ষণৰ আন যিবোৰ ক্ষেত্ৰ আছে তাৰ ভিতৰত উল্লেখযোগ্য হ'ল স্বয়ংক্ৰিয় ৰ'বট, কৃত্ৰিমভাবে উপলব্ধ কৰিব পৰা সম্বেদসূচক যন্ত্ৰ আৰু ডাৱৰৰ গাণনিক বিশ্লেষণ। নিৰন্তৰ বিকাশৰ জৰিয়তে আমাৰ আৱশ্যকতাক পূৰণ কৰিবলৈ এই সকলোবোৰ ক্ষেত্ৰৰেই ক্ষমতা আছে আৰু তেনে ক্ষমতাৰে আমাৰ দেশৰ নিৰ্মাণ খণ্ডক আধুনিকতাৰ বোল দি শক্তিশালী কৰিব পৰা যায়। ইয়াৰ লগতে এই নতুন ভাৱধাৰাক কাৰ্যত ৰূপায়ণ কৰিবৰ অৰ্থে দেশখনত প্ৰাপ্ত বিভিন্ন স্তৰৰ দক্ষতাসম্পন্ন লোকক বিস্তাৰিত আকাৰত কামত লগোৱা উচিত। ◇

# শ্ৰমিক আইন আৰু ভাৰতৰ উৎপাদন খণ্ডৰ সংস্কাৰ

*** দেবাশিস মিত্ৰ**

**পাতনিঃ**

শ্ৰমিকৰ আধিক্য থকা ভাৰতত শ্ৰমিক-কেন্দ্ৰিক উৎপাদন খণ্ডৰ প্ৰতিষ্ঠানসমূহ মূলতঃ অসংগঠিত অথবা অপঞ্জীকৃত। এই ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ কাৰিকৰী বা প্ৰযুক্তিগতভাৱেও পিছপৰা। আনহাতে বিধিৱৎ নিৰ্মাণ বা উৎপাদন খণ্ডৰ অন্তৰ্গত অধিকাংশ উৎপাদন কৰ্মই মূলধন কেন্দ্ৰিক। সেইবাবে শ্ৰমিকৰ আধিক্য থকা আৰু জনবহুল তথা বৃহৎ অৰ্থনীতিৰ দেশ হোৱা সত্বেও ভাৰতে বিশ্বৰ শ্ৰমিককেন্দ্ৰিক উৎপাদনৰ এটা ক্ষুদ্ৰ অংশহে অধিকাৰ কৰিছে। কিছু সংখ্যকৰ মতে ভাৰতৰ কঠোৰ শ্ৰমিক আইন তথা শ্ৰমিক নিয়ন্ত্ৰণকাৰী নীতি-নিয়মেই ইয়াৰ বাবে দায়ী ; আন কিছুসংখ্যকৰ মতে এই আইনসমূহক খাপ খুৱাই লব'লৈ ভাৰতীয় ব্যৱসায়িক খণ্ডটো সফল হৈছে। এই নিবন্ধত মই এই বিষয়ে আলোচনা কৰাৰ লগতে ভাৰতৰ উৎপাদন খণ্ডত শ্ৰমিক নিয়ন্ত্ৰণকাৰী আইনে বাধাৰ সৃষ্টি কৰিছে নেকি সেই সন্দৰ্ভত আৰু শ্ৰমিক সংস্কাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰিম।

**ভাৰতত শ্ৰমিক ব্যৱস্থাপনা**

ভাৰতৰ শ্ৰমিকৰ বজাৰখনত কঠোৰতা ঘাইকৈ আওপুৰণি শ্ৰমিক ব্যৱস্থাপনাৰ বাবেই উদ্ভৱ হৈছে। ৫২ খন কেন্দ্ৰীয় আইনসহ দুই শতাধিক শ্ৰমিক আইনৰ ভিতৰত আটাইতকৈ কঠোৰ আইন হ'ল ঔদ্যোগিক বিবাদ আইন (Industrial Dispute Act-IDA)। শতাধিক শ্ৰমিক থকা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে শ্ৰমিক ছাটাই কৰা সন্দৰ্ভত সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ পৰা অনুমতি গ্ৰহণ কৰিব লাগে। এই অনুমতি পোৱাটো বৰ সহজ নহয়— কেতিয়াবাহে এনে কাৰ্য সম্ভৱ হয়। তদুপৰি ঔদ্যোগিক নিযুক্তি (নিৰ্দেশ বাহালকৰণ) আইন অনুসৰি কোনো ব্যৱসায়িক প্ৰতিষ্ঠানত (কোনো ৰাজ্যত শতাধিক শ্ৰমিক থকা আৰু কোনো ৰাজ্যত অৰ্ধ শতাধিক শ্ৰমিক থকা) কামৰ সালসলনি অথবা ইটো উৎপাদন গোটৰ পৰা সিটো গোটলৈ বদলিকৰণ বৰ কঠিন অৰ্থাৎ প্ৰায় অসম্ভৱ। শ্ৰমিক সংস্থা আইন অনুসৰি কোনো ব্যৱসায়িক প্ৰতিষ্ঠানৰ যিকোনো সাতজন শ্ৰমিক লগলাগি একোটা সংস্থা গঠন কৰিব পাৰে। এনেদৰে এটা প্ৰতিষ্ঠানতে গঢ়ি উঠা বহুকেইটা শ্ৰমিক সংস্থাই পৰিচালন গোষ্ঠীক যথেষ্ট অসুবিধাত পেলাব পাৰে। শ্ৰমিক সংস্থা আইনে সংস্থাসমূহক ধৰ্মঘট কৰাৰ অধিকাৰ প্ৰদান কৰাৰ লগতে নিয়োগকাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে আইনী পদক্ষেপ গ্ৰহণ কৰা শ্ৰমিকক প্ৰতিনিধিত্ব কৰাৰ সুযোগ প্ৰদান কৰে। এই আইনে যিহেতু কমপক্ষেও সাতজন শ্ৰমিকৰ-দ্বাৰাহে সংস্থা গঠনৰ অনুমতি দিয়ে, সেয়ে সাতজনতকৈ কম সংখ্যক শ্ৰমিক থকা ব্যৱসায়িক প্ৰতিষ্ঠানত এই আইন প্ৰয়োজ্য নহয়। সেয়ে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক কম সংখ্যক শ্ৰমিককহে নিযুক্তি দিয়াত এই আইনে উৎসাহিত কৰে।

এইবোৰৰ উপৰি ৰাজ্যিক কৰ্মচাৰী বীমা আইন, কাৰখানা আইন, ৰাজ্যিক কৰ্মচাৰী ভৱিষ্যনিধি সংগঠন, অন্যান্য সা-সুবিধা আইন, ন্যূনতম দৰমহা আইন,প্ৰসূতিকালীন সুবিধা আইন আদি বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত কাৰ্যকৰী হৈ আছে। এই শ্ৰমিক ব্যৱস্থাপনাই ন্যূনতম কৰ্ম পৰিৱেশ আৰু সুবিধা প্ৰদানৰ হকে পক্ষ গ্ৰহণ কৰে।

শ্ৰমিক চুক্তি আইনে চুক্তিবদ্ধ শ্ৰমিকৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ আৰু বাধাৰ সৃষ্টি কৰে। ফলত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে কিছু ক্ষেত্ৰত ব্যয় সংকোচন ৰোধ কৰিব নোৱাৰে। তদুপৰি কিছুমান বিশেষ কামৰ বাবে চুক্তিবদ্ধ শ্ৰমিকৰ ব্যৱহাৰ নিষিদ্ধ।

ভাৰতীয় সংবিধান অনুসৰি উদ্যোগ সম্পৰ্কীয় বিষয়টো কেন্দ্ৰ-ৰাজ্যৰ উমৈহতীয়া তালিকাৰ বিষয়সমূহৰ ভিতৰত পৰে বাবে ৰাজ্য চৰকাৰসমূহে ঔদ্যোগিক বিবাদ আইন কেন্দ্ৰীয় হোৱা সত্বেও নিজাববীয়াকৈ সংশোধন কৰিব পাৰে। তদুপৰি শ্ৰমিক আইনৰ প্ৰয়োগ ৰাজ্যসমূহৰ আওতাত পৰে। সেইবাবে বিভিন্ন ৰাজ্যত শ্ৰমিক সম্পৰ্কীয় বিষয়বোৰৰ ভিন্নতা পৰিলক্ষিত হয়।

**শেহতীয়া শ্ৰমিক সংস্কাৰ পদক্ষেপ**

স্বৰাজোত্তৰ কালছোৱাত ৰাজ্যসমূহে শ্ৰমিক আইনৰ সংস্কাৰ সাধন কৰি আহিছে। এই সংস্কাৰ কেতিয়াবা

* দেৱাশিস মিত্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ চাইৰাকুজ য়ুনিভৰচিটিৰ মেক্সৱেল স্কুল অৱ ছিটিজেনশ্বিপ এণ্ড পাব্লিক এফেয়াৰছৰ গ্লোবেল এফেয়াৰছৰ ক্ৰেয়াৰ অধ্যাপক আৰু অৰ্থনীতিৰ অধ্যাপক

শ্ৰমিকৰ সপক্ষে অথবা কেতিয়াবা নিয়োগকাৰীৰ সপক্ষে সাধন হোৱা পৰিলক্ষিত হয়। ই নিৰ্ভৰ কৰে সংশ্লিষ্ট চৰকাখনৰ আদৰ্শগত ভিত্তিৰ ওপৰত। অৱশ্যে পূৰ্বৰ দৰে বৰ্তমান শ্ৰমিক আইনৰ সংস্কাৰৰ ভিত্তি পৰিবৰ্তিত হোৱা দেখা যায়। সম্প্ৰতি প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ, আন্তঃগাঁথনি উন্নয়ন আৰু বাণিজ্যৰ উদাৰীকৰণত গুৰুত্ব দিয়া হৈছে।

ৰাজস্থান চৰকাৰে শেহতীয়াকৈ ঔদ্যোগিক বিবাদ আইন অনুমতি শ্ৰমিক ছাটাই কৰাৰ বাবে অনুমতি বিচৰাৰ ক্ষেত্ৰত শ্ৰমিকৰ সংখ্যাৰ ঊৰ্ধ্বসীমা ১০০ৰ পৰা ৩০০ লৈ বৃদ্ধি কৰিছে। তদুপৰি কাৰখানা আইনৰ অধীনত ব্যৱসায়িক প্ৰতিষ্ঠানৰ পঞ্জীয়নৰ বাবে ন্যূনতম শ্ৰমিকৰ সংখ্যাৰ সীমা এই চৰকাৰে বৃদ্ধি কৰিছে। উল্লেখযোগ্য যে কাৰখানা আইনৰ অধীনত কৰ্ম সময়, কৰ্ম দিন, ন্যূনতম প্ৰয়োজনীয় বয়স আদি বিষয়বোৰ নিয়ন্ত্ৰণ কৰা হৈছিল। ইয়াৰ উপৰি ৰাজস্থানত শ্ৰমিক সংগঠনৰ পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় প্ৰতিনিধিত্ব ব্যৱসায়িক প্ৰতিষ্ঠানটোত শ্ৰমিকৰ সংখ্যাৰ ১৫ শতাংশৰ পৰা ৩০ শতাংশলৈ বৃদ্ধি কৰা হয়। এনে ধৰণৰ পৰিৱৰ্তনে একাধিক শ্ৰমিক সংগঠনৰ বিবাদৰ ফলত নষ্ট হোৱা শ্ৰমৰ আৰু উৎপাদনশীল ব্যৱস্থাপনাৰ সময় হ্ৰাস কৰিব পাৰে। ইয়াৰ উপৰি ৰাজ্য চৰকাৰখনে সংশোধন কৰা 'শিক্ষানবীচ আইন'ৰ ফলত দক্ষতা উন্নয়নৰ উদ্দীপনা বৃদ্ধি কৰিব,যাক অৰ্থনীতিবিদ-সকলে 'মানৱ মূলধন গঠন' বুলি অভিহিত কৰিছে।

কেন্দ্ৰত, শ্ৰমিক আইন সংস্কাৰৰ ক্ষেত্ৰত বিশেষ একো কৰা হোৱা নাই; এই কাৰ্যৰ ভাৰ মূলতঃ ৰাজ্য চৰকাৰসমূহৰ ফাললৈ ঠেলি দিয়া হৈছে। কেন্দ্ৰই গ্ৰহণ কৰা অতি কম কেইটামান গুৰুত্বপূৰ্ণ পদক্ষেপৰ ভিতৰত এটা হ'ল একত্ৰিত ৱেব প'ৰ্টেল গঠন, য'ত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে ১৬ খন শ্ৰমিক আইন সম্বন্ধীয় ধাৰাসমূহ পালন কৰাৰ প্ৰতিবেদন দাখিল কৰিব পাৰে। ইয়াৰ ফলত কোনটো ব্যৱসায়িক প্ৰতিষ্ঠানত পৰিদৰ্শনৰ প্ৰয়োজন সেই কথা স্পষ্ট হৈ পৰে। গতিকে পৰিদৰ্শকসকলক মইমতালি হ্ৰাস পোৱাত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ পূৰ্বতকৈ কম হাৰাশাস্তিৰ সন্মুখীন হয়। তদুপৰি কেন্দ্ৰৰ শেহতীয়া পদক্ষেপৰ বাবে শ্ৰমিকৰ ভৱিষ্যনিধিৰ ধনৰ একাউন্ট বদলিকৰণৰ সুবিধাও প্ৰদান কৰা হ'ল। 'শিক্ষানবীচ আইন'খন সংশোধন কৰাৰ ফলত দক্ষতা উন্নয়নৰ প্ৰসংগয়ো গুৰুত্ব লাভ কৰিলে। ইফালে কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ বাজেট ভাষণ অনুসৰি নতুন দক্ষতা উন্নয়ন মন্ত্ৰালয়ৰ তৰফৰ পৰা দক্ষতা উন্নয়নৰ ক্ষেত্ৰত বহুকেইটা গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**আৰ্থিক সংস্কাৰত শ্ৰমিক ব্যৱস্থাপনাৰ প্ৰভাৱঃ**

ৰাজ্যসমূহত কেন্দ্ৰই বলৱৎ কৰা শ্ৰমিক আইনসমূহ বিভিন্ন ধৰণে সংশোধন কৰি অহা হৈছে। ৰাজ্যভেদে শ্ৰমিক আইনৰ সংস্কাৰৰ প্ৰভাৱ ভিন্ন হোৱা পৰিলক্ষিত হয়। ইয়াৰ ফলত শ্ৰমিকৰ বজাৰখনৰ অনমনীয়তাৰ ক্ষেত্ৰত ৰাজ্যভেদে বৈচিত্ৰ্য দেখা যায়। ইয়াক লৈ অৰ্থনৈতিক গৱেষকসকলে শ্ৰমিকৰ বজাৰখনৰ নমনীয়তা সন্দৰ্ভত তথ্য আহৰণ কৰে। বিভিন্ন ৰাজ্যৰ পৰা লাভ কৰা তথ্যসমূহে দেখুৱায় যে সংগঠিত ক্ষেত্ৰত শ্ৰমিক ব্যৱস্থাপনাই নিয়োগকৰ্তাক সহায় কৰা নাই। উৎপাদন, বিনিয়োগ, নিযুক্তি, উৎপাদনশীলতা আদি সকলো বিষয়ক সামৰি কৰা গৱেষণাই কেতবোৰ নতুন দিশৰ সন্ধান দিয়ে।

**শ্ৰমিক ব্যৱস্থাপনা আৰু বিশ্বায়নঃ**

নিয়ন্ত্ৰিত শ্ৰমিক ব্যৱস্থাপনাই নেতিবাচক প্ৰভাৱ পেলায়। ভাৰতৰ বাণিজ্য আৰু প্ৰত্যক্ষ বৈদেশিক বিনিয়োগত বৃহৎ সংস্কাৰ সাধন হোৱা সত্ত্বেও শ্ৰমিক-কেন্দ্ৰিক উদ্যোগে বৰকৈ গা কৰি উঠা নাই। অসংগঠিত শ্ৰমিককেন্দ্ৰিক উদ্যোগ খণ্ড যেনে— খাদ্য সামগ্ৰী আৰু পানীয়, পোছাক-পাতি, বস্ত্ৰ, আচবাব আদি উদ্যোগে যোৱা দুবছৰে মুঠ ঘৰুৱা উৎপাদনৰ প্ৰতি বিশেষ অৱদান আগবঢ়াব পৰা নাই। ইয়াৰ বিপৰীতে মূলধন অথবা দক্ষতাকেন্দ্ৰিক উদ্যোগ, যেনে— অট'ম'বীল, পেট্ৰ'লিয়াম, পৰিশোধন, অভিযান্ত্ৰিক সামগ্ৰী, দূৰসংযোগ, ফাৰ্মাচিউটিকেলছ, ছফ্‌টৱেৰ, বিত্ত আদি খণ্ডৰ বিকাশৰ হাৰ যথেষ্ট বেছি আৰু মুঠ ঘৰুৱা উৎপাদনলৈ অৱদানো চকুত লগা। ভাৰতৰ ৰপ্তানিৰ ক্ষেত্ৰত দক্ষতা কেন্দ্ৰিক উদ্যোগসমূহৰ অংশ ১৯৯০-৯১ চনৰ ৪১ শতাংশৰ পৰা ২০০৭-০৮ চনলৈ ৬৫ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ বিপৰীতে শ্ৰমিককেন্দ্ৰিক উদ্যোগৰ ছবিখন উৎসাহজনক নহয়। পোছাক উদ্যোগৰ ক্ষেত্ৰখনত ভাৰতে বিশ্বৰ বজাৰৰ অংশ ক্ৰমাৎ বাংলাদেশৰ বাবে হেৰুৱাবলৈ ধৰিছে আৰু চীনৰ চমকপ্ৰদ উত্থানত ভাৰত দ্ৰুতগতিত ক্ষতিগ্ৰস্ত হৈছে। চীনৰ বৃহৎ পোছাক উদ্যোগত দুহেজাৰকৈ শ্ৰমিক নিয়োজিত হৈ আছে ; ইয়াৰ বিপৰীতে ভাৰতৰ পোছাক উদ্যোগ সৰু সৰু ব্যৱসায়িক প্ৰতিষ্ঠানত কেন্দ্ৰীভূত হৈ আছে, য'ত প্ৰতিটো প্ৰতিষ্ঠানত ৯ জনতকৈ কম শ্ৰমিকে কাম কৰে। সেইবাবে অৰ্থনীতিতো ইয়াৰ বিৰূপ প্ৰভাৱ পৰে। পোছাক উদ্যোগৰ ক্ষেত্ৰত ভাৰতৰ প্ৰদৰ্শন বাংলাদেশতকৈ নিম্নমানৰ। অথচ বাংলাদেশৰ দাৰিদ্ৰ্যৰ হাৰ ভাৰততকৈ অধিক, আন্তঃগাঁথনি শোচনীয় আৰু দুৰ্নীতিও বেছি। এই উদাহৰণে দেখুৱায় যে ভাৰতৰ কঠোৰ নীতি-নিয়মৰ বাবেই এই নেতিবাচক প্ৰভাৱ পৰিছে।

বিশ্বৰ আন আন দেশৰ তুলনাত

ভাৰতৰ শ্ৰমিককেন্দ্ৰিক অৰ্থনীতি কঠোৰ শ্ৰমিক আইনৰ বাবে কেনেদৰে ক্ষতিগ্ৰস্ত হৈছে? শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ লগতে কঠোৰ শ্ৰমিক ব্যৱস্থাপনাৰ বাবে ব্যৱসায়িক প্ৰতিষ্ঠানৰ আকাৰ বৃদ্ধিত অন্তৰায়ৰ সৃষ্টি হৈছে। শ্ৰমিককেন্দ্ৰিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ আকাৰ সৰু হোৱাৰ বাবেই উৎপাদন কম হৈছে আৰু ই অৰ্থনীতিত প্ৰত্যক্ষ প্ৰভাৱ পেলাইছে।

নিয়ন্ত্ৰিত শ্ৰমিক ব্যৱস্থাপনাই ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক প্ৰয়োজনীয় নিযুক্তিত বাধাৰ সৃষ্টি কৰে। ইয়াৰ ফলত বিশ্বৰ আন আন দেশত, য'ত শ্ৰমিকৰ ক্ষেত্ৰত বেছি বাধ্যবাধকতা নাথাকে, ভাৰততকৈ অধিক উৎপাদন পৰিলক্ষিত হয়। এই শ্ৰমিক আইনসমূহে বৃহৎ সংখ্যক স্থায়ী শ্ৰমিক নিযুক্তিত হেঙাৰৰ সৃষ্টি কৰাৰ ফলত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে অধিক অস্থায়ী বা চুক্তিবদ্ধ শ্ৰমিকক কামত লগাব লগীয়া হয়। অস্থায়ী শ্ৰমিকসকলে কামটো ভালকৈ শিকি উঠি কৰ্মৰত হোৱাৰ সুযোগটো নাথাকে বাবে উৎপাদনৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পৰে। ইয়াৰ ফলত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ক্ৰমাৎ মূলধনকেন্দ্ৰিক হৈ পৰে আৰু দেশৰ ভিতৰত মূলধনকেন্দ্ৰিক উৎপাদনত গুৰুত্ব দিয়ে। ভাৰতৰ শ্ৰমিক আইনৰ কঠোৰ ব্যৱস্থাপনাই বাণিজ্যৰ পৰা হোৱা লাভৰ ক্ষেত্ৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়।

**নীতিৰ অনুমোদন আৰু প্ৰভাৱঃ**

এনে প্ৰেক্ষাপটত এই কথা স্পষ্টভাৱে প্ৰতিপন্ন হ'ল যে ভাৰতৰ আওপুৰণি আৰু নিয়ন্ত্ৰিত শ্ৰমিক আইনে নিৰ্মাণ খণ্ডত বাৰুকৈয়ে হেঙাৰ হৈ দেখা দিছে। ইয়াৰ ফলত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে শ্ৰমিককেন্দ্ৰিক উদ্যোগৰ সলনি মূলধন বা দক্ষতাকেন্দ্ৰিক উদ্যোগকহে আঁকোৱালি ল'বলগীয়া হৈছে। ইয়াৰ ফলত চীন, ভিয়েটনাম, বাংলাদেশ আদি দেশে বস্ত্ৰ আৰু পোছাক উদ্যোগৰ দৰে শ্ৰমিককেন্দ্ৰিক উদ্যোগৰ ক্ষেত্ৰতো বহুদূৰ আগবাঢ়ি যাবলৈ সক্ষম হৈছে।

গতিকে ভাৰতে অৰ্থনৈতিকভাৱে অধিক সবল পদক্ষেপ দিবলৈ শ্ৰমিককেন্দ্ৰিক উদ্যোগক উৎসাহিত কৰাৰ বিকল্প নাই। সেইবাবে সময়ৰ আহ্বান হ'ল ভাৰতৰ শ্ৰমিক আইনৰ যথাসম্ভৱ শীঘ্ৰেই সংস্কাৰ সাধন কৰাটো।

কি ধৰণৰ শ্ৰমিক সংস্কাৰৰ প্ৰয়োজন? ৰাজস্থান চৰকাৰে কৰাৰ দৰে ঔদ্যোগিক বিবাদ অইন অনুসৰি শ্ৰমিক নিযুক্তিৰ উৰ্দ্ধসীমা ১০০ ৰ পৰা ৩০০ লৈ বৃদ্ধি কৰাৰ দৰে পদক্ষেপৰ প্ৰয়োজন। শ্ৰমিক আইনখন যথাসম্ভৱ নমনীয় হোৱাটো একান্তই বাঞ্ছনীয়।

এটা ব্যৱসায়িক প্ৰতিষ্ঠানতে বহুকেইটা শ্ৰমিক গঠনৰ অনুমতি প্ৰত্যাহাৰ কৰা উচিত। অন্যথা সংস্থাসমূহৰ মাজত হোৱা বাদ-বিবাদ, সংঘাতৰ ফলত উৎপাদন ব্যাহত হ'ব পাৰে।

শ্ৰমিক সংগঠনৰ আঁৰত থকা ৰাজনৈতিক সমৰ্থনৰ বাবে কিছু ক্ষেত্ৰত অসুবিধাই দেখা দিয়ে। কিন্তু ক্ৰমাৎ সংস্কাৰ গঠন হৈ থকাৰ পাছত লাহে লাহে ৰাজনৈতিক বিৰোধিতাসমূহো আঁতৰি যাব আৰু শ্ৰমিকসকলেও বুজি উঠিব, দৰাচলতে দেশৰ আৰ্থিক বিকাশৰ বাবে প্ৰকৃততে কেনে ধৰণৰ পদক্ষেপ লোৱাটো প্ৰয়োজনীয়। শ্ৰমিক আইনৰ উপযুক্ত সংস্কাৰেহে দেশৰ সামগ্ৰিক কল্যাণত অৰিহণা যোগাব পাৰিব।

***'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।***

# ন্যায়িক সাহায্য আৰু ৰাষ্ট্ৰীয় ন্যায়িক সেৱা প্ৰাধিকৰণৰ ভূমিকা

*মনোজ কুমাৰ স্নিহা

**প্ৰস্তাৱনা**

আইনত প্ৰবেশ সাধন মানৱ অধিকাৰৰ এটা অন্যতম মূল অধিকাৰ। ইয়াৰ প্ৰাপ্তি অবিহনে মানৱ অধিকাৰ কেৱল কাগজতহে লিখা বিষয় হৈ থাকিব পাৰে। ইণ্টাৰনেশ্বনেল ক'ভনেণ্ট অন চিভিল এণ্ড পলিটিকেল ৰাইটছৰ ১৪(৩)(ডি)ত এনেদৰে উল্লেখ আছে; "এজন ব্যক্তিৰ উপস্থিতিত তেওঁৰ প্ৰাপ্য অধিকাৰৰ বিষয়ে বিচাৰ কৰিব লাগিব আৰু তাক প্ৰতিপন্ন কৰিবৰ বাবে নিজেই অৱতীৰ্ণ হ'ব নে নিজ পছন্দৰ ন্যায়িক সহায়ৰ জৰিয়তে সেই ক্ষেত্ৰত আগবাঢ়িব সেইটো জনাব লাগিব আৰু যদি তেওঁৰ ন্যায়িক দিশত সহায় কৰোতা কোনো নাই আৰু তেওঁৰ বাবে নিৰ্দিষ্ট কৰা কোনো ন্যায়িক সহায়কাৰী অথবা যিকোনো ক্ষেত্ৰতেই ন্যায়ৰ স্বাৰ্থৰ বাবে তেনে ব্যৱস্থাৰ প্ৰয়োজন হয় তাৰ কাৰণে ব্যক্তিজনে ধন আদায় নিদিয়াকৈ যদিহে তেওঁৰ কোনো উপযুক্ত উপায় নাই) সেই বিষয়ত আগবাঢ়িবলৈ দিয়া হয়।

১৪(৩) অনুচ্ছেদত উল্লেখ থকা ন্যায়িক সাহায্যৰ এই ব্যৱস্থা নূন্যতম গেৰাণ্টিৰ ভিতৰত ৰখা হৈছে। ইয়াৰ বাবে প্ৰতিজনেই সমানভাৱে যিকোনো অপৰাধমূলক গোচৰৰ ক্ষেত্ৰত নিৰ্ণয় সাধন কৰিবলৈ সমানভাৱে অধিকাৰী। সেয়ে বিনামূলীয়া ন্যায়িক দিহা পৰামৰ্শ পোৱাৰ অধিকাৰ সমান ভাৱ প্ৰদৰ্শনৰ পৰা উৎপত্তি হৈছে। সি যি কি নহওক, এই অধিকাৰক অপৰাধমূলক গোচৰৰ ন্যায় প্ৰদান পদ্ধতিৰ প্ৰসঙ্গতহে কেৱল নিৰ্দিষ্ট কৰা হৈছে।

ভাৰতীয় সংবিধানে বিনামূলীয়া ন্যায় সাহায্য অধিকাৰ স্পষ্টভাৱে মূল অধিকাৰ ৰূপে প্ৰদান কৰা নাই। কিন্তু ৰাষ্ট্ৰৰ নিৰ্দ্দেশনা নীতিৰ অন্তৰ্গত ৩৯(ক) অনুচ্ছেদত দুখীয়া-নিচলা লোকৰ ক্ষেত্ৰত জড়িত সকলো গোচৰৰ সন্দৰ্ভত বিনামূলীয়া ন্যায় সাহায্যৰ দিহা আছে— "সমান সা-সুবিধাৰ আধাৰত ৰাষ্ট্ৰই ন্যায়িক পদ্ধতি প্ৰদানৰ ন্যায় কাৰ্য চলাই যাব আৰু বিশেষকৈ উপযুক্ত আইন প্ৰণয়ন অথবা আঁচনি কিম্বা আন যিকোনো উপায়েৰে বিনামূলীয়া ন্যায় সাহায্যৰ দিহা কৰিব। ন্যায় লাভ কৰিবৰ কাৰণে কোনো নাগৰিক কিম্বা আনভাৱে শাৰীৰিক বাধাপ্ৰাপ্ত লোকে তেনে সুবিধা পায় সেইটো নিশ্চিত কৰা হয়।"

উচ্চতম ন্যায়ালয়ে এইটো স্পষ্ট কৰে যে দুখীয়া লোক আৰু আন যিসকল এই ক্ষেত্ৰত উপযুক্ত তেওঁলোকৰ প্ৰতি ন্যায় সাহায্য প্ৰদান কৰাটো হ'ল ব্যক্তিগত স্বাধীনতাৰ এটা অঙ্গ। সংবিধানৰ ২১ অনুচ্ছেদত এইটো কথাই খোদিত আছে। এম এইছ হছকট বনাম মহাৰাষ্ট্ৰ ৰাজ্যৰ গোচৰত উচ্চতম ন্যায়ালয়ে এই ৰায় প্ৰদান কৰে যে এজন নাগৰিকৰ বাবে বিনামূলীয়া ন্যায়িক সেৱা অনুচ্ছেদ ২১ত স্পষ্টকৈ দিয়া আছে আৰু ই হ'ল এটা নিৰপেক্ষ, উপযুক্ত আৰু সঠিক পদ্ধতিৰ আৱেশ্যকীয় উপাদানৰ বিষয়। এই গোচৰত ন্যায়াধীশ কৃষ্ণা আয়াৰে দৰ্শোৱা যুক্তি এনেধৰণৰ— কাৰাবন্দীত্ব ৰায় লাভ কৰা এজন কয়দীয়ে যদি ন্যায়িক সাহায্যৰ অভাৱৰ কাৰণে আবেদন কৰাৰ বাবে তেওঁৰ সাংবিধানিক অধিকাৰ প্ৰয়োগ কৰিবলৈ অসমৰ্থ হয় তেনে ক্ষেত্ৰত তেনে কাৰাবন্দী হ'ব লগা ব্যক্তিৰ বাবে সম্পূৰ্ণ ন্যায়দানৰ অৰ্থে এজন পৰামৰ্শদাতা নিযুক্তি দিয়াৰ ক্ষমতা ১৪ অনুচ্ছেদৰ অধীনত (সংবিধানৰ অনুচ্ছেদ ২১আৰু ৩৯ক সহ) স্পষ্টভাৱে উল্লেখ আছে।

খাট্ৰী বনাম বিহাৰ ৰাজ্যৰ আন এটা গোচৰত উচ্চতম ন্যায়ালয়ে কয় যে অপৰাধৰ কাৰণে দোষী সাব্যস্ত এজন ব্যক্তিৰ বাবে বিনামূলীয়া ন্যায়িক সেৱা প্ৰদানৰ অধিকাৰ হ'ল এটা নিৰপেক্ষ, উপযুক্ত আৰু সঠিক পদ্ধতিৰ আৱশ্যকীয় উপাদান। ৰাজ্য চৰকাৰে অপৰাধী ৰূপে সাব্যস্ত কৰা এজন দুখীয়া ব্যক্তিক বিত্তীয় অথবা প্ৰশাসনীয় অসমৰ্থতাৰ দোহাই দি বিনামূলীয়া ন্যায়িক সেৱা প্ৰদান কৰা সাংবিধানিক দায়িত্বৰ পৰা গা এৰা দিব নোৱাৰে। সাংবিধানিক ব্যৱস্থা অনুযায়ী ৰাজ্যই তাৰ ব্যৱস্থা গ্ৰহণ কৰিবই লাগিব।

শীলা বাৰ্ছে বনাম কেন্দ্ৰীয় চৰকাৰৰ বিচাৰত উচ্চতম ন্যায়ালয়ে সাংবিধানিক বাধ্যবাধকতাৰ বিৰুদ্ধে স্পষ্টকৈ ব্যাখ্যা কৰে। এই গোচৰটোত

*মনোজ কুমাৰ স্নিহা নতুন দিল্লীৰ ইণ্ডিয়ান ল ইনষ্টিটিউটৰ সঞ্চালক। শ্ৰীসিন্হাই মানৱ অধিকাৰ, সাংবিধানিক আইন আদিৰ বিষয়ে বহু প্ৰতিষ্ঠিত আলোচনীত প্ৰবন্ধপাতি লিখিছে। বহু আলোচনীৰ সম্পাদকীয় বোৰ্ডৰ সদস্যৰূপেও তেওঁ কাম কৰি আছে।

আদালতে কেইগৰাকীমান অধিবক্তাই ব্যক্ত কৰা দৃষ্টিভঙ্গীৰ ক্ষেত্ৰত অসন্তোষ প্ৰকাশ কৰে। ন্যায়াধীশ ভাগৱতীয়ে বিপদত পৰা লোকক সহায় কৰিবলৈ অধিবক্তাসকলৰ কৰ্তব্য সম্বন্ধে স্পষ্টকৈ জনাই দিয়ে। তেওঁ কয় ঃ "দুখীয়া, অশিক্ষিত আৰু অজ্ঞ লোকসকলক যেতিয়া এটা সংকটত পেলোৱা হয় আৰু তেনে সংকট, যেনে—অপৰাধী বুলি দোষী সাব্যস্ত কৰা অথবা কৰায়ত্ত কিম্বা কাৰাবাস খটা অৱস্থা হয় তেনে অৱস্থাত অধিবক্তাসকলে নিশ্চয় ইতিবাচকভাৱে সহাঁৰি জনাবলৈ ওচৰ চাপিব লাগিব। তেনে সংকটত পৰা ব্যক্তিয়ে কি কৰিব লাগিব বা কলৈ যাব লাগিব অথবা কাৰ ওচৰ চাপিব লাগিব এই বিষয়ে অজ্ঞ। এনে বিপদত পৰা লোকসকলক উদ্ধাৰ কৰিবলৈ অহাৰ সলনি অধিবক্তাসকলে যদি সেই ক্ষেত্ৰত অন্যভাৱে সুবিধা গ্ৰহণ কৰিবলৈ বিচাৰে তেনেহ'লে ওকালতি বৃত্তিৰ বদনাম হ'ব আৰু দেশৰ বৃহৎ সংখ্যক জনগণে অধিবক্তাসকলৰ ওপৰত বিশ্বাস হেৰুৱাব আৰু তাৰ ফলস্বৰূপে সেয়া হ'ব গণতন্ত্ৰ তথা ন্যায় শাসনক মষিমূৰ কৰি পেলোৱা।

উচ্চতম ন্যায়ালয়ে এটা গোচৰত আৰু এখোপ আগুৱাই গৈছে। সেই গোচৰটো আছিল সুখ দাস বনাম অৰুণাচল প্ৰদেশৰ মাজত তৰা মোকৰ্দমা। বিনামূলীয়া ন্যায়িক সাহায্য প্ৰদান কৰিবৰ বাবে সাংবিধানিক দায়িত্বৰ বিৰুদ্ধে ৰাজ্যক ন্যায়ালয়ে সোঁৱৰাই দিয়ে। উচ্চতম ন্যায়ালয়ৰ বক্তব্য হ'ল এজন দুখীয়া ব্যক্তিয়ে ন্যায় সাহায্য পোৱাৰ অধিকাৰ আছে যদিও সেইজন ব্যক্তিয়ে তাৰ বাবে দাবী নজনায়। এজন অপৰাধীক বিনামূলীয়া ন্যায়িক সাহায্য প্ৰদান কৰাৰ অপৰাগতাই গোচৰটোৰ স্বাভাৱিক গাম্ভীৰ্য হানি কৰে-যদিও তেনে অভিযুক্তই ন্যায় সাহায্যৰ দাবী নজনায়।

আদালতে কেইটামান অপৰাধৰ ক্ষেত্ৰত ন্যায় সাহায্য প্ৰদান কৰা উচিত নহয় বোলা মন্তব্যক বিবেচনাৰ বাহিৰত ৰাখে। সেই অপৰাধকেইটা হ'ল, যেনে—এজন ব্যক্তিক যেতিয়া অৰ্থনৈতিক অপৰাধ কিম্বা, যৌন কৰ্মী অথবা শিশুক দুৰ্ব্যৱহাৰ কৰা সম্পৰ্কত অপৰাধী কৰা হয় তেনে যুক্তিক আদালতে গ্ৰহণ নকৰে। আদালতে ভাবে যে প্ৰতিজন ব্যক্তিয়েই তেওঁ কৰা অপৰাধ প্ৰতিষ্ঠিত নোহোৱালৈকে নিৰ্দোষী-তেনে পূৰ্ব ধাৰণা থাকেই। কিন্তু সেইটো প্ৰমাণিত হ'লে দোষী সাব্যস্ত কৰা নিঃকিন ব্যক্তিয়ে ন্যায় সাহায্য পোৱাৰ অধিকাৰী হোৱা উচিত।[১] ইয়াৰ পৰা এতিয়া এই সিদ্ধান্তই হ'ল যে ন্যায় সাহায্যৰ অধিকাৰ তথা খৰতকীয়াকৈ বিচাৰ কৰাটো ভাৰতীয় সংবিধানৰ ২১অনুচ্ছেদত উল্লেখ কৰা মানৱ অধিকাৰ নিশ্চিত কৰাৰ এটা অংশবিশেষ।

### ন্যায়িক সেৱা প্ৰাধিকৰণ আইন

অনুচ্ছেদ ৩৯-ক অনুযায়ী ন্যায়িক সেৱা প্ৰাধিকৰণ আইন, ১৯৮৭ প্ৰণয়ন কৰা হয়। সমগ্ৰ দেশতে ন্যায়িক সেৱা কাৰ্যসূচীক এটা সাংবিধানিক আধাৰ দিবৰ বাবে আইনখন অৱলম্বন কৰা হয়। এই আইনখন চূড়ান্তভাৱে ১৯৯৫চনৰ ৯ নৱেম্বৰত বলবৎ কৰা হয়। সেই বছৰৰে ৫ ডিচেম্বৰত ই ৰাষ্ট্ৰীয় ন্যায় সেৱা প্ৰাধিকৰণ ৰূপে স্থিতি লাভ কৰে। আইনখনৰ অধীনত ন্যায়িক সেৱা প্ৰদান কৰিবৰ কাৰণে নীতি আৰু সূত্ৰাৱলী দিহা কৰিবলৈ উক্ত সংস্থাটো গঠন কৰা হয়। ন্যায়িক সেৱাৰ বিষয়ে অধিক উপযুক্ত তথা হিচাপী আঁচনি তৈয়াৰ কৰিবৰ বাবেও ভবা হয়। এই আইনখনে ৰাষ্ট্ৰীয়, ৰাজ্য, জিলা আৰু তালুক পৰ্যায়ত ন্যায়িক সেৱা প্ৰাধিকৰণ প্ৰতিস্থা কৰে। আইনখনৰ ধাৰা ৩(২) (ক) ত উল্লেখ আছে যে ভাৰতৰ মুখ্য ন্যায়াধীশ প্ৰাধিকৰণৰ মুখ্য পৃষ্ঠপোষক (পেট্ৰন-ইন-চীফ) হ'ব আৰু উচ্চতম ন্যায়ালয়ৰ এগৰাকী কৰ্মৰত অথবা অৱসৰপ্ৰাপ্ত বিচাৰকক প্ৰাধিকৰণৰ কাৰ্যকৰী অধ্যক্ষ-ৰূপে মনোনীত কৰা হয়। প্ৰাধিকৰণৰ নীতি আৰু নিৰ্দেশনাক কাৰ্যৰূপ দিবলৈ প্ৰত্যেক ৰাজ্যত ৰাজ্যিক নায়িক সেৱা প্ৰাধিকৰণ গঠন কৰা হয়। ইয়াৰ উদ্দেশ্য হ'ল জনগণক ন্যায়িক সেৱা প্ৰদান কৰা আৰু ৰাজ্যত লোক আদালত পৰিচালনা কৰা। ৰাজ্যৰ ক্ষেত্ৰত এই প্ৰাধিকৰণৰ মুৰব্বী হ'ল ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, তেৰেঁই প্ৰধান পৃষ্ঠপোষক। তেনেদৰে উচ্চ ন্যায়ালয়ৰ কৰ্মৰত অথবা অৱসৰপ্ৰাপ্ত বিচাৰকক কাৰ্যবাহী অধ্যক্ষ ৰূপে মনোনীত কৰা হয়। জিলা পৰ্যায়তো তেনে প্ৰাধিকৰণ গঠন কৰা হয়। জিলাখনৰ জিলা দণ্ডাধীশ হ'ল পদেন অধ্যক্ষ। প্ৰতিখন তালুক অথবা মণ্ডল কিম্বা তালুক গোটৰ কাৰণে তালুক ন্যায়িক সেৱা কমিটী গঠন কৰা হয় যাতে থলুৱা স্তৰত ন্যায়িক সেৱাৰ কাম-কাজৰ সমন্বয় সাধন কৰিব পাৰি আৰু লোক আদালতো গঠন কৰিব পাৰি। প্ৰত্যেক তালুক কমিটীৰ মুৰব্বী হ'ল এগৰাকী জ্যেষ্ঠ অসামৰিক দণ্ডাধীশ। তেওঁ কমিটিৰো পদেন অধ্যক্ষ।

এই আইনখনৰ প্ৰধান উদ্দেশ্য হ'ল সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলক

(১) লিগেল চাৰ্ভিছেছ অথ'ৰিটি এক্ট ১৯৮৭ৰ অধীনত কিছুমান উপাৰ্জনলৈকে (ন্যায় সাহায্যৰ বিত্তীয় চিলিং সীমা ৰাজ্য অনুপাতে কম-বেছি হয়) নিঃকিন ব্যক্তিক প্ৰদান কৰা হয়। মহিলা ল'ৰা-ছোৱালী (ধাৰা ১২ৰ অধীনত) আৰু অনুসূচিত জাতি তথা জনজাতি লোকৰ উপাৰ্জন যিয়েই নহওক সেইটো সাহায্য প্ৰদানৰ ক্ষেত্ৰত বিবেচনা কৰা নহয়।

বিনামূলীয়া আৰু উপযুক্ত ন্যায়িক সেৱা যোগান ধৰা আৰু অৰ্থনৈতিক তথা অন্যান্য অসমৰ্থতাৰ কাৰণ দৰ্শাই যাতে তেওঁলোকক ইয়াৰ পৰা বঞ্চিত কৰা নহয় সেইটো নিশ্চিত কৰা। আইনখনৰ ধাৰা ২(১) (গ) ৰ অধীনত উল্লিখিত ‘‘ন্যায়িক সেৱা’’ সূত্ৰত সন্নিৱিষ্ট বিষয়সমূহ হ’ল—‘‘কোনো আদালত কিম্বা অন্য অধিকৰ্তা অথবা ট্ৰাইবুনেলত আৰু কোনো ধৰণৰ ন্যায়িক বিষয়ৰ দিহা-পৰামৰ্শ দিয়াৰ ক্ষেত্ৰত কোনো গোচৰ অথবা অন্যান্য ন্যায়িক ব্যৱস্থা চলি থাকোতে প্ৰয়োজনীয় সেৱা আগবঢ়াব লাগিব। ৰাষ্ট্ৰীয় ন্যায়িক সেৱা প্ৰাধিকৰণে সমাজৰ দুৰ্বল শ্ৰেণী তথা দুখীয়া লোকসকলক বিনামূলীয়া ন্যায়িক সেৱা যোগান ধৰাৰ কাম চোৱাচিতা কৰিব। ন্যায়িক সাহায্য শিবিৰৰ সংগঠন আৰু লোক আদালতৰ জৰিয়তে বাদ-বিবাদ মীমাংসা কৰা কাৰ্যক উৎসাহিত কৰাতো ই সুবিধা আগবঢ়ায়। দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে সামাজিক ন্যায় কাৰ্য পথ অৱলম্বন কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবৰ কাৰণে আইনখনে কেন্দ্ৰীয় প্ৰাধিকৰণৰ ওপৰত কাম অৰ্পণ কৰিছে আৰু লগতে ন্যায়িক কৌশলৰ বিষয়বোৰত সামাজিক কৰ্মীসকলক প্ৰশিক্ষণ দিয়াৰো দায়িত্ব প্ৰাধিকৰণক দিছে। বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠানত ক্লিনিকেল ন্যায়িক শিক্ষা কাৰ্যসূচী তথা ন্যায়িক সাহায্য ক্লিনিকেল সুবিধাও ই প্ৰদান কৰে। কেন্দ্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক অধিকৰ্ত্তা আৰু জিলা অধিকৰ্ত্তাই ন্যায়িক সাহায্য কাৰ্যসূচীক উৎসাহিত কৰিবলৈ অন্যান্য চৰকাৰী, অনা-চৰকাৰী এজেন্সি তথা বিশ্ববিদ্যালয়সমূহৰ সতে সমন্বয় সাধন কৰি কাম কৰিছে। ন্যায়িক সেৱা প্ৰাধিকৰণ আইন, ১৯৮৭ৰ ১২ধাৰাই উপযুক্ত ব্যক্তিলৈ ন্যায়িক সেৱা প্ৰদানৰ অৰ্থে শ্ৰেণীবদ্ধ কৰিছে। আবেদনকাৰীৰ উপযুক্ততা তথা তেওঁৰ পক্ষত গোচৰৰ স্থিতি আছে নে নাই তাৰ উপযুক্ততাক পৰীক্ষা কৰাৰ পাছত ৰাজ্যৰ খৰচত পৰামৰ্শদাতাৰ (কাউন্সেল) যোগান ন্যায়িক সেৱা প্ৰাধিকৰণে নিশ্চিত কৰে। আদালতৰ প্ৰয়োজনীয় মাচুল আদায় দিয়ে আৰু গোচৰৰ সতে জড়িত আন সকলো বিষয়ৰ ক্ষেত্ৰত দিব লগা খৰচ বহন কৰে। যিগৰাকী ব্যক্তিলৈ ন্যায়িক সাহায্য প্ৰদান কৰা হয় তেওঁক মোকৰ্দমা চলি থকাৰ সময়ত কোনো ব্যয় কৰিবলৈ কোৱা নহয় যেতিয়া ন্যায়িক সেৱা প্ৰাধিকৰণে সমৰ্থন জনায়। বিনামূলীয়া আৰু উপযুক্ত ন্যায়িক সেৱা প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰীয় প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ন্যায়িক সেৱা প্ৰাধিকৰণ ৰেগুলেচন, ২০১০ তৈয়াৰ কৰে। এই নিয়ামক ব্যৱস্থাৰ (ৰেগুলেচন) বৈশিষ্ট্য হ’ল নিয়মীয়া মাচুল আদায় দি জ্যেষ্ঠ উপযুক্ত অধিবক্তাক বিশেষ গোচৰ ন্যস্ত কৰা হয়। এজন লোকৰ জীৱন আৰু স্বাধীনতা যেতিয়া বিপদাপন্ন অৱস্থাত থাকে তেনে ধৰণৰ গোচৰৰ ক্ষেত্ৰতেই এই জ্যেষ্ঠ অধিবক্তাৰ ব্যৱস্থা কৰা হয়।

ন্যায়িক সেৱা প্ৰাধিকৰণ আইন, ১৯৮৭ প্ৰণয়ন কৰাৰ লগে লগে ন্যায়িক সাহায্য প্ৰদান কৰাৰ গাঁথনি যে এতিয়া দৃঢ়ভাৱে স্থিতি লাভ কৰিছে তাত কোনো সন্দেহ নাই। আৰম্ভণিৰ পৰাই ৰাষ্ট্ৰীয় ন্যায়িক সেৱা প্ৰাধিকৰণে উল্লিখিত আইনখনৰ উদ্দেশ্যৰাজি কাৰ্যত পৰিণত কৰিবলৈ নিষ্ঠাৰে প্ৰণয়ন কৰি আহিছে। ইয়াৰ উপৰি প্ৰাধিকৰণে সমগ্ৰ দেশতে বিকল্প বিবাদ সমাধান ব্যৱস্থাৰ অংশৰূপে লোক আদালত পৰিচালনা কৰিবৰ কাৰণেও বিশেষভাৱে মনোযোগ দিছে। সজাগতা কাৰ্যসূচীৰ অংশৰূপে এই ৰাষ্ট্ৰীয় প্ৰাধিকৰণে দেশখনৰ বিভিন্ন ঠাইত ভালেমান ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঞ্চলিক সন্মিলন, কৰ্মশালা আৰু প্ৰশিক্ষণ কাৰ্যসূচীৰ দিহা কৰে। এতিয়া প্ৰাধিকৰণৰ বাবে এটা ডাঙৰ প্ৰত্যাহ্বানৰ বিষয় হ’ল—নিৰক্ষৰতাৰ কাৰণে যিসকল লোক তেওঁলোকৰ অধিকাৰ সম্বন্ধে সজাগ নহয়। সেই সকলৰ ওচৰ কেনেদৰে পাবগৈ পাৰি? তাৰ বাবে গুৰুত্বপূৰ্ণ বিষয়টো হ’ল প্ৰাধিকৰণে এনে লোকৰ দুৱাৰডলিলৈ গৈ ন্যায়িক সেৱা প্ৰদানৰ বিষয়ে জ্ঞাত কৰাৰ ক্ষেত্ৰত এটা সবল ভূমিকা গ্ৰহণ কৰাটো আৰু সেইটো কৰিব পৰা যাব একমাত্ৰ সমীপত থকা আইন স্কুল তথা অনাচৰকাৰী সংগঠনসমূহক ইয়াৰ লগত জড়িত কৰি।

**সামৰণি**

আইনখনে লোক আদালত ভাৱধাৰাৰ ন্যায়িক বৈশিষ্ট্যক প্ৰতীয়মান কৰিছে। স্বাভাৱিক ন্যায়, সমতা আৰু সু-বিবেক সূত্ৰ অনুযায়ী উপযুক্তভাৱে ন্যায় প্ৰদান কৰাটো বিবাদ নিষ্পত্তি কৰাৰ এটা ভাল বিকল্প পদ্ধতিৰূপে কাৰ্য সমাপন কৰায়েই হ’ল ইয়াৰ লক্ষ্য। বিভিন্ন মানৱ অধিকাৰ সংস্থাবোৰৰদ্বাৰা বিকাশ কৰা সকলো আন্তৰ্জাতিক তথা আঞ্চলিক মানৱ অধিকাৰ ৰক্ষা কৰাৰ ব্যৱস্থাসমূহে এইটো সুদৃঢ়ভাৱে উপস্থাপন কৰিছে যে ৰাজহুৱাভাৱে পুঁজিৰ ব্যৱস্থা কৰা ন্যায়িক সাহায্যৰ জৰিয়তে দুখীয়া আৰু অসুবিধাগ্ৰস্ত লোকসকললৈ ন্যায় প্ৰদানৰ সুচল ব্যৱস্থা হ’ল মানৱ অধিকাৰৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। অধিকাৰসমূহৰ গুৰুত্ব নেথাকে যদিহে ৰাজ্যই নিঃ কিন লোক মোকৰ্দমাৰ আৱৰ্তত পৰিলে তেনে লোকক বিনামূলীয়া ন্যায়িক সাহায্য প্ৰদান কৰিবলৈ অপৰাগ হয়। সেয়ে অধিকাৰসমূহ নিশ্চিতভাৱে ৰক্ষা কৰিবৰ বাবে চৰকাৰে নিশ্চয় ন্যায়িক সাহায্যৰ কাৰণে পৰ্যাপ্ত পুঁজি ৰাখিব লাগিব। এই ক্ষেত্ৰত লক্ষ্যণীয় বিষয়টো হ’ল আন্তৰ্জাতিক পৰ্যায়ত ৰাষ্ট্ৰ সংঘই ২০১২ চনত সূত্ৰাৱলী তথা নীতি নিৰ্দেশনাৰ

সন্দৰ্ভত এটা ন্যায়িক পদ্ধতি অৱলম্বন কৰে। তাক কোৱা হয় "UN Principles and Guidlines on Access to legal Aid in Criminal Justice Systems" এই সূত্ৰসমূহ আৰু নীতি-নিৰ্দেশনা এই স্বীকৃতিত আধাৰিত যে ৰাষ্ট্ৰসমূহে য'তেই উপযুক্ত হয় উপযুক্তভাৱে কাৰ্যসাধন কৰা ন্যায়িক সাহায্য পদ্ধতিৰ বাবে এলানি ব্যৱস্থা গ্ৰহণ কৰা উচিত। ন্যায়িক সাহায্যৰ অধিকাৰ ন্যায় প্ৰাপ্তিৰ প্ৰতি সুচল ব্যৱস্থা নিশ্চিত কৰাৰ মূল কথা। ভাৰতীয় সংবিধানৰ ২১ অনুচ্ছেদত মানৱ অধিকাৰক এটা অপৰিহাৰ্য বিষয় ৰূপে গুৰুত্ব আৰোপ কৰিছে। ভাৰতীয় ন্যায়িক ব্যৱস্থায়ো দুখীয়া আৰু পীড়িতসকলৰ সেৱাৰ বাবে আইনৰ সাৰ্থক ৰূপ দিবলৈ প্ৰয়াস কৰিছে।◇

## ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা ৰূপায়ণৰ দায়িত্বত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা এতিয়াৰে পৰা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ে ৰূপায়ণ কৰিব। এই বিষয়ত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা শেহতীয়া নীতিৰ অধীনত শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়ে এই আঁচনিখন যোৱা ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ক অৰ্পণ কৰিছে আৰু আঁচনিখন পূৰ্বৰ স্থিতিতেই কাৰ্যকৰী হ'ব।

দৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ বাবে ৰূপায়ণ কৰা এই ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাই ২০০৭-২০০৮ চনত অসংগঠিত খণ্ডৰ শ্ৰমিকৰ বাবে আৰম্ভ কৰা হৈছিল আৰু ২০০৮ চনৰ পহিলা এপ্ৰিলৰ পৰা আঁচনিখন ৰূপায়িতহৈ আহিছে। এই আঁচনিয়ে পাঁচজনীয়া এটা গোটৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল আৰু সংগঠিত ক্ষেত্ৰত ১১ টা জীৱিকাৰত গোটৰ মাজত বছৰি ৩০০০০ টকাকৈ প্ৰসূতি মাতৃত্বকে ধৰি স্বাস্থ্য বীমাক সামৰি লৈছে। ২০১৪ বৰ্ষত ৩১ মাৰ্চলৈ এই আঁচনিৰদ্বাৰা ৩,৮৫,১৫,৪১১ টা পৰিয়াল উপকৃত হৈছে। এনে বীমাকৃত লোকলৈ ৬০৯৩ খন ব্যক্তিগত চিকিৎসালয় আৰু ৪১১৮ খন চৰকাৰী চিকিৎসালয়কে ধৰি মুঠ ১০৩১১ খন চিকিৎসালয়ে সেৱা আগবঢ়াইছে। এই ধ্বজাবাহী আঁচনিত ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বীমা কোম্পানীসমূহে অংশগ্ৰহণ কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে যোৱা ৬ বছৰত এই আঁচনিৰ বাবে ৩৭৩৮.০৫ কোটি টকা আৰু ২০১৪-২০১৫ বিত্তীয় বৰ্ষত ২৩ মাৰ্চ পৰ্যন্ত ৫৪৮.২০ কোটি টকা মোকলাই দিছে। দেশৰ ২৯ খন ৰাজ্য আৰু ৭ খন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত ৩ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চলত আঁচনিখন এতিয়ালৈকে কাৰ্যকৰী হোৱা নাই আৰু পাঁচখন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলত আঁচনিখন কিছু সময়ৰ বাবে কাৰ্যকৰী কৰাৰ পাচত বন্ধ কৰি দিয়া হৈছে।

আনহাতে ২১ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলত আঁচনিখন ২০০৮-০৯ বিত্তীয় বৰ্ষৰ পৰা অৱধাৰিতভাৱে ৰূপায়িত হৈ আহিছে। দেশৰ মুঠ ৬৭৬ খন জিলাৰ ভিতৰত ৫৪৮ খন জিলাক এতিয়ালৈকে ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা আঁচনিয়ে সামৰি লৈছে। দেশৰ নিৰ্ধাৰিত ৪৭ কোটি শ্ৰমিকৰ ভিতৰৰ মাত্ৰ ৮ কোটি সংগঠিত কৰ্মী আৰু ৩৯ কোটি অসংগঠিত খণ্ডৰ শ্ৰমিক।

# ভাৰতত অত্যাধুনিক নিৰ্মাণ ঃ এটা অনিৰুদ্ধ সম্ভাৱনীয়তা

**আনন্দ শৰ্মা**
**বীৰপল কৌৰ**

**পৰিচয় ঃ** ২০১৪ চনৰ মে' মাহত চৰকাৰ গঠন কৰাৰ পাচৰেপৰা নতুন চৰকাৰখনে 'মেইক ইন ইণ্ডিয়া' পদক্ষেপৰ বিষয়ে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। এই প্ৰচেষ্টাৰ মূল উদ্দেশ্য হৈছে ভাৰতক এটা 'নিৰ্মাণ কেন্দ্ৰ'ৰূপে গঢ় দি ভাৰতীয় অৰ্থনীতিক পুনৰ শক্তিশালী কৰি তোলা। সমান্তৰালভাৱে এই পদক্ষেপে ভাৰতত পৰ্যাপ্ত নিয়োগৰ ক্ষেত্ৰতো সুখবৰ কঢ়িয়াই আনিব বুলি আশা কৰিব পাৰি। 'মেইক ইন ইণ্ডিয়া' নীতিৰে চৰকাৰে মুঠ ঘৰুৱা উৎপাদনত নিৰ্মাণখণ্ডৰ অংশ ২০২৫ চনৰ ভিতৰত ২৫ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে , যি বিগত দুটা দশক ধৰি ১৫-১৬ শতাংশত স্থবিৰ হৈ আছে। বৃদ্ধিৰ বাবে গাঁথনিগত পৰিৱৰ্তনৰ পৰা ভাৰতে আঁতৰত অৱস্থান কৰিছে আৰু সেৱাখণ্ডৰ অংশই (৫৭ শতাংশ) ঔদ্যোগিক খণ্ডৰ অংশক (২৪.৮ শতাংশ) অতিক্ৰম কৰা পৰিলক্ষিত হৈছে। ভাৰতত ঔদ্যোগিক খণ্ডৰ অতি মন্থৰ বৃদ্ধিয়ে নিৰ্মাণ খণ্ডৰ বৃদ্ধি মন্থৰিত কৰাৰ কাৰক হ'ব পাৰে। ২০১৪-১৫ চনৰ অৰ্থনৈতিক সমীক্ষা অনুসৰি, লাহে লাহে আগুৱাইছে নিৰ্মাণ খণ্ড, ২০১৪-১৫ বিত্তীয় বৰ্ষৰ এপ্ৰিলৰপৰা ডিচেম্বৰলৈ বৃদ্ধি ১.২ শতাংশ। নিৰ্মাণ খণ্ডৰ এনে অপ্ৰত্যাশিত ধীৰ গতিৰ কাৰণ হ'ল সুতৰ অত্যধিক হাৰ, অপৰ্যাপ্ত আন্তঃগাঁথনিৰ লগতে কম আভ্যন্তৰিণ তথা বাহ্যিক চাহিদা। সামগ্ৰিকভাৱে নিৰ্মাণ খণ্ডৰ এই মন্থৰ বৃদ্ধি অৰ্থনীতিৰ বাবে উদ্বেগজনক। বিশ্বত ভাৰতৰ নিৰ্মাণৰ অংশ ইমানেই কম (১.৫ শতাংশ) যে প্ৰায় উপেক্ষা কৰিব পাৰে। কিন্তু আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ চীনৰ নিৰ্মাণৰ অংশ বিশ্বৰ সমগ্ৰ নিৰ্মাণৰ ১৪ শতাংশ। ইয়াৰ আন এটা কাৰণ হৈছে ভাৰতীয় নিৰ্মাণ খণ্ডত উৎপাদনৰ কাৰণে অত্যাধুনিক নিৰ্মাণক বিশেষ গুৰুত্ব প্ৰদান কৰা নহয়।

নতুন চৰকাৰখনে নিৰ্মাণখণ্ডৰ ক্ষমতাৰ পুনৰুত্থান ঘটোৱাৰ চেষ্টা অব্যাহত ৰাখিছে কিয়নো ই বৃদ্ধিৰ মূল কাৰকৰূপে অৱতীৰ্ণ হ'ব পাৰে আৰু ই অৰ্থনীতিক নিম্ন উপাৰ্জনৰ অৱস্থাৰপৰা উচ্চ উপাৰ্জনৰ অৱস্থালৈ উন্নীত কৰিব পাৰে। ইয়াত বিশ্বস্ত উদাহৰণৰূপে উল্লেখ কৰিব পাৰি ইংলেণ্ডত সূচনা হোৱা ঔদ্যোগিক বিপ্লৱৰ বিষয়ে, যিয়ে জনমূৰি আয় চকুত লগা ধৰণে বৃদ্ধি কৰাৰ সমান্তৰালভাৱে জীৱন ধাৰণ প্ৰণালীও প্ৰত্যাশিতৰূপত সলনি কৰি দিছিল। অৰ্থনীতিবিদ ছাইমন কুজনেটেও প্ৰাথমিকৰপৰা দ্বিতীয় আৰু তৃতীয় খণ্ডলৈ অৰ্থনীতিৰ গাঁথনিগত পৰিৱৰ্তনৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰিছিল যি আধুনিক অৰ্থনৈতিক বৃদ্ধিৰ সৈতে সংপৃক্ত। যেতিয়াই অৰ্থনীতিত গাঁথনিগত পৰিৱৰ্তনৰ সূচনা হয়, তেতিয়াই অৰ্থনীতিত বাণিজ্যিক উপাদানবো সালসলনি ঘটে। এই তুলনামূলক গতিশীল সুবিধা ভালদৰে প্ৰতিবিম্বিত হয় দক্ষিণ কোৰিয়া, ছিংগাপুৰ আৰু বহুত ঠাইৰ সফলতাৰ যোগেদি। শেহতীয়াভাৱে এই তালিকাত চীনৰ নামো অন্তৰ্ভুক্ত হৈছে। এই ক্ষেত্ৰত উৎপাদিত সামগ্ৰীৰ ৰপ্তানিয়ে এটা উল্লেখনীয় অৱদান আগবঢ়ায় আৰু সামগ্ৰিকভাৱে অৰ্থনীতিৰ ওপৰত। এই ৰপ্তানি হৈছে বিদেশী বিনিময় অৰ্জন, প্ৰযুক্তিৰ পৰ্যাপ্ত সুবিধাৰ উৎস আৰু ইয়াৰ ফলত পোনপটীয়া বিদেশী বিনিয়োগ বৃদ্ধি হয় (লাল, ২০০০)। সেইবাবে চৰকাৰে 'মেইক ইন ইণ্ডিয়া'ৰ সফল ৰূপায়ণৰ লক্ষ্য আগত ৰাখিছে। ইয়াৰ বাবে ত্বৰিত গতিৰে অৰ্থনীতিৰ বিকাশ হ'বলৈ দক্ষতা বিকাশেৰে নিৰ্মাণত মনোনিবেশ কৰিব লাগিব।

কোনো অৰ্থনীতিত উৎপাদিত সামগ্ৰীৰ ৰপ্তানিৰে প্ৰযুক্তিৰ ব্যৱহাৰক নিৰ্দেশ কৰিব পাৰে, যেনে— নিম্ন, মধ্যমীয়া বা উচ্চ প্ৰযুক্তি। চীন, জাৰ্মানী আৰু আমেৰিকাৰ দৰে নিৰ্মাণ খণ্ডৰ বৃহৎ দেশবোৰে সফলতাৰে তেওঁলোকৰ ৰপ্তানি নিম্নৰপৰা মধ্যমীয়া আৰু অত্যাধুনিক নিৰ্মাণলৈ উত্তৰণ ঘটাবলৈ সক্ষম হৈছে। অত্যাধুনিক উৎপাদিত সামগ্ৰী হৈছে বিদেশী বিনিময়ৰ বাবে সৰ্বোচ্চ উৎস (আগৰৱালা, গুপ্ত আৰু গান্ধী, ২০০৪) আৰু ইয়াৰদ্বাৰা নিয়োগৰো সুবিধা বৃদ্ধি হয় (এক্সিম

* আনন্দ শৰ্মা আহমেদাবাদৰ ইণ্ডিয়ান ইন্সটিটিউট আৰ মেনেজমেন্টৰ অৰ্থনীতি ক্ষেত্ৰৰ গৱেষণা পৰীক্ষাৰ্থী। * বীৰপল কৌৰ জে এন য়ুৰ ছেন্টাৰ ক্ষৰ ষ্টাডি অৱ ৰিজিঅ'নেল ডেভলপমেন্টৰ গৱেষণা পৰীক্ষাৰ্থী।

বেংক, ২০১৪)। বিভিন্ন অভিজ্ঞতা নিৰ্ভৰ ৰচনাত উল্লেখ কৰা হৈছে যে অত্যাধুনিক সামগ্ৰীৰ ৰপ্তানিৰ যোগাত্মক প্ৰভাৱ উৎপাদিত ৰপ্তানিৰ ওপৰতো পৰে। ভিন্নতাপূৰ্ণ ৰপ্তানি ব্যৱস্থা ভাৰতৰ দৰে এখন উন্নয়ণশীল দেশৰ বাবে সম্প্ৰতি বিশেষভাৱে প্ৰয়োজনীয়ৰূপে বিবেচিত হৈছে। কিন্তু ভাৰতত উৎপাদিত সকলোবোৰ সামগ্ৰীৰ আঁৰত আছে নিম্নমানৰ প্ৰযুক্তি আৰু অদক্ষ কৰ্মচাৰী আৰু বিশ্বৰ বজাৰত ভাৰতৰ স্থিতি প্ৰায় উপেক্ষণীয়। ভাৰতৰ গাতে লাগি থকা প্ৰতিবেশী ৰাষ্ট্ৰ চীন আৰু বহু এছীয় দেশৰ তুলনাত ভাৰত বহুগুণে পিছ পৰি আছে। ভাৰতীয় ৰপ্তানিৰ এনে তথৈবচ স্থিতিৰ বাবে অন্যতম কাৰণ হিচাপে চিহ্নিত হৈছে যে ভাৰতে অত্যাধুনিক প্ৰযুক্তিলব্ধ সামগ্ৰী ৰপ্তানি কৰিবলৈ এতিয়াও বহুখিনি কৰিবলগীয়া আছে। অত্যাধুনিক প্ৰযুক্তিলব্ধ সামগ্ৰীৰ ৰপ্তানি বিশ্বমানৰ তুলনাত অতি বেছি প্ৰতিযোগিতামূলক, চাহিদাও স্থিতিস্থাপক আৰু অন্য ৰপ্তানিৰ তুলনাত ই অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম।

**আন্তৰ্জাতিক নিৰ্মাণ খণ্ডত ভাৰতৰ স্থান**

তালিকা-১ত উল্লেখ কৰা হৈছে যে বিশ্বৰ নিৰ্মাণ খণ্ডত ভাৰতৰ স্থান চকুত পৰা বিধৰ নহয়। ২০১২ চনত বিশ্বৰ মুঠ উৎপাদনৰ মাত্ৰ ২.১ শতাংশহে ভাৰতৰ অংশ। আমেৰিকা, জাপান আৰু জাৰ্মানীক পিছ পেলাই চুবুৰীয়া ৰাষ্ট্ৰ চীনে বিশ্বৰ নিৰ্মাণ খণ্ডৰ শীৰ্ষস্থানত অৱস্থান গ্ৰহণ কৰিছে আৰু দেশখনৰ নিৰ্মাণৰ অংশ হৈছে বিশ্বৰ মুঠ নিৰ্মাণৰ ২২.৪ শতাংশ। ব্ৰিক দেশসমূহৰ চাৰিখন উদ্ভাষিত অৰ্থনীতিয়ে ২০১২ চনৰ তালিকাত স্থান অধিকাৰ কৰিছে। পৰৱৰ্তী স্থানত আমি ভাৰত, চীন আৰু বিশ্বৰ কেইখনমান বিকশিত অৰ্থনীতিৰ দেশৰপৰা বিশ্বৰ মুঠ ৰপ্তানিলৈ সেই দেশসমূহৰ অংশ সম্পৰ্কে অৱলোকন কৰিম।


অন্য দেশৰ প্ৰসংগত ভাৰতৰ দক্ষতাক সহায় কৰিবলৈ ২১খন বৃহৎ ৰপ্তানিকাৰী দেশৰ বিকাশক বিভিন্ন ভাগত তুলনা কৰা হৈছে, যেনে— অনুন্নত, উন্নয়নশীল আৰু উন্নত। চিত্ৰ-১ত অন্যান্য দেশৰ তুলনাত ভাৰতৰ নিৰ্মাণ ৰপ্তানিৰ পৰিমাণ দেখুৱা হৈছে। চিত্ৰই স্পষ্ট কৰিছে যে অন্যান্য দেশৰ তুলনাত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ তেনেই নগণ্য আৰু এই পৰিমাণ ১৯৯১ চনৰ ০.৫৭ শতাংশৰ তুলনাত সামান্য পৰিমাণে বৃদ্ধি হৈ ২০১৩ চনত ১.৮১ শতাংশ হৈছে। ইয়াৰ পৰিৱৰ্তে চকুত পৰা ধৰণে চীনৰ অংশ ২০১৩ চনত হৈছে গৈ ১৮.৬ শতাংশ। এই চিত্ৰই চীনৰ নিৰ্মাণ খণ্ডৰ ৰপ্তানিৰ ক্ৰমবৰ্ধিত ছবিখন স্পষ্ট ৰূপত তুলি ধৰিছে। চীন আৰু ভাৰতক বাদ দি অৱশ্যে আনবোৰ দেশৰ নিৰ্মাণ খণ্ডৰ ৰপ্তানিৰ পৰিমাণ ১৯৯১ চনৰপৰা ২০১৩ চনৰ ভিতৰত সময়ছোৱাত হ্ৰাস পোৱা দেখা গৈছে। কিন্তু এই ১৩ বছৰৰ

**তালিকা-১ ঃ নিৰ্মাণ মূল্য সংযোজনত বিশ্বৰ দহখন বৃহত্তম দেশ**

| স্থান | বিশ্বৰ নিৰ্মাণৰ অংশ (শতাংশত) ২০১২ চনত | ২০১২ | ২০০২ | ১৯৯২ |
|---|---|---|---|---|
| ১ | ২২.৪ | চীন | আমেৰিকা | আমেৰিকা |
| ২ | ১৭.৪ | আমেৰিকা | জাপান | জাপান |
| ৩ | ৯.৭ | জাপান | চীন | জাৰ্মাণী |
| ৪ | ৬ | জাৰ্মাণী | জাৰ্মাণী | ইটালি |
| ৫ | ২.৮ | কোৰিয়া | ইটালি | ফ্ৰান্স |
| ৬ | ২.৪ | ইটালি | ব্ৰিটেইন | ব্ৰিটেইন |
| ৭ | ২.৩ | ৰাছিয়া | ফ্ৰান্স | চীন |
| ৮ | ২.২ | ব্ৰাজিল | কোৰিয়া | ৰাছিয়া |
| ৯ | ২.১ | ভাৰত | মেক্সিকো | স্পেইন |
| ১০ | ২ | ফ্ৰান্স | কানাডা | কানাডা |

উৎস ঃ এম এ পি আই

**চিত্ৰ ১ ঃ বিশ্বৰ মুঠ নিৰ্মাণ ৰপ্তানিৰ তুলনাত নিৰ্মাণ ৰপ্তানিৰ অংশ**



উৎস ঃ ডব্লিউ আই টি এছ ইউ এন-কমট্ৰেডৰ আধাৰত কৰা হিচাপ

সময়ছোৱাত চীনৰ গ্ৰাফডাল যথেষ্ট পৰিমাণে উৰ্দ্ধমুখী হোৱাৰ বিপৰীতে ভাৰতত উত্তৰণ সামান্য পৰিমাণৰ। এনে উত্তৰণেৰে ২০১৩ চনৰ নিৰ্মাণ খণ্ডৰ হৈছে?

তালিকা ২ত বিশ্বৰ ২১খন দেশৰ মুঠ অত্যাধুনিক নিৰ্মাণ ৰপ্তানিৰ ভিতৰত অত্যাধুনিক নিৰ্মাণ ৰপ্তানিৰ অংশবোৰ গৈছে। ২০১৩ চনত বিশ্বৰ সৰ্বমুঠ অত্যাধুনিক নিৰ্মাণৰ ২৭.৫৬ শতাংশৰে শীৰ্ষতম স্থানত অৱস্থান গ্ৰহণ কৰিছে চীনে। ২০০০ চনৰপৰা ২০১৩ চনৰ

**তালিকা ২ঃ বিশ্বৰ মুঠ অত্যাধনিক নিৰ্মাণ ৰপ্তানিৰ তুলনাত অত্যাধুনিক নিৰ্মাণ ৰপ্তানিৰ অংশ ঃ বৃহৎ দেশসমূহ**


| দেশ | ১৯৯০ | ১৯৯৫ | ২০০০ | ২০০৫ | ২০১০ | ২০১৩ | ২০১৩চনৰ স্থান |
|---|---|---|---|---|---|---|---|
| চীন | - | ২.২৭ | ৪.৩২ | ১৪.৫৫ | ২৩.৫৫ | ২৭.৫৬ | ১ |
| জাৰ্মাণী | ১১.৭৭ | ৮.৭৮ | ৭.৩০ | ৯.১৮ | ৮.৫৯ | ৮.৪৮ | ২ |
| আমেৰিকা | ২১.৮৮ | ১৬.৬৭ | ১৬.৭৯ | ১১.১৬ | ৬.৯৬ | ৬.২৭ | ৩ |
| কোৰিয়া গণৰাজ্য | ৩.০৩ | ৪.৫৫ | ৪.৭৯ | ৫.৭৬ | ৬.২৫ | ৫.৯২ | ৪ |
| ছিংগাপুৰ | ৪.২৭ | ৭.৪৫ | ৬.২৮ | ৬.৪৮ | ৬.৩৪ | ৫.৭৫ | ৫ |
| জাপান | ১৭.৩৮ | ১৬.৩০ | ১১.৫১ | ৮.০২ | ৬.৪১ | ৪.৯০ | ৬ |
| ফ্ৰান্স | ৬.২১ | ৫.৫৩ | ৪.৭৩ | ৪.০৮ | ৪.১৬ | ৪.১৫ | ৭ |
| মালয়ছিয়া | ১.৭২ | ৩.৫৮ | ৪.০১ | ৩.৫৫ | ৩.১৩ | ২.৬৬ | ৮ |
| ব্ৰিটেইন | ৭.৪৪ | ৬.৬০ | ৫.৩৮ | ৪.১৪ | ২.১২ | ১.৯৭ | ৯ |
| ছুইজাৰলেণ্ড | ১.৭৬ | ১.৩৪ | ০.৯১ | ১.২০ | ১.৫৫ | ১.৭২ | ১০ |
| হাংগেৰী | | ০.২৭ | ০.৯০ | ১.১৪ | ১.৭০ | ১.০২ | ১১ |
| ফিলিপাইনছ | | ০.৬২ | ৩.০২ | ২.১০ | ১.০৩ | ১.০১ | ১২ |
| ভাৰত | ০.০৯ | ০.১০ | ০.১০ | ০.১৮ | ০.৪৪ | ০.৬২ | ১৩ |
| ইজৰাইল | ০.৪২ | ০.৪০ | ০.৫৩ | ০.৩৪ | ০.৫৩ | ০.৫৪ | ১৪ |
| ৰাছিয়া ফেডাৰেচন | | | ০.২০ | ০.২৩ | ০.২৪ | ০.৩৮ | ১৫ |
| ইণ্ডোনেছিয়া | ০.০৫ | ০.২১ | ০.৫৭ | ০.৪১ | ০.৩৮ | ০.৩৩ | ১৬ |
| দক্ষিণ আফ্ৰিকা | ০.১৩ | ০.১৩ | ০.১৫ | ০.১৫ | ০.১২ | ০.১২ | ১৭ |
| কোষ্টাৰিকা | | ০.০০ | ০.১৫ | ০.১০ | ০.০৮ | ০.১১ | ১৮ |
| মালটা | ০.১১ | ০.১৩ | ০.১২ | ০.০৭ | ০.০৫ | ০.০৪ | ১৯ |
| কেনিয়া | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ২০ |
| চাইপ্ৰাছ | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ২১ |

উৎস ঃ ডব্লিউ আই টি এছ ইউ এন-কমট্ৰেডৰ আধাৰত কৰা হিচাপ

ৰপ্তানিৰ তালিকাত চীনে প্ৰথম স্থান অধিকাৰ কৰাৰ পৰিৱৰ্তে ভাৰতে নৰম স্থানতে সন্তুষ্টি লাভ কৰিবলগীয়া দেখুৱা হৈছে। অত্যাধুনিক নিৰ্মাণ ৰপ্তানিৰ ক্ষেত্ৰত চীনৰ আগ্ৰাসী ছবিখন এই তালিকাত স্পষ্ট ৰূপত দেখা পোৱা ভিতৰত বৃদ্ধিৰ হাৰ যথেষ্ট চকুত পৰা বিধৰ। জাৰ্মাণী, আমেৰিকা আৰু জাপানৰ দৰে উন্নত দেশবোৰ ১৯৯৫

চনত চীনতকৈ আগত আছিল, কিন্তু শেহতীয়াভাৱে এইসমূহ দেশৰ উৎপাদন চীনৰ তুলনাত যথেষ্ট কম। ০.৬২ শতাংশৰে ভাৰত এই তালিকাৰ ত্ৰয়োদশ স্থানত আছে। ১৯৯০ চনৰ ০.০৯ শতাংশৰ তুলনাত সামান্যভাৱে বৃদ্ধি হৈ এই পৰিমাণ ২০১৩ চনত ০.৬২ শতাংশ হৈছে। বিশ্বৰ সৰ্বমুঠ অত্যাধুনিক নিৰ্মাণৰ তুলনাত এই পৰিমাণ নগণ্য। এই নগন্য অংশক উল্লেখনীয় অৱস্থানলৈ পৰিৱৰ্তন কৰিবলৈ হ'লে নীতি নিৰ্ধাৰণকাৰীসকলে গুৰুত্বসহকাৰে ল'ব লাগিব আৰু প্ৰয়োজনীয় নীতি নিৰ্ধাৰণ কৰিব লাগিব।

**চিত্ৰ ২ ঃ মুঠ অত্যাধুনিক নিৰ্মাণ ৰপ্তানিৰ অংশ**




উৎস ঃ ডব্লিউ আই টি এছ ইউ এন-কমট্ৰেডৰ আধাৰত কৰা হিচাপ

চিত্ৰ ২ত দেখুৱা হৈছে ১৯৯১ চনৰপৰা ২০১৩ চনলৈ ভাৰত আৰু বিভিন্ন দেশৰপৰা অত্যাধুনিক নিৰ্মাণৰ ৰপ্তানি। ভাৰতৰ ক্ষেত্ৰত দেখা গৈছে যে ১৯৯১ চনৰ মাত্ৰ ৩.৩ শতাংশ নিৰ্মাণ ৰপ্তানিহে ভাৰতৰপৰা হৈছে। এই চিত্ৰত ক্ৰমবৰ্ধিত ছবি এখন দেখা গৈছে যদিও ই অপ্ৰত্যাশিকভাৱে মন্থৰ। ২০১৩ চনত ইয়াৰ অংশ হৈছে ৮.২ শতাংশ। এই চিত্ৰত পাঁচখন দেশৰ তথ্য অন্তৰ্ভুক্ত কৰা হৈছে, ৩৫.৫ শতাংশ ৰপ্তানিৰে ২০১৩ চনত চীন শীৰ্ষক আছে। বিগত দশকটোত আমেৰিকা আৰু জাপান অৱনমিত হৈছে। দীৰ্ঘসময়ৰ বাবে জাৰ্মানীও স্থবিৰ হৈ আছে, ১৯৯৫ আৰু ২005 চনৰ ভিতৰত চীনৰ বৃদ্ধি অতি ক্ষিপ্ৰ যদিও ইয়াৰ পাচত বৃদ্ধি সামান্য। অৰ্থাৎ আমেৰিকা আৰু জাপানৰপৰা হোৱা ৰপ্তানিৰ স্থান অধিকাৰ কৰিছে চীনে। শেহতীয়া বছৰবোৰত সকলো বৃহৎ অৰ্থনৈতিক দেশক চেৰ পেলাই চীন হৈ উঠিছে বিশ্বৰ নিৰ্মাণ শক্তিকেন্দ্ৰ। চীনৰ নিৰ্মাণ ৰপ্তানি বৃদ্ধি হোৱাৰ মূলতেই আছে অত্যাধুনিক উৎপাদনৰ ৰপ্তানি

**তালিকা ৩ ঃ ভাৰত আৰু চীনৰ অত্যাধুনিক ৰপ্তানিৰ গাঁথনি ঃ ১৯৯৫-২০১৩**

| | | চীন | | | ভাৰত | | |
|---|---|---|---|---|---|---|---|
| | অত্যাধুনিক সামগ্ৰী-১ | ১৯৯৫ | ২০০২ | ২০১৩ | ১৯৯৫ | ২০০২ | ২০১৩ |
| ৭১৬ | ঘূৰ্ণীয়মান বৈদ্যুতিন প্ৰকল্প | ৬.৭ | ৩.২ | ২.৭ | ৫.২ | ৯.৬ | ১.৭ |
| ৭১৮ | অন্যান্য শক্তি উৎপাদনকাৰী যন্ত্ৰ | ০.২ | ০.১ | ০.৩ | ০.৫ | ১.৪ | ১০.৮ |
| ৭৫১ | কাৰ্যালয়ত ব্যৱহৃত যন্ত্ৰ | ৫.৩ | ২.৭ | ২.৯ | ১.১ | ০.৯ | ০.৬ |
| ৭৫২ | স্বয়ংক্ৰিত ডেটা প্ৰছেচিং যন্ত্ৰ | ১৪.৩ | ২৪.৯ | ২৪.৮ | ১৪.১ | ১১.৩ | ৩.২ |
| ৭৫৯ | কাৰ্যালয়ৰ যন্ত্ৰৰ অংশ | ১০.৩ | ১৭.২ | ৫.৬ | ১৮.৫ | ১০.৬ | ৩.৩ |
| ৭৬১ | টেলিভিচন ৰিছিভাৰ আদি | ৫.০ | ৩.০ | ৩.২ | ৫.৭ | ৩.২ | ৩.২ |
| ৭৬৪ | টেলিকম যন্ত্ৰাংশ | ২৫.২ | ২৪.৮ | ৩০.৫ | ১৪.১ | ৮.৭ | ৪২.১ |
| ৭৭১ | বৈদ্যুতিক শক্তি যন্ত্ৰ | ৯.৬ | ৫.২ | ৪.২ | ৭.০ | ৯.১ | ১১.১ |
| ৭৭৪ | ইলেকট্ৰ'-মেডিকেল, এক্স-ৰে' | ০.৩ | ০.৩ | ০.৪ | ২.৪ | ১৩.৪ | ৩.৯ |
| ৭৭৬ | ট্ৰেনজিষ্টাৰ, ভালভ্ আদি | ৮.১ | ৯.০ | ১৭.৪ | ১৫.৪ | ১২.২ | ৫.২ |
| ৭৭৮ | বৈদ্যুতিন সামগ্ৰী | ১৪.৯ | ৯.৭ | ৭.৮ | ১৬.০ | ১৯.৬ | ১৫.০ |

বৃদ্ধি।

**ভাৰত আৰু চীনৰ অত্যাধুনিক নিৰ্মাণৰ তুলনাত্মক অধ্যয়ন**

ওপৰৰ বিশ্লেষণত দেখা গৈছে যে চীনে আন্তৰ্জাতিক বজাৰত প্ৰভাৱ বিস্তাৰ কৰিছে। ভাৰত আৰু চীনৰ কিছু সাদৃশ্য আছে, যেনে— দুয়োখন দেশৰে বৃহৎ আভ্যন্তৰিণ বজাৰ আছে, ১৯৮০ৰ দশকত দুয়োখন দেশৰে একেই অৰ্থনৈতিক বিকাশ আছিল, দুয়োখন প্ৰকল্প (৭১৬), কাৰ্যালয়ত ব্যৱহৃত যন্ত্ৰ (৭৫১), কাৰ্যালয়ৰ যন্ত্ৰৰ অংশ (৭৫৯), টেলিভিছন ৰিছিভাৰ আদি (৭৬১), বৈদ্যুতিন শক্তি যন্ত্ৰ (৭৭১), বৈদ্যুতিন সামগ্ৰী (৭৭৮) অৱনমিত স্থিতি পৰিলক্ষিত হৈছে। ইয়াৰ বিপৰীতে, স্বয়ংক্ৰিয় ডেটা প্ৰছেচিং যন্ত্ৰ (৭৫২), টেলিকম যন্ত্ৰাংশ (৭৬৪), ট্ৰেনজিষ্টৰ, ভাল্‌ভ আদি (৭৭৬), ত এই সময়ছোৱাত উৰ্ধ্বগামী হোৱা দেখা আহিলাপতি (২২.৭ শতাংশ) তালিকা ৪ত দেখুওৱা হৈছে ২০১৩ চনত ভাৰত আৰু চীনৰ অত্যাধুনিক নিৰ্মাণ ৰপ্তানি। এই আলোচনাপত্ৰত আমি ব্যৱহাৰ কৰিছোঁ ব্লাছা (১৯৬৫)ৰ একোখন দেশৰ আপেক্ষিক ৰপ্তানি দক্ষতাৰ মাপ, যাক বিশেষ সামগ্ৰীৰ ক্ষেত্ৰত বিশ্বৰ ৰপ্তানিক একোখন দেশৰ অংশ হিচাপে সংজ্ঞাবদ্ধ কৰা হয় বিশ্বৰ মুঠ ৰপ্তানিক ইয়াৰ অংশৰে হৰণ কৰি। এই ক্ষেত্ৰত প্ৰথমবিধ

| | | চীন | | | ভাৰত | | |
|---|---|---|---|---|---|---|---|
| | অত্যাধুনিক সামগ্ৰী-২ | ১৯৯৫ | ২০০২ | ২০১৩ | ১৯৯৫ | ২০০২ | ২০১৩ |
| ৫২৫ | তেজস্ক্ৰিয় সামগ্ৰী | ৭.৩ | ৩.৯ | ১.০ | ০.১ | ০.১ | ০.১ |
| ৫৪১ | ঔষধ আদি, জিআৰপি ৫৪২ | ৩৮.১ | ৩১.১ | ১৩.৫ | ১৮.৪ | ২৪.৭ | ১২.৭ |
| ৫৪২ | মেডিকেমেণ্ট | ৯.৭ | ৪.৭ | ৪.৩ | ৭৬.০ | ৬৩.৩ | ৫৯.১ |
| ৭১২ | ষ্টেম টাৰবাইন | ০.২ | ০.৬ | ২.০ | ০.৬ | ১.৬ | ০.৫ |
| ৭৯২ | বিমানৰ সামগ্ৰী | ৪.৩ | ৬.৭ | ২.৮ | ১.০ | ৫.১ | ২২.৬ |
| ৮৭১ | পোহৰৰ আহিল | ৮.৪ | ১৮.২ | ৫৬.৭ | ০.২ | ০.২ | ০.১ |
| ৮৭৪ | জোখ-মাপৰ আহিলা | ১১.৮ | ১৮.৫ | ১৮.২ | ৩.৬ | ৪.৫ | ৪.৬ |
| ৮৮১ | ফটোগ্ৰাফিৰ আহিলা | ২০.৩ | ১৬.৩ | ১.৪ | ০.২ | ০.৫ | ০.২ |

উৎস ঃ ডব্লিউ আই টি এছ ইউ এন-কমট্ৰেডৰ আধাৰত কৰা হিচাপ

দেশেই মন্থৰ অৰ্থনৈতিক বৃদ্ধিৰ মাজেৰে আগবাঢ়িছিল।

তালিকা- ৩ ত দেখুৱা হৈছে ১৯৯৫ চনৰপৰা ২০১৩ চনলৈ ভাৰত আৰু চীনৰ অত্যাধুনিক নিৰ্মাণৰ ৰপ্তানি। অত্যাধুনিক নিৰ্মাণ ৰপ্তানি সাধাৰণতে দুটা ভাগত বিভক্ত কৰা হয়। প্ৰথমবিধ অত্যাধুনিক ৰপ্তানিত অন্তৰ্ভুক্ত কৰা হয় বৈদ্যুতিন সামগ্ৰীসমূহক, আনহাতে দ্বিতীয় বিভাগটোত আনবোৰ অত্যাধুনিক ৰপ্তানিক অন্তৰ্ভুক্ত কৰা হয়। চীনৰ বাবে প্ৰথম ভাগত আছে ঘূৰ্ণীয়মান বৈদ্যুতিন গৈছে। একেদৰে ভাৰতৰ ক্ষেত্ৰত, ঘূৰ্ণীয়মান বৈদ্যু তিন প্ৰকল্প (৭১৬)কাৰ্যালয়ত ব্যৱহৃত যন্ত্ৰ (৭৫১),স্বয়ংক্ৰিয় ডেটা প্ৰছেচিং (৭৫২), কাৰ্যালয়ৰ যন্ত্ৰৰ অংশ(৭৫৯), টেলিভিছন ৰিছিভাৰ (৭৬১), টেলিভিচন ৰিছিভাৰ (৭৬১), ট্ৰেনজিষ্টৰ ভালভ (৭৭৬) আৰু বৈদ্যুতিন সামগ্ৰী (৭৭৮)ত পতন পৰিলক্ষিত হৈছে। আনহাতে অন্য বিভাগটোত ভাৰতৰ বৃহৎ অংশ আছে মেডিকেমেণ্ট (৫৯.১ শতাংশ) আৰু বিমানৰ প্ৰয়োজনীয় অত্যাধুনিক সামগ্ৰী ৰপ্তানিত প্ৰতিটো ভাগতে চীনৰ আৰ চি এ ভাৰতকৈ আগত আছে। দ্বিতীয়ভাগত সামান্য আগুৱাই আছে ভাৰত। মেডিকেমেণ্ট (৫২৪) আৰু বিমানৰ (৭৯২)তহে ভাৰতৰ আৰ চি এ আছে।

**সামৰণি আৰু নীতি ৰূপায়ণ**

এই বিশ্লেষণত অত্যাধুনিক নিৰ্মাণ ৰপ্তানি বিভিন্ন সম্ভাৱনীয়তাৰ বিষয়ে অৱলোকন কৰা হৈছে। অত্যাধুনিক

নিৰ্মাণ খণ্ডত টেলিকমৰ আহিলা, শক্তি উৎপাদন মেচিন, বৈদ্যুতিক আহিলা, ফাৰ্মাটিউটিকেল আৰু বিমানৰ অংশক বৃহৎ খণ্ড হিচাপে ধৰিব পাৰি যিয়ে ভাৰতৰ অত্যাধুনিক ৰপ্তানিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। আশাপ্ৰদ বতৰা কঢ়িয়াই আনিব পাৰে। ভাৰতৰ তুলনাত চীনে অত্যাধুনিক নিৰ্মাণত যথেষ্ট ভিন্নতা প্ৰদৰ্শন কৰিছে। ভাৰতেও ৰপ্তানিৰ গাঁথনিলৈ ভিন্নতা আনিবলৈ হ'লে নিৰ্মাণত মূল্য সংযোজিত দক্ষতা বৃদ্ধি কৰিব লাগিব। আনহাতে ফাৰ্মাচিউটিকেল খণ্ডৰ বিকাশৰ বাবে অধিক গৱেষণাগাৰ মুকলি কৰাৰ প্ৰয়োজন আছে। টেলিকম খণ্ডত প্ৰযুক্তি উন্নত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। বিত্তীয় নীতি আৰু সুবিধাজনক কৰ নীতি নিৰ্ধাৰণ কৰিব লাগিব। পোনপটীয়া

**তালিকা ৪ঃ অত্যাধুনিক নিৰ্মাণত ভাৰত আৰু চীনৰ আপক্ষিত তুলনামূলক সুবিধা ঃ ২০১৩**

| অত্যাধুনিক সামগ্ৰী-১ | | | |
|---|---|---|---|
| | | চীন | ভাৰত |
| ৭১৬ | ধূৰ্ণীয়মান বৈদ্যুতিক প্ৰকল্প | ১.১ | ০.৬ |
| ৭১৮ | অন্যান্য শক্তি উৎপাদনকাৰী মেচিন | ০.৫ | ০.৪ |
| ৭৫১ | কাৰ্যালয়ত ব্যৱহৃত মেচিন | ২.৩ | ০.১ |
| ৭৫২ | স্বয়ংক্ৰিত ডেটা প্ৰছেচিং মেচিন | ২.৮ | ০.১ |
| ৭৫৯ | কাৰ্যালয়ৰ মেচিনৰ অংশ | ১.৫ | ০.১ |
| ৭৬১ | টেলিভিচন ৰিছিভাৰ আদি | ১.৫ | ০.২ |
| ৭৬৪ | টেলিকম যন্ত্ৰাংশ | ২.৪ | ০.৫ |
| ৭৭১ | বৈদ্যুতিক শক্তি মেচিন | ১.৮ | ০.৭ |
| ৭৭৪ | ইলেকট্ৰ'-মেডিকেল, এক্স-ৰে' | ০.৪ | ০.৫ |
| ৭৭৬ | ট্ৰেনজিষ্টাৰ, ভালভ্ আদি | ১.২ | ০.১ |
| ৭৭৮ | বৈদ্যুতিন সামগ্ৰী | ১.৩ | ০.৩ |

| অত্যাধুনিক সামগ্ৰী-২ | | | |
|---|---|---|---|
| | | চীন | ভাৰত |
| ৫২৫ | তেজস্ক্ৰিয় সামগ্ৰী | ০.৩ | ০.১ |
| ৫৪১ | ঔষধ আদি, জিআৰপি ৫৪২ | ০.৩ | ০.৮ |
| ৫৪২ | মেডিকেমেণ্ট | ০.১ | ১.৯ |
| ৭১২ | ষ্টেম টাৰবাইন | ১.০ | ০.৭ |
| ৭৯২ | বিমানৰ সামগ্ৰী | ০.১ | ১.৩ |
| ৮৭৪ | জোখ-মাপৰ আহিলা | ২.১ | ০.০ |
| ৮৮১ | ফটোগ্ৰাফিৰ আহিলা | ০.৮ | ০.৩ |

উৎস ঃ ডব্লিউ আই টি এছ ইউ এন-কমট্ৰেডৰ আধাৰত কৰা হিচাপ

এই খণ্ডবোৰৰ ভিতৰত ফাৰ্মাচিউটিকেলক বাদ দি আটাইবোৰেই দক্ষ কৰ্মীৰ প্ৰয়োজন হোৱা খণ্ড। গতিকে ই যুৱচামৰ বাবে সম্প্ৰতি ভাৰতত গৱেষণা ব্যয় অতি কম। ২০১২চনত এই পৰিমাণ মুঠ ঘৰুৱা উৎপাদনৰ মাত্ৰ ০.৭ শতাংশ। বিদেশী বিনিয়োগ বৃদ্ধি কৰিব লাগিব আৰু আন্তৰ্জাতিক বজাৰৰ অগ্ৰণী প্ৰযুক্তি প্ৰতিষ্ঠানক ভাৰতৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব।

ক) বিশ্বৰ নির্মাণ ৰপ্তানিৰ ক্ষেত্রত নির্মাণ ৰপ্তানিৰ অংশ ঃ

| দেশ | ১৯৯০ | ১৯৯৫ | ২০০০ | ২০০৫ | ২০১০ | ২০১৩ | ২০১৩চনৰ স্থান |
|---|---|---|---|---|---|---|---|
| চীন | - | ৩.৫৩ | ৪.৯২ | ১০.০৪ | ১৫.৬৯ | ১৮.৬০ | ১ |
| জার্মানী | ১৬.১৪ | ১২.৪৭ | ১০.২৯ | ১২.০৫ | ১১.০৫ | ১০.৭৬ | ২ |
| আমেৰিকা | ১২.৬৩ | ১১.৮৯ | ১৩.১৪ | ৯.১৯ | ৭.৭৯ | ৭.৫০ | ৩ |
| জাপান | ১২.৫৪ | ১১.৮৯ | ১০.০৮ | ৭,৮৪ | ৭.২৩ | ৫.৬১ | ৪ |
| কোৰিয়া গণৰাজ্য | ২.৭৬ | ৩.২৩ | ৩.৪৭ | ৩.৭০ | ৪.৩৮ | ৪.৩১ | ৫ |
| ফ্রান্স | ৭.৩৫ | ৬.৩৩ | ৫.৩৬ | ৪.৯৯ | ৪.২৫ | ৩.৯১ | ৬ |
| ব্রিটেইন | ৬.৭৪ | ৫.৪১ | ৪.৯৭ | ৪.২৪ | ৩.০৪ | ২.৮৪ | ৭ |
| ছিংগাপুৰ | ১.৭১ | ২.৭৯ | ২.৬৪ | ২.৬৬ | ২.৭০ | ২.৫৮ | ৮ |
| ভাৰত | ০.৫৭ | ০.৬৫ | ০.৭৪ | ১.০২ | ১.৪৭ | ১.৮১ | ৯ |
| ছুইজাৰলেণ্ড | ২.৭১ | ২.১৫ | ১.৫৭ | ১.৬৮ | ১.৮০ | ১.৮০ | ১০ |
| মালয়েছিয়া | ০.৭২ | ১.৫৫ | ১.৭৭ | ১.৫১ | ১.৪২ | ১.২৪ | ১১ |
| হাংগেৰী | | ০.২৪ | ০.৫৪ | ০.৭৬ | ০.৮৩ | ০.৭৯ | ১২ |
| ৰাছিয়া ফেডাৰেচন | | | ০.৫৬ | ০.৬৫ | ০.৬০ | ০.৭৮ | ১৩ |
| ইণ্ডোনেছিয়া | ০.৪১ | ০,৬৫ | ০,৭৯ | ০,৫৮ | ০.৬২ | ০.৬১ | ১৪ |
| ইজৰাইল | ০.৪৮ | ০.৪৮ | ০.৫৮ | ০.৫১ | ০.৫৮ | ০.৫৫ | ১৫ |
| ফিলিপাইনছ | | ০.৩২ | ০.৯৮ | ০.৮২ | ০.৪২ | ০.৪৪ | ১৬ |
| দক্ষিণ আফ্রিকা | ০.৫৫ | ০.৩৯ | ০.৫৮ | ০.৫৮ | ০.৪৩ | ০.৩৮ | ১৭ |
| কোষ্টাৰিকা | | ০.০২ | ০.০৮ | ০.০৭ | ০.০৬ | ০.০৬ | ১৮ |
| মালটা | ০.০৫ | ০.০৫ | ০.০৫ | ০.০৩ | ০.০৩ | ০.০২ | ১৯ |
| কেনিয়া | ০.০১ | ০.০১ | ০.০১ | ০.০২ | ০.০২ | ০.০২ | ২০ |
| চাইপ্রাছ | ০.০১ | ০.০১ | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ২১ |

খ) অত্যাধুনিক নির্মাণ ৰপ্তানিৰ অংশ ঃ

| দেশ | ১৯৯০ | ১৯৯৫ | ২০০০ | ২০০৫ | ২০১০ | ২০১৩ | ২০১৩চনৰ স্থান |
|---|---|---|---|---|---|---|---|
| ফিলিপাইনছ | | ৩৯.৩ | ৭৩.৪ | ৭৩.৫ | ৬১.৮ | ৫৬.৪ | ১ |
| ছিংগাপুৰ | ৫০.৭ | ৬৩.৭ | ৬৮.৭ | ৬১.১ | ৫৮.২৫ | ৫৩.৪ | ২ |
| মালয়ছিয়া | ৪৮.৩ | ৫৪.৮ | ৬৫.৪ | ৫৮,৭ | ৫৪.৮ | ৫১.৫ | ৩ |
| মালটা | ৪৭.৯ | ৬১.৬ | ৭১.৯ | ৫২.৩ | ৪৯.০ | ৪২.৫ | ৪ |
| কোষ্টাৰিকা | | ৩.৭ | ৫১.৯ | ৩৮.৮ | ৩৫.৬ | ৩৯.৮ | ৫ |
| চীন | | ১৫.৩ | ২৫.৩ | ৩৬.২ | ৩৭.২ | ৩৫.৫ | ৬ |
| কোৰিয়া গণৰাজ্য | ২২.২ | ৩৩.৫ | ৩৯.৮ | ৩৮.৯ | ৩৫.৪ | ৩২.৯ | ৭ |
| হাংগেৰী | | ১৩.৯ | ৩১.৫ | ৩৪.৩ | ৩৮.০ | ২৭.০ | ৮ |
| ফ্রান্স | ১৭.১ | ২০.৮ | ২৫.৪ | ২০.৪ | ২৪.২ | ২৫.৪ | ৯ |
| ইজৰাইল | ১৮.০ | ২০.১ | ২৬.৭ | ১৬.৭ | ২২.৮ | ২৩.৬ | ১০ |
| ছুইজাৰলেণ্ড | ১৩.১ | ১৫.২ | ১৬.৭ | ১৭.৮ | ২১.৪ | ২২.৯ | ১১ |
| জাপান | ২৮.১ | ৩২.৬ | ৩২.৯ | ২৫.৬ | ২২.০ | ২০.৯ | ১২ |
| আমেৰিকা | ৩৫.১ | ৩৩.৪ | ৩৬.৮ | ৩০.৪ | ২২.১ | ২০.০ | ১৩ |
| জার্মাণী | ১৪.৮ | ১৬.৮ | ২০.৪ | ১৯.১ | ১৯.৩ | ১৮.৯ | ১৪ |
| ব্রিটেইন | ২২.৪ | ২৯.০ | ৩১.২ | ২৪.৪ | ১৭.২ | ১৬.৬ | ১৫ |
| ইণ্ডোনেছিয়া | ২.৫ | ৭.৭ | ২০.৮ | ১৭.৮ | ১৫.৩ | ১৩.১ | ১৬ |
| ৰাছিয়া ফেডাৰেচন | | | ১০.১ | ৮.৬ | ১০.১ | ১১.৬ | ১৭ |
| **ভাৰত** | **৩.৩** | **৩.৭** | **৪.০** | **৪.৩** | **৭.৫** | **৮.২** | **১৮** |
| দক্ষিণ আফ্রিকা | ৪.৮ | ৭.৬ | ৭.৫ | ৬.৪ | ৭.০ | ৭.৭ | ১৯ |
| চাইপ্রাছ | ০.৫ | ০.৮ | ১.৪ | ৬.৫ | ৩০.৪ | ৬.০ | ২০ |
| কেনিয়া | ৪.৮ | ২.৫ | ১.২ | ২.৩ | ৬.৭ | ৪.৯ | ২১ |
| বিশ্ব | ২০.৩ | ২৩.৮ | ২৮.৮ | ২৫.০ | ২৪.৮ | ২৪.০ | |

# খৰতকীয়াকৈ বিক্ৰী হোৱা গ্ৰাহক সামগ্ৰীৰ ক্ষেত্ৰত বৌদ্ধিক সম্পত্তি বিষয়টোৰ গুৰুত্ব

*** অশ্বিনী চিৰাল**

চৰবৎ জাতীয় পানীয়, শৌচাগাৰত ব্যৱহৃত সামগ্ৰী, ফাৰ্মাচিৰ ঔষধপাতি, শীতলীকৰণ কৰি ৰখা মাংসৰ দৰে পেক্ কৰা খাদ্যবস্তু, দুগ্ধ উৎপাদিত সামগ্ৰী আৰু ভাপ দি প্ৰস্তুত কৰা সামগ্ৰী আদিক খৰতকীয়াকৈ বিক্ৰী হোৱা গ্ৰাহক সামগ্ৰীৰূপে জনা যায়। এইবোৰ বেছি দিন টিকি থকা সামগ্ৰী নহয়। তুলনামূলকভাৱে কম দামত এইবোৰক দোকান আৰু চুপাৰ মাৰ্কেটত বিক্ৰী কৰিব লাগে। এনে উপভোক্তা সামগ্ৰীৰ বাবে ব্ৰেণ্ডিং অৰ্থাৎ নামাংকন তথা তেনে ব্ৰেণ্ডবোৰৰ সুৰক্ষা দিশটোৰ প্ৰতি যথেষ্ট গুৰুত্ব দিয়া হয়। এই ব্ৰেণ্ড বিষয়টোৱে উৎপাদিত সামগ্ৰীৰ উৎস চিহ্নিত কৰা অৰ্থাৎ কোনে প্ৰস্তুত কৰিছে তেনেবোৰৰ সম্ভেদ জ্ঞাপন কৰাত মূল ভূমিকা গ্ৰহণ কৰে। উপভোক্তাসকলৰ প্ৰতি সদিচ্ছা ভাবকো ইয়াৰদ্বাৰাই জ্ঞাপন কৰা হয়। কিন্তু একে ধৰণৰ দেখা তথা কৃত্ৰিম ঔষধপাতি যাৰ পৰিচয় মূল ঔষধৰ সতে জড়িত তেনেবোৰ ঔষধপাতিয়ে গ্ৰাহকৰ মনত সন্দেহ সৃষ্টি কৰিব পাৰে; কাৰণ লোকসকলে সাধাৰণতে তেনেবোৰ কথা মনত ৰাখিব নোৱাৰে। ভাৰতৰ ৮০% শতাংশ গ্ৰাহক "এফ এম চিজি" অৰ্থাৎ খৰতকীয়াকৈ বিক্ৰী হোৱা সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত প্ৰবঞ্চনাৰ সন্মুখীন হয়; কাৰণ তেওঁলোকে (গ্ৰাহক)ভাৱে যে প্ৰকৃত অথবা মূল সামগ্ৰীকেই ক্ৰয় কৰিছে। এই মন্তব্য হ'ল ভাৰতীয় বণিক সন্থাৰ (ফেডাৰেল অব ইণ্ডিয়ান চেম্বাৰ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰি)।

ঠগ-প্ৰবঞ্চনা আৰু অচল সামগ্ৰীৰ পৰা ব্ৰেণ্ডবোৰক ৰক্ষা কৰাটো হ'ল বিশ্বৰ বাবে এক বৰ্দ্ধিত প্ৰত্যাহ্বান। ভাৰতৰ এফ এম চিজি বজাৰখন এই সমস্যাৰ ক্ষেত্ৰত ব্যাতিক্ৰম নহয়। কথা হ'ল ভাৰতৰ বৃহৎ এফ এম চি জি বজাৰৰ ভিত্তি আছে। ২০১৩ চনত ইয়াৰ সংখ্যা আছিল ৪৪.৯ বিলিয়ন ডলাৰ, আৰু ২০২০ চনৰ বিতৰত এই সংখ্যা বাঢ়ি গৈ ১৩৫ বিলিয়ন আমেৰিকান ডলাৰ হোৱাৰ আশা আছে। সেই দিশৰ পৰা চাবলৈ গ'লে সন্মুখত এটা ডাঙৰ প্ৰত্যাহ্বান নকলৰ সমস্যা আৰু বৌদ্ধিক সম্পত্তি অধিকাৰ উলঙ্ঘা কৰা সমস্যাসমূহ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰ আৰু উদ্যোগৰ ওপৰত ডাঙৰ বোজা পৰিছে। ইপিনে উপভোক্তাসকলৰ মাজত পেক কৰা সামগ্ৰীৰ হেপাহ আনকি গাওঁবোৰতো যোৱা কেইবছৰমানত বহুত বৃদ্ধি পাইছে। এনে বৃদ্ধিৰ ফলস্বৰূপে সামগ্ৰী চাহিদা বাঢ়িছে আৰু নকল তথা প্ৰবঞ্চনাৰ ঘটনাও বৃদ্ধি পাইছে। বিগত কেইটামান বছৰত প্ৰস্তুত খাদ্য উদ্যোগ যথেষ্টভাৱে বৃদ্ধি পাইছে। তাৰ ফলস্বৰূপে বৰ্তমান এফ এম চি জিত যি নকলৰ সমস্যাই বিৰাজ কৰিছে তাত অসৎ পন্থাৰ প্ৰয়াসে অধিক বৰঙণি যোগাইছে।

সমগ্ৰ বিশ্বতে গ্ৰহণ কৰা বৌদ্ধিক সম্পত্তি বিষয়টোৱে নতুন নতুন অদৃশ্য পদাৰ্থ আদিত মানৱৰ দৃষ্টি গোচৰ কৰিছে। আনকি জীৱ বিজ্ঞান বিষয়টোও ইয়াৰ পৰা বাদ পৰা নাই। এই বৌদ্ধিক সম্পত্তি সম্বন্ধে জনাটো বৰ দৰকাৰ আৰু নতুনত্বৰ পথ মুকলি কৰে তাৰ ওপৰত আধাৰ কৰিয়েই দেশ এখনৰ অৰ্থনৈতিক বিকাশ সাধনৰ বাবে গতি লাভ কৰিব পাৰে। বৌদ্ধিক সম্পত্তিৰ সততা ৰক্ষাৰ ব্যৱস্থাই দুটা কাম কৰে। এটা হ'ল সৃষ্টি বা আবিষ্কাৰ কৰোঁতাজনক বৌদ্ধিক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰি কামত আগবাঢ়ি যাবলৈ উদগণি জনায়, অৰ্থাৎ একচেটীয়াভাৱে এনে কামৰ কাৰণে ক্ষমতা দিয়া হয় (যদিও প্ৰকৃতাৰ্থত একেবাৰেই একচেটীয়া নহয়; কাৰণ চূড়ান্ত অৱস্থাত এই সম্পত্তি ৰাজহুৱা ক্ষেত্ৰত ভূমুকি মাৰেগৈ)। দ্বিতীয়তেঃ ই সমাজৰ কামত সেৱা আগবঢ়ায়। তেনে সেৱা হ'ল বজাৰৰ অসাধু চক্ৰৰ হাতত পৰি উপভোক্তাসকল যাতে প্ৰবঞ্চনাৰ জালত পৰিব নোৱাৰে তাৰ বাবে আগতীয়াকৈ সতৰ্ক কৰি দিয়া হয়। এই বৌদ্ধিক সম্পত্তিৰ পূৰ্ণ উপলব্ধি আৰু ইয়াৰ সম্ভাৱনা হ'ল এটা অপৰিহাৰ্য অঙ্গ; কিয়নো ই দেশসমূহক নিজৰ অৰ্থনৈতিক বিকাশৰ লক্ষ্য লাভ কৰিবলৈ সমৰ্থবান কৰি তোলে। সামগ্ৰীৰ চাহিদা নথকা বজাৰবোৰত বাণিজ্যৰ দিশত মুখ থেকেচা

**অশ্বিনী চিৰাল দিল্লী বিশ্ববিদ্যালয়ৰ ইনটেলেকচুৱেল প্ৰ'পাৰ্টি ল (ফেকাল্টি অব ল'জ)ৰ সহকাৰী অধ্যাপক**

খোৱাৰেই সম্ভাৱনা অধিক থাকে এটা হিচাপ মতে নানা সামগ্ৰীৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় কোষে ২০১২ চনত ২৬,০০০ কোটি টকা হেৰুৱায়। ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰ্ছ অব কমাৰ্চ এণ্ড ইণ্ড্ৰাষ্টি আৰু কমিটী এগেইনষ্ট স্মাগ্লিং এণ্ড কাউণ্টাৰ-ফিটিং এক টিভিটিজ দেষ্ট্ৰোয়িং দি ইকনমি -এ কৰা এটা অধ্যয়নত এই কথা প্ৰকাশ পায়। কিছুমান খণ্ডত ভেজাল সামগ্ৰীৰ পৰা কৰৰ ক্ষেত্ৰত চৰকাৰৰ আনুমানিক ক্ষতিৰ পৰিমাণ ২০১২ চনত আছিল ২৬,১৯৬ কোটি টকা। সেই খণ্ডবোৰৰ উল্লেখযোগ্য বিভাগবোৰ হ'ল — অ'টো কমপ'নেণ্ট, সুৰা, কম্পিউটাৰ হাৰ্ডৱেৰ, ব্যক্তিগত ব্যৱহাৰ সামগ্ৰী তথা পেক কৰা খাদ্য, ম'বাইল ফোন আৰু ধঁপাত। উদ্যোগে হেৰুৱাব লগা ক্ষতিৰ মূল্য হ'ল ৭২, ৯৬৯ কোটি টকা। চৰকাৰৰ বাবে নকল ব্ৰেণ্ডৰ বাবে এই সামগ্ৰিক লোকচানৰ পৰিমাণ হ'ল ১৬,৫৪৬ কোটি টকা। এয়া অকলেই ভাৰতীয় এফ এম চি জি খণ্ডত।

উল্লিখিত খণ্ডৰ চৌৰ্য বৃত্তি কিম্বা নকলৰ মূল বিষয়টো হ'ল ট্ৰেডমাৰ্ক তথা আৰ্হি।

## ট্ৰেডমাৰ্ক বিষয়

এজন ব্যক্তিৰ সামগ্ৰী বা সেৱা আন লোকক বেপাৰ কৰাৰ সময়ত প্ৰভেদ ৰাখিবলৈ ট্ৰেডমাৰ্ক ব্যৱহাৰ কিম্বা প্ৰস্তাৱ কৰা হয়। এনে ট্ৰেডমাৰ্কৰ পঞ্জীকৰণ বাধ্যতামূলক নহ'লেও, পঞ্জীয়ন হ'ল এবিধ সামগ্ৰীৰ নামৰ এটা প্ৰমাণ আৰু ই পঞ্জীকৃত গৰাকী বা মালিকৰ ট্ৰেডমাৰ্ক ব্যৱহাৰ কৰিবলৈ সম্পূৰ্ণ অধিকাৰ দিয়ে তথা কোনোবাই তেনে বিধ সামগ্ৰীৰ ক্ষেত্ৰত দখলদাৰী কৰিবলৈ বিচাৰিলে ন্যায়িক ব্যৱস্থা ল'ব পাৰে। যদিহে এটা ট্ৰেডমাৰ্ক পঞ্জীকৰণ কৰা নহয় আৰু কোনোবাই ব্যৱহাৰ কৰা ট্ৰেডমাৰ্কৰ ক্ষেত্ৰত অধিকাৰ নেথাকে তেনে স্থলত সেই ট্ৰেডমাৰ্কৰ গৰাকীয়ে ন্যায়িক কাৰ্য কৰিব পাৰে। গ্ৰাহকসকলে সহজে প্ৰবঞ্চনাৰ জালত পৰাৰ সম্ভাৱনা অধিক; কিয়নো সামগ্ৰী পেকিং কৰাৰ ধৰণ-কৰণ একেধৰণৰ, ৰঙৰ সংযোজনো প্ৰায় একেই, শব্দৰ ইচ্ছাকৃত খেলি-মেলি, বানান তথা আখৰৰ মায়াজাল। খাদ্য সংসাধন উদ্যোগ আৰু পেক কৰা খাদ্য সামগ্ৰী চৌৰ্য বৃত্তিত পৰাৰ আশংকা অধিক থাকে। ভাৰতৰ অসংগঠিত খণ্ডৰ খাদ্য সামগ্ৰী বোৰতেই এনে হয় আৰু স্বাস্থ্যৰ অনিষ্ট সাধন কৰাৰ ক্ষেত্ৰত ই সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। ফাৰ্মাচীত বিক্ৰী কৰা ঔষধপাতিৰ ক্ষেত্ৰতো একেই কথা খাটে। ইয়াতো সন্দেহৰ সম্ভাৱনা অধিক থাকে। এবাৰ প্ৰস্তুত কৰা ঔষধৰ বিষয় এটা বিচাৰ কাৰোতে উচ্চতম ন্যায়ালয়ে এটা শব্দৰ প্ৰতি মনোযোগ দিব লগা হৈছিল। শব্দটো হ'ল 'Protovit' এফ হফমেন-লা ৰ'চ এণ্ড কোম্পানী লিমিটেড বনাম জিঅ'ফ্ৰী মেন্নাৰ এণ্ড কোম্পানী (প্ৰাঃ) লিমিটেডৰ গোচৰত আবেদনকাৰীৰ এই শব্দটো বিবাদীয়ে ব্যৱহাৰ কৰা 'Dropovit' ৰ প্ৰায় একেই যেন লাগে। আদালতে বিচাৰত প্ৰয়োগ কৰিব লগা বাছনিৰ ক্ষেত্ৰত এনেদৰে ৰায় দিয়ে—দুটা শব্দৰ তুলনামূলক পৰীক্ষাৰ ক্ষেত্ৰত লৰ্ড পাকাৰে পিয়ানটিষ্ট কোম্পানী লিমিটেডৰ আবেদনত দিয়া ভাষ্য হ'লঃ আপুনি দুটা শব্দ নিশ্চয়েই ল'ব লাগিব। আৰু তাক দৃষ্টি তথা ধ্বনি (চাউণ্ড) উভয় দিশত বিচাৰ কৰিব লাগিব। কোন সামগ্ৰীত ব্যৱহাৰ কৰা হৈছে তাকো বিবেচনা কৰিব লাগিব। সেইবোৰ সামগ্ৰী ক্ৰয় কৰাৰ সম্ভাৱনা থকা গ্ৰাহকৰ প্ৰকৃতি আৰু ধৰণ-কৰণো বিবেচনা কৰিব লাগিব। মুঠৰ ওপৰত আপুনি অৱস্থাৰ আটাইবোৰ অৱেষ্টনীৰ বিষয়টোৰ প্ৰতিও মনোযোগ দিব লাগিব আৰু এইটোও বিবেচনা কৰিব লাগিব- এই ট্ৰেডমাৰ্ককেইটা সংশ্লিষ্ট গৰাকীসকলৰ সামগ্ৰীৰ বাবে ট্ৰেডমাৰ্কৰূপে স্বাভাৱিক ধৰণে ব্যৱহাৰ কৰে তেনেহ'লে তাৰ পৰা কি হোৱাৰ সম্ভাৱনা থাকিব পাৰে। এই সকলোবোৰ অৱস্থিতি বিবেচনা কৰি আপুনি এই সিদ্ধান্তলৈ আহে যে সমগ্ৰ বিষয়টোৱে সন্দেহ সৃষ্টি কৰিব। কিন্তু তেনে অৱস্থাত এজন লোকৰ অনিষ্ট সাধন হয় আৰু আনজনে অবৈধভাৱে লাভান্বিত হয় তাৰ নিশ্চয়তা নাই পিছে এইটো সত্য যে মানুহৰ মনত এটা সন্দেহৰ ভাব উপজিব আৰু সেইটোৱে তেনে সামগ্ৰীৰ ক্ষেত্ৰত সন্দেহৰ পথ মুকলি কৰিব তেনেহ'লে আপুনি পঞ্জীয়ন প্ৰত্যাখান কৰিব পাৰে আৰু সেইটো নিশ্চয়ে কৰা উচিত।

আদালতে এই মন্তব্য কৰে যে দৃশ্য আৰু ধ্বনিগত পৰীক্ষা দুয়োটাই চূড়ান্ত সিদ্ধান্তৰ বাবে প্ৰয়োগ কৰা প্ৰয়োজন।

ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ আন এটা গোচৰ এইখিনিতে উল্লেখযোগ্য। সেই গোচৰটো আছিল কেদিলা হেলথ কেয়াৰ লিমিটেড বনাম কেদিলা ফাৰ্মাচিউটিকেল লিমিটেড, ২০০১ পিটিচি ৫৪১। এই গোচৰ দুটা শব্দক লৈ। সেয়া হ'ল 'FALCIGO' আৰু 'FALCITAB'। গোচৰত এইবুলি কোৱা হয়—সন্দেহ সৃষ্টি কৰা সামগ্ৰী ঔষধজাতীয় বস্তুৰ ক্ষেত্ৰত জড়িত কাৰণে সাদৃশ্যখিনিৰ সংশোধন কৰা হয়। ঔষধজাতীয় সামগ্ৰীৰ মাজত উৎসৰ সন্দেহ থাকিলে ক্ৰেতাক শাৰীৰিকভাৱে আথবা প্ৰস্তুতকৰণৰ অনিষ্ট সাধন কৰিব পাৰে আৰু সেয়ে সাধাৰণ ক্ষেত্ৰত

প্ৰয়োজন হোৱা সতৰ্কতাতকৈ অধিক সুৰক্ষাৰ আৱশ্যক হয়। যদি কোনো সামগ্ৰীৰ ঔষধজাতীয় সামগ্ৰী হয় আৰু তাৰ প্ৰতীকটোৰেই বিভিন্ন প্ৰভাৱ তথা ভিন্ন ব্যৱহাৰ কৰোঁতাৰ কাৰণে আৰ্হি কৰা হয়, তেনেহ'লে একে ধৰণৰ চিহ্ন (ট্ৰেডমাৰ্ক) থকা তেনে প্ৰস্তুত সামগ্ৰীয়ে ভীষণভাৱে বেয়া প্ৰভাৱ পেলাব পাৰে। এইবোৰ কাৰণতে ড্ৰাগছ আৰু ঔষধ তৈয়াৰীৰ কাৰণে সন্দেহজনক সাদৃশ্যৰ কম প্ৰমাণেই সিদ্ধান্তত উপনীত হ'বলৈ উপযুক্ত। এই একেই মানেৰে চাৰ্জিকেল সামগ্ৰী আৰু ক্লেভিকল স্পীন্ট দৰে ঔষধপাতি আদিত প্ৰয়োগ কৰা হয়।

কেইটামান অধ্যয়নৰ মতে ভুৱা ঔষধে ভাৰতৰ ফাৰ্মাচিউটিকেল বজাৰখনত ২০ শতাংশ প্ৰভাৱ বিস্তাৰ কৰে। এনে ধৰণৰ তৈয়াৰী ঔষধে কেৱল সততে ব্যৱহাৰ কৰা ঔষধপাতিৰ ক্ষেত্ৰতে সীমাবদ্ধ হৈ থকা নাই, তাৰ উপৰি ই এতিয়া গুৰুত্বপূৰ্ণ ঔষধতো প্ৰৱেশ কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— কফ চিৰাপ , বিষনাশক আৰু আনকি ভিটামিনৰ পৰিপূৰক দ্ৰব্য আদি। এইবোৰ পৰিসংখ্যালৈ চাই উচ্চতম ন্যায়ালয়ে ওপৰত উল্লেখ কৰা গোচৰ সমূহৰ ক্ষেত্ৰত দিয়া নীতি নিৰ্দেশনা অনুসৰি উপযুক্তভাৱে বৌদ্ধিক সম্পত্তি আইন বলবৎ কৰাৰ সময় প্ৰায় ওকলি যোৱা যেন লাগে।

**আৰ্হিৰ বিষয়সমূহ**

"ট্ৰিপছ" অনুযায়ী কাৰ্য ব্যৱস্থা নিশ্চিত কৰিবলৈ এখন আইন আছে। সেয়া হ'ল ডিজাইন এক্ট, ২০০০ আইনখন আৰ্হি সৃষ্টি কৰোঁতাক সম্পূৰ্ণ অধিকাৰ প্ৰদান কৰে আৰু সম্পত্তিৰ গৰাকীয়ে সেই আৰ্হিৰ কপিৰাইটৰ সুবিধা পায়। আন কোনোবাই হস্তক্ষেপ কৰাৰ ক্ষেত্ৰতো আইনখনে সকাহ দিয়ে। তলত উল্লেখ কৰা আইনবোৰ যদি অনাধিকাৰ-ভাৱে ব্যৱহাৰ কৰে তেনেহ'লে তেনে কাৰ্যক চৌৰ্য বৃত্তিৰূপে বিবেচনা কৰা হয়।

✯ বিক্ৰী উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিলে, এটা সামগ্ৰীৰ বাবে দেখ দেখকৈয়ে নকল অথবা প্ৰবঞ্চনাৰ ক্ষেত্ৰত;

✯ এনে যি কোনো সামগ্ৰী বিক্ৰীৰ বাবে আমদানি কৰা;

✯ আৰ্হিটোৰ বাবে আবেদন কৰা বুলি জানিও সামগ্ৰী বিক্ৰীৰ কাৰণে প্ৰকাশ বা বাহিৰত প্ৰচাৰ কৰা।

এই নিৰ্দিষ্ট আৰ্হি আইন নিষেধ ব্যৱস্থাক ভাৰতৰ এফ এম চি জি খণ্ডত সঘনে উলঙ্ঘা কৰা হয়। দৈনন্দিন ব্যৱহাৰ্য বহু সামগ্ৰী ইচ্ছাকৃতভাৱে প্ৰবঞ্চনা কৰি অথবা দেখ দেখকৈ নকল কৰি বজাৰত উলিয়ায়। আইনখনত বাধা প্ৰদান ব্যৱস্থা কৰিলেও তাৰ বলবৎকৰণ সেই অনুযায়ী কৰা নহয়। ভাৰতৰ আদালতসমূহত বহুবাৰ এই আৰ্হি আইন বলবৎ ব্যৱস্থা শক্তিশালী কৰিবলৈ উল্লেখ কৰা হৈছে। ২০১৩ চনৰ ১৫ মাৰ্চৰ ৰেকিট বেলকিছাৰ ইণ্ডিয়া লিমিটেড বনাম ৰেইথ লিমিটেডৰ গোচৰত আনৰ কাৰ্যত হস্তক্ষেপ কিম্বা চৌৰ্য বৃত্তিৰ প্ৰশ্ৰয় লোৱা বুলি দিল্লী উচ্চ ন্যায়ালয়ত বিচাৰক মণ্ডলীয়ে ৰেইন লিমিটেডে তাক অপব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বহু বিষয় উল্লেখ কৰে।

অধিক চাহিদা থকা গ্ৰাহক সামগ্ৰীৰ পেক্ কৰা আৰ্হি অথবা ৰেহ-ৰূপৰ বিষয়টোক লৈ দেশৰ বিভিন্ন আদালতত চৰ্চাৰ বিষয় হৈ পৰে। কিন্তু এই সকলোবোৰ বিষয়ৰ গুৰুত্ব নেথাকে যেতিয়া ইয়াৰ সতে জড়িত থকা উদ্যোগ টকা-কড়িৰ ক্ষেত্ৰত লোকচানৰ সন্মুখীন হ'ব লগা হয়। গ্ৰাহকক সন্তুষ্ট কৰিবৰ বাবেও বহুখিনি কৰিব লগা হয়।

**প্ৰতিকাৰ**

গ্ৰাহক সামগ্ৰীৰ কৃত্ৰিম উপস্থাপনৰ সংহাৰী ৰূপটোৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে বহুত আইন আছে। বৰ্তমান এই ক্ষেত্ৰত অসৎ পন্থা অৱলম্বন কৰোতাৰ বিৰুদ্ধে আগবাঢ়িবলৈ ইণ্ডিয়ান পনেল ক'ড অথবা বৌদ্ধিক সম্পত্তি আইন আছে। তৎসত্ত্বেও তেনে সামগ্ৰী বজাৰত উলিওৱাৰ আগতে অৱলম্বন কৰা চৌৰ্য বৃত্তিৰ অন্ত পৰা নাই। বৌদ্ধিক সম্পত্তি হ'ল এখন আইন যিখনে অধিক চাহিদা থকা গ্ৰাহক সামগ্ৰীক কৃত্ৰিম ৰূপত আৰু চৌৰ্য বৃত্তিৰ আশ্ৰয় লোৱাৰ ক্ষেত্ৰত প্ৰতিকাৰ ব্যৱস্থাৰ যোগান ধৰে।

বৌদ্ধিক সম্পত্তি ৰক্ষা কৰিবৰ কাৰণে বহুত ব্যৱস্থা আছে। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য হ'ল— প্ৰশাসনীয় যন্ত্ৰ ব্যৱস্থা, ন্যায়িক ব্যৱস্থা-যিটোৰে অসামৰিক প্ৰতিকাৰ তথা অপৰাধীৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ, আৰক্ষী আৰু তদন্ত সংস্থা আৰু সমাজ, অসামৰিক আৰু অপৰাধমূলক প্ৰতিকাৰ ব্যৱস্থা উভয়কে একেলগে কামত লগাব পাৰে। বিৰূপ প্ৰভাৱ পৰিব পৰা সামগ্ৰী বাজেয়াপ্ত কৰিবলৈও জাননী জাৰি কৰিব পাৰি। চৌৰ্য বৃত্তি অথবা কৃত্ৰিম পন্থা ৰোধ কৰিবৰ বাবে ভাৰত আৰু বিদেশতো যিবোৰ ব্যৱস্থা গ্ৰহণ কৰা হয় তাৰ কেইটামান উদাহৰণ হ'ল—এণ্টন পাইলাৰ অৰ্ডাৰ, মাৰেভা ইনজাংচন, জন দো অৰ্ডাৰ।

ওপৰত উল্লেখ কৰা ব্যৱস্থাসমূহৰ উপৰিও কৃত্ৰিম পন্থা অৱলম্বন কৰা সমস্যাই বিৰাট আকাৰ ধাৰণ কৰিছে আৰু এটা কালান্তক স্বৰূপ হৈ পৰিছে। ভাৰতত নকল আৰু কৃত্ৰিম (খাদ্য সামগ্ৰী, ঔষধপাতি) বিষয়বোৰৰ সংক্ৰান্তত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে সকলো পৰিব্যাপ্ত কৰা আইন নাই; কিন্তু অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰি হাতত ল'বলগা আইন আছে আৰু এনে উলংঘা কৰা বিষয়বোৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি।

বৌদ্ধিক সম্পত্তিৰ বিষয়ে সজাগতা আৰু ব্ৰেণ্ডসমূহৰ সম্পৰ্কে জনগণক সচেতন কৰি তোলাৰ দৰে সমাধানৰ উপায় আছে আৰু সেইবোৰ বেচ নিৰ্ভৰযোগ্য। তথাপি এনে নকল আৰু চৌৰ্য বৃত্তিক নিয়ন্ত্ৰণ কৰিবৰ কাৰণে অধিক সমাধনে ব্যৱস্থা উদ্ভাৱন কৰা প্ৰয়োজন। ভাৰত এখন মুকলি বজাৰ হৈ পৰিছে। বিদেশৰ বিনিয়োগকাৰীক "মেইক ইন ইণ্ডিয়াৰ" দৰে আঁচনিসমূহৰ জৰিয়তে আমন্ত্ৰণ কৰা হৈছে- যাতে তেওঁলোকে প্ৰস্তুত খণ্ড, অট'ম'বাইল, খাদ্য সংসাধন ইত্যাদিত বিনিয়োগ কৰে। আগন্তুক সময়ত ভাৰতত এনেবোৰ প্ৰযোজ্য হৈ থাকিব বুলি ধৰি ল'লে চৰকাৰৰ ফালৰ পৰা অধিক কৰণীয় কামো কৰিবলৈ আছে। তেনে কাম হ'ল নকল আৰু কৃত্ৰিমতাৰ প্ৰশ্ৰয় লোৱাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত কিছু উৎসাহ উদগণি জনোৱা প্ৰয়োজন বিশেষকৈ বৌদ্ধিক সম্পত্তি সম্পৰ্কীয় বিষয়বোৰৰ ক্ষেত্ৰত যাতে 'মেইক্ ইন ইণ্ডিয়া'ৰ আঁচনিবোৰৰ পৰা সৰ্বাধিক সুফল পাব পাৰি। ◇

---

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

এপ্ৰিল ২০১৫ ঃ **পণ্য উৎপাদন খণ্ড**

মে' ২০১৫ ঃ **পৰ্যটন খণ্ড**

জুন ২০১৫ ঃ **বিকল্প চিকিৎসা**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, পয়োভৰা**

কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭

চেনিকুঠি, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ভাৰতত উৎপাদন ক্ষেত্ৰৰ প্ৰগতি

*সুৰভি অৰোৰা

বহু আগৰ পৰাই কৃষি ভাৰতীয় লোকৰ প্ৰধান জীৱিকা হৈ আহিছে। যিয়েই নহওক, স্বাধীনতাৰ পাছত প্ৰতিষ্ঠাতাসকলে দেখিছিল দেশ এক উপযুক্ত ঔদ্যোগিক বুনিয়াদৰ দিশে অগ্ৰসৰ হৈছে। ইয়েই দ্ৰুত ঔদ্যোগিকৰণৰ বাবে সঠিক আন্তঃগাঁথনি নিৰ্মাণৰ নীতি আৰু কৌশল প্ৰস্তুতিৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিলে। স্বাধীনতাৰ সময়ৰ পৰাই ভাৰতবৰ্ষই বিভিন্ন ধৰণৰ মূলধনী আৰু মৌলিক পণ্য উৎপাদনত স্বতন্ত্ৰতা লাভ কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয় উদ্যোগে যান-বাহন, ভাপ ইঞ্জিন, গধুৰ বৈদ্যুতিক আহিলা, নিৰ্মাণ যন্ত্ৰপাতি, ৰাসায়নিক উৎপাদন, সঠিকতা নিৰূপণৰ আহিলা, যোগাযোগৰ আহিলা, শক্তি উৎপাদন আৰু বিতৰণৰ সঁজুলি আৰু কম্পিউটাৰ আদি উৎপাদন কৰি আহিছে।

### ভাৰতত ঔদ্যোগিকৰণ

**স্বাধীনতাৰ পৰা ১৯৮০ চনলৈ ঃ** এই সময়ছোৱাত ব্যক্তিগত খণ্ডৰ বৃদ্ধি আছিল সীমাবদ্ধ আৰু ব্যক্তিগত প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ বাবে চৰকাৰৰ অনুমোদন আৱশ্যকীয় আছিল। ইয়াৰ পাছতো ১৯৪০-১৯৭০ চনৰ সময়ছোৱাত মুঠ ঘৰুৱা উৎপাদন বাৰ্ষিক ১.৪ শতাংশ বৃদ্ধি হৈছিল। এই সময়ছোৱাত ভাৰতৰ আৰ্থিক উন্নয়নৰ হাৰ নিম্ন কৰি ৰাখিছিল দৰিদ্ৰতা আৰু দুৰ্ভিক্ষৰ দৰে অন্যান্য কাৰকে। বৃহৎ ঘৰুৱা উৎপাদনৰ অৱশোষণ সময়ছোৱাত মাত্ৰ কেইটামান ঔদ্যোগিক সামগ্ৰীৰ উৎপাদনকাৰীয়ে একচেটীয়া মূল্য নিৰূপণৰ ক্ষেত্ৰত ভূমিকা লৈছিল। এই সময়ছোৱাত আৰ্থিক বিকাশ বোলা শব্দ দুটিৰ পৰা ভাৰতবৰ্ষ পিছুৱাই আছিল।

**১৯৮০ চনৰ পৰা ১৯৯০ চনৰ মধ্যভাগলৈঃ** ১৯৮০ চনৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতত উদাৰীকৰণ আৰম্ভ হ'ল আৰু ১৯৯১ চনৰ মধ্যভাগলৈ ই অধিক শক্তি লাভ কৰিলে। জনমূৰি জি এন পিৰ ক্ষেত্ৰত দেশ এটা ঐতিহাসিক উত্থানৰ সাক্ষী হ'ল। ১৯৯৪-৯৫ বৰ্ষৰ ঔদ্যোগিক উৎপাদন-বৃদ্ধি সীমাবদ্ধ হৈ ৰৈছিল ৮.৪ শতাংশত আৰু ৰপ্তানি বৃদ্ধি পাইছিল ২৭ শতাংশলৈ। ইয়াৰ ফলতে নব্বৈৰ দশকৰ মধ্যছোৱাত মুদ্ৰাস্ফীতি ১০ শতাংশ হ্ৰাস পাইছিল।

**১৯৯০ চনৰ পৰা ২০০০ চনৰ মধ্যভাগলৈঃ** ভাৰতৰ উদাৰীকৰণ নীতিৰ পৰিপ্ৰেক্ষিতত বহু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান স্থাপিত হ'ল। ৰপ্তানিৰ ক্ষেত্ৰতো ১৯৯৪ বৰ্ষৰ ১৭ শতাংশ বৃদ্ধি হৈ ১৯৯৫-৯৬ বৰ্ষত ২৮ শতাংশ হ'লগৈ। আনহাতে ভাৰতবৰ্ষৰ ৯০ শতাংশৰো অধিক আমদানি আছিল ৰপ্তানিৰ পৰা অহা ৰাজহ সমৰ্থিত। বৰ্তমান কাৰেন্ট একাউন্টৰ বকেয়া মুঠ ঘৰুৱা উৎপাদনৰ ১ শতাংশতকৈও কম আৰু বৈদেশিক মুদ্ৰাৰ লাভ ত্বৰিত বৃদ্ধিৰে ২০ বিলিয়ন মাৰ্কিন ডলাৰ পাইছেগৈ। ৩ কোটি ৭০ লাখ টনেৰে খাদ্যসামগ্ৰীৰ মজুত সাক্ষী হৈছে সৰ্ব সময়ৰ বৃদ্ধিৰ।

বৰ্তমান ব্যক্তিগত খণ্ডই ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনলৈ দুই-তৃতীয়াংশ অৱদান আগবঢ়াইছে। মুখ্য বিনিয়োগ-কাৰী হিচাপে ৰাষ্ট্ৰই লৈ থকা দায়িত্ব ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানলৈ হস্তান্তৰিত কৰাৰ ফলত উদাৰীকৰণ এটা নতুন পথত অগ্ৰসৰ হৈছে।

### ভাৰতত উদ্যোগ

আশা কৰা হৈছে যে ২০২৫ বৰ্ষৰ ভিতৰত বিশ্বৰ মুঠ ঘৰুৱা উৎপাদনলৈ ভাৰতৰ অৱদান ৬ শতাংশৰ পৰা ১১ শতাংশ হ'বগৈ, আনহাতে ২১ শতাংশৰ পৰা ১৮ শতাংশলৈ সাম্ভাব্য হ্ৰাস পাব বিশ্ব মুঠ ঘৰুৱা উৎপাদনলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৱদান। এই কথাটোৱে ইংগিত কৰে যে আমেৰিকা আৰু চীনৰ পাছতে বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে উত্থান ঘটিব ভাৰতবৰ্ষৰ। এই মূল্যায়নক সমৰ্থন কৰিব ভাৰতৰ বিভিন্ন ক্ষেত্ৰৰ সামগ্ৰিক উন্নয়নে, য'ত উদ্যোগ হ'ল প্ৰধান ক্ষেত্ৰ। শেহতীয়াকৈ গ্ল'বেল মেনেজমেন্ট কনছাল্টিং ফাৰ্ম মেক্‌কিনছে এণ্ড কোম্পানীয়ে চলোৱা এটা অধ্যয়নৰ মতে, ভাৰতীয় উৎপাদন উদ্যোগে ২০২৫ বৰ্ষৰ ভিতৰত ১ ট্ৰিলিয়ন আমেৰিকান ডলাৰ স্পৰ্শ কৰিব। ঔদ্যোগিক বিশেষজ্ঞই বিশ্বাস কৰে যে উৎপাদন সামগ্ৰীৰ ক্ৰমাগত চাহিদা বৃদ্ধি আৰু বহুজাতিক ব্যৱসায়িক প্ৰতিষ্ঠানে ভাৰতত স্থাপন কৰিবলৈ আৰম্ভ কৰা কম খৰচী কাৰখানাই এই সম্ভাব্য উন্নয়ন সম্ভৱ কৰি তুলিব। এই সময়ছোৱাত প্ৰায় ৯ কোটি ঘৰুৱা কৰ্মসংস্থাপন সৃষ্টি হ'বলৈ গৈ আছে, তাৰে উৎপাদন অংশই ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনলৈ প্ৰায় ২৫-৩০ শতাংশ অৱদান আগবঢ়াব। দ্ৰুতগতিত বিস্তাৰ লাভ

কৰা ভাৰতৰ অৰ্থনীতিয়ে আন্তঃৰাষ্ট্ৰীয় উদ্যোগীৰ লগতে দেশীয় উদ্যোগীকো সন্নিৱিষ্ট কৰি প্ৰসাৰিত হোৱাৰ সুবিধা প্ৰদান কৰিছে।

ভাৰতীয় উৎপাদন উদ্যোগৰ মুখ্য বজাৰ চালকসমূহ এনেধৰণৰ ঃ

(১) মন্দা বিনিয়োগৰ বাবে ভাৰতীয় উৎপাদন ক্ষেত্ৰই মন্থৰ বিকাশ প্ৰত্যক্ষ কৰিছে।

(২) দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ উৎপাদন ক্ষেত্ৰৰ অংশীদাৰিত্ব ২৫ শতাংশ বৃদ্ধি হোৱাৰ জৰিয়তে আগন্তুক দশকত যাতে ১০ কোটি কৰ্মসংস্থাপনৰ সৃষ্টি হয়, ৰাষ্ট্ৰীয় উৎপাদন নীতিয়ে এই পৰামৰ্শ প্ৰদান কৰে।


(৩) সকলো মুখ্য উৎপাদন কেন্দ্ৰত অতিৰিক্ত ক্ষমতা সংযোজন কৰিবলৈ পৰিকল্পনা কৰা হৈছে।

(৪) প্ৰযুক্তিৰ সৈতে একত্ৰিত কৰি সাধাৰণ সুবিধা কেন্দ্ৰৰ সৈতে সাৰ্বজনীন খৰিদ নীতিৰ প্ৰস্তাৱ কৰা হৈছে, য'ত খাদী মাৰ্কৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে সূক্ষ্ম, লঘু আৰু মধ্যমীয়া প্ৰতিষ্ঠানক উন্নীত কৰাৰ বাবে।

দেশৰ ঔদ্যোগিক উন্নয়নৰ বাবে উৎপাদন ক্ষেত্ৰৰ গুৰুত্ব চৰকাৰে উপলব্ধি কৰিলে আৰু উদ্যোগক অধিক কাৰ্যক্ষম কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। সম্প্ৰতি, দেশৰ উৎপাদন কেন্দ্ৰৰ আকৰ্ষণ বিদেশী কোম্পানীৰ বাবে পৰিষ্কাৰ।

তলৰ গ্ৰাফখনত ২০০৫ চনৰ পৰা ২০১৫ চনলৈ ভাৰতীয় ঔদ্যোগিক উৎপাদন দেখুওৱা হৈছেঃ

**ভাৰতীয় ঔদ্যোগিক উৎপাদন**




উৎসঃ www.tradeeconomics.com | Ministry of Statistics and Programme Implementation (MOSPI)

এছ'চামৰ এটা অধ্যয়ন অনুসৰি, ২০১২-১৭ বৰ্ষৰ ভিতৰত ভাৰতৰ উৎপাদন ক্ষেত্ৰত ৩২ লাখ চাকৰি সৃষ্টিৰ লক্ষ্য স্থিৰ কৰা হৈছিল। অধ্যয়নটোৰ মতে, বিগত কেইটামান বৰ্ষত দক্ষতা প্ৰদৰ্শনৰ অভাৱ হোৱা সত্ত্বেও ভাৰতীয় উৎপাদন উদ্যোগ শেহতীয়াকৈ পুনৰ সঠিক পথত উপনীত হৈ দ্বাদশ পৰিকল্পনাৰ সময়ছোৱা (২০১২-১৭ )ৰ ভিতৰত ৩২ লাখ কৰ্মসংস্থাপন সৃষ্টি কৰিবলৈ সাজু হৈছে। প্ৰতিবেদনখন অনুসৰি একাদশ পৰিকল্পনা (২০০৭-১২)ৰ সময়ছোৱাত এই ক্ষেত্ৰৰ কৰ্মসংস্থাপনত ২৮.৫ শতাংশ বৃদ্ধি হৈছিল আৰু অতিৰিক্ত ২৯ লাখ চাকৰি সৃষ্টি হৈছিল পঞ্জীকৃত উৎপাদন ক্ষেত্ৰত ২০০৭-০৮ ৰ পৰা ২০১১-১২ বৰ্ষত, ইয়াৰে ২০০৭-০৮ বৰ্ষত আছিল ১ কোটি ৪৫ লাখ চাকৰি। সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত পঞ্জীকৃত উৎপাদন ক্ষেত্ৰত সৃষ্ট মুঠ কৰ্ম-সংস্থাপনৰ ১৪.৫ শতাংশ অংশীদাৰিত্বৰে তামিলনাডু এই তালিকাৰ শীৰ্ষত আছিল, ১৪ শতাংশৰে দ্বিতীয় স্থানত আছিল মহাৰাষ্ট্ৰ আৰু ইয়াৰ পাছতে ১০ শতাংশৰে আছিল গুজৰাট।

একাদশ বাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত পঞ্জীকৃত উৎপাদন ক্ষেত্ৰত কৰ্মসংস্থাপন সৃষ্টিৰ সৰ্বোচ্চ বৃদ্ধিৰ হাৰৰ অভিলেখ আছিল উত্তৰাখণ্ডৰ। বৃদ্ধিৰ হাৰৰ দৌৰত ৭১.৮ শতাংশৰে বিহাৰ, ৭০ শতাংশৰে হিমাচল প্ৰদেশ, ৫৪ শতাংশৰে উৰিষ্যা আৰু ৩৮.৮ শতাংশৰে মহাৰাষ্ট্ৰ আছিল উচ্চ বৃদ্ধিৰ হাৰৰ শীৰ্ষ ৰাজ্য। আনহাতে ছত্ৰিশগড়ৰ আছিল ১৯ শতাংশ, উত্তৰ প্ৰদেশ ১৫ শতাংশ, হাৰিয়ানা ১৪ শতাংশ, কেৰালা ১০.৫ শতাংশ আৰু পঞ্জাৱ ৯ শতাংশৰে কৰ্মসংস্থাপন সৃষ্টিৰ মন্থৰ বৃদ্ধি হাৰৰ ৰাজ্য। প্ৰতিবেদনখন অনুসৰি, ভাৰতৰ উৎপাদন ক্ষেত্ৰ পুনৰুজ্জীৱন পৰ্বৰ মাজেৰে পাৰ হৈছে। উন্নত অৰ্থনৈতিক কাৰ্যক্ষমতাৰে এই ক্ষেত্ৰখনে ২০১৭ বৰ্ষৰ ভিতৰত ৩২ লাখ অতিৰিক্ত উৎপাদন ক্ষেত্ৰৰ কৰ্মসংস্থাপন সৃষ্টি কৰিব।

ভাৰতৰ উন্নয়নশীল অৰ্থনীতিয়ে স্বদেশী উদ্যোগী আৰু বিদেশী উদ্যোগীক বিভিন্ন সুযোগ প্ৰদান কৰিছে বিনিয়োগ কৰাৰ বাবে। দেশৰ ঔদ্যোগিক বিকাশৰ বাবে উৎপাদন ক্ষেত্ৰৰ গুৰুত্ব ভাৰত চৰকাৰেও উপলব্ধি কৰিছে আৰু এই ক্ষেত্ৰখনত প্ৰয়োজনীয় বিনিয়োগ বৃদ্ধিৰ বাবে দৰকাৰী পদক্ষেপ গ্ৰহণ কৰিছে। মেক্‌কিনছে এণ্ড কোম্পানীৰ প্ৰতিবেদন মতে, ভাৰতীয় উৎপাদন উদ্যোগে ২০২৫ বৰ্ষৰ ভিতৰত ১ ট্ৰিলিয়ন আমেৰিকান ডলাৰ স্পৰ্শ কৰিবগৈ পাৰে। ২০২৫ বৰ্ষৰ ভিতৰত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ২৫-৩০ শতাংশ অৱদান আগবঢ়োৱা আৰু ৯ কোটি ঘৰুৱা কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষমতা এই ক্ষেত্ৰখনৰ আছে।

প্ৰকল্প স্থাপনৰ ব্যয় হ্ৰাস আৰু পৰ্যাপ্ত মানৱ সম্পদৰ বাবে বহু বিদেশী বিনিয়োগকাৰীয়ে শেহতীয়াভাৱে দেশখনত বিনিয়োগ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। উদাহৰণস্বৰূপে, টছিবা গ্ৰুপে প্ৰস্তাৱিত স্মাৰ্ট চিটীসমূহৰ বিমানবন্দৰ, ষ্টেডিয়াম, ৰাষ্ট্ৰীয় ঘাইপথ, কাৰখানাৰ বাবে ভাৰতক লাইটিং ব্যৱসায়ৰ ডিজাইন, উৎপাদন আৰু ৰপ্তানিৰ কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ বিচাৰিছে। টছিবা লাইটিং এণ্ড টেকন'লজি কৰ্প'ৰেচনৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া য়'ইছি

এলবিয়ে এই কথা প্ৰকাশ কৰিছে।

এইচ এছ বি চি মেনুফেকচাৰিং পাৰচেজিং মেনেজাৰ্ছ ইনডেক্সৰ তথ্য অনুসৰি উৎপাদনৰ ত্বৰান্বিত বৃদ্ধি আৰু নতুন নিৰ্দেশৰ বাবে ভাৰতত নিৰ্মাণ খণ্ডৰ বাণিজ্যিক পৰিৱেশ উন্নত হৈ আহিছে। একেই সূত্ৰত প্ৰকাশ পাইছে যে ভাৰতৰ নিৰ্মাণ খণ্ডৰ পৰিৱেশৰ সূচাংক ২০১৪ চনৰ ছেপ্টেম্বৰৰ মাহৰ ৫১ ৰ তুলনাত ২০১৪ চনৰ অক্টোবৰ মাহত আশাপ্ৰদভাৱে ৫১.৬ লৈ সলনি হৈছে।

২০২০ চনৰ ভিতৰত ভাৰতত বৈদ্যুতিন সামগ্ৰীৰ নিৰ্মাণে ১০৪ বিলিয়ন মাৰ্কিন ডলাৰৰ সীমা স্পৰ্শ কৰাৰ সম্ভাৱনা আছে। আনহাতে দেশখনৰ বৈদ্যুতিন সামগ্ৰীৰ বজাৰখনৰ পৰিমাণ ২০২০ চনৰ ভিতৰত ৪০০ বিলিয়ন মাৰ্কিন ডলাৰ হ'ব বুলি ধাৰণা কৰা হৈছে আৰু ২০১২ ৰ পৰা ২০২০ চনৰ ভিতৰৰ সময়ছোৱাত চি এ জি আৰ ২৪.৪ শতাংশ হাৰত বৃদ্ধি হ'ব।

টাটা ষ্ট্ৰেটেজিক মেনেজমেন্ট গ্ৰুপৰ তথ্য অনুসৰি আভ্যন্তৰীণ ৰাসায়নিক উদ্যোগৰ পৰিসৰ হৈছে ১১৮ বিলিয়ন মাৰ্কিন ডলাৰ আৰু এই পৰিমাণ বিশ্বৰ ৰাসায়নিক উদ্যোগৰ প্ৰায় তিনি শতাংশ। ই ৮০,০০০ ৰো অধিক ৰাসায়নিক পদাৰ্থৰ উৎপাদনেৰে বিস্তৃত আৰু সম্প্ৰতি এই পৰিমাণ নিৰ্মাণখণ্ডৰ মুঠ ঘৰুৱা উৎপাদনৰ ১৫ শতাংশ। নিঃসন্দেহে ই দেশখনৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ।

ভাৰত চৰকাৰে দেশখনত নিৰ্মাণ খণ্ডৰ বিকাশৰ বাবে অনুকূল পৰিৱেশৰ সন্দৰ্ভত প্ৰচাৰৰ ক্ষেত্ৰত বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। আনহাতে সম্প্ৰতি ভাৰতে প্ৰায় ১৮.১ বিলিয়ন মাৰ্কিন ডলাৰ ব্যয় সাপেক্ষে আমদানি কৰা প্ৰায় ১৮১ বিধ সামগ্ৰী ভাৰততে উৎপাদন কৰাৰ অভিলাসী আঁচনি চৰকাৰখনে গ্ৰহণ কৰিছে। এই পদক্ষেপ আন্তঃগাঁথনি খণ্ড, যেনে— শক্তি, তেল আৰু গেছ আৰু অট'মবীল নিৰ্মাণ খণ্ডতো সহায়ক হ'ব পাৰে, য'ত বৃহৎ মূলধনী ব্যয়ৰ প্ৰয়োজন হয় আৰু ই ১.৮৫ ট্ৰিলিয়ন টকাৰ (২৯.০৭ বিলিয়ন মাৰ্কিন ডলাৰ) ভাৰতীয় মূলধনী সামগ্ৰীৰ বাণিজ্যৰ পুনৰুত্থান ঘটাব।

অভিলাসী 'মেইক ইন ইণ্ডিয়া' আঁচনিলৈ প্ৰয়োজনীয় সফলতাৰ পৰিৱেশ প্ৰদান কৰিবলৈ চৰকাৰে ক্ষুদ্ৰ, সূক্ষ্ম আৰু মধ্যমীয়া উদ্যোগৰ বাবে সুকীয়া শ্ৰম আইন প্ৰৱৰ্তন কৰাৰ সম্ভাৱনা আছে যি নিৰ্মাণ খণ্ডৰ মেৰুদণ্ডৰূপে পৰিগণিত হ'ব। ক্ষুদ্ৰ, সূক্ষ্ম আৰু মধ্যমীয়া উদ্যোগৰ বাবে প্ৰস্তাৱিত এই নতুন শ্ৰম আইন ৪০ বা তাতোকৈ কম সংখ্যক শ্ৰমিক নিয়োজন কৰা সৰু নিৰ্মাণ গোটৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব আৰু সৰু ফেক্টৰী বা নিৰ্মাণ গোটত কৰ্মৰত-সকলৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। বলৱৎ হ'লে নতুন শ্ৰম নীতি ভাৰতত ব্যৱসায় কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব আৰু শ্ৰমিকৰ অস্থিৰতা আৰু ঔদ্যোগিক মতান্তৰ ব্যৱস্থাপনা সৰল কৰাৰ সমান্তৰালভাৱে ই নিৰ্মাণ খণ্ডত প্ৰৱেশৰ বাবে নতুন উদ্যোগৰ সূচনা কৰিব।

ক্ষুদ্ৰ, সূক্ষ্ম আৰু মধ্যমীয়া উদ্যোগ মন্ত্ৰালয়ে 'মেইক ইন ইণ্ডিয়া' আঁচনিত সহযোগিতা কৰিবলৈ আন্তৰ্জাতিক শ্ৰমিক সংস্থা, চমুকৈ আই এল অ'ৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ভাৰত চৰকাৰৰ ক্ষুদ্ৰ, সূক্ষ্ম আৰু মধ্যমীয়া উদ্যোগ মন্ত্ৰালয়ক আই এছ অ' ৯০০১ঃ২০০৮ প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে। উৎসৰ্গিত মনোভাৱ আৰু এটা প্ৰতিশ্ৰুতিৰে ক্ষুদ্ৰ, সূক্ষ্ম আৰু মধ্যমীয়া উদ্যোগৰ প্ৰচাৰৰ আঁচনিক ব্যাখ্যা কৰা হৈছে।

ভাৰতে শেহতীয়াকৈ প্ৰতিৰক্ষা নিৰ্মাণ খণ্ডত পোনপটীয়া বিদেশী বিনিয়োগৰ সীমা ৪৯ শতাংশলৈ বৃদ্ধি কৰিছে, যাৰ বাবে জাৰ্মাণ প্ৰতিষ্ঠানসমূহে ভাৰতত অত্যাধুনিক বৈদ্যুতিন সামগ্ৰী উৎপাদন কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে।

ইণ্ডিয়া ইলেকট্ৰনিক এণ্ড ছেমিকণ্ডাক্টৰ এছ'চিয়েচনে প্ৰকাশ কৰা অনুসৰি 'মেইক ইন ইণ্ডিয়া ' আঁচনিয়ে বৈদ্যুতিন তন্ত্ৰ ডিজাইন আৰু উৎপাদন উদ্যোগক সহায় কৰিব আৰু পৰৱৰ্তী দুটা বছৰত বিনিয়োগৰ প্ৰস্তাৱ ১০,০০০ কোটি টকালৈ (১.৫৭ বিলিয়ন মাৰ্কিন ডলাৰ) বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

উদ্যোগ আৰু বিভিন্ন খণ্ডত ৰাসায়নিক সামগ্ৰীৰ চাহিদা বৃদ্ধি হোৱাৰ ফলত ২০১৭-১৮ বিত্তীয় বৰ্ষত ভাৰতৰ ৰাসায়নিক উদ্যোগৰ পৰিসৰ ১৯০ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

ভাৰতত নিৰ্মাণ খণ্ডৰ পৰিমাণ হৈছে মুঠ ঘৰুৱা উৎপাদনৰ ১৬ শতাংশ, বিগত প্ৰায় দুটা দশক ধৰি এই পৰিমাণ অপৰিৱৰ্তিত অৱস্থাত আছিল আৰু ২০ শতাংশৰো অধিক অংশ থকা ব্ৰাজিল, চীন, ইণ্ডোনেছিয়া, কোৰিয়া আৰু মালয়ছিয়াৰ দৰে দেশৰ সৈতে তুলনাত্মক ভাৱে ভাৰতৰ অংশ কম। চৰকাৰে ২০২০ চনৰ ভিতৰত নিৰ্মাণৰ অংশ ২৫ শতাংশলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত সদৰি কৰিছে। চি এ জি আৰৰ ভিত্তিত প্ৰায় সাত শতাংশ মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰে ২০২২ চনৰ ভিতৰত ২৫ শতাংশৰ লক্ষ্যই এই সময়ছোৱাত নিৰ্মাণ মুঠ ঘৰুৱা উৎপাদনৰ ১৪ শতাংশ স্পৰ্শ কৰিব পাৰে। বৈদেশিক বিনিয়োগৰ বাবে ভাৰত এটা আকৰ্ষণীয় কেন্দ্ৰ। ইতিমধ্যে কেইবাটাও ম'বাইল ফোন, বিনোদন আৰু গাড়ী নিৰ্মাণ প্ৰতিষ্ঠানে ভাৰতত নিৰ্মাণ প্ৰকল্প স্থাপন কৰিছে বা স্থাপন কৰাৰ বাবে চিন্তা চৰ্চা কৰিছে।

# ভাৰতত অতীত আৰু বৰ্তমানৰ পেট্ৰ'লিয়াম মূল্যৰ পাঠোদ্ধাৰ

* ছাইনী জেকব

ভাৰতত বিত্তীয় ঘাটিৰপৰা গ্ৰাহক মূল্য সূচাংকলৈ সকলোতে আন্তৰ্জাতিক খাৰুৱা তেলৰ দৰৰ প্ৰভাৱ সৰ্বজনবিদিত।

সাধাৰণ জনতাৰ বাবে, আমাৰ দেশৰ পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ দৰ আৰু আন্তৰ্জাতিক বজাৰৰ খাৰুৱা তেলৰ মাজত থকা সম্পৰ্ক সদায়েই এটা অবুজ সাঁথৰৰূপে পৰিগণিত হৈ আহিছে। আনহাতে ইণ্ডিয়ান বাস্কেট খাৰুৱা তেল আৰু বাণিজ্যিক সমতা মূল্যায়ণ ব্যৱস্থাৰ দৰে পৰিভাষা সাধাৰণ জনতাৰ বাবে অধিক জটিল আৰু ইয়াৰদ্বাৰাই সম্প্ৰতি ভাৰতত পেট্ৰ'পণ্যৰ এক্স-ৰিফাইনেৰী মূল্য নিৰ্ধাৰণ কৰা হয়।

পেট্ৰ'লিয়াম খণ্ড দুটা ভাগত বিভক্ত। প্ৰথমটো হৈছে— আপষ্ট্ৰীম, য'ত অন্তৰ্ভুক্ত থাকে খাৰুৱা তেল আৰু গেছৰ সন্ধান আৰু উৎপাদন। আনহাতে দ্বিতীয় ভাগটো হৈছে— ডাউনষ্ট্ৰীম, ইয়াত আছে শোধন আৰু বিপণন। বিগত বিত্তীয় বৰ্ষটোত ভাৰতত উৎপাদিত খাৰুৱা তেলৰ পৰিমাণ আছিল ৩৭.৭৮৮ নিযুত মেট্ৰিক টন। এই পৰিমাণ পূৰ্বৱৰ্তী২০১২-১৩ চনৰ মুঠ উৎপাদন ৩৭.৮৬২ নিযুত মেট্ৰিক টনৰ তুলনাত ০.২০ শতাংশ কম। এই ক্ষেত্ৰত দেশখনৰ বাবে উদ্বেগৰ বিষয়টো হৈছে পুৰণি তৈলক্ষেত্ৰ আৰু প্ৰযুক্তিবিদ্যাৰ সমস্যা। অৱশ্যে নতুনকৈ উদ্ধাৰ হোৱা ৰাজস্থান আৰু কাবেৰী-গোদাবৰী গভীৰ জল তৈলক্ষেত্ৰই আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। উল্লেখনীয় যে যোৱাটো বিত্তীয় বৰ্ষত শোধন ক্ষমতা আছিল বাৰ্ষিক ২১৫.০৬৬ নিযুত টন । আনহাতে এই পৰিমাণ ২০১৭ চনৰ ভিতৰত বাৰ্ষিক ৩০৭ নিযুত টন হোৱাৰ সম্ভাৱনা আছে।

দেশখনত পেট্ৰ'লিয়ামৰ মূল্য পৰিচালনাৰ মূল কাৰকসমূহ হৈছে খাৰুৱা তেলৰ দাম, চাহিদা আৰু যোগানৰ অসমতা, কৰ, বজাৰৰ অৱস্থা, উৎপাদন আৰু গ্ৰহণ, সংৰক্ষণ, আমদানি, আন্তৰ্জাতিক মূল্য, ৰাজসাহায্য আৰু স্থানীয় প্ৰভাৱ। বৰ্তমানৰ মূল্য নিৰূপণ ব্যৱস্থা সম্পৰ্কে বিশদভাৱে জানিবলৈ যিকোনো ব্যক্তিয়ে খাৰুৱা তেলৰ গতি আৰু ভাৰতৰ ইন্ধনৰ মূল্য নিৰ্ধাৰণৰ ইতিহাস সম্বন্ধে অৱগত হ'ব লাগিব।

**ইণ্ডিয়ান বাস্কেট খাৰুৱা তেল**

উৎপত্তি আৰু অৱস্থিতিৰ ওপৰত ভিত্তি কৰি খাৰুৱা তেলক কেতবোৰ ভাগত শ্ৰেণীবদ্ধ কৰা হৈছে। সেইবোৰ হ'ল— ৱেষ্ট টেক্সাছ ইন্টাৰমিডিয়েট, ডব্লিউ টি, ব্ৰেন্ট, ডুবাই বা মিনাছ। আনহাতে, ওজন বা সান্দ্ৰতাৰ ওপৰত ভিত্তি কৰি শোধনকো 'ছুইট' (কম ছালফাৰযুক্ত) আৰু 'ছ'ৰ' (২.৫ শতাংশতকৈ অধিক ছালফাৰযুক্ত আৰু উৎপাদন বিশেষত্ব পাৱলৈ অধিক শোধনৰ প্ৰয়োজন হয়) এই দুটা ভাগত বিভক্ত কৰা হৈছে। ইণ্ডিয়ান বাস্কেট খাৰুৱা তেল হৈছে দেশখনৰ 'ছুইট' আৰু 'ছ'ৰ' খাৰুৱাৰ সংমিশ্ৰণ। বিগত বৰ্ষত ভাৰতৰ তেল শোধানাগাৰসমূহৰ 'ছুইট' খাৰুৱা তেল 'ছ'ৰ' খাৰুৱা তেলৰ সঠিক প্ৰক্ৰিয়াৰ গঢ় অনুপাতৰ খাৰুৱা তেলক প্ৰতিনিধিত্ব কৰে। 'ছুইট' খাৰুৱা তেলৰ দাম নিৰ্ধাৰণ ৰ বাবে 'ব্ৰেন্টক'ক মাপকাঠি খাৰুৱা তেল হিচাপে গ্ৰহণ কৰা হয়। 'ছ'ৰ' খাৰুৱা তেলৰ বাবে 'ডুবাই' আৰু 'ওমান'ক মাপকাঠিৰূপে ধৰা হয়। বিগত বিত্তীয় বৰ্ষত ইণ্ডিয়ান বাস্কেট খাৰুৱা তেলে প্ৰতিনিধিত্ব কৰিছিল 'ব্ৰেন্ট' আৰু 'ডুবাই' তথা 'ওমান' গ্ৰেডৰ দৈনিক দৰৰ ৩০.১:৬৯.৯ অনুপাতত।

ভাৰতীয় তেল শোধানাগাৰ সমূহে অধিক পৰিমাণে 'ছ'ৰ' খাৰুৱা তেল গ্ৰহণ কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে 'ওমান' আৰু 'ডুবাই' খাৰুৱা তেলৰ ভৰ শেহতীয়াভাৱে ইণ্ডিয়ান বাস্কেটত বৃদ্ধি হৈ আহিছে। পূৰ্বতে শেহতীয়া আন্তৰ্জাতিক বজাৰত দৰ হ্ৰাস পাই অহাৰ পাছতো ভাৰতত তেলৰ দাম উৰ্দ্ধমুখী হৈ আছিল। ইণ্ডিয়ান বাস্কেট খাৰুৱা তেলৰ দাম ২০০৩-০৪ চনৰ প্ৰতি বেৰেলত ২৭.৯৭ মাৰ্কিন ডলাৰৰ তুলনাত ২০১৩-১৪ চনত প্ৰায় তিনিগুণ বৃদ্ধি হৈ প্ৰতি বেৰেলত ১০৫.৫২ মাৰ্কিন ডলাৰ হয়।

অৱশ্যে ভাৰতীয় খাৰুৱা তেল বাস্কেট আৰু পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ দামৰ মাজত কোনো সম্পৰ্ক নাই। পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ দাম আন্তৰ্জাতিক বজাৰৰ সমান্তৰালভাৱে একক উৎপাদনৰ চাহিদা-যোগানৰ ছবিৰ ওপৰত নিৰ্ভৰশীল। পেট্ৰ'লৰ মূল্যই নিৰ্ভৰ

কৰে ছিংগাপুৰ আঞ্চলিক মূল্যৰ ওপৰত। ইয়াৰ বিপৰীতে ডিজেল, কেৰাচিন আৰু ৰন্ধন গেছৰ দামে আৰব-উপকূলীয় দামৰ ওপৰত নিৰ্ভৰ কৰে।

**মূল্য নিৰূপণ আৰু ইয়াৰ অতীত**

ভাৰতৰ তেলৰ মূল্যৰ ইতিহাসত আলোকপাত কৰিলে আমি দেকা পাওঁ যে, ভাৰতে ১৯৪৮ চনত ভ্যেলুড ষ্টক একাইন্ট চমুকৈ ভি এছ এ প্ৰণালী অধীনত বাৰ্মা ছেল চুক্তিৰে মূল্য নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছিল। ভি এছ এ চুক্তি এটা বিশেষ সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰিছিল, য'ত আছিল ফ্ৰি অন ব'ৰ্ড (এফ অ' বি)মূল্য, সামুদ্ৰিক পৰিবহণ, বীমা, সামুদ্ৰিক ঘাটি, আমদানি কৰ,সুত আৰু অন্যান্য কৰসমূহ।

সমগ্ৰ মূল্য নিৰূপণ প্ৰণালীটো নিয়ন্ত্ৰণ কৰিবলৈ ১৯৭৫ চনৰ জুলাই মাহত চৰকাৰে এটা প্ৰশাসনিক মূল্য নিৰূপণ ব্যৱস্থাৰ সূচনা কৰে। শামুকীয়া গতিৰে তেল কোম্পানীসমূহে বৃদ্ধি কৰাৰ অভিযোগত বিভিন্ন সমালোচনাৰ অন্তত এই ব্যৱস্থা ২০০২ চনৰ এপ্ৰিল মাহত প্ৰত্যাহাৰ কৰা হয়। এইব্যৱস্থাৰ ফলত ইন্ধন সুৰক্ষাৰ ক্ষেত্ৰত বিনিয়োগ কৰাৰ বাবে কোম্পানীসমূহে পৰ্যাপ্ত পৰিমাণে বিত্তীয় পুঁজি গঠন কৰাত অপাৰগ হোৱাৰ অভিযোগ উত্থাপিত হৈছিল।

ইয়াৰ পৰৱৰ্তী সময়ত, ২০০২ চনৰ এপ্ৰিল মাহৰ পৰা২০০৪চনৰ জানুৱাৰী মাহলৈ আংশিক অনিয়ন্ত্ৰণৰ বাবে পেট্ৰ'লিয়াম কোম্পানীসমূহে বজাৰৰ কাৰকৰ ওপৰত ভিত্তি কৰি ঘৰুৱা পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ মূল্যত পৰিৱৰ্তন ঘটায়। অৱশ্যে কেৰাচিনৰ মূল্যত কোনোধৰণৰ পৰিৱৰ্তন ঘটোৱা নহয়। ইয়াৰ মাজত, এটা মূল্য ভিত্তিক ব্যৱস্থাও পৰীক্ষামূলকভাৱে বলবৎ কৰা হৈছিল। এই ক্ষেত্ৰত চৰকাৰে তেল বিপণন কোম্পানী সমূহক আংশিকভাৱেহে স্বাধীনতা প্ৰদান কৰিছিল।

**ৱাণিজ্যিক সমতা দৰ নিৰ্ধাৰণ**

এটা সামগ্ৰিক মূল্য নিৰূপণ ব্যৱস্থা পৰামৰ্শৰ পাছত কেন্দ্ৰই ২০০৫ চনৰ অক্টোবৰ মাহত চি ৰংগৰাজনৰ নেতৃত্বত এখন কমিটী গঠন কৰি দিয়ে। এই কমিটীয়ে শোধনাগাৰ পৰ্যায়ৰ সমান্তৰাল-ভাৱে খুচুৰা পৰ্যায়ত পেট্ৰ'ল আৰু ডিজেলৰ বাবে এটা বাণিজ্যিক সমতা দৰ নিৰূপণ সূত্ৰৰ পৰামৰ্শ দিয়ে। এই সূত্ৰ হৈছে আমদানি সমতা আৰু ৰপ্তানি সমতা দৰৰ ক্ৰমানুসাৰে ৮০ঃ২০ অনুপাতিক গড়। ২০০৬ চনত ১৬ জুনত ভাৰতে এটা নতুন বাণিজ্যিক সমতাত প্ৰৱেশ কৰে। এই অনুসৰি তেল বিপণন কোম্পানীসমূহৰ বাবে এটা শোধানাগাৰৰ দৰ নিৰ্ধাৰণ কৰা হয়, যি দৰত তেল বিপণন কোম্পানী-সমূহে শোধানাগাৰৰপৰা ক্ৰয় কৰিব পাৰে।

আমদানি সমতা আৰু ৰপ্তানি সমতা দৰ কি? আমদানি সমতা প্ৰণালীয়ে এটা দৰ নিৰূপণক নিৰ্দেশ কৰে যি দৰ ভাৰতীয় বন্দৰত আমদানিকাৰীয়ে দিবলগীয়া হয়। ই হৈছে মুক্ত অন ব'ৰ্ড দৰ, সামুদ্ৰিক পৰিবহণ, বীমা, সামুদ্ৰিক ঘাটি, আমদানি কৰ আৰু আনবোৰ কৰৰ যোগফল। আনহাতে, ৰপ্তানি সমতা প্ৰণালী হৈছে ৰপ্তানিকাৰীৰ বাবে পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ ৰপ্তানি দৰ। ৰপ্তানি সমতা প্ৰণালীত অন্তৰ্ভুক্ত হৈ থাকে মুক্ত অন ব'ৰ্ড দৰ আৰু আগতীয়া অনুজ্ঞাপত্ৰৰ লাভ। ভাৰতীয় পেট্ৰ'লিয়াম-জাত সামগ্ৰীৰ ৰপ্তানিৰ পৰিমাণ বৃদ্ধি হোৱাৰ সমান্তৰালভাৱে সমতা দৰৰ সূচনা কৰা হৈছিল। বিগত বিত্তীয় বৰ্ষত ভাৰতে ৬৭.৮৬৪ নিযুত টন পেট্ৰ'লিয়ামজাত সামগ্ৰী ৰপ্তানি কৰিছিল আৰু ইয়াৰ মুঠ মূল্য আছিল ৩,৬৮,২৭৯ কোটি টকা।

এই প্ৰণালী অনুসৰি, ৰাজহুৱা খণ্ডৰ তেল বিপণন কোম্পানীসমূহ— ইণ্ডিয়ান অইল কৰ্পৰেচন, ভাৰত পেট্ৰ'লিয়াম কৰ্পৰেচন আৰু হিন্দুস্থান পেট্ৰ'লিয়াম কৰ্পৰেচনে প্ৰতি পযেকত পেট্ৰ'ল আৰু ডিজেল ক্ৰয় কৰাৰ সময়ত শোধানাগাৰসমূহক এটা দৰ প্ৰদান কৰে। আনহাতে, ৰন্ধন গেছ আৰু কেৰাচিনৰ দৰ আমদানি সমতাৰ ভিত্তিত নিৰূপণ কৰা হয়। প্ৰতি মাহৰ প্ৰথমভাগত এই দাম নিৰূপণ কৰা হয় আৰু ইয়াৰ বিপৰীতে অন্যান্য পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ দাম মুক্তভাৱে নিৰূপণ কৰা হয়।

**সাম্প্ৰতিক শৈলী**

এই ক্ষেত্ৰখনৰ সংস্কাৰৰ বাবে ২০১০ চনৰ জুন মাহত আন্তৰ্জাতিক দৰ আৰু বিনিময় দৰৰ ভিত্তিত তেল কেম্পানীসমূহক নিজেই পেট্ৰ'লৰ মূল্য পুনৰীক্ষণৰ অনুমতি দিয়া হয়। ঢাপে ঢাপে ডিজেলৰ নিয়ন্ত্ৰণ প্ৰত্যাহাৰো ২০১৩ চনৰ জানুৱাৰী মাহৰপৰা আৰম্ভ কৰা হয়। ইয়াৰ উদ্দেশ্য আছিল ক্ৰমবৰ্ধিত অৰনত পুনৰুদ্ধাৰ পৰিমাণ হ্ৰাস কৰাটো (বাণিজ্যিক সমতা/আমদানি সমতা আৰু প্ৰকৃত বিক্ৰী মূল্যৰ ভিত্তিত প্ৰয়োজনীয় দৰৰ অন্তৰেই হৈছে তেল বিপণন কোম্পানীসমূহৰ বাবে অৰনত পুনৰুদ্ধাৰৰ পৰিমাণ)। অৱশ্যে ইয়াৰ পাছত আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ অত্যধিক মূল্যবৃদ্ধিয়ে এই প্ৰচেষ্টাক কিছু সমস্যাত পেলাইছিল। বিগত বছৰত তেলৰ দাম হ্ৰাস হ'বলৈ আৰম্ভ কৰাত বৰ্তমানৰ চৰকাৰখনে ডিজেলৰ দামৰ নিয়ন্ত্ৰণ ২০১৪ চনৰ অক্টোবৰ মাহত সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰে।

এপ্ৰিল মাহৰ পৰা ডিচেম্বৰ মাহলৈ বিত্তীয় বৰ্ষৰ প্ৰথম নটা মাহতে নিয়ন্ত্ৰণ প্ৰত্যাহাৰেৰে ডিজেলৰ অৰনত পুনৰুদ্ধাৰ আঁতৰাই অনুকূল আন্তৰ্জাতিক মূল্য আৰু টকাৰ মূল্য শক্তিশালী হোৱাত স্পৰ্শকাতৰ পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ অৰনত পুনৰুদ্ধাৰ সামগ্ৰিকভাৱে ৰোধ কৰা হয়। এই পৰিমাণ হৈছে ৬৭,০৯১

কোটি টকা। ৰাজসাহায্যৰ পৰিমাণ ২০১৩-১৪ চনৰ ১,৩৯,৮৬৯ কোটি টকাৰ পৰিৱৰ্তে পূৰ্বৱৰ্তী ২০১২-১৩ বিত্তীয় বৰ্ষত আছিল ১,৬১,০২৯ কোটি টকা।

পেট্ৰ'লিয়াম প্লেনিং এণ্ড এনালাইছিছ চেল চমুকৈ পি পি এ চি ৰ মতে,ইণ্ডিয়ান বাস্কেট খাৰুৱা তেলৰ দৰ ২৭ ফেব্ৰুৱাৰীত আছিল প্ৰতি বেৰেলত ৫৯.১৯ মাৰ্কিন ডলাৰ। ইয়াৰ পাছত যোৱা মাহত বিগত ছমাহৰ ন্যুনতম দৰ প্ৰতি বেৰেলত ৪৩ মাৰ্কিন ডলাৰ হয়। আনহাতে কেৰাচিনৰ ক্ষেত্ৰত, ফেব্ৰুৱাৰী মাহত অৱনত পুনৰুদ্ধাৰৰ পৰিমাণ আছিল প্ৰতি লিটাৰত ১৩.৩২ টকা। ভাৰতৰ বাবে আন এটা সুখবৰ হৈছে যে জুন মাহৰ ২০১৪ চনৰ প্ৰতি বেৰেলত ১১৫ মাৰ্কিন ডলাৰৰ তুলনাত ক্ৰমাগতভাৱে হ্ৰাস পাই আহিছে। ভাৰতৰ দৰে এখন দেশৰ ক্ষেত্ৰত, য'ত প্ৰয়োজনীয় তেলৰ ৮০ শতাংশই আমদানিকৃত খাৰুৱা তেলৰ ওপৰত নিৰ্ভৰশীল, নিঃসন্দেহে ই এটা ভাল খবৰ।

২০১৩-১৪ বিত্তীয় বৰ্ষত খাৰুৱা তেলৰ আমদানিৰ পৰিমাণ আছিল ১৮৯.২৩৮ নিযুত টন আৰু ইয়াৰ মুঠ ব্যয় আছিল ৮,৬৪,৮৭৫ কোটি টকা। আনহাতে ২০১২-১৩ বিত্তীয় বৰ্ষত এই পৰিমাণ আছিল ১৮৪.৭৯৫ নিযুত টন যাৰ মূল্য আছিল ৭,৮৪,৬৫২ কোটি টকা। অৰ্থাৎ আমদানি পৰিমাণ ২.৪০ শতাংশ বৃদ্ধি পোৱাৰ বিপৰীতে মূল্যৰ পৰিমাণ ১০.২২ শতাংশ বৃদ্ধি হৈছে। এটা আমদানিকাৰক হিচাপে তেলৰ দৰ হ্ৰাসে চৰকাৰক ৰাজসাহয্য হ্ৰাস কৰাত সহায় কৰাৰ সমান্তৰালভাৱে চলিত একাউন্ট স্থিৰ কৰি ৰখাটো সহায়ক হৈছে। আনহাতে ইয়াৰ সমান্তৰালভাৱে টকাৰ ওপৰৰ চাপো হ্ৰাস পাইছে। তেলৰ আন্তৰ্জাতিক মূল্য হ্ৰাস পোৱাৰ মূল কাৰণ হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত অপৰম্পৰাগত তেল উৎপাদনৰ আৰম্ভণি।

দাম হ্ৰাস পোৱাৰ সময়ত, অপেকে তেলৰ উৎপাদন হ্ৰাস কৰাৰ ধাৰণা কৰা হৈছিল আৰু এনে হ'লে পুনৰ তেলৰ দাম বৃদ্ধি হ'লহেঁতেন। অৱশ্যে বিশ্বৰ বৃহত্তম উৎপাদক চৌদি আৰবে বজাৰ এৰি দিব নিবিচাৰিলে আৰু তেওঁলোকৰ আশা তেলৰ দাম হ্ৰাসে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বজাৰৰ বজাৰ দখল মন্থৰ কৰিব। এনে পৰিপ্ৰেক্ষিতত ছবছৰৰ ভিতৰত তেলৰ সৰ্বাধিক পতন ঘটে।

যি সময়ত এই ঘটনা ৰাছিয়া, চৌদি আৰব আৰু ভেনিজুৱেলাৰ দৰে বৃহৎ তেল উৎপাদনকাৰী দেশৰ বাবে কঠিন সময়ৰূপে বিবেচিত হৈছে, তেনে সময়ত ভাৰত আৰু জাপানৰ দৰে আমদানি কৰা দেশৰ বাবে কঠিন সময়ত অৰ্থনৈতিক ক্ষেত্ৰত আশাৰ সঞ্চাৰ কৰিছে। ইণ্ডিয়ান বাস্কেট খাৰুৱা তেলৰ গড় দৰ ৫৬ শতাংশ হ্ৰাস হোৱাৰ ফলত এপ্ৰিল মাহৰ দৰ প্ৰতি বেৰেলত ১০৫.৫৬ মাৰ্কিন ডলাৰৰ বিপৰীতে জানুৱাৰী মাহত প্ৰতি বেৰেলত ৪৬.৫৯ মাৰ্কিন ডলাৰলৈ হ্ৰাস পাইছে। অৱশ্যে বিশেষজ্ঞসকলে আশংকা কৰিছে যে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য নিয়ন্ত্ৰণত নাৰাখিলে অস্থিৰতা আৰু আন্তৰ্জাতিক বজাৰত তেলৰ মূল্যবৃদ্ধিয়ে ভাৰতত পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ দামত প্ৰভাৱ পেলাব। এই আশংকা সত্য হোৱাৰ উদাহৰণ হিচাপে উল্লেখ কৰিব পাৰি যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে তেওঁৰ প্ৰথমখন পূৰ্ণাংগ বাজেট দাখিল কৰাৰ কেইঘন্টামানৰ পাছতেই পেট্ৰ'ল আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত ক্ৰমে ৩.১৮ টকা আৰু ৩.০৯ টকা বৃদ্ধি হয়।

শেষত উল্লেখ কৰিব পাৰি যে, এয়া ভাৰতীয় অৰ্থনীতিৰ বাবে সুসময় আৰু আন্তৰ্জাতিক দৰৰ হ্ৰাসৰ বাবে তেল কোম্পানীসমূহৰ বাবে অনুকূল।

**তালিকা ১ঃ** ইণ্ডিয়ান বাস্কেট খাৰুৱা তেলৰ মূল্য (ডলাৰ/প্ৰতি বেৰেলত)

| বছৰ | গড় |
|---|---|
| ২০০৩-০৪ | ২৭.৯৭ |
| ২০০৪-০৫ | ৩৯.২১ |
| ২০০৫-০৬ | ৫৫.৭২ |
| ২০০৬-০৭ | ৬২.৪১ |
| ২০০৭-০৮ | ৭৯.২৫ |
| ২০০৮-০৯ | ৮৩.৫৭ |
| ২০০৯-১০ | ৬৯.৭৬ |
| ২০১০-১১ | ৮৫.০৯ |
| ২০১১-১২ | ১১১.৮৯ |
| ২০১২-১৩ | ১০৭.৯৭ |
| ২০১৩-১৪ | ১০৫.৫২ |

**তালিকা ২**

| বছৰ | অৱনত পুনৰুদ্ধাৰ (টকা/কোটিত |
|---|---|
| ২০০৫-০৬ | ৪০০০০ |
| ২০০৬-০৭ | ৪৯৩৮৭ |
| ২০০৭-০৮ | ৭৭১২৩ |
| ২০০৮-০৯ | ১০৩২৯২ |
| ২০০৯-১০ | ৪৬০৫১ |
| ২০১০-১১ | ৭৮১৯০ |
| ২০১১-১২ | ১৩৮৫৪১ |
| ২০১২-১৩ | ১৬১০২৯ |
| ২০১৩-১৪ | ১৩৯৮৬৯ |

**তালিকা ৩**

ইণ্ডিয়ান বাস্কেট খাৰুৱা তেল (২০১৪-১৫)

| মাহ | গড় খাৰুৱা তেলৰ দাম (ডলাৰ/প্ৰতি বেৰেল |
|---|---|
| এপ্ৰিল | ১০৫.৫৬ |
| মে' | ১০৬.৮৫ |
| জুন | ১০৯.০৫ |
| জুলাই | ১০৬.৩০ |
| আগষ্ট | ১০১.৮৯ |
| ছেপ্তেম্বৰ | ৯৬.৯৬ |
| অক্টোবৰ | ৮৬.৮৩ |
| নৱেম্বৰ | ৭৭.৫৮ |
| ডিচেম্বৰ | ৬১.২১ |
| জানুৱাৰী | ৪৬.৫৯ |

(উৎস ঃ তেল মন্ত্ৰাণালয় আৰু পি পি এ চি)

# ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত শুভাৰম্ভ

*** মনোজ কে দাস**

**পৰিচয় ঃ**

অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু চিক্কিম-এই আঠখন ৰাজ্য লগ-লাগি ভাৰতৰ উত্তৰ পূৰ্বাঞ্চল গঠিত হৈছে। প্ৰকৃতাৰ্থত সীমাৱৰ্তী অঞ্চল বুলি ক'ব পৰা এই অঞ্চলৰ কালি ২৫৫,৫১১ বৰ্গকিলো-মিটাৰ। এই অঞ্চলৰ উত্তৰে চীনদেশ (দক্ষিণ তীব্বত), পূবে ম্যানমাৰ, দক্ষিণ-পূব দিশত বাংলাদেশ আৰু উত্তৰ-পশ্চিম দিশত ভূটানৰ সৈতে প্ৰায় ৪৫০০ কিলোমিটাৰ-তকৈও অধিক আন্তঃৰাষ্ট্ৰীয় সীমা আগুৰি আছে। উন্নয়নমূলক দিশলৈ লক্ষ্য ৰাখি চিক্কিমক ২০০১ চনত উত্তৰ-পূৰ্বাঞ্চলৰ অন্তৰ্ভুক্ত কৰা হয়। চিক্কিমক বাদ দি বাকী সাতখন ৰাজ্য মাত্ৰ ২২ কিলোমিটাৰ বহল এটা ঠেক কৰিডৰেৰে মূল ভূ-খণ্ডৰ লগত সংলগ্ন হৈ আছে। চিক্কিমো বৰ বিশেষ বহল ভূ-স্থলেৰে দেশৰ মূল ভূ-খণ্ডৰ সৈতে সংলগ্ন নহয়। এনেদৰে চাবলৈ হ'লে অঞ্চলটোক ভূ-খণ্ডৰ ফালৰপৰা অৱৰুদ্ধ বুলি অভিহিত কৰিব পাৰি। এই বিশাল আন্তঃৰাষ্ট্ৰীয় সীমা অঞ্চল অতিথিপৰায়ণ হোৱাটো দূৰৰে কথা,তাৰ বিপৰীতে উগ্ৰবাদী শক্তিৰ পয়োভৰৰ বাবে শান্তিপূৰ্ণও নহয়।

বিভাজনৰ পূৰ্বে উত্তৰ-পূৰ্বাঞ্চল আগশাৰীৰ অৰ্থনৈতিক মণ্ডল হিচাপে থিয় দিছিল। অঞ্চলটোৰ জনমুৰি আয় দেশখনৰ গড় জনমুৰি আয়তকৈও অধিক আছিল। প্ৰাক্-স্বৰাজোত্তৰ কালছোৱাত অঞ্চলটোৰ ঔদ্যোগিক ভেঁটিও সবল আছিল। অঞ্চলটোৰ চাহখেতিৰ ইতিহাসৰ পাত লুটিয়াই চালে ১৮২৩ চনৰ কথা মনলৈ আহে, যেতিয়া ৰবাৰ্ট ব্ৰুচ নামৰ ব্ৰিটিছ সাম্ৰাজ্যৰ বিষয়াজনে ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনিৰফালে বনৰীয়া চাহগছ আৱিষ্কাৰ কৰিছিল। সেই সময়ত চিংফৌ নামৰ অৰুণাচলী জনগোষ্ঠীয়ে পাহাৰীয়া অঞ্চলত চাহৰ পৰা চুলাই মদ তৈয়াৰ কৰিছিল। পোন প্ৰথমবাৰৰ বাবে ১৮৩৮ চনতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিলামৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ অসমৰপৰা চাহপাত পঠোৱা হৈছিল। তেতিয়াই চাহৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত অৰিহণা যোগোৱা অসমে দেশখনৰ মুঠ ৮৫ কোটি কিলোগ্ৰাম চাহ উৎপাদনৰ ৫৫ কোটি কিলোগ্ৰাম চাহ উৎপাদন কৰে। কাঠ সংগ্ৰহৰ অভিযানৰ সময়তে ১৮৮৬ চনতে উজনি অসমৰ হাবিত খাৰুৱা তেল আৱিষ্কাৰ হৈছিল। উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমটো তেল শোধানাগাৰ ১৯০১ চনত অসমত ডিগবৈত স্থাপন কৰা হৈছিল। এই শোধানাগাৰটো বৰ্তমান অত্যাধুনিক প্ৰযুক্তিৰে সজ্জিত হৈ সুকলমে চলি আছে। ডিগবৈ শব্দটো ইংৰাজীৰ 'Dig boy' শব্দৰপৰা উদ্ভূত। উনৈশ শতিকাতে 'আছাম ৰে'লৱেজ এণ্ড ট্ৰেডিং কোম্পানী'য়ে ৰে'লসেৱা আৰম্ভ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'লসেৱাৰ ইতিহাসো মন কৰিবলগীয়া। এই কোম্পানীটো ঔদ্যোগিক আইন, ১৮৬০ৰ পঞ্জীয়ণভুক্ত অন্যতম পুৰণি উদ্যোগ। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অগ্ৰগতি লাভ কৰা জাপানী সৈন্যই অৱৰুদ্ধ কৰি থোৱা শ্বিয়াং কাই শ্বেকৰ কুৰমিনটাং দলৰ যুদ্ধৰ প্ৰচেষ্টাত হাত উজান দিবৰ বাবে কুন্‌মিঙলৈকে যোগানৰ বাবে ষ্টিলৱেল পথ মুকলি কৰা হৈছিল। লিডু মাৰ্ঘেৰিটাৰ পাটকাই অঞ্চলত কয়লা পোৱা গৈছিল। অঞ্চলটোৰ হাবি-জংগলত প্ৰচুৰ পৰিমাণে কাঠ পোৱা গৈছিল।

নিজস্ব সংস্কৃতি, পৰম্পৰা, ইতিহাস, শিল্প আদিৰে সমৃদ্ধ ২৫০ টাতকৈও অধিক জনগোষ্ঠীৰে অঞ্চলটো এটা সময়ত পৰিপূৰ্ণ আছিল। বনাঞ্চলৰে ভৰা অঞ্চলটোৰ কৃষি অৰ্থনীতি অত্যন্ত সবল আছিল। বহু শতিকাজুৰি বৃহত্তৰ ভাৰতীয় সভ্যতাৰ ইতিহাসৰ সৈতে জড়িত অঞ্চলটো কিংবদন্তিৰে ভৰা। মহাভাৰতত প্ৰাগজ্যোতিষপুৰ আৰু উষা হৰণত শোণিতপুৰৰ উল্লেখে এই ক্ষেত্ৰত সাক্ষ্য বহন কৰে।

১৯৪৭ চনৰ দেশ বিভাজনে অঞ্চলটোৰ অৰ্থনীতিত মাধমাৰ শোধায়। এই বিভাজনৰ ফলত অঞ্চলটোৰ প্ৰাকৃতিক পৰিবহন ব্যৱস্থা অৱৰুদ্ধ কৰাৰ লগতে বজাৰৰ উপলব্ধতা ব্যাহত কৰি পেলায়। উদাহৰণ স্বৰূপে বাংলাদেশৰ মাজেৰে কলিকতাৰ পৰা আগৰতলালৈ দূৰত্ব মাত্ৰ ৩০০ কিলোমিটাৰ। কিন্তু বৰ্তমানৰ ঠেক কৰিডৰেৰে এই বাট ১৮০০ কিলোমিটাৰ আৰু স্থলপথেৰে এই পথ অতিক্ৰম কৰিবলৈ ৪০ ঘন্টা লাগে। বিভিন্ন ভৌগোলিক আৰু ৰাজনৈতিক কাৰণবশতঃ ম্যানমাৰৰ মাজেৰে থকা পথ বন্ধ কৰি দিয়া হৈছে।ব্ৰহ্মপুত্ৰ আৰু সুৰমাৰ নদীপথেদি থকা যোগাযোগো পূব-পাকিস্তান সৃষ্টিৰ ফলত বন্ধ হৈ যায়। বৰ্তমানেও এই পথ মুকলি কৰা হোৱা নাই। এই সকলো কাৰণবশতঃ উত্তৰ-পূৰ্বাঞ্চলৰ

* মনোজ কে দাস গুৱাহাটীৰ ভাৰতীয় উদ্যমীতা প্ৰতিষ্ঠানৰ সঞ্চালক

অৰ্থনীতিৰ গাঁথনিৰ যথেষ্ট ক্ষতি হয়। সময়ে সময়ে পূৰ্বৰ বংগ আৰু পূব-পাকিস্তানৰ পৰা হোৱা বৃহৎ মাত্ৰাৰ প্ৰব্ৰজনৰ ফলত অঞ্চলটোত গোষ্ঠীগত সংঘৰ্ষ, অস্থিৰতা আৰু ভাৰসাম্যহীনতাই দেখা দিয়ে।

এখন ৰাষ্ট্ৰই তাৰ অন্তৰ্গত সকলো অঞ্চলৰ সৰ্বাংগীন উন্নতি অবিহনে কেতিয়াও আগুৱাই যাব নোৱাৰে। অঞ্চলটোৰ সম্ভাৱনীয়তা,বিশেষ প্ৰয়োজনীয়তা আৰু চৰকাৰী বিনিয়োগৰ যথাৰ্থ পৰমাণৰ প্ৰয়োজনীয়তা চিনাক্ত কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিশেষ শ্ৰেণীৰ ৰাজ্যৰ শাৰীত ৰখা হৈছে। সেয়ে ৯০ঃ১০ (অনুদান ঃ ঋণ) ৰ অনুপাতত বিগত বিত্তীয় বৰ্ষৰপৰা কেন্দ্ৰীয় চৰকাৰৰ সাহায্য যোগান ধৰা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি, ডি অ এচ, ডি অ অ ডি আদি মন্ত্ৰালয়ৰ বাদে আনবোৰ বিভাগক মুঠ বাজেটীয় সাহায্যৰ ১০ শতাংশ অঞ্চলটোৰ বাবে খৰচ কৰাৰ বাবে ধাৰ্য কৰা হৈছে। এই পৰিমাণ ব্যৱধান নথকাকৈ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছিল আৰু উত্তৰ-পূৰ্বাঞ্চল উন্নয়ণ মন্ত্ৰালয় নামেৰে এটা নতুন মন্ত্ৰালয় স্থাপন কৰা হয়। এই নীতিসমূহ পৰৱৰ্তী চৰকাৰেও সলনি কৰা নাই। এনে নীতিৰ পৰিপ্ৰেক্ষিতত যোৱা ডেৰটা দশকত বৃহৎ পৰিমাণৰ পুঁজি অঞ্চলটোলৈ অহিছে। সম্প্ৰতি পথ আৰু দলং নিৰ্মাণ (পূব-পশ্চিম কৰিডৰ, ৰাজধানী সংযোগী পথ, প্ৰধান মন্ত্ৰী গ্ৰাম পথ যোজনা,ট্ৰেন্স অৰুণাচল ৰাজপথ, বগীবিল দলং, চৈখোৱা দলং আদি) ৰ বাবদ ২৫০০০০ কোটি টকা, ৰে'ল প্ৰকল্প (ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত মুৰকংচেলেকলৈকে আৰু দক্ষিণ পাৰত আগৰতলা, ইম্ফল-জিৰিবাম, নাহৰলগুণ-হাৰমটিলৈ ব্ৰড গজ ৰে'লপথ নিৰ্মাণ)ৰ বাবদ ২৮০০০ কোটি টকা, ২২০০০০ এম টি পি এ অসম গেছ ক্ৰেকাৰ প্ৰকল্প চলি আছে। ইয়ে নামনিমুৱা আৰু আনুষংগিক সুযোগ সৃষ্টি কৰিছে। পৰ্য্যটন আৰু স্বাস্থ্যসেৱা খণ্ডত ভাল ফলাফল দেখুৱাব পৰিছে। কেৱল গুৱাহাটীতে ৬ খনকৈ পঞ্চতাৰকাযুক্ত হোটেল নিৰ্মাণৰ কাম চলি আছে। ইয়াৰে ৰেডিচান ব্লুৱে ইতিমধ্যে সেৱা আৰম্ভ কৰিছে।

এটা সময়ত অঞ্চলটোৰ অৰ্থনীতি স্বাৱলম্বী আছিল। উৎপাদিত সামগ্ৰীৰ বাণিজ্যিকীকৰণ কৰাৰ মনোভাৱ গঢ় লৈ উঠা নাছিল। সেয়ে বাণিজ্যিক দৃষ্টিভংগীৰ অভাৱ বহুলাংশে পৰিলক্ষিত হয়। এডৱাৰ্ড গেইটে 'এ হিষ্টৰী অব আচাম'ৰ 'শ্লিপিং হ'ল' অব দি ব্ৰহ্মপুত্ৰ ভেলী' শীৰ্ষক লেখাত ১৯০৫ চনতে এই কথা উল্লেখ কৰি গৈছে যে পৰ্যাপ্ত প্ৰাকৃতিক সম্পদৰ অৱদান আৰু ৰাম্পাকূল জলবায়ুয়ে এই অঞ্চলৰ বাসিন্দাক এলেহুৱা আৰু কম উদ্যোগী কৰি পেলোৱাটো নিশ্চিত।

সি যি কি নহওক, গোলকীকৰণ আৰু পৰিৱৰ্তিত অৰ্থনৈতিক অৱস্থাৰ প্ৰভাৱে উত্তৰ-পূৰ্বাঞ্চলক চুই নোযোৱা নহয়। প্ৰাকৃতিক আৰু মানৱ সম্পদ প্ৰাচুৰ্য্যলৈ চাই উদ্যোগিক বিকাশৰ ক্ষেত্ৰত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলে প্ৰচুৰ সম্ভাৱনা বহন কৰিছে। ভাৰত চৰকাৰৰ 'পূবলৈ চোৱা নীতি'ৰ ক্ষেত্ৰত এই অঞ্চলটোক 'পূব দিশৰ দুৱাৰ' বুলি চিহ্নিত কৰা হৈছে। ইয়ে উত্তৰ-পূৰ্বাঞ্চলক কাৰ্য্যনীতিৰ ফালৰপৰা অধিক গুৰুত্বপূৰ্ণ আৰু তাৎৰ্য্যপূৰ্ণ কৰি তুলিছে। আতিথ্য আৰু স্বাস্থ্য যতন খণ্ডই ভালদৰে কাম কৰি আছে। অঞ্চলটোৰ পৰ্য্যটনৰ সম্ভাৱনা অনুধাৱন কৰি ভাৰত চৰকাৰৰ পৰ্য্যটন বিভাগে অঞ্চলটোক অ-উদ্‌ঘাটিত সৰগ' বুলি প্ৰচাৰ কৰিছে। আগন্তুক সময়ত নিশ্চিত ৰূপত মুকলি হ'বলগা সীমান্তযোগে চীনদেশ, দক্ষিণ-পূব এছিয়াৰ দেশসমূহ আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বৃহৎ বজাৰখনৰপৰা হ'বলগা প্ৰত্যাহ্বানৰ মুখামুখী হোৱাৰ উদেশ্যে আৰু পুঁজি আৰু কৌশল আয়ত্ত কৰাৰ বাবে এতিয়াৰপৰাই প্ৰস্তুতি আৰম্ভ কৰিব লাগিব। ইতিমধ্যে পূব-পশ্চিম কৰিডৰ এছিয়ান ৰাজপথ-১ নামেৰে নামাংকিত কৰি যোগাযোগে প্ৰদৰ্শনৰ বাবে কাৰ ৰেলীৰ আয়োজন কৰা হৈছে।

অঞ্চলটোত সাধাৰণতে স্থাপিত উদ্যোগসমূহ হৈছে খনিজ পদাৰ্থজাত উদ্যোগ,বনাঞ্চলভিত্তিক উদ্যোগ, বয়নশিল্প, অভিযান্ত্ৰিক আৰু অপৰম্পৰাগত উদ্যোগ আৰু সেৱাখণ্ডৰ উদ্যোগ আদি।

অঞ্চলটোৰ সংগঠিত খণ্ডৰ উদ্যোগৰ ভিতৰত চাহ, পেট্ৰ'লিয়াম, কাগজ, চিমেন্ট, প্লাইউড,কয়লা, মৰাপাট,চেনী, সাৰ আদি উদ্যোগ পৰে। কেৱল উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰণয়ন কৰা উত্তৰ-পূব ঔদ্যোগিক বিনিয়োগ আৰু প্ৰচাৰ নীতি, ২০০৭ ৰ অধীনত এই অঞ্চলটোত ঔদ্যোগিক বিকাশৰ বিস্তৃতি সাধনৰ লগতে প্ৰক্ৰিয়াটোক খৰতকীয়া কৰি তোলে। ই ক্ষুদ্ৰ আৰু লঘু উদ্যোগকে ধৰি অভ্যৰ্থনা, পৰ্য্যটন,তথ্য-প্ৰযুক্তি আৰু স্বাস্থ্য খণ্ডৰ উদ্যোগৰো বিকাশ সাধনত অতুলনীয় অৰিহণা যোগায়। এই নীতিৰ যোগেদি হোৱা কেতবোৰ গুৰুত্বপূৰ্ণ উন্নয়নৰ এটা **চমু খতিয়ান তলত দিয়া হৈছেঃ**

- সৰ্বোচ্চ ১.৫ কোটি টকাৰ ক্ষেত্ৰত প্ৰকল্প আৰু যন্ত্ৰপাতিৰ বিষয়ত ৩০ শতাংশলৈ মুলধনী বিনিয়োগৰ সাহায্য প্ৰদান।
- মধ্যমীয়া আৰু বৃহৎ উদ্যোগৰ ক্ষেত্ৰত সবলীকৰণ কমিটিৰ অনুমোদন সাপেক্ষে ৩০ কোটিলৈকে সাহায্য প্ৰদান। এই সাহায্যই নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনা বহন কৰে। কাৰ্য্যকৰী পুঁজিৰ সুতৰ হাৰত ৩.৫ শতাংশ ৰাজসাহায্য
- সৰ্বাত্মক বীমা নীতি
- কেন্দ্ৰীয় পৰিবহনৰ সাহায্য আঁচনি

⌘ আৰকাৰী আৰু আয় কৰত ১০ বছৰৰ ৰেহাই

সি যি কি নহওক ২০১৪ চনৰ ডিচেম্বৰ মাহৰপৰা এই নীতিৰ আধাৰত নতুন পঞ্জীয়ন বন্ধ কৰি থোৱা হৈছে। উক্ত নীতিত থকা কেতবোৰ সুৰুঙা আঁতৰাই সংশোধিত ৰূপত নতুন আৰ্হিৰে কাৰ্যকৰী কৰা হ'ব বুলি আশা কৰা হৈছে।

এই অঞ্চল উদ্যোগ স্থাপনৰ বাবে যথেষ্ট অনুকূল যদিও কেতবোৰ কাৰণত ঔদ্যোগীকৰণ প্ৰক্ৰিয়া পিছপৰি আছে। ইয়াৰো অন্যতম কাৰণ হৈছে উদ্যোগীজনে উদ্যোগ স্থাপন কৰাৰ সময়ত প্ৰাৰম্ভিক অৱস্থাত সন্মুখীন হোৱা সমস্যাসমূহ। এইক্ষেত্ৰত অৱৰোধ হিচাপে ভূমি অধিগ্ৰহণ, শক্তিৰ উপলব্ধতা, পৰিবহন, সৰবৰাহ , সহায়ক বিহীন ঋণ, কৌশলী মানৱ সম্পদ, বজাৰৰ নেটৱৰ্ক সমস্যা আদি কাৰক চিহ্নিত হৈছে।

উত্তৰ-পূৰ্বাঞ্চলত ঔদোগিক আৰম্ভণিৰ সম্ভাৱনা আৰু সমস্যাকে ধৰি কেতবোৰ পৰামৰ্শ তলত সন্নিবিষ্ট কৰা হৈছে।

যিকোনো খণ্ডতে নতুন এটা উদ্যোগ স্থাপন কৰাটো এটা প্ৰক্ৰিয়া বুলি ক'ব পাৰি। উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগ স্থাপনৰ ক্ষেত্ৰত তলত দিয়া বিষয়সমূহৰ প্ৰসংগ উত্থাপন কৰিব পাৰিঃ

⌘ **এটা ব্যৱসায়িক পৰিকল্পনাৰ প্ৰস্তুতিঃ** ব্যৱসায়িক পৰিকল্পনাটো উদ্যোগীজনে নিজে প্ৰস্তুত কৰিব লাগিব। এই পৰিকল্পনাটোত তলত দিয়া দিশসমূহ অন্তৰ্ভুক্ত হ'ব লাগিব ঃ ক) ব্যৱস্থাপনাৰ প্ৰফাইল (সংস্থাপক সকলৰ নাম আৰু যোগ্যতা), খ) ব্যৱসায়ৰ প্ৰকাৰ, গ) নতুন ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী উদ্দেশ্য, ঘ) আৰ্থিক প্ৰয়োজনীয়তা, ঙ) বাজেটৰ আবণ্টণ, চ) বজাৰ বিশ্লেষণ (বিপণন, বিক্ৰিৰ ভৱিষ্যত, ব্যৱধানৰ বিশ্লেষণ, মূল্যাংকণ আৰু স্থাপনকৰণ, ছ) পৰিৱেশ সম্বন্ধীয় প্ৰভাৱ,গুণাগুণ নিয়ন্ত্ৰণৰ ব্যৱস্থা যাতে পণ্যদ্ৰব্য বা সেৱাৰ গুণাগুণ নিশ্চিত কৰিব পৰা যায়, জ) পৰিকল্পিত মুনাফা, লোকচানৰ বিবৃতি আৰু নগদী প্ৰবাহ বিবৃতি থকা বিত্তীয় পৰিকল্পনা, ঝ) অনুপাত বিশ্লেষণ (বি ই পি, ডি এচ চি আৰ, আই আৰ আৰ আদি), এঃ) স্পৰ্শকাতৰ বিশ্লেষণ।

⌘ **ব্যৱসায়িক সংস্থাৰ প্ৰকাৰ চয়নঃ** ব্যৱসায়িক প্ৰতিষ্ঠানৰ সঠিক নিৰ্বাচন কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয় কিয়নো ইয়ে উদ্যোগকৰ্তাজনৰ শক্তি, নিয়ন্ত্ৰণ, সংকট আৰু দায়বদ্ধতা নিৰ্ণয় কৰে আৰু লাভ-লোকচান বিভাজনো নিশ্চিত কৰে। ব্যৱসায়ৰ প্ৰকৃতি, পৰিচালনৰ মাপ, স্বত্বাধিকাৰীৰদ্বাৰা নিয়ন্ত্ৰণৰ মাত্ৰা, ব্যৱসায়টো প্ৰতিষ্ঠা আৰু পৰিচালনৰ বাবে প্ৰয়োজন হোৱা মূলধন, সংকট আৰু দায়বদ্ধতাৰ সমানে কৰ পৰিশোধ কৰা বা বহন কৰা আদি বিষয় বিবেচনাৰ মাজেৰে ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাছনি কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলত সততে স্থাপিত হোৱা ব্যৱসায়ৰ প্ৰকাৰ হৈছে এনেধৰণৰঃ একক স্বত্বাধিকাৰী, অংশীদাৰী, সমবায়, ব্যক্তিগত আৰু ৰাজহুৱা নিগম উদ্যোগ, হিন্দু অবিভক্ত পৰিয়াল ব্যৱসায় (এইচ এ অ' এফ), সীমিত দায়বদ্ধতা অংশীদাৰী (এল এল পি) আৰু সমুহীয়া ইত্যাদি।

⌘ **ব্যৱসায়ৰ নামকৰণ আৰু পঞ্জীয়নঃ** ব্যৱসায়ৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি বিভিন্ন আইনৰ আধাৰত ব্যৱসায়ৰ নামকৰণ আৰু পঞ্জীয়ন কৰা হয়।

⌘ **পণ্যদ্ৰব্য আৰু সেৱাৰ চয়নঃ** পণ্যদ্ৰব্য বা সেৱাৰ চয়ন কৰাটো অন্যতম গুৰুত্বপূৰ্ণ দিশ। পণ্যদ্ৰব্য বাবে বজাৰৰ আকাৰ আৰু গাঁথনি, এই সকলোৰে বাবে ভৱিষ্যতৰ চাহিদাৰ আৰ্হি, বজাৰত প্ৰতিযোগিতামূলক স্থান, প্ৰত্যকটো সামগ্ৰীৰ জীৱনচক্ৰ নিৰূপণ, প্ৰতিবিধ পণ্যদ্ৰব্যৰ উৎপাদনৰ বাবে কেঁচা মাল আৰু প্ৰযুক্তিৰ উপলব্ধতা ইত্যাদি।

⌘ **উদ্যোগ প্ৰতিষ্ঠাৰ বাবে ঠাইৰ বাছনিঃ** এটা ব্যৱসায়ৰ সফলতা-বিফলতা ব্যৱসায়টোৰ স্থানৰ ওপৰত যথেষ্ট পৰিমাণে নিৰ্ভৰ কৰে। স্থানৰ চয়ন কৰাটো এটা দীৰ্ঘম্যাদী সিদ্ধান্ত য'ত সংস্থাটোৰ বৰ্তমানৰ প্ৰয়োজনীয়তাৰ লগতে ভৱিষ্যতৰ প্ৰসাৰৰ পৰিকল্পনাও সামৰি লোৱা হয়। কেঁচামালৰ উপলব্ধতা, বিভিন্ন বনুৱাৰ উপলব্ধতা, পণ্যদ্ৰব্যৰ বজাৰৰ স্থান, পৰিবহন আৰু যোগাযোগৰ সুবিধা, শক্তি আৰু ইন্ধনৰ যোগান, আৰু পণ্যদ্ৰব্যৰ প্ৰকাৰৰ ওপৰত ভিত্তি কৰি জলবায়ু আদি বিভিন্ন বিষয় স্থান নিৰ্বাচনৰ ক্ষেত্ৰত বিবেচনা কৰা হয়।

⌘ **আন্তঃগাঁথনি নিৰ্মাণঃ** এটা নতুন উদ্যোগ আৰম্ভ কৰাৰ প্ৰাক্ মুহূৰ্তৰ পদক্ষেপটো হৈছে মূল আন্তঃগাঁথনি স্থাপন। ব্যৱসায় এটাৰ আন্তঃগাঁথনিমূলক সা-সুবিধাৰ ওপৰত ব্যৱসায়টোৰ সফলতা বহুলাংশে নিৰ্ভৰ কৰে।

⌘ **প্ৰক্ৰিয়া, কেঁচামাল, যন্ত্ৰ আৰু সা-সজুঁলিঃ** দ্বিতীয় গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে উৎপাদনৰ বাবে উপযুক্ত প্ৰযুক্তিৰ চয়ন আৰু প্ৰয়োগ। ইয়াৰ লগতে কেঁচামালৰ উৎসৰ কথাটোও জড়িত হৈ আছে। এই প্ৰয়োজন ঘৰুৱা উৎসৰ যোগেদি পূৰাব পৰা যায় অথবা চৰকাৰৰ বিধি-নিয়মৰদ্বাৰা নিৰ্ধাৰিত মানৰ আধাৰত আমদানি কৰিব পৰা যায়।

**পণ্যদ্ৰব্যৰ মূল্যাংকনঃ** এবিধ পণ্যদ্ৰব্যৰ মূল নিৰ্ধাৰণ কৰাটো খুবেই জটিল কাম যিহেতু ইয়াৰ লগত সামগ্ৰীবিধৰ বিক্ৰিৰ পৰিমাণৰ লগতে মুনাফাৰ কথাটোও জড়িত হৈ আছে। ব্যয়, মুনাফাৰ লক্ষ্য, প্ৰতিযোগিতা আৰু সামগ্ৰীৰ মানৰ ওপৰত ভিত্তি কৰি পণ্যদ্ৰব্যৰ মূল্য নিৰ্ধাৰণ কৰা উচিত।

**ব্যৱসায়ৰ অৰ্থায়নঃ** ব্যৱসায়ৰ অৰ্থায়নৰ পৰিকল্পনা প্ৰস্তুত কৰা প্ৰয়োজন য'ত

অৰ্থায়নৰ বাবে হোৱা প্ৰয়োজনীয়তা, অৰ্থায়নৰ বাবে উৎসৰ সন্ধান আৰু পুঁজিৰ প্ৰয়োগ ইত্যাদি বিষয়। এইক্ষেত্ৰত সততে গুৰুত্ব দিবলগীয়া বিষয়সমূহ হৈছে নতুনকৈ নিযুক্তি দিয়া কৰ্মচাৰীৰ অৰিয়েণ্টেচন বা আদৰণি অনুষ্ঠান, সকলো কৰ্মচাৰীৰ বাবে সুস্বাস্থ্য আৰু সুৰক্ষিত পৰিৱেশ, কৰ্মচাৰীৰ বৈজ্ঞানিক আৰু প্ৰণালীবদ্ধ প্ৰশিক্ষণ, তেওঁলোকৰ লাভ, কৰ্মজীৱনৰ ভাৰসাম্য ইত্যাদি।

**উত্তৰ-পূৰ্বাঞ্চলত ব্যৱসায়ৰ সীমাবদ্ধতা সমূহ ঃ**

যদিও অনুদান, সাহায্য আৰু আবন্টণৰ যোগেদি উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক বিকাশৰ বাবে উদ্যমীসকলক উৎসাহ যোগাই অহা হৈছে, তথাপি বিভিন্ন কাৰণবশতঃ উদ্যমী ব্যৱসায়ীয়ে নতুনকৈ ব্যৱসায় এটা স্থাপন কৰাৰ ক্ষেত্ৰত কেতবোৰ অসুবিধাৰ সম্মুখীন নোহোৱা নহয়। তাৰে কেতবোৰ তলত উল্লেখ কৰা হ'লঃ

⌘ **ব্যৱসায়িক পৰিকল্পনা সুবিধা আৰু পথ প্ৰদৰ্শকৰ অভাৱঃ** ব্যৱসায়িক বিফলতাৰ আটাইতকৈ প্ৰভাৱশালী কাৰকটো হৈছে এটা ভাল ব্যৱসায়িক পৰিকল্পনাৰ অভাৱ। এটা সফল ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি তোলাৰ মূলতে হৈছে এটা ভাল ব্যৱসায়িক পৰিকল্পনা। ব্যৱসায়িক পৰিকল্পনা আৰু পথ প্ৰদৰ্শকৰ ব্যৱসায়িক পৰিকল্পনাৰ সুবিধা আৰু পথ প্ৰদৰ্শকৰ অভাৱৰ বাবেই ভালেমান সময়ত এজন উদ্যোগীয়ে ভাল পৰিকল্পনা এটা হাতত লোৱাত অসমৰ্থ হয়।

⌘ **অৰ্থায়নৰ উপলব্ধতাৰ অভাৱঃ** দুৰ্বল অৰ্থায়নৰ ভেঁটিৰ বাবে বহু সময়ত উদ্যোগী এজনে তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠান আধাতে সামৰিব লগা হয়। যথাৰ্থ ব্যৱসায়িক পৰিকল্পনা নথকাৰ বাবে বেংক বা আন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা সাহায্য পোৱাত বিফল হোৱাৰ ফলতে এনে পৰিস্থিতি উদ্ভৱ হোৱা দেখা যায়।

⌘ **উদ্যমী প্ৰকৃতি আৰু স্পৃহাৰ অভাৱঃ** উত্তৰ-পূৰ্বাঞ্চলত নতুন ব্যৱসায়িক অনুষ্ঠান এটা আৰম্ভ কৰাৰ বাবে উদ্যমী প্ৰকৃতি আৰু স্পৃহাৰ অভাৱেই মূল হেঙাৰ ৰূপে ঠিয় দিয়ে। এই অঞ্চলৰ লোকে চৰকাৰী চাকৰিক অধিক অগ্ৰাধিকাৰ দিয়ে আৰু অন্তিম বিকল্প হিচাপেহে ব্যৱসায় বাছনি কৰে, যিটো খুবেই চিন্তনীয় বিষয়।

⌘ **শেহতীয়া প্ৰযুক্তি আৰু কাৰিকৰী তথা পেছাদাৰী কৌশলৰ অভাৱঃ** শেহতীয়া প্ৰযুক্তি আৰু কাৰিকৰী তথা পেছাদাৰী কৌশলৰ অভাৱেই বহু সময়ত অঞ্চলটোত নতুন এটা ব্যৱসায়ৰ সফলতাৰ ক্ষেত্ৰত বিধি পথালি দিয়ে। তদুপৰি পাহাৰীয়া অঞ্চলত নতুন প্ৰযুক্তিৰ উপলব্ধতা অতি সীমাবদ্ধ। আঁওপুৰণি প্ৰযুক্তিৰ ব্যৱহাৰ আৰু ব্যক্তি বিশেষৰ কৌশলৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা আদিয়ে ঔদ্যোগিক বিকাশত বাধা প্ৰদান কৰে।

⌘ **যথাৰ্থ বজাৰ ব্যৱস্থাৰ অভাৱ ঃ** অপৰ্য্যাপ্ত বজাৰ ব্যৱস্থাই আঞ্চলটোৰ ব্যৱসায়িক বিকাশত, বিশেষকৈ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিকাশ অবৰোধ কৰিছে। উদ্যোগ আৰু বাণিজ্যিক দিশৰপৰা মূল ভূ-খণ্ডৰপৰা পৃথকীকৰণ, যন্ত্ৰদ্বাৰা নিৰ্মিত মসৃণ পণ্যদ্ৰব্যৰ সৈতে প্ৰতিযোগিতা, অপৰ্যাপ্ত অৰ্থনৈতিক আৰু ভৌগোলিক আন্তঃগাঁথনি আৰু উদ্যোগীৰ মাজত বজাৰৰ সচেতনতাৰ অভাৱ আদিয়ে অঞ্চলটোত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উত্থানত হেঙাৰ স্বৰূপে দেখা দিছে।

⌘ **অপৰ্যাপ্ত সমৰ্থন ব্যৱস্থাঃ** সমৰ্থন ব্যৱস্থাৰ অপৰ্য্যাপ্ততাক অঞ্চলটোৰ উদ্যমীসকলক ব্যৱসায়িক ক্ষেত্ৰতখনত অগ্ৰগতি কৰাত অন্তৰায় হিচাপে থিয় দিছে। ঔদ্যোগিক সমৰ্থন ব্যৱস্থাৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি। এই অঞ্চলটোৰ ঔদ্যোগিক সমৰ্থন ব্যৱস্থাত কেতবোৰ দুৰ্বলতা দেখা যায় যেনে-সজুঁলি কোঠা, মেৰামতিৰ বিপণী আৰু গুণাগুণ নিয়ন্ত্ৰণ ব্যৱস্থা আদিৰ অভাৱ আদি। ইয়াৰ পৰিণতি স্বৰূপে নিম্ন মানৰ পণ্যদ্ৰব্য আৰু সেৱা প্ৰচলিত হৈ আহিছে।

তদুপৰি ব্যৱসায়িক গোটৰ অভাৱ আৰু দুৰ্বল ব্যৱসায়িক আৰ্হি আদিয়েও আদিয়েও অঞ্চলটোত ব্যৱসায়িক সফলতাৰ ক্ষেত্ৰত আন্তৰায় হিচাপে দেখা দিছে।

এনেদৰে ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিকাশৰ বিষয়টো উচ্চ পৰ্যায়ৰ উৎপাদন আৰু নিয়োগৰ প্ৰসংগৰে বিচাৰ কৰি চাব লাগিব। দৰিদ্ৰতা আৰু অনগ্ৰসৰতাৰ দৰে সমস্যাৰ পৰা অব্যাহতি পাবলৈ হ'লে ব্যৱসায়িক দিশত বহুমাত্ৰিক আৰু সুসংহত দৰ্শন গঢ়ি তুলিব লাগিব।

**অঞ্চলটোত ব্যৱসায়িক উদ্যমৰ সম্ভাৱনাঃ**

উত্তৰ-পূৰ্বাঞ্চলত ব্যৱসায়িক উদ্যমৰ বিকাশৰ সভাৱনা যথেষ্ট প্ৰবল। অঞ্চলটোত ব্যৱসায়িক উদ্যমৰ প্ৰসাৰৰ বাবে ইতিমধ্যেই থকা ধনাত্মক দিশসমূহ এইখিনিতে উনুকিয়াই থোৱা হ'লঃ

✧ গ্ৰাম্য জমসংখ্যাৰ হাৰৰ আধিক্য

✧ আয়ৰ উৎস হিচাপে মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীলতা

✧ ক্ষুদ্ৰ চাহখেতি, মীনপালন, অৰ্থনৈতিক বনানীকৰণ, পশুপালন, হস্তশিল্প, বয়ন শিল্প আদি ভালেমান বিকল্প অৰ্থনৈতিক উপায় হিচাপে উপলব্ধ।

মহিলা উদ্যমীৰ উপৰি সেৱা খণ্ডতো সম্ভাৱনা উজ্জ্বল। সেৱা সম্পৰ্কীয় উদ্যোগ যেনে স্বাস্থ্য, সাজ-সজ্জা, হোটেল আৰু ৰেষ্টোৰাঁ, মেৰামতি সেৱা আদি খণ্ডৰ বিকাশৰ লেখ চালেই এই স্পষ্ট হৈ পৰে। পৰ্যটন, তথ্য প্ৰযুক্তি, জৈৱ কৃষি, উদ্যান শস্য, ৰবৰ, মচলা, জন পৰিবহন, নিৰ্মাণ,

জলবিদ্যুৎ আৰু স্বাস্থ্য আদি খণ্ডৰ উত্থান মন কৰিবলগীয়া। উত্তৰ-পূৰ্বাঞ্চলৰ বৈচিত্ৰপূৰ্ণ সংস্কৃতি, আকৰ্ষণীয় পৰ্যটনস্থলী আৰু জনগোষ্ঠীয় উপাদানেৰে সমৃদ্ধ হোৱা হেতুকে পৰ্যটন উদ্যোগৰ সম্ভাৱনা প্ৰবল। সামাজিক আৰু অৰ্থনৈতিক দিশৰপৰাও এই খণ্ডৰ যোগেদি লাভান্বিত হ'ব পৰা যাব। এই খণ্ডৰ বিকাশে হস্ততাঁত, বয়নশিল্প আৰু ৰেশম উদ্যোগ আদিৰ বিকাশত পৰোক্ষভাবে অৰিহণা যোগোৱাৰ লগতে অঞ্চলটোৰ পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰো উন্নতি সাধন কৰিব। কেন্দ্ৰীয় চৰকাৰৰ 'পূৱলৈ চোৱা নীতি'ৰ আধাৰত অভ্যৰ্থনা আৰু স্বাস্থ্যসেৱা খণ্ডৰ ভৱিষ্যৎ প্ৰসাৰৰ সম্ভাৱনা সহজেই অনুমান কৰিব পাৰি। আকৌ চৰকাৰ আৰু কেতবোৰ সংস্থাই লোৱা বিশেষ পদক্ষেপে কেতবোৰ ক্ষুদ্ৰ আৰু কুটিৰ শিল্প উদ্যোগ যেনে বাঁহ আৰু কুহিঁয়াৰ, হস্ততাঁত, মৃৎশিল্প আদি খণ্ডৰ বিকাশত উৎসাহ যোগাইছে। সি যি কি নহওক, এই খণ্ডসমূহৰ বিকাশৰ বাবে কেঁচামালৰ উপলব্ধতা, কেঁচামালৰ অধিক মূল্য, প্ৰযুক্তি আৰু শৈলীৰ মিশ্ৰণৰ অভাৱ, বজাৰমুখী প্ৰৱণতাৰ অভাৱ আদি সমস্যা সমাধান কৰাটো প্ৰয়োজন বুলি উদ্যোগীসকলে ক'ব খোজে। মূলধনী পুঁজিৰ প্ৰচাৰ, বেংক আৰু অনান্য বিত্তীয় প্ৰতিষ্ঠানৰপৰা নিৰ্দিষ্টকালীন সহায়ক আঁচনি আৰু উদ্যমীসকলৰ মাজত অৰ্থায়ন সম্পৰ্কীয় সচেতনতা আদি বিষয় ভালদৰে জুকিয়াই চাই সমাধানৰ বাট প্ৰশস্ত কৰাটো সময়ৰ আহ্বান। নিম্ন মূল্যৰ কেঁচামাল যোগানৰ সুবিধা, কেঁচামালৰ মজুতকৰণ ব্যৱস্থা আদিৰ ক্ষেত্ৰতো সংস্কাৰৰ প্ৰয়োজনীয়তা আছে। ভিন্ন সামগ্ৰী প্ৰস্তুত বা আৰ্হি কৰা, আধুনিক সা-সজুঁলি ব্যৱহাৰৰ বাবে দক্ষতাৰ বিকাশ কৰা আৰু খণ্ডৰ উৎপাদনশীলতা বৃদ্ধি কৰা আদিৰ বাবে ইতিমধ্যে থকা মানৱ সম্পদৰ কৌশল বিকাশ কৰাটোও প্ৰয়োজনীয়।

বজাৰৰ সৈতে সংলগ্ন প্ৰযুক্তি আৰু আৰ্হিৰ উন্নীতকৰণ আৰু খুচুঁৰা বিক্ৰিৰ শৃংখল সৃষ্টি আদিয়ে খণ্ডসমূহৰ উৎপাদনশীলতা আৰু আয়ৰ ওপৰত যথেষ্ট ধনাত্মক প্ৰভাৱ পেলাব পাৰে।

**কেতবোৰ নীতি সম্পৰ্কীয় আৱশ্যকতাঃ**

উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি যে ঔদ্যোগিক উদ্যমৰ কেন্দ্ৰস্থল হিচাপে গঢ় লৈ উঠিব পাৰে সেই বিষয় লৈ কোনো সন্দেহ নাই। এই বিকাশে অঞ্চলটোৰ অৰ্থনীতিৰ বিকাশত যথেষ্টখিনি অৰিহণা যোগাব পাৰে। ভৌগলিক আৰু জনসাংখ্যিক দিশৰ লগতে অঞ্চলটোত ঔদ্যোগিক বিকাশৰ বাবে নিৰ্ধাৰিত নীতিৰ পৰা হ'ব পৰা উপকাৰৰ ফলত এই সম্ভাৱনা অধিক উজ্জ্বল হৈ পৰিছে। এইখিনি সময়তে ইতিমধ্যে থকা আৰু নতুনকৈ ব্যৱসায় আৰম্ভ কৰিব খোজা উদ্যমী ব্যৱসায়ীয়ে সম্মুখীন হৈ অহা প্ৰত্যাহ্বান সমূহ দূৰ কৰাত মনোযোগ দিয়াটো খুবেই প্ৰয়োজন। ব্যৱসায়িক পৰিকল্পনাৰ প্ৰস্তুতি আৰু প্ৰাৰম্ভিক অৱস্থাৰ বাবে প্ৰয়োজনীয় আহিলাৰ সম্যক জ্ঞানৰ বাবে আনুষ্ঠানিক সাহায্য, যথাৰ্থ বজাৰমুখী ব্যৱস্থা আৰু সজাগতা সৃষ্টি, অত্যাধুনিক প্ৰযুক্তি আহৰণৰ বাবে উজু মাধ্যম, কাৰিকৰী আৰু পেছাদাৰী কৌশল বিকাশৰ বাবে প্ৰশিক্ষণৰ সুবিধা আদি বিষয় নীতি নিৰ্ধাৰণৰ সময়ত গুৰুত্বসহকাৰে বিবেচনা কৰাটো যুগুত।

◇ ◇ ◇

**পয়োভৰা ৰাইজৰ আলোচনী—**

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# "মেইক ইন ইণ্ডিয়া অভিযানৰ বাবে গোলকীয় উৎপাদন নেটৱৰ্কৰ গুৰুত্ব

*** চি বীৰামণি**

নির্মাণ খণ্ডৰ খৰতকীয়া সম্প্ৰসাৰণ ভাৰতৰ অৰ্থনৈতিক নীতিৰ এটা লক্ষ্য হৈ আহিছে। ১৯৫৬ চনতেই দ্বিতীয় পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ আৰম্ভণিৰ পৰা কেইবা দশক অতিক্ৰম কৰি শেহতীয়া " মেইক ইন ইণ্ডিয়া" অভিযানৰদ্বাৰা এই নীতিক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে। নীতি তৈয়াৰ কৰোতাসকলে সদায়েই ভাৰতৰ নির্মাণ খণ্ডক বিস্তাৰিত কৰাৰ আৱশ্যকতাৰ ওপৰত জোৰ দিছে। ইয়াৰ পৰা স্বাভাৱিকতেই এটা প্ৰশ্নৰ উদয় হয় আৰু সেই প্ৰশ্নটো হ'ল— কিয়নো নির্মাণৰ ওপৰত জোৰ দিব লাগে? তাৰ উত্তৰত এইটোকে কব পৰা যায় যে বিশ্বৰ বিভিন্ন অংশৰ পৰা যি ঐতিহাসিক সাক্ষ্যৰ ছবি পৰিস্ফুট হৈছে সেইটোৱে স্পষ্টভাৱে দেখুৱাইছে যে দেশসমূহৰ অৰ্থনৈতিক বিকাশ প্ৰক্ৰিয়াত ঔদ্যোগীকৰণৰ ভূমিকা অপৰিহাৰ্য। বিশেষকৈ পূব এছিয়াৰ দেশসমূহৰ অভিজ্ঞতাই এইটোপৰিস্ফুট কৰে যে নিৰন্তৰ নিয়োগ উদ্ৰেক আৰু দাৰিদ্ৰতা হ্ৰাস অৱস্থাত উপনীত হ'বৰ বাবে ঔদ্যোগীকৰণ বিষয়টো গুৰুত্বপূৰ্ণ আৰু এই ঔদ্যোগীকৰণ প্ৰক্ৰিয়াত ৰপ্তানিয়ে আগ ভাগ লয়। ভাৰতৰ দৰে দেশবোৰত শ্ৰমিক উন্মেষ সাধন নির্মাণ কাৰ্যৰ বিস্তাৰিতকৰণে কম দক্ষতাপূৰ্ণ নিয়োগ সঞ্চাৰৰ বাবে বিপুল সম্ভাৱনাৰ সুবিধা আগবঢ়ায়।

আশী দশকৰ পৰা ভাৰতৰ জি ডি পি ৰ বিকাশ গতিয়ে এটা মাত্ৰা লাভ কৰিছে। পিছে গাঁথনিগত পৰিবৰ্তন প্ৰক্ৰিয়া অতি মন্থৰ। এই গাঁথনিগত বিষয়ত কৃষি আৰু অ-কৃষি ক্ষেত্ৰৰ কাম-কাজবোৰ লেখত আহি পৰে। কৃষিৰ ক্ষেত্ৰত ৰাহি হোৱা শ্ৰমিকসকলক অ-কৃষি ক্ষেত্ৰসমূহলৈ যেনেদৰে স্থানান্তৰিত কৰিব লাগিছিল তেনেদৰে কৰা হোৱা নাই। ২০১১-১৩ বৰ্ষৰ কালছোৱাত কৃষিয়ে গড় হিচাপত ভাৰতৰ জিডিপিৰ প্ৰায় ১৮.১ শতাংশ পৰিব্যাপ্ত কৰিছিল কিন্তু নিয়োগৰ সংখ্যা আছিল প্ৰায় ৪৮.৯ শতাংশ। ২০১১ বৰ্ষৰ মুঠ কৰ্ম্মবাহিনীৰ হিচাপত সেইটো নিৰ্ণয় কৰা হৈছিল। কৃষিত প্ৰয়োজনতকৈ এই অধিক নিয়োগ আশাব্যঞ্জক নহয় আৰু সেইটোৱে ভাৰতত এতিয়াও যে দাৰিদ্ৰতাই গা এৰা দিয়া নাই তাকেই আঙুলিয়াই দিয়ে। চীন আৰু অন্যান্য পূব এছিয়াৰ দেশবোৰত বিকাশ প্ৰক্ৰিয়াত কৃষিৰ পৰা অধিক সংখ্যক শ্ৰমিকে কাম কৰিবলৈ সুবিধা পোৱা নির্মাণ খণ্ডলৈ প্ৰেৰণ কৰা পৰাম্পৰাগত প্ৰক্ৰিয়াক অনুসৰণ কৰে। কিন্তু ইয়াৰ বিপৰীতে ভাৰতে ঔদ্যোগীকৰণৰ অৰ্ন্তৱৰ্ত্তী ক্ষেত্ৰবোৰ এৰাই চলে। তাৰ পৰিবৰ্তে বিকাশৰ চূড়ান্ত স্তৰলৈ পোনে পোনে যাবলৈ বিচাৰে। ভিন ভিন সেৱাত ব্ৰতী হৈ এটা নিজস্ব স্থিতি গ্ৰহণেৰে তেনে কৰা আৱশ্যক।

**নির্মাণ খণ্ডৰ কিছুমান ক্ৰটী**

ভাৰতৰ বিকাশ সফলতা প্ৰায়খিনিয়েই দক্ষ শ্ৰমিক নিয়োগ কৰা উদ্যোগসমূহৰদ্বাৰা তুলনামূলক ভাবে পৰিচালিত হয় আৰু এনে ধৰণৰ সেৱা আগবঢ়োৱা উদ্যোগ কিমান সেইটোও চাব লাগিব। কাজেই ভাৰতৰ জি ডি পিৰ বৰঙণি আগবঢ়োৱা নির্মাণ খণ্ডৰ গড় হিচাপৰ অংশ পৰিমাণ কেইটামান বছৰত নিম্ন হৈ আছিল। অৰ্থনৈতিক সমীক্ষা মতে ২০১১-১৩ বৰ্ষৰ কালছোৱাত ইয়াৰ শতাংশ হাৰ আছিল ১৭.৮ । আন্তৰ্জাতিক প্ৰেক্ষাপটত তুলনা কৰি চালে এইটো দেখা যায় যে নির্মাণ খণ্ডৰ সন্দৰ্ভত ভাৰতৰ এই জি ডি পিৰ প্ৰকৃত অংশৰ পৰিমাণ চীনৰ ক্ষেত্ৰত আশা কৰিব পৰা মাত্ৰাতকৈ কম। [1] ভাৰতৰ বণিক (মাৰ্কেন্দাইজ) সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰত নির্মাণ খণ্ডৰ অংশ ১৯৯২ চনৰ ৭৩.৫ শতাংশৰ পৰা ২০১২ চনত ৬৫ শতাংশলৈ অৱনমিত হয়। ইয়াৰ বিপৰীতে চীনৰ এই পৰিসংখ্যা হ'ল ৩২ শতাংশ জি ডি পিৰ পৰা ৯৪ শতাংশ জি ডি পিলৈ সেই কালছোৱাত বৃদ্ধি পায়। ১৯৯২ আৰু ২০১২ বৰ্ষ কালছোৱাৰ মাজত প্ৰস্তুত সামগ্ৰীৰ বিশ্ব ৰপ্তানিৰ ক্ষেত্ৰত চীনৰ অংশ পৰিমাণ ২.৫ শতাংশৰ পৰা একেবাৰে ১৬.৮ শতাংশত উপনীত হয়গৈ। কিন্তু ভাৰতৰ এনে অংশ মাত্ৰা অতি লেহেমীয়াকৈ ০.৬ শতাংশৰ পৰা ১.৬ শতাংশলৈ বৃদ্ধি পায়।

নির্মাণ খণ্ডৰ ভিতৰতেই ভাৰতে তুলনামূলকভাবে দক্ষতা আৰু মূলধনী বৃদ্ধি কাম-কাজত অৱশ্যে পাৰদৰ্শিতা দেখুৱাৰ গতি স্পষ্ট হয় (অৰ্থনৈতিক

*চি বীৰামণি মুম্বাইৰ ইন্দিৰা গান্ধী ইনষ্টিটিউট অব ডেভেলপমেন্ট ৰিচাৰ্চ প্ৰতিষ্ঠানৰ সতে জড়িত

সমীক্ষা ২০১৪-১৫)। দেশখনৰ পৰা খৰতকীয়াকৈ বৃদ্ধি পোৱা ৰপ্তানি হ'ল । দক্ষ শ্ৰমিকৰদ্বাৰা উৎপাদন সামগ্ৰী (যেনে - ড্ৰাগছ্ , ফাৰ্মাচিউটিকেল আৰু ফাইন কেমিকেল ) কিম্বা মূলধন বৃদ্ধি কাৰক সামগ্ৰী (যেনে - অট'মবীল আৰু ইয়াৰ পাৰ্ট'ছ সমূহ)। ১৯৯৩ আৰু ২০১০ বৰ্ষৰ ভিতৰত মূলধন উন্মেষ সাধনকাৰী সামগ্ৰীৰ অংশ দুগুণতকৈ অধিক মাত্ৰাত বৃদ্ধি পায়। তাৰ শতাংশ হাৰ হ'ল ২৫ ৰ পৰা ৫৪ শতাংশ। আনহাতে অ-কুশলী শ্ৰমিক উন্মেষ সাধনকাৰী সামগ্ৰীৰ অংশ ৩০ শতাংশ কমি গৈ ১৫ শতাংশত স্থিত হয়। চীনৰ নিয়োগ উন্মেষ বৃদ্ধি নীতি অৱলম্বন কৰাৰ বিপৰীতে ভাৰতত নিৰ্মাণমূলক বিকাশৰ বিষয়ত তুলনামূলকভাৱে মূলধন উন্মেষ সাধন পথ অনুসৰণ কৰা হয়।[2] এইটো যে এটা ক্ৰটীমূলক পন্থা সেয়া ভাৰতৰ বাস্তৱ স্থিতিলৈ চালেই বুজিব পাৰি; কিয়নো তুলনামূলকভাৱে ভাৰতৰ সুবিধাৰ ক্ষেত্ৰখন অ-কুশলী শ্ৰমিক উন্মেষ সাধন কাম-কাজতহে অন্তৰ্নিহিত হৈ আছে।

**গোলকীয় উৎপাদন নেটৱৰ্কৰ বিকাশ**

বিশ্বব্যাপী কৰৰ ক্ষেত্ৰত (টেৰিফ) যি বাধা আছিল তাৰ পৰিমাণ হ্ৰাস আৰু পৰিবহণ তথা যোগাযোগৰ ব্যয়ত প্ৰযুক্তিগত ব্যৱস্থাৰদ্বাৰা তেনে ব্যয়ৰ মাত্ৰা অৱনতি ঘটা ক্ৰমে বহু উদ্যোগত উৎপাদন প্ৰক্ৰিয়াৰ বোজা পাতলাবলৈ সম্ভৱ কৰি তুলিছে। ভিন ভিন দেশত এনে প্ৰক্ৰিয়া বিভিন্ন ধৰণে গা কৰি উঠিছে। আন্তৰ্জাতিক ক্ষেত্ৰত কাৰ্যসমূহৰ ভিন ভিন অৱস্থাৰ ৰূপ ধাৰণ ক্ৰমে তাৰ ক্ষীপ্ৰ অগ্ৰগতি সাধনৰ ফলত বিশেষকৈ আশী দশকৰ পৰা বিশ্ব বাণিজ্যৰ প্ৰকৃতি আৰু ধৰণ-কৰণত এটা বৃহৎ পৰিৱৰ্ত্তন সধাৰ পথ প্ৰশস্ত কৰে। দেশসমূহে সামগ্ৰী উৎপাদন ক্ৰমৰ নিৰ্দিষ্ট স্তৰত উৎকৃষ্ট শৈলী প্ৰয়োগ কৰি বৰ্দ্ধিতভাৱে বাণিজ্যত ন্যস্ত হৈছে অথবা তেনে কামত মনোনিবেশ কৰিছে। সামগ্ৰীৰ চূড়ান্ত ৰূপ দানতকৈ অংশবিশেষত কৰা আধিক্য আৰোপে পূৰ্ণ সামগ্ৰীৰ বাণিজ্যকৰণতকৈ তাৰ অংশসমূহ আৰু উপজাত সামগ্ৰীৰ উৎপাদন খৰতকীয়াকৈ বৃদ্ধি পাইছে আৰু সেইবোৰে দেশৰ বাহিৰত আশানুৰূপ সফলতা লাভ কৰিছে। আন্তঃসংযোগ সাধন উৎপাদন প্ৰক্ৰিয়াৰ পৰা যি ধৰণৰ বাণিজ্য ফল লাভ কৰা হৈছে সেইবোৰক ভিন ভিন দেশত ভিন্ন শব্দৰে বুজোৱা হয়। যেনে- 'ফ্ৰেগমেনটেচন ট্ৰেড, 'ট্ৰেড ইন মিডল প্ৰডাক'ছ, টাস্ক ট্ৰেড' আৰু 'ভাৰ্টিকেল স্পে'শ্বলাইযচন ট্ৰেড'।

গোলকীয় উৎপাদন নেটৱৰ্ক (গ্লোৱেল প্ৰডাকচন নেটৱৰ্ক - জি পি এন) ভাৰধাৰাক বিভিন্ন দেশৰ আগশাৰীৰ প্ৰতিষ্ঠান অথবা ইয়াৰ যোগান ধৰোতাৰ মাজত স্থাপন হোৱা জটিল সংযোগ ব্যৱস্থাক বিশ্লেষণ কৰা পথ ৰূপে ধৰা হয়। এই জি পি এনৰ বৃদ্ধিয়ে এইটো অৰ্থ কৰে যে উৎপাদিত সামগ্ৰীৰ চূড়ান্ত অৱস্থাতহে কেৱল বেপাৰ-বাণিজ্যৰ বিনিময় নঘটে, তাৰ উপৰি পি এণ্ড চিৰ ক্ষেত্ৰতো (পাৰ্ট'ছ এণ্ড কৰ্মপোনেন্ট'ছ) তেনে বিনিময় ঘটে। সেই উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত তেনে সা-সৰঞ্জাম কিমান ফলপ্ৰসূ তাৰ গুৰুত্বও বিবেচনাত আহি পাৰে। প্ৰত্যেক দেশৰেই উৎপাদন প্ৰক্ৰিয়াৰ বিশেষ ভাগত নিজস্ব বৈশিষ্ট্য আছে আৰু সেইটো নিৰ্ভৰ কৰে তুলনামূলক সা-সুবিধাৰ ওপৰত; কিয়নো দেশ অনুযায়ী সামগ্ৰী বিশেষৰ মূল্যৰ বিষয়টো জড়িত আছে।

ইলেকট্ৰনিক আৰু অট'মবীলৰ দৰে কোনো কোনো উদ্যোগত উৎপাদন প্ৰক্ৰিয়াক বিভিন্ন স্তৰত বিভাজন কৰিবলৈ প্ৰযুক্তিয়ে সম্ভৱ কৰি তোলে। এনে উদ্যোগবোৰত উৎপাদন প্ৰক্ৰিয়াক ক্ষুদ্ৰ ক্ষুদ্ৰ অংশলৈ পৰিণত কৰা আৰু অধিক বিশেষত্ব প্ৰদান কৰা উপকৰণ লাভ কৰাত সহায়ক হয় আৰু তাৰদ্বাৰাই তেনে প্ৰতিষ্ঠানবোৰক কম খৰচতে পাব পৰা সম্পদ ৰাজি উলিয়াবলৈ সক্ষম কৰি তোলে। এনে উৎপাদন প্ৰক্ৰিয়াৰ ভৌগলিক বিস্তাৰিতকৰণে অপভ্ৰংশ ভিত্তিক বাণিজ্যই গা কৰি উঠিবলৈ সহজ কৰি তোলে আৰু তেনে ধৰণৰ অংশবিশেষৰ ওপৰতেই নিৰ্ভৰ কৰি এটা সামগ্ৰিক সজ্জাৰ ভেটি গঢ়ি উঠিব পাৰে। চীনৰ দৰে প্ৰচুৰ শ্ৰমিক থকা দেশবোৰত (অধিক সংখ্যক কল-কাৰখানাৰে পুষ্ট) কম দক্ষতাৰ শ্ৰমিক-উন্মেষ কাম-কাজত পাৰদৰ্শিতা অৰ্জন কৰিবলৈ চায় আৰু তেনে কাম-কাজৰ জৰিয়তে চূড়ান্ত উৎপাদনত লাগি যায়। আনপিনে এনে কাৰক শক্তিৰ সুবিধা যিবোৰ দেশত আছে সেইবোৰেও মূলধনী তথা দক্ষতা উন্মেষমূলক কাম-কাজ কৰিবলৈ মনোনিবেশ কৰে। এনেদৰে আন্তৰ্জাতিক

[1] আশা কৰিব পৰা অৰ্থাৎ সাম্ভাব্য অংশ পৰিমাপক জনমূৰি আয়, জনসংখ্যা, বিদেশৰ বাণিজ্যৰ সতে তুলনামূলক জি ডি পিৰ সমানুপাত হাৰ নিৰ্ণয় কৰা হয়। ২০০০ চনত ভাৰত আৰু চীনৰ ক্ষেত্ৰত সাম্ভাব্য অংশ পৰিমাণ আছিল যথাক্ৰমে ২০ শতাংশ আৰু ২৭ শতাংশ । কিন্তু প্ৰকৃত অংশ ভাগ হ'ল ভাৰতৰ ক্ষেত্ৰত ১৬ শতাংশ আৰু চীনৰ ক্ষেত্ৰত ৩৫ শতাংশ।

[2] ভাৰতৰ নিৰ্মাণমূলক বিকাশ তুলনামূলকভাৱে মূলধন উন্মেষ সাধনৰ পথ গ্ৰহণ কৰাটো নিয়োগৰ বৃদ্ধি হাৰ কৰিবলৈ কৰা প্ৰয়াসৰ পৰাই স্পষ্ট হয়। ১৯৭৩-২০০৩ বৰ্ষৰ কালছোৱাত নিৰ্মাণ খণ্ডৰ নিয়োগ ধীৰে ধীৰে বৃদ্ধি পায় (বছৰি ১.৩ শতাংশ)। মূলধনৰ জমা বৃদ্ধি (বাৰ্ষিক ৭.৩ শতাংশ) নিৰ্মাণমূলক মূল্য সংযোজিত সামগ্ৰীতকৈ (৬শতাংশ) অধিক খৰতকীয়াকৈ বৃদ্ধি পায়।

প্ৰতিষ্ঠানবোৰে অধিক উপাৰ্জনক্ষম দেশবোৰত (যেনে আমেৰিকা, ইউৰোপীয় সংঘ আৰু জাপান) দক্ষতা আৰু উৎপাদনৰ জ্ঞান উন্মেষ সাধন স্থিতিক অব্যাহত ৰাখিব পাৰে কিন্তু লগতে নিজ উৎপাদনৰ সমগ্ৰ অথবা অংশবিশেষক কম মজুৰি দিয়া দেশত (যেনে চীন আৰু ভিয়েটনাম) অৱস্থান কৰায়।

উৎপাদন নেটৱৰ্কৰ বিকাশ যদিও বিস্তাৰিত তাৰ বৃদ্ধি পূব এছিয়া আৰু চীনত বিশেষকৈ মন কৰিবলগীয়া। এই সন্দৰ্ভত এলানি অধ্যয়নৰ পৰা দেখা গৈছে যে অংশবিশেষ আৰু বিশেষত্ব প্ৰদানৰ ওপৰত ভিত্তি কৰা সামগ্ৰীসমূহৰ বাণিজ্যকৰণ পূব এছীয় দেশবোৰত ৰপ্তানিৰ ক্ষেত্ৰত সফলতা লাভ কৰা আঁৰৰ মূল কাৰণ। চীনৰ ৰপ্তানিক উৎসাহ প্ৰদান কৰা নীতিয়ে নৱৈ দশকৰ পৰাই গোলকীয় উৎপাদন নেটৱৰ্কৰ সতে ঘৰুৱা উদ্যোগসমূহৰ সমন্বিতকৰণৰ কৌশলৰ ওপৰত অধিক ভাবে নিৰ্ভৰ কৰি আহিছে। পূব এছীয় দেশবোৰৰ দৰে যদিও তেনে নেটৱৰ্ক সিমান গতিশীল নহয়, তথাপি ইউৰোপ (যেনে জাৰ্মানী আৰু হাঙ্গেৰীৰ মাজত) আৰু উত্তৰ আমেৰিকাত উৎপাদন নেটৱৰ্কে ভালদৰে কাম কৰি আছে।

গোলকীয় উৎপাদন নেটৱৰ্কত চীনৰ অংশগ্ৰহণ যিটো বিষয় প্ৰকাশমান হৈ উঠিছে সেয়া হ'ল ইয়াৰ ৰপ্তানি সমভাৰৰ ক্ষেত্ৰত যন্ত্ৰ সামগ্ৰীক অধিক গুৰুত্ব প্ৰদান কৰে। ২০১০ বৰ্ষত যন্ত্ৰপাতি আৰু পৰিবহন সা-সৰঞ্জামে চীনৰ ৰপ্তানিত প্ৰায় ৫২ শতাংশ বৰঙনি যোগায় আৰু এই শ্ৰেণীৰ উৎপাদনৰ ক্ষেত্ৰত বিশ্ব ৰপ্তানিৰ প্ৰায় ২০ শতাংশ অধিকাৰ কৰে। চীনৰ মেচিন সামগ্ৰী ৰপ্তানিৰ খৰতকীয়া বৃদ্ধিৰ কাৰণ হ'ল আঞ্চলিক তথা গোলকীয় উৎপাদন নেটৱৰ্কৰ সতে অধিক মাত্ৰাত সমন্বিতকৰণ কৰাৰ প্ৰয়াস। বিশেষকৈ আমদানিকৃত অংশসমূহ আৰু উপাদান সমূহৰ ওপৰত ভিত্তি কৰি চীন বিদ্যুৎ আৰু ইলেকট্ৰনিক সামগ্ৰীৰ ভিন ভিন বস্তুৰ কাৰণে এটা গোলকীয় কেন্দ্ৰস্থল ৰূপে ওলাই আহিছে। এই ক্ষেত্ৰত লক্ষ্যণীয় বিষয়টো হ'ল চীনে পূব এছিয়াৰ বিভিন্ন ভাগৰ পৰা অংশসমূহ আৰু উপাদানসমূহ আমদানি কৰে আৰু আমেৰিকা তথা ইউৰোপলৈ সুনিয়াৰিকৈ গঢ়ি তোলা সামগ্ৰীবোৰ ৰপ্তানি কৰে। আন এটা বিষয় হ'ল এই কৌশল অৱলম্বনত প্ৰচেছিং কিম্বা আমদানিকৃত অংশসমূহ আৰু উপাদানসমূহ সজাই পৰাই তোলা কাম জড়িত থকা হেতু ৰপ্তানি সামগ্ৰীৰ প্ৰতি ইউনিটৰ ঘৰুৱা আৰোপিত মূল্য সাধাৰণতে খুব বেছি নহয়। পিছে কাৰ্যকৰণৰ পৰিসৰ সাধাৰণতে বৃহৎ হোৱা হেতুকে এই কামবোৰৰ মুঠ সংযোজিত মূল্য অধিক হয়। ফলস্বৰূপে চীনত বৃহৎ সংখ্যাত প্ৰবজন কৰা কৰ্মীসকলৰ বাবে নিয়োগ উদ্ৰেককৰণৰ দিশত যথেষ্টভাবে বৰঙণি যোগায়।

## উৎপাদন নেটৱৰ্কত ভাৰতৰ অংশগ্ৰহণ

নিৰ্মাণ খণ্ডৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি অলপ সুকীয়া। তুলনামূলকভাবে মূলধন বিষয়ক আৰু কৌশল উন্মেষ সাধন উৎপাদনত বিশেষত্ব ৰক্ষা কৰা প্ৰয়াসত লাগি থকাৰ বাবে নিৰ্মাণ উদ্যোগৰ গোলকীয় তথা আঞ্চলিক যোগান শাৰীৰ বাহিৰত আছে। পূব এছিয়াৰ অভিজ্ঞতাৰ পৰা এইটো পৰিলক্ষিত হয় যে ভাৰতৰ নিৰ্মাণ খণ্ডৰ কাম-কাজ আশাজনক নোহোৱাৰ এটা গুৰুত্বপূৰ্ণ কাৰণ হ'ল গোলকীয় উৎপাদন নেটৱৰ্কত অংশগ্ৰহণ। ক্ৰুৰেগাৰে কৰা মন্তব্য এই খিনিতে উল্লেখযোগ্য। তেওঁ কয় — " ভাৰতে বিদেশৰ বিনিয়োগকাৰীক দেশখনৰ বহু অদক্ষ শ্ৰমিক উল্লিখিত উদ্যোগসমূহত ৰপ্তানি মঞ্চ হিচাপে ব্যৱহাৰ কৰিবলৈ আকৰ্ষণ কৰিব পৰা নাই। এইবোৰ ক্ষেত্ৰই মাত্ৰ পূব আৰু দক্ষিণ-পূব এছিয়াকহে আকৰ্ষণ কৰিছে। আথুক'ৰালাৰ মন্তব্য হ'ল যে ভাৰত এতিয়ালৈকে ইলেকট্ৰনিক আৰু বিদ্যুৎ সামগ্ৰীৰ ক্ষেত্ৰত গোলকীয় উৎপাদন নেটৱৰ্কত নিজকে ৰজিতা খুৱাবলৈ অপৰাগ হৈছে। অথচ চীনত এইবোৰ হ'ল ৰপ্তানিক গতিশীল কৰি তোলাৰ প্ৰধান কাৰণ। অন্যান্য অধিক সচেষ্ট পূব এছিয়াৰ দেশবোৰতো একেই। ভাৰতত এটা বৃহৎ সংখ্যক ইলেকট্ৰনিক আৰু বিদ্যুৎ সামগ্ৰী উদ্যোগৰ উৎপাদন আধাৰ স্থাপন কৰা হৈছে। কিন্তু সেইবোৰ ঘাইকৈ ঘৰুৱা বজাৰৰ কাৰণে উৎপাদন কাৰ্যত জড়িত থাকে। অৱশ্যে অট'মবীল উদ্যোগৰ ক্ষেত্ৰত সুকীয়া। আন অধ্যয়নৰ পৰা এইটো পৰিস্ফুট যে গোলকীয় উৎপাদন নেটৱৰ্কৰ সতে ভাৰতৰ সমন্বয় সম্প্ৰতি স্থিৰভাবে গঢ়ি উঠিছে। বহু সংখ্যক আগশাৰীৰ অট'মবীল কোম্পানীয়ে ভাৰতত " এছেম্বলী প্লেন্ট" স্থাপন কৰিছে আৰু কিছুমান কোম্পানীয়ে নিজৰ গোলকীয় উৎপাদন নেটৱৰ্ক পৰিসৰৰ ভিতৰত ভাৰতক এটা আধাৰ ৰূপে গ্ৰহণ কৰি কাম আৰম্ভ কৰিবলৈ লৈছে। ২০০০ দশকৰ আগ ভাগৰ পৰা ভাৰতত সম্পূৰ্ণৰূপে নিৰ্মাণ কৰা মটৰগাড়ীৰ ৰপ্তানি অট'মবীল অংশসমূহতকৈ অধিক হাৰত বৃদ্ধি পাইছে। সামগ্ৰিকভাবে মটৰগাড়ীৰ ক্ষেত্ৰত ভাৰতৰ ৰপ্তানি কিছু বৃদ্ধি পালেও দেশখন এতিয়াও ইলেকট্ৰনিক আৰু বিদ্যুৎ সামগ্ৰী প্ৰস্তুতকৰণ বিষয়ত আশানুৰূপভাবে অগ্ৰসৰ হ'ব পৰা নাই।

## গোলকীয় উৎপাদন নেটৱৰ্কত ভাৰতৰ স্থিতি

শ্ৰমিক উন্মেষ ঔদ্যোগিক কাম-কাজত ভাৰতে যিবোৰ নীতি গ্ৰহণ কৰিছে সেইবোৰ উৎসাহ প্ৰদানজনক নহয় বাবে বিশ্বৰ অন্যান্য উৎপাদনকাৰী দেশৰ সতে

নিজৰ নিৰ্মাণ কাৰ্যক সমন্বয় সাধন কৰি অগ্ৰগতিৰ পথ প্ৰশস্ত কৰা নাই আৰু এই ক্ষেত্ৰত খৰতকীয়াকৈ বিকাশ লাভ কৰা এছিয় দেশবোৰতকৈ ভাৰত পিছ পৰি আছে। ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতে ৰদ-বদলৰ যি নীতি অৱলম্বন কৰে সেয়া সঠিক নোহোৱাৰ বাবে মূলধন তথা দক্ষতা-উন্মেষ সাধন নিৰ্মাণ কাৰ্যৰ পক্ষপাতিত্ব দেখা যায় আৰু ১৯৯১ চনৰ পৰা যি সংস্কাৰমূলক কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হয় সেইবোৰো তেনে পক্ষপাতিতাক আঁতৰাবলৈ যথেষ্ট হোৱা নাই। ১৯৯১ বৰ্ষৰ পাছত নীতিসমূহত যি পৰিবৰ্তন ঘটায় সেইবোৰে উৎপাদিত সামগ্ৰীৰ বজাৰবোৰ উদাৰীকৰণ কৰাৰ ক্ষেত্ৰত অৱশ্যে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। তাৰ বাবে প্ৰবেশৰ ক্ষেত্ৰত থকা বাধাসমূহ দূৰ কৰা হয়। কিন্তু তথাপি শ্ৰমিক আৰু ভূমিৰ ক্ষেত্ৰত ল'বলগা ব্যৱস্থাৰ এতিয়াও উন্নতি সাধন হোৱা নাই। অনেক কঠিনতাই জটিল কৰি ৰাখিছে। শ্ৰমিক আইনত বৃহৎ প্ৰতিষ্ঠানবোৰক শ্ৰমিক-উন্মেষ কাম-কাজ আৰু প্ৰযুক্তি বাছি লোৱাৰ ক্ষেত্ৰত উৎসাহিত নকৰে আৰু সেইবাবে তাৰ বিকাশত বাধাৰ সৃষ্টি হয়। সেয়ে শ্ৰমিক বজাৰত চৰকাৰৰ হস্তক্ষেপ আদৰণীয় বিষয় নহয়। শ্ৰমিক-উন্মেষ নিৰ্মাণমূলক কাম-কাজত এটা অনিচ্ছাকৃত পৰিণামহে সূচায়।

গোলকীয় উৎপাদন ব্যৱস্থা-লানিৰ সতে চীনৰ নিৰ্মাণমূলক কাম-কাজক সমন্বিত কৰাৰ ক্ষেত্ৰত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ ভূমিকা উল্লেখযোগ্য। সেই দেশখনৰ নিৰ্মাণ খণ্ডলৈ এফ ডি আইৰ সোঁত অব্যাহত থকাৰ হেতু বহু-ৰাষ্ট্ৰীয় কোম্পানীবোৰে উৎপাদন প্ৰক্ৰিয়াৰ সুবিধা ল'ব পাৰে। কিন্তু ইয়াৰ বিপৰীতে ভাৰতলৈ গমন কৰা বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ ঘাইকৈ বজাৰ সন্ধানী বুলিহে কব পাৰি। ৰপ্তানিৰ ক্ষেত্ৰত আশানুৰূপ-ভাৱে ই উৎসাহ প্ৰদান নকৰে। ইয়াৰ কাৰণ কি বাৰু? তাৰ উত্তৰত প্ৰথমে এইটো ক'ব পাৰি যে ভাৰতে প্ৰয়োগ কৰা অধিক মাত্ৰাৰ মাচুল হাৰ। ১৯৯১ চনত এই হাৰ হ্ৰাস কৰা সত্ত্বেও তুলনামূলকভাৱে ২০০৭ চনলৈকে অধিক আছিল আৰু সেয়ে বাহিৰৰ কোম্পানীবোৰৰ কাৰণে (বিশেষকৈ বহু-ৰাষ্ট্ৰীয় কোম্পানী) বিনিয়োগ কৰিবৰ বাবে ভাৰত আছিল ইচ্ছাবিহীন লক্ষ্যস্থান।

দ্বিতীয়তঃ সীমাবদ্ধ শ্ৰমিক আইন, অপৰ্যাপ্ত আন্তঃগাঁথনি বোজাস্বৰূপ নিয়ামক ব্যৱস্থাৰ পৰিৱেশ, অনুপযুক্ত মাটি অধিগ্ৰহণ প্ৰক্ৰিয়া আৰু নিঃকিনজনক বাণিজ্যৰ সা-সুবিধাৰ হেতু ভাৰতত বিশেষ সফলতা লাভ কৰাত উৎসাহিত নকৰে। অঞ্চলটোৰ দেশবোৰৰ মাজত ভাৰতৰযে নিম্ন স্থান তাক এইবোৰ বিষয়ে সুন্দৰকৈ প্ৰতিফলন কৰে— বিশেষকৈ পূব এছিয়াৰ গতিশীল ৰপ্তানি-উন্মেষ অৰ্থনীতিৰ মাজত ইয়াৰ ছবি পৰিস্ফুট। বিশ্ব বেংকৰ বাৰ্ষিক প্ৰতিবেদনত (" Doing Business 2015")ভাৰতক ১৮৯ খন দেশৰ ভিতৰত ১৪২ স্থানত ৰাখে। আনপিনে চীনৰ স্থান এই ক্ষেত্ৰত হ'ল ৯০ । বিদ্যুতৰ নাটনি, মূলধন আৰু দক্ষতাৰ উন্মেষ সাধন উদ্যোগৰ সমস্যা সন্মুখীন হোৱাৰ কাৰণে ভাৰতে অধিক মূল্যৰ আভ্যন্তৰীণ বিদ্যুৎ উৎসৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। পিছে এই বিকল্প শ্ৰমিক-উন্মেষ শাখাত বহনযোগ্য নহয়, কিয়নো তেনেবোৰ শাখাৰ বাবে কম মাত্ৰাত কাম-কাজ চলাই থাকিব পৰা যায়।

## সন্মুখত থকা পথ

নিৰ্মাণমূলক কাম-কাজৰ বাবে কম খৰচী স্থান ৰূপে পৰিগণিত চীনৰ ছবিখন খৰতকীয়াকৈ পৰিবৰ্তন হৈছে। তাৰ কাৰণ হ'ল শ্ৰমিকৰ নাটনি আৰু মজুৰি বৃদ্ধি। ফলস্বৰূপে চীনে কাৰ্য সম্পাদনত নিজৰ যি বিশেষত্ব দেখুৱায় সেই ক্ষেত্ৰত মূল আধাৰৰ পৰা তুলনামূলকভাৱে অধিক সুক্ষ্ম বিষয়ক নিৰ্মাণ কাৰ্যলৈ পৰ্যবসিত কৰিছে। বেতন মূল্য বৃদ্ধি হোৱাৰ লগে লগে শ্ৰমিক-উন্মেষ উদ্যোগত ন্যস্ত থকা চীনৰ প্ৰতিষ্ঠানবোৰৰ চাপত পৰিছে আৰু সেয়ে আন কম খৰচী ঠাইৰ প্ৰতি দৃষ্টি আৰোপ কৰিবলৈ আৰম্ভ কৰিছে। তেনে ঠাই হ'ল, - ভিয়েটনাম আৰু ইন্দোনেছিয়া। এই প্ৰসঙ্গত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল - ভাৰত জানো বিশ্বৰ পৰৱৰ্তী কৰ্মশালা হ'ব পাৰিব?

নিয়োগ সঞ্চাৰ কৰিবৰ কাৰণে এটা শক্তিশালী নিৰ্মাণ খণ্ডৰ গুৰুত্বক উপলব্ধি কৰি প্ৰধান মন্ত্ৰীয়ে অলপতে " মেইক ইন ইণ্ডিয়া" অভিযান প্ৰচলন কৰে। উদ্দেশ্য হ'ল ভাৰতৰ নিৰ্মাণ খণ্ডক উৎসাহিত কৰা। নিৰ্মাণ উদ্যোগত বৰ্দ্ধিত গোলকীয় উৎপাদন নেটৱৰ্কলৈ চাই এই নতুন প্ৰয়াসক অৱলোকন কৰাটো এটা গুৰুত্বপূৰ্ণ বিষয়। গোলকীয় নেটৱৰ্কৰ সতে ঘৰুৱা উদ্যোগক অধিক ভাবে সমন্বিত কৰি " মেইক ইন ইণ্ডিয়া" প্ৰয়াসৰ এটা আৱশ্যকীয় অঙ্গস্বৰূপ নিশ্চয় কৰিব লাগিব। এই ক্ষেত্ৰত মন কৰিব লগা বিষয়টো হ'ল এনে এটা পৰিৱেশ সৃষ্টি কৰা- যিটোৱে উদ্যোগীসকলক মুকলিমূৰীয়া ভাবে খবৰ কৰি বিভিন্ন উদ্যোগৰ সমন্বিত গোলকীয় যোগান চক্ৰত থকা সুবিধাবোৰক চিনাক্ত কৰৰিব। আমদানিকৃত অংশসমূহ আৰু উপাদানসমূহৰ ওপৰত ভিত্তি কৰি ভাৰতে বিভিন্ন উদ্যোগৰ ক্ষেত্ৰত চূড়ান্ত ৰূপ দিবৰ কাৰণে এটা বৃহৎ কেন্দ্ৰ ৰূপে ওলাই অহাৰ বিপুল সম্ভাৱনা আছে। পিছে সামগ্ৰী বিশেষৰ চূড়ান্ত ৰূপ দান কাৰ্যত মাচুল আৰোপিত বিষয়টোক আগুৱাই নিয়াৰ প্ৰলোভন পৰিহাৰ কৰিব লাগিব। বিভিন্ন ধৰণৰ বাণিজ্যৰ পৰিচয় অব্যাহত ৰাখিবৰ বাবে এটা ক্ষেত্ৰৰ সৃষ্টি কৰিব লাগিব য'ত ঘৰুৱা, বিশেষ আৰু বৈশিষ্ট্য, সুকীয়াকৈ

অটুট ৰাখিব পাৰে। ৰপ্তানি বজাৰত যেনেদৰে সমগ্ৰ বিশ্বৰ যোগান ধাৰাতাসকলৰ মাজত প্ৰতিযোগিতা চলে ঠিক তেনেদৰে ঘৰুৱা বজাৰৰ সামগ্ৰীৰ ক্ষেত্ৰতো তেনে প্ৰতিযোগিতামূলক ভাব জাগি উঠা উচিত। ভাৰতত শ্ৰমিক-উন্মেষ নিৰ্মাণমূলক কাম-কাজৰ অগ্ৰগতি সাধনৰ বাবে উপযুক্ত সামাজিক সুৰক্ষা ব্যৱস্থা সহ এখন সৰল শ্ৰমিক বজাৰ থকাটো এটা প্ৰয়োজনীয় বিষয়। ৰাজস্থানৰ দৰে ৰাজ্যত শেহতীয়াকৈ শ্ৰমিক আইন যেনেদৰে সংশোধন কৰা হয় আৰু সহজতে বেপাৰ-বাণিজ্য কৰিবৰ বাবে যিবোৰ প্ৰয়াস কৰা হৈছে তালৈ চাই কব পৰা যায় যে এই সকলোবোৰ সঠিক দিশতেই আগবাঢ়িছে।

## দেশৰ ৮৫ টা গুৰুত্বপূৰ্ণ জলভাণ্ডাৰৰ শেহতীয়া স্থিতি

চলিত বৰ্ষৰ ৩১ মাৰ্চত দেশৰ ৮৫ টা গুৰুত্বপূৰ্ণ জলভাণ্ডাৰত ৫৩.৯৭ বিলিয়ন ঘনমিটাৰ পৰিমাণৰ পানী জমা আছে। এই পৰিমাণ জলভাণ্ডাৰকেইটাৰ মুঠ বহন ক্ষমতাৰ ৩৫ শতাংশ। অৱশ্যে যোৱা বছৰৰ তুলনাত এই বেলি জমা থকা পানীৰ শতাংশ হাৰ ৮৪ শতাংশ বুলি নিশ্চিত কৰা হৈছে। আনহাতে এই পৰিমাণ বিগত ১০ টা বছৰৰ জমা পানীৰ গড় পৰিমাণৰ ১০৮ শতাংশৰ সমান। উল্লেখযোগ্য যে কেন্দ্ৰীয় জল আয়োগে প্ৰতি সপ্তাহত এই ৮৫ টা গুৰুত্বপূৰ্ণ জলভাণ্ডাৰৰ শেহতীয়া স্থিতিৰ সমীক্ষা কৰে। জলভাণ্ডাৰৰ তালিকাখনত জলবিদ্যুত উৎপাদনৰ ব্যৱস্থা সংলগ্ন ৩৭ টা জলভাণ্ডাৰো অন্তৰ্ভুক্ত হৈ আছে। এইকেইটা জলভাণ্ডাৰৰ জৰিয়তে মুঠ ৬০ মেগাৱাট পৰিমাণৰ বিদ্যুৎ উৎপাদন কৰা হয়। প্ৰসঙ্গতে প্ৰণিধানযোগ্য যে উল্লিখিত জলভাণ্ডাৰকেইটাৰ মুঠ বহন ক্ষমতা হ'ল ১৫৫.০৪৬ বিলিয়ন ঘনমিটাৰ। এয়া দেশৰ প্ৰস্তাৱিত জলভাণ্ডাৰসমূহৰ মুঠ বহন ক্ষমতা ২৫৩.৩৮৮ বিলিয়ন ঘন মিটাৰৰ ৬১ শতাংশ।


অঞ্চল-ভিত্তিক জলভাণ্ডাৰসমূহৰ শেহতীয়া স্থিতি অনুসৰি হিমাচল প্ৰদেশ, পঞ্জাৱ আৰু ৰাজস্থানক সামৰি লোৱা উত্তৰাঞ্চলৰ ১৮.০১ বিলিয়ন ঘনমিটাৰ বহনক্ষম জলভাণ্ডাৰত শেহতীয়াভাৱে ৫.৮৬ বিলিয়ন ঘনমিটাৰ পানী জমা আছে। সেইদৰে ঝাৰখণ্ড, উৰিষ্যা, পশ্চিমবংগ আৰু ত্ৰিপুৰাক সামৰি লোৱা পূৰ্বাঞ্চলৰ ১৮.৮৩ বিলিয়ন ঘনমিটাৰ বহনক্ষম জলভাণ্ডাৰত ৯.২৭ বিলিয়ন ঘনমিটাৰ; গুজৰাট আৰু মহাৰাষ্ট্ৰক সামৰি পশ্চিমাঞ্চলৰ ২৪.৫৪ বিলিয়ন ঘনমিটাৰ বহনক্ষম জলভাণ্ডাৰত ৯.৬৭ বিলিয়ন ঘনমিটাৰ; উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, মধ্য প্ৰদেশ আৰু ছত্তীশগড়ক সামৰি লোৱা মধ্যাঞ্চলৰ ৪২.৩০ বিলিয়ন ঘনমিটাৰ বহনক্ষম জলভাণ্ডাৰত ১৭.৭৯ বিলিয়ন ঘনমিটাৰ আৰু অন্ধ্ৰ প্ৰদেশ, কৰ্ণাটক, কেৰালা আৰু তামিলনাডুক সামৰি লোৱা দক্ষিণাঞ্চলৰ ৫১.৩৭ বিলিয়ন ঘনমিটাৰ বহনক্ষম জলভাণ্ডাৰত ১১.১১ বিলিয়ন ঘনমিটাৰ পানী জমা আছে বুলি কেন্দ্ৰীয় জল আয়োগৰ তথ্যত প্ৰকাশ।

# কৃষকৰ নামেৰে ধানৰ নামকৰণ উপেন্দ্ৰ ৰাইছ

*** খগেন্দ্ৰ ৰাভা**

অবিৰত প্ৰচেষ্টা, ধৈৰ্য আৰু একান্ত আত্মবিশ্বাস থাকিলে মানুহে কৰিব নোৱাৰা কাম হয়তো একোৱে নাই। মনৰ একাগ্ৰতা থাকিলে অসাধ্য কামো সম্ভৱ কৰি তুলিব পাৰি। এজন কৃষকে এই কথাকে প্ৰতিপন্ন কৰি নিজক প্ৰতিষ্ঠা কৰাৰ লগতে এজন আদৰ্শ খেতিয়ক হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এই গৰাকী আদৰ্শ খেতিয়ক হ'ল গোৱালপাৰা জিলাৰ কৃষ্ণাই উন্নয়ন খণ্ডৰ অন্তৰ্গত অসম-মেঘালয় সীমাৱৰ্তী অঞ্চলৰ আমগুৰিপাৰা গাঁৱৰ বাসিন্দা উপেন্দ্ৰ ৰাভা। অতি দৰিদ্ৰ পৰিয়াল এটিত জন্ম গ্ৰহণ কৰা ৰাভাই নিজৰ কষ্ট-সহিষ্ণুতা, ধৈৰ্য্য, আত্মবিশ্বাস তথা বুদ্ধিমত্তাৰ জোৰত সম্প্ৰতি কৃষিকৰ্মৰ জৰিয়তে এগৰাকী প্ৰতিষ্ঠিত আদৰ্শ খেতিয়ক হিচাপে উত্তৰ-পূৰ্বাঞ্চল তথা সমগ্ৰ দেশতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

উপেন্দ্ৰ ৰাভাই শিক্ষা জীৱনৰ পাতনি মেলে অসম-মেঘালয় সীমাৱৰ্তী অঞ্চলৰ ঘোৰাপোটা প্ৰাথমিক বিদ্যালয়ত। ৰাভাৰ পৰিয়ালৰ আৰ্থিক অৱস্থা অতি শোচনীয় হোৱা হেতুকে কোনোমতে মেঘালয়ৰ মানিকগঞ্জ হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ দুধনৈ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰিছিল যদিও আৰ্থিক তথা পাৰিবাৰিক সমস্যাৰ বাবে আধাতে আনুষ্ঠানিক শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া সামৰিবলৈ বাধ্য হয়। ইয়াৰ পাচতে তেওঁ কৃষিক্ষেত্ৰখনলৈ মন মেলে। কোনো ধৰণৰ চৰকাৰী সুবিধা তথা বেংকৰ পৰা ঋণ নোলোৱাকৈ নিজস্ব ভাৱে উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা মাত্ৰ ১৫ বিঘা কৃষিভূমি আৰু ২ বিঘা অবাদী ফৰিংগাতি ভূমিত কৃষিকাৰ্য আৰম্ভ কৰিবলৈ লয়। শালি ধানৰ উপৰিও বিভিন্ন শাক-পাচলি আৰু কবি-মূলা, বিলাহী, বেঙেনা, ভেন্দি,জলকীয়া, মাকৈ, ভাত কেৰেলা, লেছেৰা মাহ আদি




খেতি কৰে উপেন্দ্ৰ ৰাভাই। ইয়াৰ উপৰিও তেওঁ গাহৰি, হাঁহ , কুকুৰা, মীন পালন, মৌপালন আদি অৰ্থকৰী কামো কৰিবলৈ এৰি দিয়া নাছিল। কিয়নো এই বোৰ অৰ্থকৰী কামৰ যোগেদি ৰাভাই বহুতো টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল। পোন প্ৰথমে উপেন্দ্ৰ ৰাভাই আকাশ বাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি প্ৰচাৰ কৰি থকা 'কৃষিজগত' অনুষ্ঠানটিক একমাত্ৰ পৰামৰ্শদাতা হিচাপে গ্ৰহণ কৰি বিভিন্ন প্ৰজাতিৰ ধান আৰু শাক- অংশসমূহ আৰু উপাদানসমূহ বিজ্ঞান সন্মত পদ্ধতিত কৰিবলৈ লয়। ১৯৯০ চনত কৃষি সম্প্ৰসাৰণ বিষয়া দুলাল দাস আৰু গ্ৰামসেৱক শৰৎ সৰকাৰৰ পৰামৰ্শ অনুসৰি উপেন্দ্ৰ ৰাভাই ১ বিঘা ভূমিত এম ২৭ (M 27) নামৰ উন্নত জাতৰ সৰিয়হ খেতি বিজ্ঞান সন্মত পদ্ধতিৰে কৰি ২৪০ কিলোগ্ৰাম উৎপাদন কৰাৰ বিপৰীতে 'আই আৰ-৩৬' (1R-36) নামৰ উন্নত জাতৰ ধান খেতি কৰিও যথেষ্ট পৰিমাণৰ ধান উৎপাদন কৰিবলৈ সক্ষম হয়। ইয়াৰ পাচতে উপেন্দ্ৰ ৰাভাই এটাৰ পিছত এটাকৈ কৰা প্ৰচেষ্টাত সফলতা অৰ্জনৰ উভতি চাবলগীয়া হোৱা নাই। এই সফলতাই এদিন উপেন্দ্ৰ ৰাভাক দিলে আদৰ্শ খেতিয়কৰ সন্মান। অশেষ পৰিশ্ৰমেৰে আত্মনিৰ্ভৰশীলতাৰ উজ্জ্বল চানেকি গঢ়া ৰাভাৰ কৰ্ম, ধৈৰ্য্য, আৰু আদৰ্শৰ প্ৰতি স্বীকৃতি হিচাপে ২০০২ চনত ভূত পূৰ্ব প্ৰধানমন্ত্ৰী প্ৰয়াত চৌধুৰী চৰণ সিঙৰ জন্ম শতবাৰ্ষিকী উপলক্ষে উদ্‌যাপিত হোৱা 'কিষাণ সন্মান সপ্তাহ' অনুষ্ঠানত অসম কৃষি বিভাগে উপেন্দ্ৰ ৰাভাক পুৰস্কৃত কৰাৰ লগতে 'আদৰ্শ খেতিয়ক' হিচাপে স্বীকৃতি প্ৰদান কৰে। উল্লেখযোগ্য যে ১৯৮৫ চনৰে পৰাই বৰ্ণিল কৃষিক্ষেত্ৰখনত জড়িত হৈ পৰা উপেন্দ্ৰ ৰাভাই ২০০১ চনত গুৱাহাটীৰ কাঁহিকুছি কৃষিপাম আৰু ৰাণী কৃষিপামত অনুষ্ঠিত কৰ্মশালাত অংশগ্ৰহণ কৰে। ২০০২ চনত তেওঁ যোৰহাট কৃষি বিশ্ববিদ্যালয় আৰু তিতাবৰ কৃষি গৱেষণা কেন্দ্ৰ পৰিদৰ্শনৰ সুযোগ লাভ কৰে। ২০০৩ চনত জিলা কৃষি বিজ্ঞান কেন্দ্ৰ আৰু ৰাজ্যিক কৃষি বিভাগৰ সহযোগত কেৰালাৰ বিভিন্ন কৃষি বিশ্ববিদ্যালয় ভ্ৰমণ কৰে আৰু জিলা কৃষি বিভাগৰ 'কৃষক পুৰস্কাৰ' লাভ কৰে। আনহাতে ২০০৫ চনত ৰাভাই "আন্তৰ্জাতিক ধান বৰ্ষ" শীৰ্ষক

*খগেন্দ্ৰ ৰাভা এজন সাংবাদিক

কৃষক প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে এটা বৰ্ষতে গোৱালপাৰা কলেজত অনুষ্ঠিত এখন দুদিনীয়া মৎস্য খেতি আৰু বাণিজ্য সম্পৰ্কীয় মাণ্ডলিক কৰ্মশালাত অংশগ্ৰহণ কৰে। ২০০৮ চনত গুৱাহাটীৰ চানমাৰিত অনুষ্ঠিত উত্তৰ-পূৰ্ব মাণ্ডলিক উদ্যান শস্য প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰে। ২০১০ চনত দুধনৈ বিজ্ঞান কেন্দ্ৰত অনুষ্ঠিত কেন্দ্ৰীয় পণ্যাগাৰ নিগম উপভোক্তা সম্বন্ধীয় মন্ত্ৰালয়ৰ খাদ্য আৰু বিতৰণ বিভাগ তথা ভাৰত চৰকাৰৰদ্বাৰা অনুমোদিত কৃষক প্ৰশিক্ষণ আঁচনিৰ যোগেদি পণ্যগাৰৰ কৰ্মবিৰত আৰু নিয়ন্ত্ৰণ আইন, ২০০৭ ৰ সজাগতা সম্বন্ধে আয়োজিত প্ৰশিক্ষণত অংশ গ্ৰহণ কৰে। ২০১০-১১ বৰ্ষত তেওঁ জিলা কৃষি বিভাগৰ পৰা কৃষক পুৰস্কাৰ লাভ কৰে। ২০১৪ চনত কৃষি বিভাগৰ উদ্যোগত মহাৰাষ্ট্ৰৰ নাগপুৰত অনুষ্ঠিত কৃষিমেলাত অংশ গ্ৰহণ কৰে। ইয়াৰ সমান্তৰালভাৱে অসমত নথকা এবিধ ধানক ২০১৪ চনৰ ৬ জানুৱাৰীত আদৰ্শ খেতিয়ক উপেন্দ্ৰ ৰাভাৰ নামত নামকৰণ কৰা হ'ল। ৰাজ্যিক কৃষি বিভাগে এই ধানবিধক এতিয়া 'উপেন্দ্ৰ ৰাইছ' (ক'লা ধান) হিচাপে নামকৰণ কৰিছে। প্ৰকৃততে উপেন্দ্ৰ ৰাইছ দেখাত ক'লা। কিচ্‌কিচিয়া ক'লা চাউল মিঠা সুগন্ধি আৰু আঠাযুক্ত। এই চাউল ভাত হিচাপে খোৱাৰ উপৰিও পিঠা, পায়স আদি প্ৰস্তুত কৰাৰ উপযোগী। এইবিধ চাউলত যথেষ্ট পুষ্টিকৰ ১৮ বিধ এমিনো এচিড, লো, জিংক, কপাৰ আদি থকাৰ উপৰিও কেইবাবিধো ভিটামিনেৰে সমৃদ্ধ। উল্লেখযোগ্য যে চীন দেশত এই উপেন্দ্ৰ ৰাইছ (ক'লা চাউল) বিধক কিডনি তথা পেট আৰু লিভাৰৰ অসুখৰ ক্ষেত্ৰতো ঔষধি হিচাপে ব্যৱহাৰ কৰা হয়। জানিব পৰা মতে এইবিধ ক'লা চাউলৰ বজাৰ মূল্য প্ৰতি কিলোগ্ৰামত চাৰিশ/পাঁচশ টকাৰ বিপৰীতে বিদেশত ইয়াৰ বজাৰ মূল্য সাতশ টকাতকৈ বেছি (প্ৰতি কিলোগ্ৰামত)। ৰাভাই স্থানীয় লোকৰ মাজত এই চাউল প্ৰতি কিলোগ্ৰামত মাত্ৰ ১০০ টকা দৰত বিক্ৰী কৰে। উল্লেখযোগ্য যে ২০১১ চনত দুধনৈ কৃষি বিজ্ঞান গৱেষণা কেন্দ্ৰৰ মুখ্য





বিজ্ঞানী ড° উত্তম কুমাৰ বৰুৱাই ৰাজস্থানৰ উদয়পুৰত অনুষ্ঠিত হোৱা এখন কৃষিমেলাত অংশ গ্ৰহণ কৰি অসমত নথকা ক'লা জহা বৰা (Black rice) নামৰ এবিধ ধানৰ এক কিলোগ্ৰাম বীজ লগত লৈ আনিছিল। ড° বৰুৱাই আমগুৰিপাৰাৰ আদৰ্শ খেতিয়ক উপেন্দ্ৰ ৰাভাক এই ক'লা ধানবিধৰ গুণাগুণ, ঔষধি তথা লাভালাভৰ সন্দৰ্ভত সবিশেষ পৰামৰ্শ আগবঢ়াই পৰীক্ষামূলক ভাৱে খেতি কৰিবলৈ বীজ খিনি তেওঁৰ হাতত অৰ্পণ কৰে। ৰাভাই কঠীয়াৰ বাবে বীজখিনি পানীত তিয়াই থলে যদিও নিৰ্দিষ্ট সময়ত গজালি নোলোৱাত বিজ্ঞানী ড° বৰুৱাক অৱগত কৰিলে। ড° বৰুৱাসহ এটা দলে ৰাভাৰ বাসগৃহত উপস্থিত হৈ বীজখিনি পানীত তিয়াই থোৱা পদ্ধতি পৰিদৰ্শন কৰি কোনো ধৰণৰ ভুলক্ৰুটি নাপালে। ৰাভাই পিছে তথাপিতো চেষ্টা এৰি দিয়া নাছিল। তেওঁৰ একান্ত আগ্ৰহ আৰু আত্মবিশ্বাসৰ বাবে সম্পূৰ্ণ এসপ্তাহ সময় উকলি যোৱাৰ পাছত এদিন দেখিলে যে এক কিলোগ্ৰাম বীজৰ পৰা মাত্ৰ এটা বীজ গজালি মেলিছে। ৰাভাই আনন্দত আত্মহাৰা হৈ খবৰটো লগে লগে বিজ্ঞানী ড° বৰুৱাক অৱগত কৰিলে। ড° বৰুৱাৰ পৰামৰ্শ আৰু পত্নী-পৰিয়ালৰ উৎসাহ আৰু নিজ শ্ৰমদানেৰে উপেন্দ্ৰ ৰাভাই গজালি মেলা ধানৰ বীজটোৰে কঠিয়া পাৰিলে আৰু নিৰ্দিষ্ট সময়ত লহপহকৈ বাঢ়ি অহাত শালি খেতিৰ পথাৰত তথা ৰঞ্জিত ধানৰ এগোছা কঠিয়া উঘালি তাৰ পৰিৱৰ্তে ক'লা ধানৰ কঠিয়াডাল ৰুই দিলে। বিশেষ সূত্ৰে জানিব পৰা মতে এই ক'লা ধান যিখন ৰাজ্যত উৎপাদিত হৈছিল সেইখন ৰাজ্যৰ কৃষকসকলে ধানৰ বীজখিনি বজাৰত বিক্ৰী কৰিলে চৰুত ভাজিহে বিক্ৰী কৰে যাতে সেই বীজখিনিৰে আন কোনো ঠাইত সেই ধানবিধ উৎপাদন কৰিব নোৱাৰে। সেইবাবে হয়তো কৃষি বিজ্ঞানী ড° বৰুৱাই লৈ অহা

বীজখিনিৰ গজালি ওলোৱা নাছিল। তাৰ মাজতে হয়তো এটা ভাজ নোখোৱা ধান আছিল। নিৰ্দিষ্ট সময়ত এজোপা ধান লহপহকৈ বাঢ়ি পকিল। উপেন্দ্ৰ ৰাভাই পকা ধান চপাই এটা মাত্ৰ ধানৰ পৰা লাভ কৰিলে ১৫০ গ্ৰাম ধান। এই ১৫০ গ্ৰাম ধানৰ পৰাই পাচত ৰাভাই ৪৮ কিলোগ্ৰাম ধান উৎপাদন কৰিবলৈ সক্ষম হয়। তেনেদৰে উপেন্দ্ৰ ৰাভাই তৃতীয় বৰ্ষত তথা ২০১৩ চনত সেইখিনি ধানকেই বীজ হিচাপে ব্যৱহাৰ কৰি ০.৮ হেক্টৰ কৃষিভূমিত উৎপাদন কৰিলে ৪০ মোন (১৬০০ কিলোগ্ৰাম) ধান। শেহতীয়াভাৱে 'উপেন্দ্ৰ ৰাইছ (ক'লা ধান) ৰ গুণ আৰু কৃষক আৰু উপভোক্তাৰ মাজত ইয়াৰ সাম্ভাব্য

জনপ্রিয়তাৰ প্ৰতি লক্ষ্য ৰাখি ২০১৪ চনত কৃষি বিভাগে ৰূপায়ণ কৰা ‘আত্মা আঁচনি’ৰ অধীনত আমগুৰিপাৰা গাঁৱত উপেন্দ্ৰ ৰাভাক সভাপতি আৰু অজয় কুমাৰ ৰাভাক সম্পাদক হিচাপে লৈ প্ৰায় ৩৩ জন সদস্যক সামৰি ‘আমগুৰিপাৰা ব্লেক ৰাইছ প্ৰডাকশ্বন’ সমিতি গঠন কৰি ৯৯ বিঘা কৃষি ভূমিত ক’লা ধানৰ খেতি কৰে। ‘আত্মা আঁচনিয়ে এই সমিতিখনক ১,২০,০০০ টকা সাহাৰ্য আগবঢ়ায়। প্ৰতি বিঘা কৃষি ভূমিত গড়ে ১১ মোন (৪৪০ কিলোগ্ৰাম) ধানৰ উৎপাদন পোৱা গৈছে। অৱশ্যে যোৱা ২০১৪ চনৰ ২২ ছেপ্টেম্বৰত হোৱা সংহাৰী বানে ক্ষতি সাধন নকৰা হ’লে ইয়াতকৈ অধিক পৰিমাণৰ উৎপাদন পোৱা গ’লহেতেন বুলি উদ্যোক্তাসকলে কয়। উপেন্দ্ৰ ৰাভাই জানিবলৈ দিয়ামতে — গুৱাহাটীৰ খানাপাৰাত চলিত বৰ্ষত অনুষ্ঠিত ‘দ্বিতীয় অসম আন্তঃৰাষ্ট্ৰীয় কৃষিমেলা’ত জহা চাউল ২ কুইন্টল আৰু ‘উপেন্দ্ৰ ৰাইছ’ ১০.৫ কুইন্টল ক্ৰমে ৫০ টকা আৰু ১০০ টকা দৰত বিক্ৰী কৰি তেওঁ মুঠ — ১,১৫,০০০ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে ৰাভাৰ নেতৃত্বত গঢ়ি উঠা সমিতিয়ে প্ৰায় ৫০ কুইন্টল চাউল বিক্ৰী কৰিছে বুলি উপেন্দ্ৰই জনায়। সম্প্ৰতি আমগুৰিপাৰা ব্লেক্ ৰাইছ প্ৰডাকশ্বন সমিতিয়ে অহা খেতিৰ বতৰত ৫০০ বিঘা কৃষিভূমিত খেতি কৰাৰ পৰিকল্পনা কৰিছে। সেয়ে তেওঁলোকে বৰ্তমান ক’লা চাউল বজাৰত বিক্ৰী কৰা বন্ধ কৰি দিছে। ইফালে দেশৰ বিভিন্ন বৃহৎ প্ৰতিষ্ঠানসমূহে ক’লা ধান তথা উপেন্দ্ৰ ৰাইছ সংগ্ৰহ কৰাৰ বাবে চুক্তিবদ্ধ কৰিবলৈ উপেন্দ্ৰ ৰাভাৰ সৈতে যোগাযোগ স্থাপন কৰি আহিছে যদিও তেওঁ এইক্ষেত্ৰত আগবঢ়া নাই বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰিও ভালেসংখ্যক বেংক প্ৰতিষ্ঠানৰ শীৰ্ষ বিষয়া-কৰ্মচাৰীয়েও আগন্তুক বতৰত কৃষিৰ সুবিধাৰ্থে ঋণ দিয়াৰ বাবেও আগ্ৰহ প্ৰকাশ কৰিছে। সম্প্ৰতি উপেন্দ্ৰ ৰাভাই পত্নী আৰু এজন নাতিয়েকৰ সৈতে সুন্দৰভাৱে জীৱন অতিবাহিত কৰিছে।

## মূল্য সুস্থিৰতা পুঁজি

কেন্দ্ৰীয় কৃষি আৰু সমবায় বিভাগে সহজে নষ্ট হোৱা কৃষি উদ্যান সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ বাবে বজাৰ ব্যৱস্থা সমৰ্থনৰ উদ্দেশ্যে ৫০০ কোটি টকাৰ কোপাৰ্চ পুঁজিৰে কেন্দ্ৰীয় খণ্ডৰ পুঁজি হিচাপে মূল্য সুস্থিৰতা পুঁজিত (পি এছ এফ) অনুমোদন জনাইছে। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় এজেন্সীসমূহে এনে সামগ্ৰীৰ সংগ্ৰহ আৰু বিতৰণত কৰ্ম মূল্যধন আৰু আন আনুষঙ্গিক ব্যয় বহনৰ সুবিধাৰ বাবে আগতীয়া সুদবিহীন ঋণ হিচাপে এই পি-এছ-এফ পুঁজি ব্যৱহাৰ কৰিব পাৰিব। এই উদ্দেশ্যে ৰাজ্যসমূহে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে ৫০ শতাংশকৈ সমহাৰৰ পুঁজিৰে চলমান পুঁজি গঠন কৰিব। অৱশ্যে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে এই পুঁজিৰ হাৰ কেন্দ্ৰীয় চৰকাৰৰ ৭৫ শতাংশ আৰু ৰাজ্য চৰকাৰৰ ২৫ শতাংশ হ’ব।

এই সামগ্ৰীসমূহ পোনপটীয়াকৈ কৃষক আৰু কৃষকৰ সংস্থাসমূহৰ পৰা পাম গেট বা মান্দিত গ্ৰহণ কৰিব পাৰিব আৰু গ্ৰাহকৰ বাবে যোগান পৰ্যাপ্ত কৰাৰ লগতে অধিক দায়বদ্ধ মূল্যত যোগান ধৰিব পাৰিব। এই আঁচনিৰ বিতং নীতি-নিৰ্দেশনাত অনুমোদন জনোৱা হৈছে আৰু www.agricoop.nic.in বিভাগীয় ৱেবছাইটত উপলব্ধ হ’ব।

# ঃ কণী যুঁজ ঃ

*** কৌস্তুভমণি শইকীয়া**

বহাগৰ বিহুত বিভিন্ন ধৰণে ৰংৰহইচ কৰা হয়। বিহু হুঁচৰি মৰা, গৰু-গাই ধোওৱা কড়ি খেলা, কণী যুঁজ, ইঘৰ সিঘৰলৈ ফুৰিবলৈ যোৱা আৰু যে ক'ত কি? সেই কাৰণেই হবলা এই বিহুটোক ৰঙালী বিহুও বোলা হয়। আমাৰ এই সৰু নিৱন্ধত এসময়ত অসমৰ গাঁৱে-ভূ'য়ে (বিশেষকৈ উজনিৰ) চুবুৰীয়ে চুবুৰীয়ে প্ৰচলিত কণী যুঁজৰ এটা আভাস দিব খোজা হৈছে।

'মুখে মুখে-ওহোঁ। 'দুই' 'চাৰিচলীয়াকৈ নহ'ব। 'তোমাৰ বেৰাতে মোৰ এই দুই মূৰ' 'নোৱাৰিম- 'সলামহে'। তোমাৰ দুই কণী মোৰ দুই কণী থাকে মানে- যুঁজাবানে? চাওঁ কণী দুটা' 'চাব পাৰিব নকড়িয়াব কিন্তু। বৰদেউতা আপোনাৰ খাঙে মোৰ খাঙে থাকে মানে চলিবনে?' ভিতৰত কেইটা সৈয়া আছে? 'নকওঁ' 'তেন্তে নোৱাৰিম, মোৰ সৈয়া কম আছে।' আপোনাৰ এটা আৰু মোৰ এটা বাঁছি উলিয়াও। এই দুটাৰ ভিতৰত যিটোৱে এমূৰ ৰবগৈ সিয়ে আমাৰ ইজনৰ গোটেই সজ কণী-খাং পাব। হ'বনে? 'ভাবিব লাগিব'। দাইটি আপোনাৰ এই কণীটোৱে মোৰ এঘাৰটা কণী ভাঙিলে। এতিয়া ই আৰু সৈয়া বুলি প্ৰমাণ হ'ল। গতিকে এইবাৰ মই ইয়াৰ পেটত চেলু দি মোৰ এই দুই মূৰ থাপিলো। 'হে হয় জানো সৈয়া?' আমাৰ এই খাং দুটা থাকে মানে বন্দবস্তত খেলিছোঁ। উপৰুৱাকৈ কোনেবাই ভাগ খাব যদি আহহ'ক। 'বৰপাই মই আপোনাৰ ফালে। মই বাৰু মোমাইৰ ফালে ঠিক আছে তহঁতে নিজে নিজে বন্দবস্ত কৰি ল। হাৰিলে ধন ভৰিবিনে— সজ কণী দিবি?

কণী যুঁজৰ এইবোৰেই দৰভাও, বন্দবস্ত পাকৈত কণী যুঁজাৰুৱে এই বন্দবস্তৰ মাজেদিয়েই নিজৰ টান কণীৰ লগত পৰৰ ঢিলা কণী যুঁজাই ঠগে। অন্যহাতে নিজৰ ঢিলা কণীক আনৰ টান কণীৰ লগত যুঁজাবলৈ গৈ বুদ্ধিৰে নিজৰ ঢিলাটো সলাই টানটো লৈ প্ৰতিদ্বন্দীক ঘটুৱায়। সেয়ে কণী যুঁজাৰু অভিজ্ঞ, কৌশলী,লগে লগে কণীযুঁজৰ বন্দবস্তবোৰত বৃহস্পতি নহ'লে নহয়।

কণী যুঁজ বহাগ বিহুৰ অন্য এটি অংগ। কণী প্ৰজননৰো প্ৰতীক। বিহুত কণী নুযুঁজালে পুৰুষ বীৰ্য্যহীন হয় বুলি জনবিশ্বাস আছে। ঘৰুৱা ভাষাত আংমৰে (অংগ মৰে?) বুলি কয়। গৰুবিহুৰ দিনা গা-পা ধুই শুদা পেটতে এটা সজ কণীৰ কুহুম খাব পৰাজনৰ সৰুসুৰা অসুখ-বিসুখ নহয় বুলি জনবিশ্বাস আছে। অৱশ্যে ইয়াৰ বৈজ্ঞানিক ভিত্তিও নথকা নহয়। কণীযুঁজৰ উৎপত্তি সম্ভৱতঃ আহোম ৰজা সকলৰ দিনতে। স্বৰ্গদেউ সকলে দেশত প্ৰচুৰ পৰিমাণে হোৱা হাঁহকণী, কুকুৰাকণী যুঁজাই ৰং ৰহইচ কৰিছিল।

'কাৰেঙৰ দেও ইটা
শিল যেন চটা চটা
গাঁথে তাত হাঁহকণী ফালি
এই স্তৰকটিয়েই

সেইসময়ত অসমত প্ৰচুৰ পৰিমাণে কণী উৎপাদন হোৱাৰ প্ৰমাণ। নিপুণ কণী খেলুৱৈয়ে মাঘ ফাগুন মাহমানৰ পৰা কণী সংগ্ৰহ কৰে। ফুচুৰী বা পাতফুচুৰী কণীক টান কণীৰ বোধ জন্মোৱা অথবা চিনিব নোৱাৰা কৰাৰ কৌশল আছে। কৌশল সমূহ হ'ল—

(১) কণীখিনি কিছুদিন ধোঁৱাচাঙত থোৱা।

(২) দুই তিনিদিনমান কণীখিনি গোবৰত পুতি ৰাখি কণীৰ পিঠিত ফুটফুটীয়া চিন ধৰোৱাই বালিসৈয়াৰ ধাৰণা জন্মোৱা।

(৩) কণীৰ মুখ আৰু টিকাত হালধি বা চিয়াঁহীৰ ৰং সানি বোলাই পেলোৱা আদি।

কণীৰ ভাগ আছে। ফুচুৰী, পাত ফুচুৰী, মজলীয়া, লিকটীয়া আৰু সৈয়া। টান কণীক সৈয়া কণী বোলে। সৈয়াৰো আক' ভাগ আছে। শিল সৈয়া, বালি সৈয়া, জলসৈয়া, চোম সৈয়া, কাড় সৈয়া ইত্যাদি। ইহঁতৰ আকৃতি প্ৰকৃতি লৈয়েই এই ধৰণৰ ভাগ কৰা হৈছে। শিল সৈয়া শিলৰ দৰে গধুৰ আৰু টান। বালি

* কৌস্তুভমণি শইকীয়া আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সহকাৰী কেন্দ্ৰ সঞ্চালক আৰু কবি

চৈয়াৰ গাত বালিৰ দৰে ফুট ফুট দাগ থাকে। জল চৈয়া দেখাত পানীৰ দৰে জলজলীয়া, কাৰ্যত কিন্তু টান। চোম চৈয়া চোম বেমাৰৰ দৰে। গাত বগা বগা সৰু সৰু দাগ থাকে। কাড় চৈয়াৰ মুখখন অন্য কণীতকৈ জোঙা, কাড়ৰ দৰে।

কণী টান নে ঢিলা জানিবলৈ সাধাৰণতে কড়ি ব্যৱহাৰ কৰা হয়। কোনো কোনোৱে বুটাম বা ভঙা পইচা অথবা নিজৰ দাঁতৰ আগত মাৰিও টান-ঢিলাৰ গম লয়। মুঠিতে কণীটো লৈ পোহৰৰ ফালে দাঙি ছাঁ চায়ো কিছুমানে টান-ঢিলাৰ বুজ লয়। সাধাৰণতে প্ৰতিদ্বন্দ্বীক কড়ি বা দাঁত মাৰিবলৈ দিয়া নহয়। কণীৰ জোঙা ফালটোক টিকা বা তালি বা বেঁওৰা বোলে। মুখতকৈ বেঁওৰাৰ ফালে টান। অৱশ্যে কিছু কণীত ইয়াৰ ব্যতিক্ৰমো দেখা যায়। কণীৰ এমূৰ ভাঙিলে এছটীয়া, দুইমূৰ ভাগিলে কুহুম আৰু এমূৰ নভগাটোক সজকণী বোলে।

গৰু বিহুৰ দিনাই কণী বেচিকৈ যুঁজায়। নামঘৰৰ সমুখ অথবা চুবুৰীৰ মুখিয়াল মানুহজনৰ চ'ৰাঘৰকে কণীযুঁজৰ থলি হিচাপে বাচি লোৱা হয়। কিছুমানে বিহুৰ আগে পাছে যেয়ে য'তে যেনেকৈ পায় ত'তে তেনেকৈ যুঁজায়। যুঁজৰ বেলিকা কণী পাতোতে মুঠিটোৰে মুখ বা বেওৰাৰ অংশহে কেৱল উলিয়াই ৰাখিব লাগে। বহলাই পাতিলে মাৰোতাজনে পেটৰ ফালে মাৰি সহজে কণী ভাঙিব পাৰে। সেয়ে দৰ-ভাও ছিগাৰ পাচতো বহুতে পতাতকৈ মাৰিবলৈহে উদ্যত হয়।

কেতিয়াবা মৰা আৰু পতাৰ অমিলতে বন্দবস্ত কৰা যুঁজো নহয়গৈ। এটা কণীয়েই বহুতো কণী ভাঙিলে সি চৈয়া নাম পায়। চৈয়া কণীৰ লগত চৈয়াহে যুঁজায়। অথবা চেলুদি যুঁজোৱা হয়। চেলু দিয়া মানে কণীৰ প্ৰকৃত মুখ বা তালিত নামাৰি পেটৰ অংশ বিশেষত চূণ বা অন্য কিবা ৰং লগাই সেই অংশত মৰা। ইয়াকে চেলু দিয়া বোলে। কণীৰ পেটৰ অংশ অন্য অংশতকৈ ঢিলা। সেয়ে গত্যন্তৰ নেদেখি প্ৰতিদ্বন্দ্বীয়ে এনে সুবিধা বিচাৰে। সাধাৰণতে কলীহাঁহৰ কণী টান। কণী টান হ'বৰ বাবে বহুতে হাঁহক ধানৰ লগতে ফুটছাই, চূণৰ গুড়ি আদি খুৱায়। গড়ালৰ কণী পৰা ঠাইত বালি, লিকটিয়া মাটি, গোবৰ আদিও ৰাখে।

হাঁহকণীৰ লগতে হাঁহকণীহে যুঁজোৱা হয়। কুকুৰাৰ লগত পাতিহাঁহৰ অথবা চীনাহাঁহৰ লগত ৰাজহাঁহৰ কণী যুঁজাবলৈ সংকোচ কৰে অৰ্থাৎ একেজাতীয় কণীৰ ভিতৰতহে খেলখন হয়।

কণীযুঁজ যদিও একপ্ৰকাৰ সৰু সুৰা জুৰা তথাপি বিহুৰ কেইদিনত ইয়াৰ মান সুকীয়া। সেই কেইদিনত কণী যুঁজাই খেলুৱৈ আৰু দৰ্শকে অতুল আনন্দ উপভোগ কৰে। ◇

**২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।**

## ৰ'টা ভাইৰাছৰ স্থানীয় প্ৰতিষেধক

প্ৰথমবাৰ স্থানীয়ভাৱে উৎকৰ্ষিত আৰু নিৰ্মিত ৰ'টাভাইৰাছ প্ৰতিষেধক 'ৰটাভিক' প্ৰধান মন্ত্ৰীৰদ্বাৰা অলপতে সূচনা কৰা হয়। এই প্ৰতিষেধকে শিশুৰ মৃত্যুৰ লগত সম্পৰ্কিত ডায়েৰিয়া আদি ৰোগৰ প্ৰতিষেধকৰ কাম কৰিব বুলি আশা কৰা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়, আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰ ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰতিষ্ঠান আদিৰ দৰে প্ৰতিষ্ঠান, ভাৰতৰ বায়'টেক ইণ্ডিয়া লিমিটেড্ৰ দৰে প্ৰতিষ্ঠান, ভাৰতৰ স্বেচ্ছাসেৱী অনুষ্ঠান আদিৰ মাজত অভিযোজিত ৰাজহুৱা-ব্যাক্তিগত অংশীদাৰী আৰ্হিত আৰু বিল আৰু মেলিণ্ডা গেইটছ-ফাউণ্ডেচনৰ সমৰ্থনত এই কাম কৰা হৈছে। গেইটছ্ ফাউণ্ডেচন আৰু ভাৰত বায়'টেক ইণ্ডিয়া লিমিটেডে উৎপাদন বিকাশ আৰু পৰীক্ষা আৰু ২৫ বছৰৰো অধিক কালজোৰা বিৰল প্ৰচেষ্টাৰ ফল হিচাপে ইয়াক সূচনা কৰাৰ বাবে বৰঙণি আগবঢ়াইছে। প্ৰধানমন্ত্ৰীয়ে এই কাৰ্যক উচ্চ পৰ্যায়ৰ গৱেষণা আৰু বিকাশ, ভাৰতত ঔষধজাতীয় সামগ্ৰীৰ অত্যাধুনিক উৎপাদন কৰাৰ বাবে ভাৰতৰ সামৰ্থ আৰু লগতে সামাজিক প্ৰত্যাহ্বান বহন কৰিব পৰা সমাধান কাৰ্যত ৰাজহুৱা ব্যক্তিগত অংশীদাৰ আৰ্হিৰ ফল হিচাপে প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে এই ব্যৱস্থাক সাধাৰণ লোকৰ হিতৰ বাবে চিকিৎসা সম্পৰ্কীয় গৱেষণাৰ ক্ষেত্ৰত ভাৰত আমেৰিকাৰ যুটীয়া প্ৰচেষ্টাৰ সফল উদাহৰণ হিচাপে আলোকপাত কাৰে।

## ফাৰ্মা-লিটাৰেছি ইনিচিয়েটিভ আৰম্ভ

ঔষধৰ উপলব্ধতা আৰু মূল্য সম্পৰ্কীয় গ্ৰাহকৰ অভিযোগসমূহৰ প্ৰতিবিধানৰ কাৰণে এটা ৱেৱ সমৰ্থ ব্যৱস্থা " ফাৰ্মা জন সমাধান' অলপতে আৰম্ভ কৰা হৈছে। নেশ্বনেল ফাৰ্মাচিউটিকেল প্ৰাইচিং অৰ্থ'ৰিটিৰ (এন পি পি এ) দ্বাৰা সৃষ্ট এই আঁচনিত ঔষধৰ উপলব্ধতা আৰু মূল্যৰ বিষয়ত পোৱা অভিযোগ সমূহৰ প্ৰতিবিধান আগবঢ়াব। ই ড্ৰাগছ (মূল্য নিয়ন্ত্ৰণ) অৰ্ডাৰ ২০১৩ ৰ সফল ৰূপায়ণৰ জৰিয়তে গ্ৰাহকৰ স্বাথৰ্ক সুৰক্ষা দিয়াৰ কাৰণে শক্তিশালী ই প্ৰশাসন আহিলা হিচাপে কাম কৰিব। "ফাৰ্মা জন সমাধানে" ঔষধৰ অত্যধিক মূল্য, ঔষধৰ অভাৱ অথবা কম পৰিমাণৰ ঔষধ, এন পি পি এৰ মূল্য অনুমোদন অবিহনে নতুন ঔষধ বিক্ৰী, ভাল আৰু যথেষ্ট পৰিমাণৰ কাৰণ অবিহনে যি কোনো ঔষধ বিক্ৰীৰ কাৰণে যোগান দিবলৈ অস্বীকাৰ আদি বিষয়ৰ অভিযোগ সমূহৰ অন লাইন সুবিধাৰ জৰিয়তে গ্ৰাহক বা অন্যান্য সকললৈ প্ৰতিবিধান আগবঢ়াব। এন পি পি এ-এ অভিযোগ লাভ কৰাৰ ৪৮ ঘন্টাৰ ভিতৰত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব। এই ফাৰ্মা লিটাৰেছি আঁচনিখন নিয়ন্ত্ৰকৰ ভূমিকাতকৈ অধিক সহজতৰ ভূমিকাত অৱতীৰ্ণ হ'ব আৰু জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। ই ক'লা বজাৰ, নকল ঔষধ আৰু ঔষধৰ মূল্যবৃদ্ধি আদিৰ বিৰুদ্ধে নিবাৰকৰ ভূমিকাত কাম কৰিব।


## ভাৰতত ছোৱালীৰ শিক্ষাৰ কাৰণে ডিজিটেল লিংগভেদৰ মানচিত্ৰ

ছোৱালীৰ শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে অলপতে মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ শিক্ষা আৰু সাক্ষৰতা বিভাগৰদ্বাৰা ডিজিটেল লিংগ ভেদ মানচিত্ৰ আৰম্ভ কৰা হৈছে। ইউনিচেফৰ সমৰ্থনত উৎকৰ্ষিত এই আহিলাই ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত কম কৃতিত্বৰ ভৌগলিক স্থান সমূহ বিশেষকৈ অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু সংখ্যালঘু আদিৰ দৰে প্ৰান্তীয় গোটৰ চিনাক্তকৰণত সহায় কৰিব।

এই মানচিত্ৰৰ উদ্দেশ্য হ'ল অক্ষমতা থকা ছোৱালীকে ধৰি আন স্পৰ্শকাতৰ গোটৰ ছোৱালীৰ বাবে ন্যায়সংগত শিক্ষা নিশ্চিত কৰাত সহায় কৰা। এই উদ্দেশ্য নিশ্চিত কৰিবলৈ ব্যৱধান ৰৈ যাব পৰা ক্ষেত্ৰত নিৰ্ণায়ক সিদ্ধান্ত আৰু কাৰ্য গ্ৰহণৰ ক্ষেত্ৰত সমৰ্থ কৰিব কৰিব পৰাকৈ লিংগভেদ মানচিত্ৰ (জেণ্ডাৰ আটলাছ) পৰিচালনাৰ আহিলা হিচাপে বিকাশ সাধন কৰা হৈছে।

শিক্ষাৰ কাৰণে একত্ৰিত জিলা তথ্য ব্যৱস্থাৰ (য়ু ডি আই এছ ই) পৰিসংখ্যা (২০১১-১৪) ২০১১ চনৰ লোকপিয়লৰ তথ্য আৰু জিলা পৰ্যায়ৰ স্বাস্থ্য জৰীপ (ডি এল এইছ এছ) ২০০৭-০৮ ৰ পৰিসংখ্যা ব্যৱহাৰ কৰি লিংগভেদ মানচিত্ৰই ভৌগলিক প্ৰতিনিধিত্ব আৰু ৰাজ্য জিলা খণ্ড পৰ্যায়ৰ সংখ্যাগত পৰিসংখ্যাৰ মাজত গতি পথ নিয়ন্ত্ৰণ কৰাত সহায় কৰিব আৰু প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু মাধ্যমিক স্তৰত ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰধান পৰিমাপৰ সন্দৰ্ভত তথ্য প্ৰদান কৰিব।

Published on 13th April 2015
Post on 16th April 2015
April, 2015
ISSN-0971-8371




মুদ্ৰক আৰু প্ৰকাশক ঃ সাধনা ৰাৱত, মুৰব্বী আৰু অতিৰিক্ত সঞ্চালক প্ৰধান, প্ৰকাশন বিভাগ
মুদ্ৰক ঃ আশী পাব্লিশ্বিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিছ, বিবিধা কমপ্লে'ক্স এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১
প্ৰধান সম্পাদক ঃ দীপিকা কচ্চল, জ্যেষ্ঠ সম্পাদকঃ অনুপমা দাস